দিশপুৰ মহাবিদ্যালয় আলোচনী

# অৰুণ

একাদশ প্ৰকাশ ঃ ২০০৫-২০০৬ বৰ্ষ



সম্পাদক ঃ
দুলাল বৰ্মন

# 'অৰুণ'
# সম্পাদনা সমিতি
# ২০০৫-০৬



বাওঁফালৰ পৰা বহি ক্ৰমে ঃ ড০ ৰীণা চৌধুৰী (শিক্ষক সদস্যা), ড০ মঞ্জৰী শৰ্মা (শিক্ষক সদস্যা), ড০ নমিতা ডেকা (তত্ত্বাৱধায়িকা), ড০ ৰীতা শৰ্মা (উপাধ্যক্ষা), ড০ অমৰ শইকীয়া (অধ্যক্ষ, সভাপতি)
বাওঁফালৰ পৰা ঠিয়হৈ ক্ৰমে ঃ শ্ৰীদুলাল বৰ্মন (সম্পাদক), শ্ৰী গুণজ্যোতি বড়ো (ছাত্ৰ সদস্য), শ্ৰীঅৰূপ কলিতা (ছাত্ৰ সদস্য, অনুপস্থিত)

প্ৰীতি আৰু শুভেচ্ছাৰে

শ্ৰদ্ধাৰ ........................................................ লৈ

আন্তৰিকতাৰে 'অৰুণ' আগবঢ়ালো।

ধন্যবাদেৰে

দুলাল বৰ্মন

সম্পাদক 'অৰুণ' ২০০৫-২০০৬

# দিশপুৰ মহাবিদ্যালয় আলোচনী

দিশপুৰ মহাবিদ্যালয়

অসতো মা জ্যোতির্গময়

স্থাঃ ১৯৭৮ ইং

# অৰুণ

একাদশ প্ৰকাশ

২০০৫-২০০৬ বৰ্ষ

তত্ত্বাৱধায়িকা
ড° নমিতা ডেকা

সম্পাদক
দুলাল বৰ্মন

# অৰুণ

'অৰুণ'ৰ সম্পাদনা মেজত

সভাপতি ঃ ড° অমৰ শইকীয়া
তত্ত্বাৱধায়িকা ঃ ড° নমিতা ডেকা
সম্পাদক ঃ দুলাল বৰ্মন

শিক্ষক সদস্য -
ড° মঞ্জৰী শৰ্মা
ড° বীণা চৌধুৰী

ছাত্ৰ সদস্য-
অৰূপ কলিতা
গুনজ্যোতি বড়ো

বেটুপাত অংকন-
বিকাশ দাস
সঞ্জীৱ কুমাৰ ৰায়

অলংকৰণ-
নয়নানন্দ শৰ্মা

অংগ সজ্জা/পৰিকল্পনা-
দুলাল বৰ্মন

মুদ্ৰণ-
ডাইমণ্ড প্ৰেছ
জটিয়া, কাহিলীপাৰা পথ
গুৱাহাটী - ৭৮১০০৬
ফোন নং ৯৮৬৪০-৬৯৬৪২

# শ্বহীদ তৰ্পন



দিশপুৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা

# শ্ৰদ্ধাঞ্জলি



স্বৰ্গীয় বেৰকান্ত হাজৰিকা

জন্ম ঃ ১৯৩৭ চন    মৃত্যু ঃ ২০০৬ চন

দিশপুৰ মহাবিদ্যালয় প্ৰতিষ্ঠা কৰি, অধ্যক্ষ পদত অধিষ্ঠিত হৈ শিক্ষাৰ দিশত এক উল্লেখযোগ্য বৰঙণি আগবঢ়াই সকলোৰে শ্ৰদ্ধা আৰু প্ৰশংশাৰ পাত্ৰ হোৱা প্ৰয়াত বেৰকান্ত হাজৰিকাদেৱৰ সুদক্ষ প্ৰশাসনৰ কথা স্মৰণ কৰি তেখেতলৈ আগবঢ়াইছোঁ আন্তৰিক শ্ৰদ্ধাৰ অঞ্জলি।



# অসম সাহিত্য সভা

কেন্দ্ৰীয় কাৰ্যালয় ঃ চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট-৭৮৫০০১ ☐ ☎ (০৩৭৬) ২৩২০৩৭৬
গুৱাহাটী কাৰ্যালয় ঃ ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-৭৮১০০১ ☐ ☎ (০৩৬১) ২৫২১৮৩০
ডিফু কাৰ্যালয় ঃ বাংহিলা ভৱন, ডিফু-৭৮২৪৬০ ☐ ☎ (০৩৬৭১) ২৭২৫৯০
ধুবুৰী আঞ্চলিক কাৰ্যালয়, ধুবুৰী-৭৮৩৩০১ ☐ ☎ (০৩৬৬২) ২৩২৫২৮

কনকসেন ডেকা
সভাপতি



## শুভ-কামনা

দিহপুৰ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ উদ্যোগত বাৰ্ষিক মুখপত্ৰ 'অৰুণ' অলপতে প্ৰকাশ পাব বুলি জানিব পাৰি সুখী হ'লো। বিদ্যালয়-মহাবিদ্যালয়ৰ আলোচনীসমূহৰ গুৰুত্ব অপৰিসীম, কিয়নো এই আলোচনীৰ পাততে ছাত্ৰ-ছাত্ৰীৰ সাহিত্য সৃষ্টিৰ অংকুৰণ ঘটে। পৰৱৰ্তী সময়ত এইসকলৰে কিছু সংখ্যকক সফল কবি-সাহিত্যিক হোৱা দেখা যায়। এই মহাবিদ্যালয়ে ইতিমধ্যে কে'বাগৰাকী যশস্বী কবি-সাহিত্যিক উলিয়াবলৈ সক্ষম হৈছে। ভৱিষ্যতে এই পৰম্পৰা অধিক শক্তিশালী হ'ব বুলি আশা কৰিছো। শব্দৰ মৃত্যু কাহানিও হ'ব নোৱাৰে। পুথিত লিপিবদ্ধ হোৱা কিছুমান শব্দৰ জৰিয়তেই সমাজ, দেশ ঐক্যবদ্ধ হৈ থাকে আৰু সেই শব্দবোৰেই যুগে যুগে পথ পদৰ্শকৰ ভূমিকা লৈ আহিছে। সেইবাবেই শব্দৰ সুচিন্তিত ব্যৱহাৰৰ ওপৰতেই সমাজৰ ভৱিষ্যৎ নিৰ্ভৰ কৰে বুলি কোৱা হয়।

যুব-ছাত্ৰ শক্তিৰ সঠিক ব্যৱহাৰৰ ওপৰত গুৰুত্ব দিয়াটো বাঞ্চনীয়। এই যুৱ শক্তিৰ সদ্ব্যৱহাৰ সম্ভৱ হ'ব পাৰে যদিহে তেওঁলোকক নিজ দায়িত্ব আৰু কৰ্তব্য সম্পৰ্কে সজাগ কৰি তোলা হয়। এই ক্ষেত্ৰত বিদ্যালয়-মহাবিদ্যালয়ৰ আলোচনীয়ে বিশেষ ভূমিকা ল'ব পাৰে। মহাবিদ্যালয়ৰ মুখপত্ৰ 'অৰুণ'ত অঞ্চলটোৰ বাৰেবহনীয়া আৰ্থ-সামাজিক দিশসমূহৰ কিছু প্ৰতিফলন ঘটাব পাৰিলে সোণত সুৱগা চৰোৱাৰ লেখীয়া হ'ব।

মুখপত্ৰ 'অৰুণ' সৰ্বাঙ্গসুন্দৰ হৈ প্ৰকাশ পাওক - এয়ে কামনা।



## শুভেচ্ছা বাণী

দিছপুৰ কলেজ এতিয়া গুৱাহাটী তথা অসমৰ অগ্ৰগণ্য কলেজ। এই কলেজত ছাত্ৰ-ছাত্ৰীসকলে জীৱনৰ বিভিন্ন কৰ্মক্ষেত্ৰত সুনাম আৰু কৃতকাৰ্য্যতা অৰ্জন কৰাটো আমি কামনা কৰোঁ। দিছপুৰ কলেজৰ আলোচনী 'অৰুণ'ৰ পুৰণি সংখ্যা দুটামান মই দেখাছোঁ। আলোচনীখনে কলেজৰ উচ্চ চিন্তা-চৰ্চাৰ বাতাবৰণ গঢ়ি তোলক আৰু ইয়াতেই অনুশীলন আৰম্ভ কৰি দুজনমান ভাল লেখক ওলাই আহক - ইয়াকে কামনা কৰি কলেজৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

তাৰিখ ঃ ১৮/৯/২০০৬

হোমেন বৰগোহাঞিঃ

**RIPUN BORA**
Minister, Education
Assam, Dispur

সত্যমেৱ জয়তে

Phone : 2237003 (O)
: 2237004 (O)
D.O.No....... ME/Res/8/2006.
Date .................. 07-10-2006.



# শুভেচ্ছা বাণী

শিক্ষা এটা জাতিৰ মেৰুদণ্ডস্বৰূপ। মেৰুদণ্ড সুদৃঢ় হ'লেহে এটা জাতিয়ে দৃঢ়ভাৱে থিয় হ'ব পাৰে। এই দৃঢ়তাৰ বাবে শিক্ষা আৰু ছাত্ৰ-ছাত্ৰী গুণসম্পন্ন হোৱাটো নিতান্তই প্ৰয়োজন। বিদ্যালয় অথবা মহাবিদ্যালয়ৰ আনুষ্ঠানিক, বিদ্যায়তনিক শিক্ষাৰ উপৰিও ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক, মানসিক উৎকৰ্ষ সাধন আৰু প্ৰতিভা বিকাশৰ হেতু অন্যান্য দিশৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা প্ৰয়োজন। বিদ্যালয় বা মহাবিদ্যালয় স্তৰৰ আলোচনী এখনে এই ক্ষেত্ৰত যথেষ্ট ভূমিকা পালন কৰে। দিশপুৰ মহাবিদ্যালয়ে বছৰেকীয়া আলোচনী 'অৰুণ' প্ৰকাশৰ ব্যৱস্থা কৰা বুলি জানিবলৈ পাই বৰ আনন্দিত হৈছো। আশাকৰো, আলোচনীখনে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভাক প্ৰতিফলিত কৰাৰ লগতে মহাবিদ্যালয়খনৰ সুৰপালণ আৰু কাৰ্যপন্থা সম্বন্ধে আগ্ৰহীজনক অৱগত কৰিব।

শুভ কামনাৰে

(ৰিপুন বৰা)



# শুভেচ্ছাবাণী

অধ্যাপক টাবু টাইদ
সভাপতি, পৰিচালনা পৰিষদ
দিছপুৰ কলেজ

দিছপুৰ কলেজৰ আলোচনী 'অৰুণ'ৰ পৰৱৰ্তী সংখ্যা শীঘ্ৰে প্ৰকাশ পাব বুলি জানি আনন্দিত হৈছোঁ। সম্পাদনা সমিতিৰ, বিশেষকৈ সম্পাদকৰ, সৃষ্টিশীল চিন্তা আৰু সৌন্দৰ্যবোধ প্ৰতিবিম্বিত কৰা এখন সৰ্বাংগ-সুন্দৰ 'অৰুণ' ওলাব বুলি আশা কৰিলোঁ।

আমাৰ দিছপুৰ কলেজৰ সমস্যা বহুত। কলেজৰ মাটি কম আৰু যিখিনি আছে, তাৰো কিছু অংশ ব্যৱহাৰৰ বাবে বৰ সুবিধাজনক নহয়। আগতে ততাতৈয়াকৈ সজা ঘৰ-দুৱাৰৰ সলনি স্থায়ী ঘৰ-দুৱাৰ নিৰ্মাণৰ প্ৰক্ৰিয়া চলি আছে, কিন্তু শেষ হোৱা নাই - সেয়ে কলেজৰ এটা পূৰ্ণাংগ 'কেম্পাছ' গঢ়ি উঠা নাই। ছাত্ৰ-ছাত্ৰীসকলক হোষ্টেল, খেলা-ধূলা আদিৰ সা-সুবিধা দিব পৰা নাই। তদুপৰি, কলেজৰ শিক্ষক-শিক্ষয়িত্ৰীসকল উপযুক্ত অৰ্হতাসম্পন্ন আৰু তেখেতসকলৰ শিক্ষাদান সু-মানবিশিষ্ট হোৱা স্বত্বেও কলেজখন এতিয়াৰ শ্ৰেষ্ঠ ছাত্ৰ-ছাত্ৰীসকলক আকৰ্ষণ কৰিব পৰা নাই।

এইবোৰ সমস্যা নিশ্চয় একেদিনেই সমাধান কৰিব নোৱাৰি। পৰ্য্যায়ক্ৰমে উন্নয়নৰ কামবোৰ কৰি থকা হৈছে আৰু আমি আশা কৰিছোঁ - অদূৰ ভৱিষ্যতে দিছপুৰ কলেজে গুৱাহাটী মহানগৰৰ শ্ৰেষ্ঠ কলজেসমূহৰ ভিতৰত আসন লাভ কৰিবলৈ সক্ষম হ'ব।

চন্দন নগৰ
বেলতলা
গুৱাহাটী

টাবু টাইদ
২২ নবেম্বৰ, ২০০৬

# মনৰ কথাৰে



তত্ত্বাৱধায়িকাৰ মেজৰ পৰা...

তৰ্জনী আঙুলিত ধৰি খোজ কাঢ়িবলৈ শিকা শিশুটোৱে ডাঙৰ হৈ নিজৰ তৰ্জনী আঙুলিটোৰে অইনক পথৰ নিৰ্দেশ দিব পাৰে। গতিশীল সময়ৰ বোকোচাত উঠি একাদশ বছৰত ভৰি দিয়া আলোচনী 'অৰুণো' আজি এচাম ছাত্ৰ-ছাত্ৰীক সাহিত্য-সাধনাৰ বৰঘৰলৈ যোৱা পথৰ নিৰ্দেশ দিব পৰা অৱস্থাত উপনীত হৈছে। 'অৰুণ'ৰ জন্ম লগ্নৰে পৰা জড়িত হৈ মই এই কথাই আজি উপলব্ধি কৰিছোঁ। এই উপলব্ধি সত্য বুলি প্ৰমাণিত হোৱাতে 'অৰুণ'ৰ সাৰ্থকতা।

এখন মহাবিদ্যালয়ৰ আলোচনীখন এখন দাপোণস্বৰূপ। এই দাপোণতে প্ৰতিবিম্বিত হয় মহাবিদ্যালয়খনৰ সৰ্বদিশ। সেয়ে আলোচনীখনৰ গুণাগুণ নিৰ্ণয়ত মহাবিদ্যালয়খনৰ এক বিশেষ ভূমিকা আছে। ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্য-সাধনাইহে মনোগ্ৰাহী সাহিত্যৰ সৃষ্টি কৰিব পাৰে। নিজৰ সাহিত্য-সৃষ্টিক, নিজ প্ৰতিভাক বিকশিত কৰিবলৈ ছাত্ৰ-ছাত্ৰীৰ উপযুক্ত অৱলম্বন হৈছে নিজৰ শিক্ষানুষ্ঠানখন। দিচপুৰ মহাবিদ্যালয়ৰ 'মহাবিদ্যালয় সপ্তাহ'ত ছাত্ৰ-ছাত্ৰীসকলে কবিতা, গল্প, প্ৰবন্ধ আদি ৰচনা কৰা প্ৰতিযোগিতাত অৱতীৰ্ণ হৈ তেওঁলোকৰ সৃষ্টিমূলক প্ৰতিভা বিকশিত কৰি আহিছে। সেইদৰে সঙ্গীত, অভিনয়, খেল-ধেমালি আদিতো তেওঁলোকৰ প্ৰতিভাই সকলোকে আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। 'অৰুণ'ৰ বাবে ছাত্ৰ-ছাত্ৰীসকলৰপৰা বুজন পৰিমাণৰ সঁহাৰি লাভ কৰা হৈছে যদিও আটাইবোৰেই উপযুক্ত বুলি বিবেচিত নোহোৱাত প্ৰকাশ কৰিব পৰা নহ'ল। এইখিনিতে ছাত্ৰ-ছাত্ৰীসকলক এটা কথা সকীয়াই দিব খুজিছোঁ। যিকোনো লিখনী প্ৰকাশৰ বাবে পঠিয়ালে এপিঠিত পৰিস্কাৰ আখৰেৰে লিখি পঠিয়াব লাগে। প্ৰতিটো শাৰীৰ মাজত সম্পাদনাৰ আঙুলি বুলাবলৈ কিছু ব্যৱধান থকাটো বাঞ্চনীয়। তদুপৰি কাগজখিলাও ভাল হোৱা উচিত। লিখনী বিচাৰি দিয়া জাননীত এনেবোৰ কথা স্পষ্টভাৱে উল্লেখ থকা সত্ত্বেও ছাত্ৰ-ছাত্ৰীসকলে তাৰপ্ৰতি মনোযোগ দিয়া দেখা নাযায়। আশাকৰোঁ ভৱিষ্যতে ছাত্ৰ-ছাত্ৰীসকলে এইবোৰ কথাৰ প্ৰতি গুৰুত্ব প্ৰদান কৰিব।

আলোচনীত প্ৰকাশিত কবিতা, গল্প, প্ৰবন্ধ আদি পঢ়িবলৈ প্ৰয়োজন এশ্ৰেণী সহৃদয় পাঠকৰ। পাঠকক আকৰ্ষণ কৰিব পৰা লিখনী প্ৰকাশতহে সেয়ে সততে গুৰুত্ব দিয়া হয়। ফলত বহুতৰে কবিতা, গল্প আদিয়ে প্ৰকাশৰ মুখ নেদেখে। পাঠকৰ কথা কওঁতেই মনত পৰিছে এটি পৌৰাণিক আখ্যানলৈ। নাৰদৰ গৰ্ব খৰ্ব কৰিবলৈ ৰাগৰাগিণীসকলে বিকৃতাঙ্গ হৈ পথত পৰি আছিল। নাৰদে ইয়াৰ কাৰণ জানিবলৈ বিচৰাত তেওঁলোকে নাৰদৰ সুৰহীন সঙ্গীতচৰ্চাই ইয়াৰ বাবে দায়ী বুলি ক'লে। তেওঁলোকে পূৰ্বৰ ৰূপ লাভ কৰিবলৈ হ'লে মহাদেৱে সুললিত কণ্ঠেৰে গান গাব লাগিব। তেতিয়া নাৰদে স্তুতি কৰি মহাদেৱক গান গাবলৈ সম্মত কৰালে। কিন্তু উপযুক্ত শ্ৰোতা নোপোৱাত মহাদেৱে গান গাবলৈ অস্বীকাৰ কৰিলে। অৱশেষত উপায়ন্তৰ হৈ ব্ৰহ্মা আৰু বিষ্ণু মহাদেৱৰ গীতৰ শ্ৰোতা হ'ল। মহাদেৱৰ গান শুনি বিষ্ণু ইমানেই বিগলিত হৈ পৰিল যে অৱশেষত ব্ৰহ্মাই তেওঁক কমণ্ডলুৰ ভিতৰত ৰক্ষা কৰিবলগীয়া হ'ল। বিষ্ণুৰ এই বিগলিত অংশই গঙ্গা। উপযুক্ত শ্ৰোতা বা পাঠক নাথাকিলে সকলো প্ৰকাশেই মূল্যহীন। হৃদয়গ্ৰাহী লিখনীৰ যেনে প্ৰয়োজন, তেনে প্ৰয়োজন এচাম পাঠকৰো।

'অৰুণে' লেখক সৃষ্টিত অৰিহণা যোগোৱাৰ লগতে গভীৰ দৃষ্টিসম্পন্ন পাঠকৰো জন্ম দিয়াত সহায় কৰিব পাৰিব লাগিব। কাৰণ, প্ৰতিটো দৃষ্টিকোণৰ অন্তৰালতে লুকাই থাকে উপলব্ধিৰ গভীৰতা। সূৰ্য্যকুমাৰ ভূঞাই কবিতাৰ ভাষাৰে কৈয়ে গৈছে,

*"কবিৰ অন্তৰখনি আলসুৱা অতি*
*তুমি তাত নিদিবা যাতনা,*
*কবিৰ প্ৰাণৰ কথা বুজিবা কি তুমি*
*তোমাৰ যে উপকৰা মন।"*

'উপকৰা মন' গভীৰতালৈ সোমাই যাব পাৰে অধ্যয়নৰ যোগেদি। তদুপৰি সৃষ্টিৰ বাবেও অধ্যয়নৰ প্ৰয়োজন।

এই সংখ্যা 'অৰুণ'ৰ বেটুপাতৰ বাবে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বেটুপাত অংকনৰ প্ৰতিযোগিতা পতা হৈছিল। পূৰ্বেও 'অৰুণ'ৰ বেটুপা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে আঁকিছে যদিও সেয়া প্ৰতিযোগিতাৰ ভিত্তিত নিৰ্বাচন কৰা হোৱা নাছিল। এই প্ৰতিযোগিতাত ছাত্ৰ-ছাত্ৰীৰ সঁহাৰি আশি আশাপ্ৰদ। প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান পোৱা তিনিওখন চিত্ৰকে 'অৰুণ'ত ঠাই দিয়া হৈছে। 'অৰুণ'ত এইবাৰ পোণপ্ৰথম হি শাখা এটা মুকলি কৰা হৈছে। ভৱিষ্যতে বড়ো শাখা খোলাৰো পৰিকল্পনা কৰা হৈছে। এটা কথা মনত ৰখা উচিত যে সাহিত্য সৃষ্টিত ভা পৰিৱেশ অথবা আঞ্চলিকতাই কোনো বাধাৰ সৃষ্টি কৰিব নোৱাৰে। পাৰ্লবাকে মাৰ্কিন যুক্তৰাষ্ট্ৰৰপৰা চীনলৈ আহি 'গুড্ আৰ্থ' ৰচনা কৰিছি

একাদশ সংখ্যা 'অৰুণ'ৰ তত্ত্বাবধায়িকাৰ গুৰু দায়িত্ব বহন কৰি অনাবিল আনন্দ লাভ কৰাৰ লগতে যথেষ্ট অভিজ্ঞতাও অৰ্জন কৰিলোঁ 'অৰুণ'ৰ জন্মলগ্নৰেপৰা প্ৰতিবাৰ তত্ত্বাবধায়িকাৰ মেজৰপৰা মই দৃষ্টি নিবদ্ধ ৰাখিছিলোঁ 'অৰুণ'ক উচ্চ মানবিশিষ্ট আসনত প্ৰতিষ্ঠিত কৰিবলৈ এইবাৰো তাৰ ব্যতিক্ৰম হ'বলৈ দিয়া নাই। এইক্ষেত্ৰত মই পৰামৰ্শ, সহায় আৰু সহযোগিতা লাভ কৰিছোঁ মাননীয় অধ্যক্ষ ড° অমৰ শইকীয়া মহোদয়, মাননীয়া উপাধ্যক্ষা ড° বীতা শৰ্মা মহোদয়া আৰু মোৰ সহকৰ্মী মৰমৰ ড° মঞ্জৰী শৰ্মা আৰু ড° বীণা চৌধুৰীৰ পৰা। অৰুণৰ প্ৰ মাননীয় ড° নবেশ্বৰ শৰ্মা মহোদয়ে তত্ত্বাবধায়িকাৰ গুৰু দায়িত্ব প্ৰদান কৰি লগতে পৰামৰ্শ আগবঢ়াই মোক মহাবিদ্যালয়লৈ সেৱা আগবঢ়োৱা অধিক সুযোগ দিলে। প্ৰতিদানত মই তেওঁলোকলৈ আগবঢ়ালোঁ ধন্যবাদ, কৃতজ্ঞতা আৰু শলাগৰ মৌ-মিঠা টোপোলা। 'অৰুণ'ৰ সম্পাদ শ্ৰীমানদুলাল বৰ্মনক ছাত্ৰ-ছাত্ৰীসকলে ঠিকেই নিৰ্বাচন কৰিছে। দুলালৰ আগ্ৰহ, দায়িত্ব আৰু কৰ্মনিষ্ঠাক মই প্ৰশংসা নকৰি নোৱাৰো। এ সুযোগতে দুলালক ধন্যবাদ জনোৱাৰ লগতে তেওঁৰ জীৱনৰ বাট প্ৰোজ্জ্বল হোৱৰ কামনা কৰিলোঁ। অধ্যাপক-অধ্যাপিকা তথা ছাত্ৰ-ছাত্ৰীৰ লিখ অবিহনে 'অৰুণ' অসম্পূৰ্ণ। সেয়ে লিখনীৰে 'অৰুণ'ৰ ধলফটিত উকলি দিয়া সকললৈও জনালোঁ কৃতজ্ঞতা। 'অৰুণ'ৰ সফলতাতে আম সকলোৰে শ্ৰমৰ সাৰ্থকতা। এবিনেজাৰ এলিয়টৰ এবাৰ কথাৰে সামৰণি মাৰিব খুজিছোঁ, "দেখাত অসফল যেন লগা বহুতো প্ৰচেষ্টাৰ মূলত মানুহে সফলতা অৰ্জন কৰে। অৰ্থাৎ প্ৰত্যেকটো উল্লেখযোগ্য সফলতাৰ আঁৰতে উৰ্পৰ্যুপৰি অনেক বিফল প্ৰচেষ্টা থাকে।"

২৯।১১।০৬ ইং
নমিতা ডেকা
তত্ত্বাবধায়িকা ঃ 'অৰুণ'





# সম্পাদকীয়...

সম্পাদকীয়ৰ পাতনিতে অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষাৰ হকে যি সকল বীৰ বীৰাংগনাই অসমীয়া জাতিৰ বীৰত্বৰ কথা বুৰঞ্জীৰ পাতত সোণালী আখৰৰ প্ৰলেপ পেলাই নৱ প্ৰজন্মক আদৰ্শ হিচাপে দেখুৱাই থৈ গল সেই বীৰ বীৰাংগনা সকললৈ মই মোৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলোঁ।

মনৰ তাগিদা এৰাব নোৱাৰি দিশপুৰ মহাবিদ্যালয়ত খোজ দিছিলোঁ বহু আশা বুকুত বান্ধি। দিশপুৰ মহাবিদ্যালয়ত পদাৰ্পনৰ পিছত সপোন দেখিবলৈ আৰম্ভ কৰিলোঁ। সপোন কি যে এক মিঠা শিহৰণ। যাৰ মাজত আছে সুবিশাল মাদকতা; য'ত লুকাই আছে সমগ্ৰ সত্তা। মাত্ৰ কেইটামান বাক্য বা শব্দৰ মাজেৰে আমি সপোনৰ সংজ্ঞা দিব নোৱাৰোঁ। তথাপিও অনুমান কৰিব পাৰোঁ যে সপোনে একাগ্ৰতাৰ এনাজৰীৰে বান্ধি ৰাখিছে কিবা এটা কৰি দেখুওৱাৰ উদ্যমী মনক। মনৰ সপোন বাস্তৱ জীৱনত প্ৰতিফলিত হোৱাতো প্ৰতিজন মানৱৰে কাম্য! কিন্তু! সপোন কাৰোবাৰ বাবে মিঠা শিহৰণ আৰু কাৰোবাৰ বাবে নিষ্ঠুৰ পৰিহাস। তথাপিও সপোন সকলোৰে কাম্য! সপোন! সপোন অবিহনে মানৱ জীৱন বৃথা। সপোনৰ পম খেদি হয়তো কোনোবা পিছলি পৰিছে আৰু কাৰোবাক লৈ গৈছে উচ্চতৰৰ পৰা উচ্চতমলৈ।

মহাবিদ্যালয়ৰ নিৰ্বাচনত আলোচনী সম্পাদক হোৱাৰ সপোন দেখি মনে মনে শিহৰিত হৈছিলোঁ। নিৰ্বাচনত জয়ী হলোঁ। আলোচনী খনৰ উন্নতিৰ বাবে কিবা এটা কৰাৰ সপোনে বাহ লৈছিল হৃদয়ৰ প্ৰকোষ্ঠ কোঠাত। অলেখ অযুত পৰিকল্পনা কৰিছিলোঁ। পিছে অপৈনত হাত মস্তিস্কই দেখোন মাজ নদীত বঠাহীন নাৱৰ দৰে ওপঙাই থৈছিল। ঠিক তেতিয়াই গন্য মান্য ব্যক্তিৰ পৰামৰ্শ তথা অধ্যক্ষ মহোদয় অথবা তত্বাৱধায়িকা বাইদেউৰ কাষ চাপিছোঁ। তেখেত সকলৰ মহান আদৰ্শৰে আগুৱাই যোৱাৰ অশেষ চেষ্টা কৰিছোঁ। এতিয়া মাথো আশা কৰিছোঁ সফল হোৱাৰ। দিশপুৰ মহাবিদ্যালয়ৰ দাপোন স্বৰূপ মুখপাত্ৰ "অৰুণ"ৰ একাদশতম প্ৰকাশটি পৰিকল্পিত ভাবে পাঠক সমাজৰ হাতত তুলি দিবলৈ পালেই জানিব পাৰিম যে মোৰ সপোন বাস্তৱত ধৰা দিছে; পূৰ্ণ হৈছে মনৰ আফুৰন্ত কামনা।

দিশপুৰ মহাবিদ্যালয়ত মোৰ কাৰ্য্যকালৰ আৰম্ভণিতে মহাবিদ্যালয় সপ্তাহ মোৰ শ্ৰদ্ধাৰ তত্বাৱধয়িকা ড° নমিতা ডেকা বাইদেউৰ তত্বাৱধানত বিভিন্ন প্ৰতিযোগিতাৰে নিয়ৰিকৈ পালন কৰোঁ। মহাবিদ্যালয় সপ্তাহত মোক বিভিন্ন দিশত সহযোগিতা আগবঢ়োৱা অৱসৰ প্ৰাপ্ত অধ্যক্ষ ড° নৰেশ্বৰ শৰ্মা ছাৰ প্ৰমুখ্যে ডঃ নমিতা ডেকা, ড° জয়জ্যোতি গোস্বামী, ড° মঞ্জুৰী শৰ্মা, ড° ৰীনা চৌধুৰী, শ্ৰীযুত বীৰণ নাথ ছাৰ আদিলৈ এই ছেগতে মই আন্তৰিক কৃতজ্ঞতা জনাইছোঁ।

মোৰ কাৰ্য্যকালত দিশপুৰ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ বেৰকান্ত হাজৰিকা ছাৰৰ মৃত্যু হয়। এই ছেগতে ড° বেৰকান্ত ছাৰলৈ মোৰ আন্তৰিক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলোঁ।

দিশপুৰ মহাবিদ্যালয়ৰ আলোচনী "অৰুণ" প্ৰকাশৰ বিভিন্ন দিশত সহায় কৰা নৱ নিৰ্বাচিত অধ্যক্ষ ড° অমৰ শইকীয়া ছাৰ, তত্বাৱধায়িকা ড° নমিতা ডেকা বাইদেউ প্ৰমুখ্যে সমূহ শিক্ষক/শিক্ষয়িত্ৰী, ছাত্ৰ একতা সভাৰ সদস্য তথা আলোচনী সম্পাদনা সমিতিৰ সমূহ বিষয় ববীয়াকো এই ছেগতে মোৰ ফালৰ পৰা আন্তৰিক কৃতজ্ঞতা জনালোঁ। ইয়াৰ উপৰিও মোক সহায় আগবঢ়োৱা সদৌ অসম ছাত্ৰ সন্থাৰ সদস্য সকল তথা মোৰ সমূহ বন্ধু-বান্ধৱী, ভাই-ভণ্টি সকললৈও মই এই ছেগতে শলাগৰ শৰাই আগবঢ়াইছোঁ।

"অৰুণ"ৰ একাদশতম সংখ্যাটি প্ৰকাশ কৰোঁতে হয়তো বহুতো ভুল-ভ্ৰান্তি হৈ গৈছে. অজানিতে হৈ যোৱা ভুল-ভ্ৰান্তিৰ বাবে পাঠক সমাজৰ ওচৰত মই ক্ষমা-মাৰ্জনা বিচাৰিছোঁ।

মোৰ কাৰ্য্যকালত জ্ঞাতে-অজ্ঞাতে হয়তো বহুতো ভুল কৰিছিলোঁ। সমূহ ভুল-ভ্ৰান্তিৰ বাবে শ্ৰদ্ধাৰ অধ্যক্ষ, শিক্ষাগুৰু তথা মৰমৰ বন্ধু-বান্ধৱীৰ ওচৰত মই ক্ষমা-মাৰ্জনা বিচাৰিছোঁ।

সদৌ শেষত দিশপুৰ মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰিলোঁ। বাৰ্ষিক আলোচনী "অৰুণ" পিছলৈ ইয়াতকৈও যাতে সুদৃঢ় হয় তাৰে কামনাৰে মই মোৰ সম্পাদকীয় প্ৰতিবেদনৰ ইতিৰেখা টানিলোঁ।

*জয়তু "অৰুণ"*
*জয়তু দিশপুৰ মহাবিদ্যালয়*
*জয়তু দিশপুৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা*

*দুলাল বৰ্মন*



# 'অৰুণ'ৰ দশম সংখ্যা পঢ়ি একাষাৰ




দিশপুৰ মহাবিদ্যালয়ৰ বছৰেকীয়া আলোচনী 'অৰুণ'ৰ দশম সংখ্যাটো হাতত পৰিছেহি। এই সংখ্যাটোৰ বিষয়ে কিঞ্চিৎ অভিমত দিবলৈয়ো ওলাব লগা পৰৱৰ্তী সংখ্যাৰ সম্পাদকৰ ফালৰ পৰা অনুৰোধো কৰা হৈছে। বিদ্যানিকেতনবোৰৰপৰা বছৰি একোখন আলোচনী উলিওৱাটো এটা শুভ পৰম্পৰা আৰু দিশপুৰ মহাবিদ্যালয়ো ইয়াৰ ব্যতিক্ৰম নহয়। ১৯৯৪-৯৫ বৰ্ষৰ পৰা অৰ্থাৎ দ্বিতীয় সংখ্যাৰ পৰা 'অৰুণ' নিয়মীয়াকৈ ওলাই আছে।

কলেজীয়া কালটো ছাত্ৰ-ছাত্ৰীসকলৰ সপোন দেখাৰ কাল। সাৰস্বত কিবা এটা কৰি দেখুওৱাৰ আগ্ৰহে তেওঁলোকৰ মনবিলাক টগবগাই ৰাখে। নিজৰ মনৰ ভাৱ অনুভূতি প্ৰকাশ কৰিবলৈ তেওঁলোকে সুযোগ বিচাৰি ফুৰে। তেওঁলোকক এই সুযোগ দিয়ে কলেজৰ বছৰেকীয়া আলোচনীখনে। এই ফালৰ পৰা এনে আলোচনীৰ গুৰুত্ব অসীম। এনে আলোচনী বিদ্যাৰ্থীসকলৰ ভৱিষ্যৎ লেখক জীৱনৰ কঠিয়াতলী স্বৰূপ। বয়োজ্যেষ্ঠ সাহিত্যিকসকলৰ ব্যক্তিগত জীৱনলৈ ভুমুকি মাৰিলে দেখা যায়, তেখেতসকলৰ সৰহভাগৰে লেখক জীৱনৰ অংকুৰ ঘটিছিল মহাবিদ্যালয়ৰ আলোচনীত।

'অৰুণ'ৰ দশম সংখ্যাটো পঢ়ি উৎফুল্লিত হৈছোঁ। ইংৰাজী আৰু অসমীয়া দুয়োটা ভাষাৰ প্ৰবন্ধ-কবিতাৰে আলোচনীখন সমৃদ্ধ কৰা হৈছে। স্বাভাৱিকতে অসমীয়া শাখাটোৰ সমৃদ্ধি অধিক। গল্প-প্ৰবন্ধ-কবিতা আদি ভিন্ ভিন্ ভাগত শাখাটো ভাগ কৰা হৈছে। কলেজীয়া আলোচনী এখনৰ পৰা, কোৱা বাহুল্য, অত্যুচ্চ মানদণ্ড আশা কৰিব নোৱাৰি। এনে আলোচনীত সাহিত্য-জীৱনৰ 'হাতেখড়িহে' হয়। তথাপি 'অৰুণ'ৰ প্ৰদত্ত সংখ্যাটো পঢ়ি আনুভৱ কৰিছোঁ যে ই যেনে মানদণ্ড ৰাখিব লাগিব লাগে, তাক পুৰাষল্লৈই ৰাখিবলৈ সক্ষম হৈছে। আলোচনীখনৰ প্ৰয়াবোৰ শতানেই চিত্তাকৰ্ষক। তথাপি বিশেষভাৱে আকৰ্ষণীয় পাইছোঁ 'লগ পাওঁ আহক' শিতানটো। এইটো আন আন কলেজীয়া আলোচনীত সচৰাচৰ নথকা শিতান। প্ৰাক্তন আৰু এতিয়াৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী তদুপৰি অভিভাবক আৰু প্ৰতিবেশী জনচেৰেকৰো কলেজখন সম্পৰ্কীয় মতামত এই শিতানত দিয়া হৈছে। এই শিতানটোৱে আনৰ লগতে কৰ্তৃপক্ষকো উপকৃত কৰিব বুলি আশা কৰিব পাৰি।

এতিয়া, মুদ্ৰাৰ আনটো পিঠি। আখৰ জোঁটনিৰ ভালেমান ভুল চকুত পৰিছে। এইবোৰৰ প্ৰতিটোকে ছপাশালৰ ভুল বুলিবও নোৱাৰি, কাৰণ একেটা শব্দৰে ভুল বানান পোৱা গৈছে। প্ৰতিবাৰ (যেনে হওঁক, তত্ব, আয়ত্ব ইত্যাদি)। বাক্য গাঁঠনি তথা একেটা বাক্যতে একে ভাৱৰ বিৰোধো মাজে মাজে চকুত নপৰা নহয়। (এটা প্ৰবন্ধৰ আৰম্ভণি বাক্যটো এনে - সংস্কৃতি এটি জাতিৰ দাপোণ স্বৰূপ, যাক তুলনা কৰিব পাৰি নদীৰ সতে। দাপোন বোৱতী হব পাৰেনে! ) অৰুণ'ৰ প্ৰকাশিতব্য সংখ্যাটো এনে ধৰণৰ ত্ৰুটীৰ পৰা নিশ্চয় মুক্ত হব। চপা-বন্ধাৰ ক্ষেত্ৰত সম্পাদকে বিশেষ দায়বদ্ধতা অৱলম্বন কৰা নাই যেন লাগিল। কাৰণ একেটা প্ৰবন্ধ একাধিকবাৰ ছপা হোৱা দেখা পাইছোঁ। (অন্ততঃ মই পোৱা সংখ্যাটোত।)

আলোচনীখনৰ শিতানবোৰ সুন্দৰ, সিবোৰত প্ৰকাশ পোৱা বক্তব্যবোৰ সুন্দৰ, সাজসজ্জা সুন্দৰ। সৌন্দৰ্যৰ এই পয়োভৰত আলোচনীখনৰ গোটাদিয়েক ত্ৰুটী নিতান্তই আৱাত্তৰ। 'অৰুণ'ৰ পৰৱৰ্তী সংখ্যাটো আৰু আটিকধুনীয়া হৈ ওলাওক ইয়াকে কামনা কৰিলোঁ।

শিৱনাথ বৰ্মন

# 'অৰুণ'ৰ পাতে পাতে...


| | | |
|---|---|---|
| **প্ৰবন্ধৰ সম্ভাৰ ঃ** | | |
| ✦ বে'ল ঐ বে'ল ই ইউ বে'ল | ড° বাণী মুদিয়াৰ ডেকা | ১ |
| ✦ অসমৰ কেইজনমান বিশিষ্ট ব্যক্তি | ড° প্ৰণীতা শৰ্মা | ৬ |
| ✦ সৌন্দৰ্যৰ সংজ্ঞা | মালবিকা ভট্টাচাৰ্য | ১০ |
| ✦ চাকৰি বনাম স্বনিয়োজন ঃ উদ্যমিতাৰ গুৰুত্ব | হিমাংশু কলিতা | ১১ |
| ✦ 'কাবেঙৰ লিগিৰী'ৰ শেৱালী | অজিত প্ৰসাদ শৰ্মা | ১৩ |
| ✦ আধুনিক পুথিভঁৰালত কম্পিউটাৰৰ প্ৰয়োজনীয়তা | নীহাৰিকা শৰ্মা | ১৫ |
| ✦ নামঘোষা ঃ অৱলোকন | উল্কা শৰ্মা | ১৬ |
| ✦ মানৱ জীৱন সাহিত্যৰ মাজেৰে | চন্দা ভৰালী | ১৮ |
| ✦ ড° নিৰ্মলপ্ৰভা বৰদলৈ ঃ এটি উজ্জ্বল নক্ষত্ৰ | বিজিত শৰ্মা | ২০ |
| ✦ সমাজৰ দায়বদ্ধতা আৰু 'নাৰী' | জ্যোতি কংকনা দত্ত বৰুৱা | ২১ |
| ✦ বন্ধুত্ব আৰু প্ৰেম | নমিতা বৰ্মন | ২২ |
| ✦ বৰ্তমান শকিতাৰ ভয়াবহ ৰোগ ঃ এইডচ্ (AIDS) | ভূপেন কলিতা | ২৩ |
| ✦ মাদকদ্ৰব্যৰ অপকাৰিতা | জুতিকা মেধি | ২৫ |
| ✦ অসমৰ জাতিগত সংঘৰ্ষ ; ইয়াৰ অৱসানত ছাত্ৰৰ ভূমিকা | হীৰেণ কুমাৰ নাথ | ২৬ |
| ✦ 'ক'লম্বিয়া' ঃ অভিশপ্ত মহাকাশৰ অভিযান | স্নিগ্ধা মৌচম ৰাভা | ২৭ |
| ✦ সু-অভ্যাস বা সজ আচৰণত এন চি চিৰ ভূমিকা | বিকাশ দাস | ২৮ |
| ✦ ক্ষেপনাস্ত্ৰ বিজ্ঞানী ড° আব্দুল কালাম | সুৰজিৎ পাল | ২৯ |
| **গল্পৰ শিতান ঃ** | | |
| ✦ ভাগ্য | ধ্ৰুৱজ্যোতি শৰ্মা | ৩০ |
| ✦ সপোনৰ ঘৰ | গৌতম ডেকা | ৩১ |
| ✦ উপলব্ধি | প্ৰণৱ কুমাৰ ডেকা | ৩২ |
| ✦ প্ৰতাৰণা | হেমন্ত কুমাৰ শৰ্মা | ৩৩ |
| ✦ সংঘাতে আনি দিয়ে জীৱনৰ পূৰ্ণতা | দিপাংক কলিতা | ৩৫ |
| ✦ স্মৃতিৰ খিৰিকি খুলি | অংগীৰা তামুলী | ৩৭ |
| ✦ একপি ফটো | লুকুমণি শইকীয়া | ৩৯ |
| ✦ প্ৰসংগ ঃ আত্মাৰ পোহৰ | হেমন্ত ডেকা | ৪০ |
| ✦ নুফুলা ফুলৰ সুবাস | হীৰেণ কুমাৰ নাথ | ৪২ |
| **সাধু কথা ঃ** | | |
| ✦ সত্য অসত্য | মঃ মুক্তাৰ আহমেদ | ৪৩ |
| **কবিতাৰ শিতান ঃ** | | |
| ✦ ঘূৰাবলৈ আহিলোঁ তোমাৰ এই কাকৈখনি | কমল জ্যোতি কলিতা | ৪৪ |
| ✦ প্ৰতীক্ষা | হেমেন ভৰালী | ৪৪ |
| ✦ অনুতাপ | পল্লৱী কলিতা | ৪৪ |
| ✦ মানৱতা | বাজু মিকিৰ | ৪৫ |
| ✦ মহাকাব্যৰ দৰে | মৃদুপবন মহন্ত | ৪৫ |
| ✦ দেৱী বন্দনা | গীতিলেখা দেৱী ভাগৱতী | ৪৬ |
| ✦ বিমৰ্ষ | ভগৱান দত্ত | ৪৬ |
| ✦ কেনেকৈ এৰি যাওঁ তোমাক | দুলাল বৰ্মন | ৪৬ |
| ✦ লিমাৰিক | ত্ৰীৱেণী বৰকটকী | ৪৭ |
| ✦ নিসঙ্গতাৰ আৰ্তনাদ | হেমন্ত ডেকা | ৪৮ |
| ✦ আঘোনে যাচে মোক সোণোৱালী বহন | হেমন্ত ডেকা | ৪৮ |
| ✦ নিঃসঙ্গতাৰ অৰণ্য | মৃদুপবন মহন্ত | ৪৯ |
| ✦ নিঃসঙ্গতাৰ আবৰণ | হিমাদ্ৰী ডেকা | ৪৯ |
| ✦ পৰিশুদ্ধি | বিশ্বদেব বৰা | ৫০ |
| ✦ জানো | ভাস্কৰ বৰুৱা | ৫০ |
| ✦ আঘোন মাহৰ নীলা বেদনা | আব্বাছ উল্লাহ | ৫১ |
| ✦ চিগাৰেটৰ যন্ত্ৰণা | জান বৰ্মন | ৫১ |

| | | |
|---|---|---|
| ✦ মাথো শূন্যতা | জ্যোতি কংকণা দত্ত বৰুৱা | ৫১ |
| ✦ আশা | প্ৰণামিকা বেজবৰুৱা | ৫২ |
| ✦ আমাৰ দিশপুৰ মহাবিদ্যালয় | জিতুমণি কলিতা | ৫২ |
| ✦ আৰ্তনাদ | ছায়াপ্ৰদা দাস | ৫৩ |
| ✦ প্ৰকৃতি | মিঠুন চক্ৰৱৰ্তী | ৫৩ |
| ✦ মা | মনিমা দাস | ৫৪ |
| ✦ বিষণ্ণতাৰ সুৰ | জ্যোতিপ্ৰকাশ বৰা | ৫৪ |
| ✦ আঘোন মাহৰ দস্তাবেজ | গগনাষ্টম | ৫৫ |
| ✦ জীৱন | ঋপালী ওজা | ৫৫ |
| ✦ কেঁচা পাতৰ কঁপনি | ব্ৰজেন শৰ্মা | ৫৬ |
| ✦ তুমি ওচি যোৱাৰ পিছত সদায়। | গৌতম ডেকা | ৫৬ |
| ✦ তুমি উভতিবা এদিন | পঙ্কজ শৰ্মা | ৫৭ |
| ✦ তুমি | আমিনুল ইচলাম | ৫৭ |
| ✦ বোমছুপৰ এটি পাঁট | পূৰ্ণিমা বৰা | ৫৮ |
| ✦ মানৱ | জিতু কলিতা | ৫৮ |
| ✦ যাত্ৰা | জুনুমণি তালুকদাৰ | ৫৯ |
| ✦ অনুভৱ | কহিনুৰ আমিনা | ৫৯ |
| **নীলা খামৰ চিঠি ঃ** | | ৬০-৬৪ |
| **English Section :** | | |
| ✦ Micro Finance and Entrepreneurship Development-Some Relevant Facts | Dr. Rita Sarma | 56 |
| ✦ On Folk Culture and The Assamese | Dr. Manjaree Sarma | 58 |
| ✦ Commerce Education Dispur College : A Retrospect | Dr. Jyotish Goswami | 72 |
| ✦ Investing Lesson - Stock Market for Young Investors | Mr. Ajay Mitra | 74 |
| ✦ Computer Literacy and Skills | KKuldip Medhi | 81 |
| ✦ With Whales in the Pacific Ocean | Basab Bhattacharjee | 86 |
| ✦ Birbey ; is there any end ? A part of our Social Life | Bidisha Kalita | 88 |
| ✦ Amrita Pritam - A Profile | Mamtaz Jallan | 88 |
| ✦ Sholay | Gargi Kalita | 89 |
| ✦ NCC Report | Rajesh Gupta | 90 |
| ✦ Dispur College and its Achievement in the Game of Volleyball | Swinkle Singh | 91 |
| ✦ Do you know ? Which the oldest game in the world is ? | Sonmai Rabha | 91 |
| **Poem :** | | |
| ✦ My Dispur College | Namita Das | 93 |
| ✦ How can I forget ? | Prakashi Hati Baruah | 93 |
| ✦ On seeing you | Ram Sarma | 94 |
| ✦ Beauty | Md. Aminul Islam | 94 |
| ✦ Dead the dead | Chandan Kalita | 94 |
| *हिन्दी भाग :* | | |
| ✦ *फुल बाहरे तेरी किस्मत* | *रिंकु बर्मन* | 95 |
| ✦ *नव बर्ष को प्रनाम* | *फिरोज आली* | 95 |
| ✦ *जख्मी दिल की पुकार* | *संदिप कुमार शर्मा* | 96 |
| ✦ *जीवन मूल्य* | *आशा कुमारी* | 96 |
| ✦ *शायरी* | *संदिप कुमार शर्मा* | 97 |
| ✦ কেমেৰাৰ লেন্সত আবদ্ধ মহাবিদ্যালয়ৰ কিছু মুহূৰ্ত | | ৯৯-১১২ |
| ✦ প্ৰতিবেদন | | ১১৩-১২২ |

# অধ্যক্ষৰ শুভকামনা



কৰ্মৰত অৱস্থাত অধ্যক্ষৰ একাংশ

'অৰুণ' প্ৰকাশ হ'ব— ভাল লাগিল। আমাৰ কাৰ্যকালৰ প্ৰথম আৰু 'অৰুণ'ৰ একাদশ সংস্কৰণ। এই 'এঘাৰ' বছৰতেই 'অৰুণ' যথেষ্ট পৰিপক্ক। অনাগত দিনত আৰু পৰিপক্ক হৈ যেন অসমৰ এখন অন্যতম মহাবিদ্যালয় আলোচনীৰূপে পৰিগণিত হয়, সেয়ে আমাৰ আশা।

মহাবিদ্যালয়খনৰ উত্তৰণৰ খতিয়ান বিদায়ী অধ্যক্ষ ডঃ নৰেশ্বৰ শৰ্মা চাৰৰ 'অৰুণ'ৰ দশম সংস্কৰণৰ শুভাশিসত প্ৰকাশ পাইছে, যিজনৰ দিনসমূহতেই উত্তৰণৰ লেখডালৰ উৰ্দ্ধমুখীতা সৰ্ব্বোচ্চ।

'অৰুণে' আশা ৰাখিছো, চেষ্টা ৰাখিব, অনাগত দিনবোৰত মহাবিদ্যালয়ৰ উৰ্দ্ধমুখীতা বজাই ৰাখিব। আমাৰ ফালৰ পৰা সহায়-সহযোগীতা, এই ক্ষেত্ৰত সদায় থাকিব। আমাৰ 'অৰুণ'লৈ অন্তৰ ভৰা শুভকামনা।

অমৰ শইকীয়া


ড° অমৰ শইকীয়া
অধ্যক্ষ, দিশপুৰ মহাবিদ্যালয়



কৰ্মৰত অৱস্থাত উপাধ্যক্ষাৰ একাংশ

# দিশপুৰ মহাবিদ্যালয়ৰ বিদ্যায়তনিক জয়যাত্ৰা

□ ড° প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য

বিদ্যা দদাতি বিনয়ং বিনয়াৎ যাতি পাত্ৰত্বাং পাত্ৰত্বাং ধনম প্ৰাতি ধনাৎ ধৰ্ম ঃ ততঃ সুখম্ এইফাঁকি সংস্কৃত শুভবচনৰে বিদ্যাৰ অধিষ্ঠাত্ৰী সৰস্বতী দেবীক বন্দনা কৰি গুৱাহাটী মহানগৰীৰ ঐতিহ্যপূৰ্ণ গণেশগুৰি -বেলতলা অঞ্চলৰে প্ৰাগ্‌জ্যোতিষপুৰ, তিব্‌পুৰ, দিশপুৰ নামে যুগে যুগে জনাজাত এই পবিত্ৰ স্থানত ১৯৭৮ চনতে প্ৰতিষ্ঠিত দিশপুৰ মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী পৰৱৰ্তী সপ্তবিংশ বাৰ্ষিক মহাবিদ্যালয় সপ্তাহৰ মুকলি সভা আৰু বঁটা বিতৰণি উৎসৱত মহাবিদ্যালয়ৰ অধ্যক্ষ তথা ছাত্ৰ একতা সভাৰ সভাপতি, উপ-সভাপতি, সাধাৰণ সম্পাদক প্ৰমুখ্যে সমূহ কৰ্মকৰ্তা, মহাবিদ্যালয়ৰ মানৱ সম্পদ স্বৰূপ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী , অভিভাৱক-অভিভাৱিকাসকলক আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰি এই শিক্ষানুষ্ঠানৰ বিদ্যায়তনিকজয়যাত্ৰা কামনা কৰিলোঁ ঃ ন হি জ্ঞানেন সদৃশং পৱিত্ৰমিহ বিদ্যাতে ...। জ্ঞানৰ সমান পবিত্ৰ বস্তু আৰু নাই সেয়েহে জ্ঞান অৰ্জনৰ অনুষ্ঠানবোৰৰ প্ৰয়োজনীয়তা স্বীকাৰ্য।

গুৱাহাটী নগৰীলৈ মই যেতিয়া ১৯৪৩ চনত নলবাৰী গৰ্ডন হাইস্কুলৰ পৰা প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ আহিছিলোঁ তেতিয়াৰ গুৱাহাটীৰ ৰূপৰেখা আৰু আজি ২০০৫ চনত গুৱাহাটীৰ মহান পৰিধি কল্পনাতীত। দ্বিতীয় মহাযুদ্ধ আৰু ভাৰত ত্যাগ আন্দোলনৰ পটভূমিত আমি বিভীষিকা-বিস্ময়-উদ্বেগৰ মাজত উৰুঙা উৰুঙা পৰিবেশত দিনবোৰ কটাইছিলোঁ ১৯৪৫ চনত দ্বিতীয় মহাযুদ্ধৰ সামৰণি পৰে আৰু ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰত স্বাধীন হ'ল। গুৱাহাটী নগৰীত কটন কলেজ, আৰ্ল ল কলেজ, সন্দিকৈ ছোৱালী কলেজৰ পিছতে ১৯৪৩ চনত বি বৰুৱা কলেজ আৰু ইয়াৰ পিছত ক্ৰমে আৰ্যবিদ্যাপীঠ কলেজ, প্ৰাগ্‌জ্যোতিষ কলেজ, পাণ্ডু কলেজ, গুৱাহাটী কলেজ তথা দিশপুৰ কলেজ পৰ্যায়ক্ৰমে স্থাপিত হৈ অসম ৰাজ্যৰ উচ্চ শিক্ষাৰ দায়িত্ব বহন কৰি আছে ঃ বি বৰুৱা কলেজত কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত আই-এ, আই-এ (কৰ্মাচ) শ্ৰেণীৰ আৰম্ভ কৰা হৈছিল — দিশপুৰ মহাবিদ্যালয়তো উচ্চতৰ মাধ্যমিক পাঠ্যক্ৰমেৰে শুভাৰম্ভ কৰা হৈছিল অধ্যক্ষ ৰেৱকান্ত হাজৰিকাৰ নেতৃত্বত। মই ১৯৮৬ চনত দিশপুৰ, বেলতলা, উলুবাৰীত নকৈ স্থাপিত মহাবিদ্যালয় তিনিখনৰ অসম উচ্চতৰ মাধ্যমিক পৰিষদৰ হৈ পৰিদৰ্শকৰূপে যথাবিহিত পৰিদৰ্শন প্ৰতিবেদন দাখিল কৰিছিলোঁ। সেই বছৰতেই অধ্যক্ষ ৰূপে বি বৰুৱা কলেজৰ পৰা অৱসৰ পাইছিলোঁ। অসম উচ্চতৰ মাধ্যমিক পৰিষদৰ সচিব ৰূপে অধ্যাপক কৃষ্ণকুমাৰ বৰা অধিষ্ঠিত আছিল। আজি সেই স্মৃতি মনলৈ আহিছে — অৱসৰপ্ৰাপ্ত অধ্যক্ষ ৰেৱকান্ত হাজৰিকাই আৰ্যবিদ্যাপীঠ মহাবদ্যালয়ৰ পৰা আহি এইখন মহাবিদ্যালয় প্ৰতিষ্ঠা কৰিছিল ... অধ্যক্ষ ড° নৰেশ্বৰ শৰ্মাও আৰ্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ অধ্যাপক ৰূপে অধ্যক্ষ গিৰিধৰ শৰ্মা মহোদয়ৰ দিনতে কাম কৰা কথা মই জানো আৰু তেতিয়া অধ্যাপক নৰেশ্বৰ শৰ্মাৰ খাৰঘুলিৰ বাসভৱনলৈ অধ্যক্ষ গিৰিধৰ শৰ্মাৰ সৈতে শুভবিবাহ উপলক্ষে যোৱা স্মৃতিও মনলৈ আহিছে। আজি অধ্যাপক নৰেশ্বৰ শৰ্মাক অধ্যক্ষ ৰূপে দেখা পাই অতিশয় আনন্দিত হৈছোঁ। দিশপুৰ মহাবিদ্যালয় সম্প্ৰতি কলা আৰু বাণিজ্য বিভাগৰ বিষয়বোৰেৰে প্ৰথম শ্ৰেণীৰ মহাবিদ্যালয় ৰূপে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত পৰিগণিত হোৱাত মই অতিশয় আনন্দিত হৈছোঁ। আমাৰ পুৰণি ছাত্ৰী অধ্যাপিকা চ'ণ কৌৰে এই মহাবিদ্যালয়ত খ্যাতিৰে কাম কৰিছিল। তেওঁৰ অকাল বিয়োগত মই মৰ্মান্তিক বেদনা পাইছোঁ। সাম্প্ৰতিক কালত মহাবিদ্যালয়বোৰৰ ভূমিকা বিশ্ববিদ্যালয় তথা 'NAAC' নামেৰে মান নিৰ্ণয়কাৰী অনুষ্ঠানে নিৰূপণ কৰে। সম্প্ৰতি অসম চৰকাৰে ঘাটি মঞ্জুৰিপ্ৰাপ্ত মহাবিদ্যালয়বোৰ প্ৰাদেশিকীকৰণৰ দ্বাৰা নতুন অধ্যায়ৰ সৃষ্টি হৈছে। 'নাক'ৰ পৰা 'বি' স্বীকৃতি পালেও অহা পাঁচ বছৰৰ ভিতৰত 'এ' গ্ৰেড পাব বুলি মই আশা ৰাখিলোঁ। মহাবিদ্যালয়ৰ পাঠ্যক্ৰমৰ উপৰিও ছাত্ৰ-ছাত্ৰী সকলৰ বাৰ্ষিক নবাগত সভা, যোগাসন, কলেজ সপ্তাহ উপলক্ষে খেল ধেমালি, সংগীত সুকুমাৰ কলা, তৰ্ক-আকস্মিক বক্তৃতা আদিৰ প্ৰতিযাগিতা আন্তঃ বিশ্ববিদ্যালয় উৎসৱ আদিয়ে বহিঃ পাঠ্যক্ৰম কাৰ্যক্ৰমনিকাৰ স্থান দখল কৰিছে। কৰ্মৰ বহিৰে মানুহৰ গত্যন্তৰ নাই। ছাত্ৰ-ছাত্ৰীসকলে যোগাসন তথা কাৰ্যকৰী বিষয়ৰ আধুনিক জীৱনত বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাই আমাৰ শিক্ষা ব্যৱস্থাক যিটো নৱৰূপ প্ৰদান কৰিছে ঃ পশ্চিমীয়া আদৰ্শৰে অনুপ্ৰাণিত বৰ্তমানৰ উচ্চ শিক্ষাত কম্পিউটাৰ, দৃশ্য শ্ৰব্য পদ্ধতি, অনাতাঁৰ কেন্দ্ৰ, টেলিভিছন, ইন্দিৰাগান্ধী মুক্ত বিশ্ববিদ্যালয়, ডাকযোগে পাঠ্যক্ৰম 'কৰেস্পণ্ডেন্স কৰ্চ', আদিয়ে কলা-বাণিজ্য, বিজ্ঞান আদি ক্ষেত্ৰতো নিতে নতুন নতুন পদ্ধতি সম্ভাৱৰ সৃষ্টি কৰিছে। বাণিজ্য বিষয়তো মেনেজমেণ্ট, একাউণ্টেন্সি, ষ্টেটিষ্টিকছ্ আদিয়ে নতুন নতুন সম্ভাৱনাৰ সৃষ্টি কৰিছে আৰু নতুন ধৰণৰ সা-সুবিধা, বিষয় নিযুক্তিৰ পথ মুকলি হ'ব ধৰিছে। এনে ধৰণৰ বঁটা বিতৰণী সভা তথা মুকলি সভাত ছাত্ৰ-ছাত্ৰীৰ সৰ্বাংগীন প্ৰতিভাৰ পৰিচয় প্ৰকাশ পায়। এইবোৰে ভৱিষ্যৎ জীৱনত নিশ্চয় সহায় কৰিব।

মই ইতিপূৰ্বে এইখন মহাবিদ্যালয়লৈ কেইবাটাও উপলক্ষত আহিছোঁ আৰু এই মহাবিদ্যালয়ৰ বিদ্যায়তনিক জয়যাত্ৰাৰ বাবে গৌৰৱ অনুভৱ কৰিছোঁ। □□

*(২০০৫ চনৰ 'মহাবিদ্যালয় সপ্তাহ'ৰ মুকলি সভাত বিশিষ্ট অতিথি হিচাপে ড° প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্যদেৱে ওপৰোক্ত লিখিত ভাষণটি প্ৰদান কৰিছিল।)*

# প্ৰবন্ধৰ সঁফুৰা


- ৰে'ল ঐ ৰে'ল ই ইউ ৰে'ল
- অসমৰ কেইজনমান বিশিষ্ট ব্যক্তি
- সৌন্দৰ্যৰ সংজ্ঞা
- চাকৰি বনাম স্বনিয়োজন ঃ উদ্যমিতাৰ গুৰুত্ব
- 'কাৰেঙৰ লিগিৰী'ৰ শেৱালী
- আধুনিক পুথিভঁৰালত কম্পিউটাৰৰ প্ৰয়োজনীয়তা
- নামঘোষা ঃ অৱলোকন
- মানৱ জীৱন সাহিত্যৰ মাজেৰে
- ড° নিৰ্মলপ্ৰভা বৰদলৈ ঃ এটি উজ্জ্বল নক্ষত্ৰ
- সমাজৰ দায়বদ্ধতা আৰু 'নাৰী'
- বন্ধুত্ব আৰু প্ৰেম
- বৰ্তমান শকিতাৰ ভয়াবহ ৰোগ ঃ এইডচ্ (AIDS)
- মাদকদ্ৰব্যৰ অপকাৰিতা
- অসমৰ জাতিগত সংঘৰ্ষ ; ইয়াৰ অৱসানত ছাত্ৰৰ ভূমিকা
- 'ক'লম্বিয়া' ঃ অভিশপ্ত মহাকাশৰ অভিযান
- সু-অভ্যাস বা সজ আচৰণত এন চি চিৰ ভূমিকা
- ক্ষেপনাস্ত্ৰ বিজ্ঞানী ড° আব্দুল কালাম

# ৰে'ল ঐ ৰে'ল, ইইউ ৰে'ল

□ ড° ৰাণী মুদিয়াৰ ডেকা
*প্ৰৱক্তা, অৰ্থনীতি বি ভাগ*

কোনোৱে বোলে ই ইউ ৰে'ল, কোনোৱে কয় ইউৰো ৰে'ল, অৰ্থাৎ ইউৰোপত চলা ৰে'ল। দেখিবলৈ প্ৰায় সেই একেই, "............ ৰে'ল ঐ ৰে'ল, দীঘে দেল পেল, পেটৰ মাজত সুমাই নিয় ল'ৰা-বুঢ়াৰ মেল ...।" ভাৰততেই হওঁক বা ইউৰোপতেই হওঁক, ৰেলেৰে ভ্ৰমণ কৰাৰ এক সুকীয়া আমেজ আছে। দীঘলীয়া উকিৰে ৰাক্-ৰাক্ ছন্দোবদ্ধ শব্দৰ লহৰ তুলি তুলি এটা সৰু ইঞ্জিনে ঠেক একা-বেঁকা পথেৰে টানি লৈ যায় এটাৰ নেওবত বান্ধি থোৱা আন এটা ডবাৰ লানি প্ৰচণ্ড গতিৰে জীৱনক আগবঢ়াই দি অতীতক পিচ পেলাই যোৱাৰ দৰে ৰেলযাত্ৰীয়ে ৰেলৰ খিড়িকিৰে পিচ পেলাই থৈ যায় প্ৰকৃতিৰ বিৰল শোভা, বিস্তীৰ্ণ পথাৰ, সেউজীয়া বননি অথবা বাটে ঘাটে বৈ থকা এজাক মানুহ।

আন দহটা ল'ৰা ছোৱালীৰ দৰেই সৰুতে মোৰ বাবেও ৰেল আছিল এক বিস্ময়। বহু ডাঙৰ হোৱালৈ ৰেলত উঠিয়েই পোৱা নাছিলোঁ। তেতিয়া মই হাইস্কুলৰ ওপৰ শ্ৰেণীত, যেতিয়া প্ৰথম ৰেলত উঠিছিলোঁ। বহুদিনীয়া হাবিয়াস পূৰণ হোৱাৰ আনন্দ, নতুন যাত্ৰাৰ শংকামিহলি উত্তেজনা আছিল হয়তো তেতিয়া, সেয়েহে ৰে'লত উঠি কেনে লাগিছিল প্ৰকৃততে অনুভৱেই কৰিব পৰা নাছিলোঁ। ভ্ৰমণৰ দূৰত্বও আছিল তেনেই কম – নলবাৰীৰ পৰা কৈঠালকুছি, পুনৰ, কৈঠালকুছিৰ পৰা নলবাৰী। পিচত গুৱাহাটীৰ পৰা নতুন দিল্লী, ক'লকাতা, চেন্নাই, হায়দৰাবাদ, পুৰী, বাঙ্গালোৰ ইত্যাদি দেশৰ কেইবাখনো ঠাইলৈ ৰে'লেৰে ভ্ৰমণ কৰাৰ অভিজ্ঞতা হ'ল। সাধাৰণ গতিৰে চলা ৰে'লৰ পৰা আৰম্ভ কৰি ৰাজধানী এক্সপ্ৰেছ, শতাব্দী এক্সপ্ৰেছৰ দৰে তীব্ৰবেগী ৰে'ল তথা চেন্নাইৰ পৰা উটীলৈ নেৰ'গজত চলা নীলগিৰি এক্সপ্ৰেছেৰে ভ্ৰমণ কৰি বহুতো মিঠা আৰু তিতা কেঁহা অভিজ্ঞতা আৰ্জিলো। গুৱাহাটীৰ পৰা নতুন দিল্লীলৈ যোৱাৰ পথত ৰাজধানী এক্সপ্ৰেছত নিশা মোৰ গাৰুৰ তলৰ পৰা অৰ্ন্তধান হৈছিল মোৰ হেণ্ডবেগটো, য'ত মই বহুতো দৰ্কাৰী বস্তু হেৰুৱাইছিলোঁ। মুম্বাইৰ পৰা পুনৈলৈ যোৱা শতাব্দী অক্সপ্ৰেছতো চকুৰ পলকতে নোহোৱা হৈছিল নতুনকৈ কিনা ছে'মছনাইটৰ নতুন হেণ্ডবেগ এটা ; অৱশ্যে, দৰ্কাৰী বস্তু বিশেষ একো নাছিল তাত। এবাৰ গোৱালিয়ৰ ষ্টেচনত গধূলি ৭ বজাত আহিবলগীয়া শতাব্দী অক্সপ্ৰেছখনৰ বাবে বৈ বৈ ওৰে ৰাতি লগোণে ভোকে ষ্টেচনৰ লেতেৰা ৱেটিং ৰুমৰ বেঞ্চত পৰি আছিলোঁ আমি দুহাল মানুহ। গোৱালিয়ৰ ষ্টেচনত জুতি লগাকৈ ভাল চাহ একাপো পাবলৈ নাই, অন্য বস্তুটো বাদেই। তাৰ আগে পাছেও টালি টোপোলা বান্ধি সময়ৰ মূৰকত আহিবলগীয়া ৰে'লখন বাতিল হোৱাত কেইবাবাৰো আলাই আথানি হৈছিল আমাৰ। ফুট-গধূলিতে গুৱাহাটী পাবলগীয়া ৰাজধানীত আহি কেতিয়াবা ৰাতি দুপৰত ঘৰ সোমাইছিলোহি।

যাত্ৰাপথৰ সঙ্গীসকলে দিয়া বিৰক্তিৰ অভিজ্ঞতাও কম নহয়। প্ৰায়েই ডবাত লগ পাও পানীকেঁচুৱাক লৈ অহা মাক, অবিৰামভাবে টেঁ টেঁ কৈ কৰা কন্দাকটা। অথবা ডেৰ/দুই বছৰীয়া মাক-পিতাকৰ হাক বচনলৈ কেৰেপকে নকৰা নিৰ্দোষ শিশুৰ নিৰ্দোষ অত্যাচাৰ। তদুপৰি, ষ্টেচনৰ সহ্যাতীত দুৰ্গন্ধ, ডবাৰ ভিতৰৰ অপৰিচ্ছন্নতা, লেতেৰা শৌচাগাৰ, পানীবিহীন বাহ্-বেচিন, ইত্যাদিবোৰৰ অভিজ্ঞতাতো আছেই। এইবোৰৰ লগতে আছে ৰাজধানী আৰু শতাব্দী এক্সপ্ৰেছৰ ডিঙিলৈকে ওপচাই দিয়া খাদ্য-সম্ভাৰ, সাধাৰণ ৰে'লত হৰেক ৰকমৰ বস্তু বেচিবলৈ অহা ভিন্ন বেশভূষাৰ ভিন্ন বয়সৰ বেপাৰী সকলৰ বেহুৰূপ, 'চায়ৱালা' আৰু 'মুমফলীৱালা'ৰ গলগলীয়া কণ্ঠস্বৰ, ষ্টেচনৰ হৈ চৈ, যাত্ৰীৰ ঠেলা-হেঁচা আৰু ক'ত কি! তাৰ মাজতেই ৰে'ল ভ্ৰমণৰ মাদকতা, গন্তব্য স্থানত গৈ উপস্থিত হোৱাৰ সুখানুভূতি, চিত্ৰ-বিচিত্ৰ অভিজ্ঞতাৰ পোহাৰ। তথাপিও, যেতিয়াই ৰে'লত উঠিছোঁ, তেতিয়াই যাত্ৰাৰ শেষত সঞ্চিত সৰু বৰ অভিজ্ঞতাৰ জোলোঙাত হাতভৰাই পাইছোঁ মুঠিয়ে মুঠিয়ে নাক কোঁচ খাই অহা বিৰক্তি।

পিচে, এইবাৰৰ কথা সুকীয়া। কিয়নো, এইবাৰ ইউৰো ৰে'ল, ইউৰোপৰ ইন্টাৰচিটি এক্সপ্ৰেছ, টি জি ভি, ট্ৰান্স ইটালিয়া, এচ. এন. চি. এফৰ দৰে চুপাৰ ফাষ্ট ট্ৰেইন; সম্পূৰ্ণ নতুন আৰু বিপৰীত অভিজ্ঞতা। জাৰ্মানীৰ ব্ৰেমেন আমাৰ মূল লক্ষ্যস্থান আছিল। আমি ছেঞ্জেন ভীছে (Schengen Visa) লৈছিলো যদিও জাৰ্মানী, ফ্ৰান্স, ইটালীত ঘূৰিবৰ বাবেহে আমাৰ এই ভিচাই অনুমতি দিয়ে। কলকাতাৰ এজেন্টৰ পৰাই আমি দহদিন ই ইউ ৰে'লত ঘূৰিব পৰা 'ৰে'ল পাছ' লৈছিলো। এই অনুমতি পত্ৰৰ চৰ্ত হ'ল ক্ৰয় কৰাৰ দিনৰ পৰা এমাহৰ ভিতৰত যিকোনো

দহটা দিন এইখন ব্যৱহাৰ কৰি আমি জাৰ্মানী, ফ্ৰান্স আৰু ইটালীত চলা যিকোনো চুপাৰ ফাষ্ট বা অন্য ৰে'লত যিমান দূৰ ইচ্ছা সিমান দূৰলৈ ঘূৰিব পাৰোঁ। আমি হিচাব-নিকাচ কৰি বচা বচা ঠাই কেইখনমান চোৱাৰ পৰিকল্পনা কৰিছিলোঁ। সেইমতে, ব্ৰেমেন-বাৰ্লিন, বাৰ্লিন-ক'ল'ন, ক'ল'ন-পেৰিচ, পেৰিচ-লিঁঅ', লিঁঅ'-নীচভেলি, নীচভেলি-ৰোম, ৰোম-ভেনিচ, ভেনিচ-মিউনিক, মিউনিক-ব্ৰেমেন আৰু এদিন ব্ৰেমেন-হামবাৰ্গ, হামবাৰ্গ-ব্ৰেমেন – মুঠতে দহদিন আমি ই ইউ ৰে'লত তিনিওখন দেশত ভ্ৰমণৰ সুযোগ লৈছিলোঁ। জাৰ্মানীত ইন্টাৰনেচনেল ইউনিভাৰ্চিটি অৱ ব্ৰেমেনৰ অতিথিশালাতেই আমি কেইবাদিনো আছিলো বাবে ভেগেচাকৰ (ইউনিভাৰ্চিটি অৱস্থিত চহৰখনৰ নাম) পৰা ব্ৰেমেন আৰু ব্ৰেমেনৰ পৰা ভেগেচাকলৈ কেইবাদিনো জাৰ্মানীৰ লোকেল ট্ৰেইনত উঠি ফুৰিছিলোঁ। বাৰ্লিন, পেৰিচ, লিঁঅ' আদি কেইবাখনো ঠাইত মেট্ৰ'ত উঠাৰ সুবিধাও পাইছিলোঁ। এইবাৰ অভিজ্ঞতাৰ জোলোঙাত বহুতো আকৰ্ষনীয় স্মৃতি। ভ্ৰমণকালত প্ৰত্যক্ষ কৰা ঘটনা অথবা বস্তুবোৰৰ নতুনত্বই হয়তো এই আকৰ্ষণৰ মূল আছিল। কিন্তু, কেৱল নতুন বাবেই যে এই অভিজ্ঞতা সুখদায়ক আছিল এনে নহয়। প্ৰকৃততে, ইউৰোপৰ ৰে'ল পৰিবহন ব্যৱস্থাৰ পৰিকল্পিত পৰিচালনা পদ্ধতি, শৃঙ্খলাবদ্ধতা, পৰিস্কাৰ-পৰিচ্ছন্নতা, সময়ানুবৰ্তিতা, নিয়মানুবৰ্তিতা, উন্নত মানৰ গ্ৰাহক সেৱা -ইত্যাদি কথাবোৰেহে মন মুহি নিছিল। কাৰিকৰী কথাবোৰলৈ নগৈ চকুৰে দেখা সৰু সৰু অথচ মনত সাঁচ বহুৱাই যোৱা কথাবোৰ ইয়াত উল্লেখ কৰাৰ প্ৰয়াস কৰিছোঁ।

আমাৰ যাত্ৰাৰ প্ৰথম দিনাই ব্ৰেমেন এয়াৰ পোৰ্টত নামি কিছুদূৰ ট্ৰামেৰে গৈ ব্ৰেমেন বেলষ্টেচনত যেতিয়া সোমাইছিলোঁ, মোৰ এখন চুপাৰ-মাৰ্কেটত সোমোৱা যেন লাগিছিল। চাৰিওপিনেচোন বিভিন্ন সামগ্ৰীৰ দোকান, প্লেটফৰ্ম ক'ত! পিচত লিফ্‌টেৰে উঠিগৈ ভেগেচাকলৈ যোৱা প্লেটফৰ্মত থিয় হৈছিলোঁ। ওপৰত প্লেটফৰ্ম, তলত অনুসন্ধান কাৰ্যালয়, টিকট কাউন্টাৰকে ধৰি অন্যান্য সা-সুবিধাৰে সজ্জিত বেলষ্টেচন। ভাবতত এনে ষ্টাইলৰ বেলষ্টেচন দেখা নাছিলো বাবে আশ্চৰ্য্যবোধ কৰিছিলো। মুগ্ধ হৈছিলো বাৰ্লিনৰ আলেকজেণ্ডাৰ প্লাট্‌জ্‌ত থকা কাঁচৰ বেৰেৰে চাৰিওদিশ আবৃত বিশাল ৰে'লষ্টেচনটিত উপস্থিত হৈ। ইমান বৃহৎ ৰে'লষ্টেচন, অথচ কি পৰিপাটি সুন্দৰ ব্যৱস্থাপনা। নতুন দিল্লী অৱশ্যে আমাৰ হাওৰা ষ্টেচনটিও কম বৃহৎ নহয়। নতুন দিল্লী ৰে'লষ্টেচনৰ এলেকাও জানো কম! অৱশ্যে, নিৰ্মান শৈলী, ব্যৱস্থাপনা আদিত আছে আকাশ-পাতাল পাৰ্থক্য। তদুপৰি, আমাৰ ইয়াত ৰেলষ্টেচন মানেই জাবৰ জোথৰ, দুৰ্গন্ধ, মজিয়াই বাবান্দাই বিচনা পাৰি শুই থকা এমখা মানুহ, পিচে পিচেখেদি অহা শেগুন-নকা ভিখাৰী, পঙ্গু বেমাৰীৰ

সাহয্য বিচাৰি প্ৰসাৰিত কৰা অসংখ্য হাত, ষ্টেচনৰ বাহিৰ ... টেক্সিবালা, অট'বালাৰ টনাটনি। তাত এইবোৰ নাই। ভিন্ন কৰি ... কাপোৰ-কানি, কিতাপ-আলোচনী, মনোহাৰী সামগ্ৰী, ইলেক্ট্ৰনি... দোকনৰ মাজত একাষৰীয়াকৈ ৰে'লষ্টেচনৰ বিভিন্ন কাৰ্যালয়, ... অনুসন্ধান কক্ষ, বৈদেশিক মুদ্ৰা বিনিময় কেন্দ্ৰ, ইত্যাদিৰে এক ... বিপৰীত ছবি বেল'ষ্টেচনৰ। ঠায়ে ঠায়ে ঠাণ্ডা পানীয়, কফি, ... বটল, চিগাৰেট, চ'কলেট, বিস্কুট আদিৰ অট'মেটিক ভেণ্ডিং মেচি... জাবৰ পেলাবৰ বাবে নিৰ্দিষ্টকৈ ৰখা আছে ডাষ্টবিনবোৰ কাগজৰ টুকু... বাবে বেলেগ, প্লাষ্টিক বা আইনাৰ টুকুৰাৰ বাবে বেলেগ, ইত্যা... প্লেটফৰ্মতো একেই ব্যৱস্থা। অ'ত ত'ত কেতিয়াবা চিগাৰেটৰ টুকু... পৰি থকা দেখা যায়, হয়তো অসাৱধান যাত্ৰীৰ বেপৰোৱা চলন-ফুৰ... স্বাক্ষৰ। লিঙ্গভেদে প্ৰায় আশী শতাংশ যাত্ৰীৰে হাতত চিগাৰেট। চিগাৰে... হেনো স্বাস্থ্যৰ পক্ষে হানিকৰ। যিবোৰ মানুহৰ হাতত বা ওঠৰ ফাঁক... চিগাৰেট, তেওঁলোকতো কোনো পধ্যেই এই কথাযাৰ নুবুজা মানু... নহয়। আচলতে, দেশ-কাল-লিঙ্গ ব্যতিৰেকে নিচাই মানুহক অন্ধ অ... অজ্ঞ কৰি ৰাখে।

বেলষ্টেচনত আটাইতকৈ ভাল লাগিছিল তথ্য যোগান... ব্যৱস্থাটো। মেট্ৰ'ষ্টেচন, লোকেল ট্ৰেইন ষ্টেচন অথবা বাৰ্লিন-মিউনি... আদিৰ দৰে বৃহৎ ষ্টেচনবোৰতো যাত্ৰীৰ সুবিধাৰ্থে দিশ তথা স্থানীয় বা... পথ, ঠাই ইত্যাদি নিৰ্দেশকাৰী থলুৱা মানচিত্ৰ অ'ত ত'ত লগোৱা থাকি... ক'ল'ন ষ্টেচনত নামি আমি আগতেই 'বুক' কৰি থোৱা হোটেলখন... অৱস্থান সম্পৰ্কে ষ্টেচনৰ অনুসন্ধান বুথটোত যেতিয়া জানি... বিচাৰিছিলো, তাত থকা কৰ্মচাৰীজনে মুখেৰে সুন্দৰকৈ বুজাই দিয়া... উপৰিও কাষতে থকা কম্পিউটাৰটোৰ পৰা ফট্‌কৈ এখন স্থানীয় মানচিত্ৰ... কপিও আমাৰ হাতত তুলি দিছিল। তদুপৰি, প্ৰতিটো ষ্টেচনতে পৰ্য... বা অন্য যাত্ৰীৰ বাবে অনুসন্ধান কক্ষত বিনামূলীয়া পুস্তিকাবোৰ থাকে... এদিনীয়া তথা নতুন ঠাই বুলি মুঠেও বিপদত পৰিবলগীয়া নহয়। অনুসন্ধা... বুথবোৰৰ অন্য এটা তকুত লগা কথা আছিল এয়ে যে সকলোৰে কিউ... থাকিব আৰু এজন এজনকৈ নিৰ্দিষ্ট আসনত বহি থকা কৰ্মচাৰী জন... কাষলৈ গৈ নিজৰ প্ৰয়োজনীয় কথা সুধিব। এই কিউটো অনুসন্ধা... ডেস্কৰ পৰা ছয়/সাত ফুট দূৰৈত। এজনৰ কাম শেষ হ'লেহে অ... এজন আগবাঢ়িব পাৰে। বাকীবোৰে বেচ ধৈৰ্য্য ধৰি ৰৈ থাকে। ডা... ষ্টেচনবোৰত অনুসন্ধান বুথৰ সংখ্যাও বহুত। কোনখন ট্ৰেইন কি... সময়ত আহি পাব আৰু ষ্টেচন এৰিব, কোনটো প্লেটফৰ্মত ৰখ... কোন নম্বৰৰ পৰা যাত্ৰা কৰিব, কোনখনৰ কিমান পলম হব, – ইত্যা... সকলো বোৰৰ বিতং তথ্য ষ্টেচনৰ কেইবাঠাইতো আৰি থোৱা স্ক্ৰীণ...

অবিৰতভাৱে নিৰ্দেশ কৰা থাকেই। আকৌ, দুপাৰ ফাষ্ট ট্ৰেইনবোৰৰ কোনটো ডবা কোনখিনিত ৰ'বহি, তাক ট্ৰেইনখনৰ ডবাৰ নম্বৰসহ ছবি আঁকি দিয়া থাকে।

ফ্ৰান্স বা ইটালীত পোৱা নাছিলোঁ, কিন্তু জাৰ্মানীত প্ৰতিখন ঠাইতে ইন্টাৰচিটি বা ইউৰোচিটি এক্সপ্ৰেছত উঠাৰ পিচতেই পাইছিলো একোখন ভ্ৰমণ-প্লেন, যাক কোৱা হয় Reiseplan. যাত্ৰাস্থলীৰ পৰা ট্ৰেইনখনৰ শেষ গন্তব্যস্থান পৰ্যন্ত নিৰ্দিষ্ট সময়, কোনটো কোনটো ষ্টেচনত কিমান সময় ৰ'ব, –এই আটাইবোৰ কথা সেই ভ্ৰমণ প্লেনখনত দিয়া থাকে। অদুপৰি, অভিঅ' ভিজুৱেল ঘোষণা আছেই। জাৰ্মানীত এই ঘোষণা আৰু ইংৰাজী দুয়োটা ভাষাৰেই দিয়া হৈছিল যদিও ফ্ৰান্স আৰু ইটালীত চলা এচ. এন. চি. এফ., টি জি ভি, ট্ৰান্স ইটালিয়া আদিত কেৱল নিজ দেশীয় ভাষা অৰ্থাৎ ফ্ৰেন্স আৰু ইটালিয়ান ভাষাতহে কৰা হৈছিল। ভাষাৰ বাবেই আমি এঠাইত বিৰক্তও হৈছিলোঁ। ফ্ৰান্সৰ লিঁঅ' ষ্টেচনত প্ৰায় বাৰটা কাউন্টাৰৰ মাথোন এটা কাউন্টাৰতহে ইংৰাজীত কথা পতিব পৰা কৰ্মচাৰী আছে। আমি আমাৰ পৰৱৰ্তী গন্তব্যস্থানলৈ যাবলগীয়া ট্ৰেইনৰ সময়সূচী তথা অন্যান্য বিষয়ৰ অনুসন্ধান কৰিবলৈ যোৱাৰ পৰত সেই ইংৰাজী কোৱা কাউন্টাৰত কোনো নাছিল। গতিকে, ফ্ৰেন্স ভাষা কব আৰু বুজিব নোৱাৰা বাবে আমি যথেষ্ট বিপাঙত পৰিছিলোঁ। অলপ উত্তেজিত হৈ আমাৰ পুত্ৰই তেওঁলোকক সকীয়াইছিল যে ইউৰোপীয়ান ইউনিয়নৰ সদস্য দেশ হিচাপে আৰু ইউনিয়নৰ এটা কমন ভাষা হিচাপে ইংৰাজী পেছাগতভাৱে ব্যৱসায়িক এলেকাত তেওঁলোকে ব্যৱহাৰ কৰা উচিত। সিহঁতে কথাখিনি বুজি পাইছিল আৰু 'বেঙা'ৰ দৰে পাতলকৈ হাঁহি থৈছিল। পিছত যেনিবা ইংৰাজী কোৱাজন আহি পাইছিলহি।

ৰেলষ্টেচনবোৰত ভাৰতৰ ৰেলষ্টেচনত থকা এটা গুৰুত্বপূৰ্ণ উপাদান নাই। সেইটো হৈছে 'কুলী'। গতিকে, নিজৰ মাল পত্ৰ নিজেই কঢ়িয়াব লাগে। অৱশ্যে, কুলীৰ সলনি আছে ট্ৰলী। ট্ৰলীবোৰ আকৌ ৰখা হয় বেলেগ কায়দাত। নিৰ্দিষ্ট ঠাইবোৰত ট্ৰলীবোৰ তলালগোৱা থাকে। নিৰ্দিষ্ট ট্ৰলীৰ নিৰ্দিষ্ট ঠাই এটুকুৰাত ৫০ চেন্টৰ মুদ্ৰা (ঠায়ে ঠায়ে বেলেগো হ'ব পাৰে)। এটা ভৰাবলৈ নিৰ্দেশ দিয়া থাকে। পইচাটো সুমুৱাই ট্ৰলীখন টানি দিলেই তলা খোল খাই যায়। চলি থকা অৱস্থাত অথবা তলা খুলি থোৱা অৱস্থাত পইচাটো উলিয়াই আনিব নোৱাৰি। নিজৰ সুবিধা জনক ঠাইত মালপত্ৰ থৈ পুনৰ আগৰ ঠাইলৈ আনি ট্ৰলীখন আনবোৰ ট্ৰলীৰ সৈতে লগ লগাই দি তলাটো লগাই দি পইচাটো ঘূৰাই লব পৰা যায়। অথবা, পইচাটোৰ মোহ এৰি অ'ত ত'ত পেলাই থলে যিয়ে ট্ৰলীখন নিৰ্দিষ্ট স্থানত থব, সিয়েই পইচাটো পাব। বেচ বুদ্ধিৰে কৰা ব্যৱস্থা, সৰু অথচ প্ৰশংসনীয় ব্যৱস্থা।

আমাৰ ইয়াত নথকা অন্য এক ব্যৱস্থাও তাৰ ৰেলষ্টেচনত দেখিছিলোঁ। সেয়া হ'ল, অট'মেটিক স্ক্ৰীণ টাচ্চ টিকেট মেচিন আৰু টিকেট ভেলিডেটিং মেচিন। ষ্টেচনবোৰত স্বয়ংক্ৰিয় টিকেট যন্ত্ৰ থাকে। স্ক্ৰীণত থকা নিৰ্দেশমতে লক্ষ্যস্থানৰ নাম বিচাৰি উলিয়াই নিৰ্দিষ্টস্থানত আঙুলি বুলাই থাকিলে টিকেটৰ দাম পৰ্দাত ভাহি উঠে। সেইমতে, মুদ্ৰা নিৰ্দিষ্ট ঠাইত ভৰাই দিলে টিকেট ওলাই আহে। আকৌ, মূৰত চাৰিচুকীয়া সৰু বাকচ থকা খুটা একোটা ষ্টেচনবোৰৰ অ'ত ত'ত লগোৱা থাকে। তাত ইতিমধ্যে কাটি থোৱা টিকেটটো ভৰাই দিলে প্ৰয়োজনীয় ষ্টাম্পসহ টিকটটো ওলাই আহে। সাধাৰণতে ষ্টাম্পটোত যাত্ৰাৰ তাৰিখটো থাকে। এই ষ্টাম্পটোৰেই টিকেটটো বৈধ (valid) হোৱাৰ চিন।

ষ্টেচনবোৰত ৰেল নিৰাপত্তাৰক্ষীবোৰকো পিয়াপি দি থকা দেখিছিলোঁ। কোনো যাত্ৰী ওচৰ চাপি কিবা সুধিলেই তৎপৰ হৈ উত্তৰ দিয়াও লক্ষ্য কৰিছিলোঁ। আমি যিকেইদিন ঘূৰিছিলোঁ, প্ৰায় প্ৰতিখন ট্ৰেইন সময়মতে ষ্টেচন পাইছিল আৰু সময়মতেই ষ্টেচন এৰিছিল। কেতিয়াবা কোনোখনৰ ৫/৮ মিনিট পলম হ'লেও পূৰ্বতেই জাননী দি দিছিল। ষ্টেচনত নিৰ্দ্ধাৰিত সময়তকৈ আধামিনিটো অধিক ৰোৱা দেখা নাছিলোঁ। যাত্ৰীৰ উঠা নমাও বেচ শৃঙ্খলাবদ্ধ। প্ৰথমতে, নামি যাবলৈ দিব লাগিব, তাৰ পিচতহে শাৰী পাতি থকা যাত্ৰী ট্ৰেইনত উঠিব।

ট্ৰেইনৰ ভিতৰখন যথেষ্ট পৰিপাটি। প্ৰতিটো টিকেটৰ বিপৰীতে সুকীয়া আসনৰ ব্যৱস্থা, আকাশী যানৰ দৰেই। ঠায়ে ঠায়ে চাৰিজনীয়া চকীৰ মাজত ফ'ল্ডিং মেজৰ ব্যৱস্থা। আহল বহল চকীবোৰো এড্জাষ্টেবল্। লেপ্‌টপ্ চলাব পৰা, মিউজিক শুনিব পৰা, অথবা ম'বাইল ফোন চাৰ্জ কৰিব পৰাৰ বৈদ্যুতিক সা-সুবিধাও ডবাবোৰত সংযোজিত কৰা আছে। বাথৰুমবোৰো আকাশীযানৰ বাথৰুম সদৃশ। অৱশ্যে, মেট্ৰ'ৰেলত চীটবোৰ এনে নহয়। লোকেল ট্ৰেইনবোৰৰ বেচিভাগেই দুখলগীয়া। প্ৰতিখন চহৰতে যিমানবাৰ মেট্ৰ'ত উঠিছোঁ, সঘনাই চলা সত্বেও যাত্ৰীৰে ঠাহ খাই থকা দেখিছোঁ। প্ৰায়বোৰতেই অনেক যাত্ৰী থিয় হৈ গৈছে। আটাইবোৰ ট্ৰেইনতে চুইচ টিপি দৰ্জা খোলা-বন্ধ কৰাৰ নিয়ম। যাত্ৰাকালত কোনো ট্ৰেইনৰে দুৱাৰ খোলা নাথাকে। খিড়িকিবোৰ বন্ধ বাবে আমাৰ ইয়াৰ নিচিনাকৈ মূৰ উলিয়াই যোৱাৰ সুবিধাও লব নোৱাৰি। চাহবালা মুমফলীবালাৰ বেপাৰৰ জুতিও লব নোৱাৰি। অৱশ্যে, লোকেল ট্ৰেইনবোৰৰ কোনো কোনোখনত অট'মেটিক ভেণ্ডিং মেচিন আছে। ইন্টাৰ চিটিৰ দৰে এক্সপ্ৰেছবোৰত আছে ৰেষ্টুৰেন্ট। ৰেষ্টুৰেন্টলৈ গৈ, তাত বহি মেনু চাই অৰ্ডাৰ দিব পাৰি অথবা, নিজৰ ঠাইৰ পৰাও অৰ্ডাৰ কৰিব পাৰি।

প্ৰায় প্ৰতিখন ট্ৰেইনতে টিকট-নিৰীক্ষক সকল মহিলা। কাস্কত

এটা সৰু বেগ আৰু হাতত এটা সৰু মেচিন। এবাৰ নে দুবাৰ ট্ৰেনেন ভেগেচাক পথত আমাৰ টিকেট পৰীক্ষা কৰিবলৈ নাহিলেই। মই বোলো, বিনা টিকেটেৰেই দেখোন আহিব পাৰে মানুহ। আমাৰ পুত্ৰই ক'লে- লোকেল ট্ৰেইনত সকলো সময়তে টিকেট নোচোৱাটো অস্বাভাবিক নহয়। কিন্তু যদিহে নিৰীক্ষক আহি বিনা টিকেটৰ যাত্ৰী পায়, তেন্তে টিকেটৰ মূল দামতকৈ বহুগুনে বেচি জৰিমনা ভৰিবলগীয়া হয়। জানিবুজি কোনে এই বিপদ চপাই ল'ব?

সহৃদয় সহযাত্ৰী পালে যাত্ৰা সুখদায়ক হয়। আমি অৱশ্যে অজান মুলুকত তেনে সহযাত্ৰী পোৱাৰ আশা কৰা নাছিলোঁ। পিচে, ক'ল'নৰ পৰা পেৰিচলৈ যাওঁতে আমি দুগৰাকী নাৰীক পাইছিলোঁ, যিয়ে আমাৰে সৈতে আপোন হৈ ঘৰুৱা কথাবতৰা পতিছিল। তেওঁলোক আছিল মেক্সিকান, অৱশ্যে থাকে চিকাগোত। মাক আৰু পুতেক। আহিছিল বৰ্ল্ডকাপ ফুটবল চাবলৈ। পিচে, এখন খেলহে তেওঁলোকে চাবলৈ পাইছিল, সেয়েহে বাকী সময়খিনি দুই এখন ঠাই চাই যোৱাটোকে ঠিক কৰিছিল। নিজৰ বিষয়ে, খাদ্যৰ বিষয়ে, দেশ বিদেশৰ বস্তু, সংস্কৃতি, যুৱ মানসিকতা, ইত্যাদি ভিন্ন স্তৰৰ ভিন্ন বিষয়ৰ কথাবতৰা পাতি আমি সেইদিনাৰ ৰে'লযাত্ৰা সজীৱ কৰি তুলিছিলোঁ। মানুহগৰাকীয়ে এসময়ত নাৰ্চৰ চাকৰি কৰিছিল। অৱসৰৰ পিছতো ঘৰত বহিয়েই 'চেইন-বিজনেচ্' কৰে। পুতেকে কোনোবা কোম্পানীৰ ইঞ্জিনীয়াৰ। পুতেকে বছৰত এবাৰেই ছুটী পায়, এইবাৰ মাকক লৈ ইউৰোপ ভ্ৰমনলৈ আহিছে। মানুহগৰাকীৰ বাকী তিনিটা ল'ৰা-ছোৱালীও আত্মনিৰ্ভৰশীল। ব্যক্তিগত, সামাজিক আদি বিভিন্ন বিষয়ৰ কথা বতৰাৰে মুখৰ কৰি ৰখা মানুহগৰাকীক বেচ সুখী আৰু সক্ৰিয় যেন লাগিল। সেই বাটচোৱা ইউৰোপত নহয়, ভাৰতৰ ৰেলতহে যাত্ৰা কৰা যেন লাগিছিল।

সেই কেইদিনৰ যাত্ৰাত আমাৰ যে কোনো বিৰক্তিকৰ অভিজ্ঞতা হোৱা নাছিল, অথবা অসন্তুষ্টি অনুভূত হোৱা নাছিল এনে নহয়। আমি বাৰ্লিনৰ পৰা ক'ল'নলৈ আহি আছোঁ। হান'ভাৰ ষ্টেচনত আমাৰ ডবাটোত হুৰমূৰকৈ এসোপামান মানুহ সোমাই আহিল আৰু কলকলাবলৈ ধৰিলে। ভাৰতীয় ৰেলত এনে অভিজ্ঞতা আমাৰ আছে। কিন্তু ইউৰোপত এনে হ'ব পাৰে বুলি ভবা নাছিলোঁ। আমি ভাবিলো, হয়তো ক'ৰবাত কিবা বিজুতি ঘটিছে, নহ'লে কিয় এইদৰে ডবা ভৰি পৰিব! ৰেলখন চলিথকা সময়তো ডবাটোত মানুহবোৰৰ অহা-যোৱা, হুলস্থুল চলি থাকিল। বৰ্ল্ডকাপ ফুটবলৰ সময়, অনুমান কৰিব পাৰিছিলো যে মানুহজাক ফুটবল প্ৰেমী, হয়তো কোনো 'পেকেজ'ত আহিছে। টিকেটৰ ৰিজাৰ্ভেচন নাই বাবে এইটো অৱস্থা হৈছে নিশ্চয়। ইতিমধ্যে আমি জানিছিলোঁ যে জাৰ্মানীত ৰিজাৰ্ভেচন নহ'লেও টিকেট বা ৰেলপাছ লৈয়েই এক্সপ্ৰেছ ৰে'লবোৰতো উঠিব পাৰি। কিন্তু ৰিজাৰ্ভ নকৰি নিৰ্দিষ্ট এখন আসন যাত্ৰাকালখিনিৰ বাবে স্থায়ী নহবও পাৰে। আ... সেইবাবেই গাইপতি ৩ ইউৰোকৈ দি আমাৰ চীটবোৰ ৰিজাৰ্ভ ক... লৈছিলোঁ। অৱশ্যে, ফ্ৰান্স আৰু ইটালীত চলা তীব্ৰবেগী ৰেল কেইখ... বাবে ৰিজাৰ্ভেচন বাধ্যতামূলক। তদুপৰি, জাৰ্মানীৰ ৩ ইউৰোৰ পৰিব... তাত ৰিজাৰ্ভেচনৰ মূল্যও বেছি।

ভেনিচৰ পৰা মিউনিকলৈ যাওঁতে আমি অষ্ট্ৰিয়াৰ দুটা ষ্টে... অতিক্ৰম কৰিব লাগে। যিহেতু আমাৰ ভিচাই অষ্ট্ৰিয়াত প্ৰৱেশৰ অনু... নিদিয়ে, সেইবাবে সেই ছোৱা পথৰ বাবে আমি অতিৰিক্ত ইউৰো... টিকেট ক্ৰয় কৰিবলগীয়া হৈছিল। পইচাখিনি এনেয়ে যোৱাযেন... লাগিছিল।

পেৰিচ (ইষ্ট) ৰেলষ্টেচনত নামিয়েই ভাৰতীয় ৰেলপথৰ দু... পাইছিলোঁ। সেই ষ্টেচনটো তুলনামূলকভাবে লেতেৰা যেনো লাগি... অৱশ্যে, তাত মেৰামতি আৰু পুনৰনিৰ্মানৰ কাম চলি আছিল। ষ্টেচ... পৰা আমাৰ নিৰ্দিষ্ট স্থানলৈ যাবৰ বাবে মেট্ৰ'ধৰিবলৈ আমি আনবো... ষ্টেচনৰ দৰে বিদ্যুৎচালিত চিৰি বা এচ্কেলেটৰ পোৱা নাছিলো। আমা... চুটকেচবোৰ টানি টানি তিনি/চাৰি মহলা চিৰিৰে উঠা-নমা কৰোঁ... মন বিৰক্তিৰে ভৰি পৰিছিল। ইমানদিনে 'পেৰিচ' নামটোৰ সৈ... সংযোজিত হৈ থকা সকলোবোৰ উচ্চ পৰ্যায়ৰ ধাৰণাই যেন সেই সময়... মাটি হৈ গৈছিল। অৱশ্যে, পেৰিচৰ আনবোৰ ষ্টেচনত এনে অসুবিধ... পোৱা নাছিলোঁ। অন্য এদিন। কোনোবা এটা ষ্টেচনত ৰৈ থাকোঁতে... ফোপাই জোপাই এজন মানুহক আন কেইজনমান যাত্ৰীৰ ওচৰলৈ গৈ... কিবা কোৱা দেখিছিলোঁ। মানুহজন আমাৰো ওচৰ চাপিছিল, কৈছিল... তেওঁৰ কেইটামান ইউৰোৰ প্ৰয়োজন। গতিকে, আমি তেওঁক সহায়... কৰিব লাগে। বিশেষ একো নভবাকৈ আমিও 'চৰী' কলো আনবোৰৰ দৰেই। কিয় জানো, মানুহজনক 'নৰ্মেল' অৱস্থাত থকা যেন লগা নাছি... আৰু ফাঁকি দিয়া যেনহে বোধ হৈছিল। বেয়াও লাগিছিল ভাবি, কিজানি... মানুহজন সচাঁকৈ বিপদত পৰিছে! আনহাতে, বিদেশত নিজেই কিদৰে... এটা ইউৰো বচাই চলিব পাৰো, তাৰে চিন্তাত ব্যস্ত আছিলো, তেনেস্থলত দাতাকৰ্ণ হোৱাৰ কথা ভবাটোও বিলাস।

দহদিনৰ ইউৰো ৰেলৰ যাত্ৰাৰ যিটো কথা আজীৱন মনত ৰৈ যাব অথচ হুবহুৰূপত কাহানিও প্ৰকাশ কৰিব নোৱাৰিম, সেয়া হৈছে ৰেলৰ খিড়িকিৰে ক্ষন্তেকৰ বাবে দেখা প্ৰকৃতিৰ অপৰূপ শোভা মনত ৰৈ যাব ঠায়ে ঠায়ে দেখা বিজ্ঞান আৰু মানুহৰ জয়যাত্ৰাৰ বিস্ময়ভৰা কাহিনীৰ জীৱন্ত স্বাক্ষৰবোৰো। গছ-বন-ফুল-পাহাৰ, চকুৰে মনিব পৰালৈকে মাথোন সেউজীয়া আৰু সেউজীয়া বননি, বিধে বিধে শস্যৰ

পথাৰ, বোৱতী নদী, কেতিয়াবা পাহাৰ, সাগৰ অথবা শাৰী শাৰী উইণ্ডমিল। পথাৰবোৰবো ভিন্ন ৰূপ। ক'ৰবাত যদি দেখো সেউজীয়া ঘাঁহনিৰ মাজতেই সুন্দৰকৈ কাটি মেলি ঘূৰণীয়াকৈ থোৱা ঘাঁহৰ বৃহৎ আটি, ক'ৰবাত দেখো এপথাৰ হালধীয়া সূৰ্যমুখীৰ খেতি, সেউজীয়া শাক-পাচলি ফলমূল আথবা ক'ৰবাত সোনালী মুগা বৰণৰ শস্যভূমি। ফ্ৰান্সৰ লিঅ'ৰ পৰা নীচডেলিলৈ যোৱা পথছোৱাৰ অপৰূপ শোভা যেন বৰ্ণনাতীত। ঘন্টাত ২৫০ কিলোমিটাৰবো অধিক বেগত চলা ৰেলৰ খিড়িকিৰে চকামকাকৈ দেখা দিয়া আৰু হঠাৎে লুকাই পৰা নাম নজনা কোনো শস্যৰ সুশৃংখলিত খেতি, মাজে মাজে পাহাৰ, নদী, আবাসিক অঞ্চল আৰু সাগৰৰ নীলা। নীচৰ পৰা ৰোমলৈ যোৱাৰ পথতো বহুদূৰলৈ দেখিছিলোঁ সাগৰ আৰু উপকূলীয়া অঞ্চলৰ বিৰল শোভা, সৰু বৰ নাও-জাহাজ আৰু পাৰত ৰ'দ লৈ থকা মানুহৰ জুম। দেখিছিলোঁ স গৰ্বে থিয় হৈ থাক ওখ পাহাৰৰ লানি। সেউজীয়া পাতৰ জোপোহাৰ মাজত বগা আৰু গুলপীয়া ফুলেৰে উপচি পৰা ফুলৰ শাৰী। ইটালীত প্ৰবেশ কৰাৰ পিচত অন্য এটা দৃশ্য বেচ চিনাকী হৈ পৰিছিল। ওখ দুখন পাহাৰৰ মাজত সংযোগ স্থাপন কৰি হৈছে প্ৰায় পাহাৰৰ সমানকৈ সজা ওখ দলঙবোৰে। গোটেই পাথছোৱাত কমেও দহ-বাৰখন তেনে দলং দেখিছিলোঁ। প্ৰায় একে ধৰণৰ দলং আৰু পাহাৰৰ ওপৰত সজা সুদীৰ্ঘ পথ দেখিবলৈ পাইছিলোঁ ভেনিচৰ পৰা ভেৰোণা হৈ মিউনিকলৈ যোৱা পথত। এই চোৱা পথৰেই কোনো অংশ অষ্ট্ৰিয়াৰ মাজেৰে যায় আৰু সেই পথ চোৱাতেই চলন্তৰে'লৰ পৰা প্ৰাণভৰি উপভোগ কৰিছিলোঁ নাতিদূৰৈত থকা আলপ্চ পৰ্বতমালাৰ শোভা, পৰ্বত শিখৰত মেঘৰ লুকাভাকু, শুকুলা বৰফৰ চিক্‌মিকনি, সেউজী অৰণ্য আৰু নামনিত মনোমুগ্ধকৰ শস্যক্ষেত্ৰ...।

পাহৰিব নোৱৰিম যাত্ৰাপথত অতিক্ৰম কৰা সুৰংগবোৰৰ কথাও। কোনো কোনো এলেকাত এটা সুৰংগৰ অন্ধকাৰ ভেদি পোহৰৰ মুখ দেখি কি নেদেখি, অন্য এটা সুৰংগৰ অন্ধকাৰত সোমাই পাৰে দুৰন্ত গতিৰ ৰে'লখন। আৰ পিচত, ইমান বেগেৰে দৌৰৰ পিচতো সুৰংগৰ যেন শেষেই নহ'ৰ। কেতিয়াবা জীৱনো সোমাই পৰে এনে সুৰংগত। জীৱনৰ অপ্ৰত্যশিত এনে দিনবোৰ, আন্ধাৰেৰে ভৰা ক্ষণবোৰ নাযায় নুপুৱাই যেন লাগে। অথচ জীৱন সুখৰ কৰিবলৈ পোহৰ আকৌ আহে; সুৰংগৰ শেষত ৰে'লখনৰ বাবে ৰৈ থকা পোহৰৰ দৰেই। জীৱনটোওতো একো একোখন ৰে'লৰ দৰেই, - কাৰোবাৰ বাবে ভাৰতীয় ৰেলৰ বিশৃংখলতা কাৰোবাৰ বাবে ইউৰোবেলৰ মসৃনতা। তথাপিও চলি থাকে; চলি থকাই ৰেল আৰু জীৱনৰ ধৰ্ম। ৰে'লৰ দৰেই জীৱনো - 'দীঘে লেল পেল, পেটৰ মাজত সুমাই নিয়ে ল'ৰা বুঢ়াৰ মেল,...।' □□

## মহৎলোকৰ বাণী

- শিক্ষাৰ ঘাই শিপাডাল বৰ তিতা কিন্তু ইয়াৰ ফলাফল বৰ সোৱাদ। —*এৰিষ্ট'টল*
- শিক্ষাই হৈছে মূল উপায়, যি মানৱ জীৱনলৈ সুখ-শান্তি বোৱাই আনিব পাৰে। —*এৰিষ্ট'টল*
- ভুলকৈ জনাতকৈ একো নজনাই ভাল। —*শ্বেক্সপীয়েৰ*
- জুয়ে শুকান খৰি পুৰি ছাই কৰাৰ দৰে ঈৰ্ষায়ো সকলো ভাল কাম নষ্ট কৰি পেলায়। —*হজৰত মহম্মদ*
- পৃথিৱীৰ ভিতৰত আটাইতকৈ সহজে ঠগাব পৰা লোকজন হ'ল নিজেই। —*বুলৱাৰ লিটন*
- শ্ৰম নকৰাকৈ ভাত মোকোলোৱাৰ কাৰো অধিকাৰ নাই, শ্ৰম নকৰি আহাৰ খোৱাৰ দৰে। —*যীশুখৃষ্ট*
- মৃত সিংহ এটাতকৈ জীয়া কুকুৰ এটা বেচি ভাল। —*বাইবেল*
- চৰিত্ৰ হ'ল এজোপা গছৰ দৰে আৰু ইয়াৰ সুখ্যাতি ইয়াৰ ছাঁ, ছাঁটো আমি যি ভাবো সেয়ে। গছজোপাই হ'ল আচল বস্তু। —*আব্ৰাহাম লিংকন*
- এজন মানুহ সকলো সময়তে বীৰ হ'ব নোৱাৰে, কিন্তু মানুহ হ'ব পাৰে। —*গ্যেটে*

সংগ্ৰহ ঃ ধনজিৎ দাস
উঃ মাঃ প্ৰথম বৰ্ষ (বাণিজ্য)

# অসমৰ কেইজনমান বিশিষ্ট ব্যক্তি

❑ ড° প্ৰণীতা শৰ্মা
জ্যেষ্ঠ প্ৰবক্তা, দৰ্শন বিভাগ

'আমি অসমীয়া নহওঁ দুখীয়া'। বৰ্তমান আমাৰ অসমীয়া সমাজৰ ল'ৰা ছোৱালীবোৰে নিজৰ দেশখনৰ বিষয়ে, নিজৰ ভাষা-সংস্কৃতি, সাহিত্য ইত্যাদিৰ বিষয়ে একেবাৰে অজ্ঞান। কিয় অজ্ঞান চালিজাৰি চালে আমি অভিভাৱক সকলেই দোষী বুলি স্বীকাৰ কৰিব লাগিব। আমি অভিভাৱক সকলে আমাৰ ল'ৰা ছোৱালীবোৰক আমাৰ জাতিৰ ভাষা, সাহিত্য, সংস্কৃতিৰ কথা জানিবলৈ নিদিও। প্ৰথমে তেঁওলোকক পাশ্চাত্য ভাষা, সংস্কৃতিৰ প্ৰতিহে আকৰ্ষণ কৰাও। ইয়াত কেইজনমান বিশিষ্ট অসমীয়া ব্যক্তিৰ চমু পৰিচয় আমাৰ ছাত্ৰ ছাত্ৰী সকলক জনোৱাৰ উদ্দেশ্যে দাঙি ধৰা হ'ল।

### শ্ৰীশ্ৰী ভট্টদেৱ

শ্ৰীশ্ৰী ভট্টদেৱ অসমীয়া গদ্য সাহিত্যৰ জনক আছিল। ভাৰতবৰ্ষৰ উত্তৰ-পূব অঞ্চলৰ প্ৰখ্যাত সংস্কৃতজ্ঞ পণ্ডিত কৱিৰত্ন বৈকুণ্ঠনাথ ভাগৱত ভট্টাচাৰ্য্যক সংক্ষেপে শ্ৰীভট্টদেৱ নামেৰে জনা যায়। ইংৰাজী ১৫৫৮ চনত বৈকুণ্ঠনাথ ভাগৱত ভট্টচাৰ্য্যৰ জন্ম হয় পুণ্যভূমি অসমৰ বৰপেটা মহকুমাৰ অন্তৰ্গত বৰনগৰ অঞ্চলৰ ভেৰাগ্ৰামত। কোনো কোনোৱে বিহ্মনকুছিত তেখেতৰ জন্ম হোৱা বুলিও কয়। তেওঁৰ পিতৃৰ নাম কৱি সৰস্বতী আৰু মাতৃৰ নাম তাৰাদেৱী আছিল।

বৈকুণ্ঠনাথৰ বিয়া হৈ যোৱাৰ পিছত সামাজিক ৰীতি অনুসৰি দীক্ষা গ্ৰহণ কৰিব লগাত পৰে। শ্ৰী ভট্টদেৱে দেৱদামোদৰ গুৰুক 'সদগুৰু' হিচাপে বৰণ কৰিবলৈ মন প্ৰয়াস কৰি পাটবাউসীলৈ যায়। শাস্ত্ৰোক্ত বিধিমতে দেৱদামোদৰৰ পৰা 'গুৰু মন্ত্ৰ' গ্ৰহণ কৰি তেখেতৰ শিষ্যত্ব স্বীকাৰ কৰে। দামোদৰ দেৱৰ উপদেশমতে ভট্টদেৱে শাস্ত্ৰৰ প্ৰামাণ্য বচনৰে সৈতে শ্ৰীকৃষ্ণৰ অৱতাৰ যে পূৰ্ণ সেই বিষয়ে প্ৰতিপন্ন কৰি এখন পুথি লিখিছিল। এই পুথিখনকে বৈকুণ্ঠনাথৰ জীৱনৰ আদিগ্ৰন্থ বুলি কোৱা হয়। ভট্টদেৱৰ লিখিত আৰু কেইবাখনো অমূল্য গ্ৰন্থৰ তালিকা পোৱা যায়। সেইবোৰ হ'ল - 'সাত্বত 'তন্ত্ৰ' (পদ), 'গুৰু বংশাৱলী' (পদ), 'দামোদৰ বাখ্যানম্' (সংস্কৃত), 'ভাগৱতাধিকৰণম্' (সংস্কৃত), 'সন্ত নিৰ্ণয়' (গদ্য আৰু সংস্কৃত শ্লোক) আৰু বহুতো ভক্তিতত্বমূলক গীত। তেখেতৰ এই গ্ৰন্থসমূহৰ ভিতৰত মাত্ৰ 'শ্ৰীমদ্ ভক্তি বিবেক' গ্ৰন্থখন আৰু কেতবোৰ গীত মাত্ৰ প্ৰকাশ পাইছে। 'ভক্তি বিবেক' গ্ৰন্থখন বৈষ্ণৱ সম্প্ৰদায়ৰ বাবে অমূল্য গ্ৰন্থ বুলি কব পাৰি। ইয়াত ভাগৱতোক্ত নৱবিধা ভক্তিৰ প্ৰাধান্য আৰু বৈষ্ণৱ সম্প্ৰদায়ৰ অৱশ্যে পালনীয় কেতবোৰ আচাৰ - নীতিৰ আৱশ্যকতা প্ৰতি-পন্ন কৰি দেখুৱাইছে।

ভট্টদেৱে যিসময়ত 'কথা - ভাগৱত' আৰু 'কথা-গীতা'ৰ ৰচনা কৰিছিল সেইসময়ত ভাৰতৰ প্ৰাদেশিক ভাষাত কিয় পৃথিৱীৰ কোনো ভাষাতে নিয়মীয়া গদ্যৰ প্ৰৱৰ্তন হোৱা নাছিল। কথা - ভাগৱতৰ কেইবছৰমানৰ পিছত ৰচনা কৰা কথা-গীতাৰ গদ্য বেছি পুৰঠ, গম্ভীৰ আৰু উজস্বী আছিল। ইয়াত সংস্কৃত শব্দৰ প্ৰয়োগে বহুপৰিমাণে কমি গৈছিল । 'শৰণমালা', 'বিষ্ণুৰ সহস্ৰ নাম' ইত্যাদি গ্ৰন্থবোৰো ভট্টদেৱে ৰচনা কৰিছিল। ইংৰাজী ১৬৩৮ চন পুহ মাহৰ কৃষ্ণা সপ্তমী তিথিৰ দিনা ওঠৰ অধ্যায় গীতাৰ আবৃত্তি শেষ কৰি তেখেত স্বৰ্গগামী হয়।

### আনন্দৰাম বৰুৱা

আনন্দৰাম বৰুৱা এগৰাকী মেধাৱী ছাত্ৰ, সুদক্ষ প্ৰশাসক আৰু বিশ্ব- বিশ্ৰুত পণ্ডিত আছিল। ১৮৫০ খ্ৰীষ্টাব্দৰ মে' মাহত উত্তৰ গুৱাহাটীত আনন্দৰাম বৰুৱাৰ জন্ম হয় । তেওঁৰ পিতৃ প্ৰখ্যাত মজিন্দাৰ বৰুৱা বংশৰ গৰ্গৰাম বৰুৱা আৰু মাতৃ দুৰ্ল্ল- ভেশ্বৰী বৰুৱানী।

আনন্দৰাম বৰুৱা অসমৰ প্ৰথম আৰু ভাৰতৰ পঞ্চম চিভিলিয়ান। তেওঁ চুটি জীৱন কালছোৱাতে বিধে বিধে পুথি ৰচনা কৰিছিল। বিজ্ঞানসন্মতভাৱে লিখা ইংৰাজী- সংস্কৃত অভিধানখন (A Practical English - Sanskrit Dictionary, 1877 - 80 ) বৰুৱাৰ জীৱনৰ কীৰ্তিস্তম্ভ। তেওঁৰ 'উচ্চ সংস্কৃত ব্যাকৰণ' সংস্কৃত ভাষাৰ বিষয়ে লিখা এখন ব্যাকৰণ। 'প্ৰাচীন ভাৰতৰ ভূগোল' (On The Ancient Geography of India) ভাৰতবৰ্ষৰ প্ৰাচীন ঠাইবিলাকৰ ঐতিহ্য আৰু পুৰাবৃত্তৰ চমু পৰিচয় দি লিখা গ্ৰন্থ। ইয়াৰ উপৰিও তেওঁৰ উল্লেখযোগ্য গ্ৰন্থসমূহ হ'ল : 'Bhababhuti and His Place in Sanskrit Literature', 'ভৱভুতিৰ মহাবীৰ চৰিত' 'বামণ' 'বাণভট্ট' 'অমৰ সিংহৰ নামলিংগানুশাসন' আৰু

'ধাতুবৃত্তি কোষ বা ধাতুপাঠ', 'সংস্কৃত শিক্ষাৰ্থীৰ সহচৰ' ইত্যাদি।



অসমৰ কৃতী সন্তান আনন্দৰাম বৰুৱাই ১৮৮৯ খৃঃ ৰ ১৯ জানুৱাৰীত কলিকতা চহৰত শেষ নিশ্বাস ত্যাগ কৰে । তেতিয়া তেওঁৰ বয়স মাত্ৰ একুৰি উনৈশ বছৰ আছিল।

*সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা*

১৮৬৮ চনৰ লক্ষ্মী পূৰ্ণিমাৰ দিনা লক্ষ্মীনাথ বেজবৰুৱাৰ জন্ম হয়। লক্ষ্মী পূজাৰ দিনা ওপজাৰ কাৰণে তেওঁৰ নাম হ'ল লক্ষ্মীনাথ। তেওঁ জন্ম হোৱা ঠাইডোখৰৰ নাম আহঁতগুৰি। লক্ষ্মীনাথ বেজবৰুৱাৰ পিতৃ দীননাথ বেজবৰুৱা আৰু মাতৃৰ নাম থানেশ্বৰী দেৱী। লক্ষ্মীনাথ বেজবৰুৱা অসমীয়া সাহিত্যৰ গুৰিয়ালৰ ভিতৰৰ অন্যতম প্ৰধান লোক। আজি অসম দেশ, অসমীয়া সাহিত্য আৰু যেইসেই বিষয়তে অসমীয়া গৌৰৱৰ কথা কলে লক্ষ্মীনাথক নুবুজি নোৱাৰি। ইয়াৰ আমি যিটো সংগীত সকলোৱে অসমীয়া জাতীয় সংগীত (অ' মোৰ আপোনাৰ দেশ.....) বুলি গ্ৰহণ কৰিছো, সেই সংগীতৰ লিখকেই আমাৰ চেনেহৰ লক্ষ্মীনাথ বেজবৰুৱা।

জীৱনৰ প্ৰথম তিনিবছৰ, বেজবৰুৱাদেৱে অসমীয়া বৈষ্ণৱ ধৰ্মৰ ৰাজধানী বৰপেটাত কটাবলৈ পায়। সেয়েহে বেজবৰুৱাৰ কোমল হিয়াত বৰপেটাৰ নামঘৰ, নামকীৰ্তন আৰু পবিত্ৰ উৎসৱ আদিয়ে ভালকৈ চাব এটা বহুৱালে। পৰিণত বয়সত তেওঁ অসমীয়া জাতিক দান দিলে, 'কৃষ্ণকথা', 'ভগৱৎ কথা', 'তত্বকথা', 'শ্ৰীশংকৰদেৱ -মাধৱদেৱ', 'শ্ৰীশংকৰদেৱ' আদি।

তেজপুৰত লক্ষ্মীনাথৰ বয়স আছিল চাৰিবছৰ। তাত তেওঁবিলাকৰ ঘৰৰ ওচৰত থকা কুমাৰ গাৱঁৰ কুমাৰে তেওঁক মাটিৰ জুনুকা, ভুৰুকা আদি উপহাৰ দিয়ে। পৰিণত বয়সত তেওঁ মাটিৰ জুনুকাৰ সলনি 'জুনুকা' পুথি অসমীয়া ল'ৰা ছোৱালীক উপহাৰ দিলে। তেওঁৰ 'ককাদেউতা আৰু নাতিলৰা', 'বুঢ়ী আইৰ সাধু', 'সাধুকথাৰ কুকি', ইত্যাদি অসমীয়া সাধুকথাৰ সোণৰ সফুৰা। বেজবৰুৱাৰ প্ৰথম পুথি 'লিতিকাই' প্ৰকাশ হয় ১৮৯০ চনত । তেওঁৰ বয়স তেতিয়া প্ৰায় ২৮ বছৰ। তাৰপিছত তেওঁৰ সকলো কিতাপ ১৯০০ চনৰ ভিতৰত প্ৰকাশ পায়।

অসমীয়া সাহিত্যৰ শোকলগা দুৰ্দশাৰ সময়ত ভাৰতৰ আন আন সাহিত্যৰ উন্নত অৱস্থা দেখি কলকতাত থকা লক্ষ্মীনাথ বেজবৰুৱাৰ দলৰ ছাত্ৰই কলিকতাত 'অসমীয়া ভাষা উন্নতি সাধিনী সভা' আৰম্ভ কৰিলে । এই সভাৰ চুটি নাম হ'ল অ.ভা.উ.সা. সভা। অ.ভা.উ.সা. প্ৰতিষ্ঠা হোৱাৰ প্ৰায় ছমাহৰ পাছত ১৮৮৯ চনৰ আৰম্ভতে অসমীয়া আলোচনী 'জোনাকী' প্ৰকাশ হবলৈ আৰম্ভ কৰে। লক্ষ্মীনাথৰ পৰম বন্ধু 'বীণবৰাগী'ৰ যশস্বী কবি চন্দ্ৰকুমাৰ আগৰৱালা 'জোনাকী' ৰ প্ৰধান উদ্যোক্তা আৰু সম্পাদক হল। 'জোনাকী' ক আগত লৈ সাহিত্যৰ যিটো যুগ প্ৰবৰ্তন হল সেই যুগৰ নাম হল 'জোনাকী যুগ'। 'জোনাকী'ৰ যথেষ্ট বিশেষত্ব আছিল সেয়েহে অসমীয়া সাহিত্যৰ এটা যুগৰ নামেই হল 'জোনাকী যুগ'। তাৰোপৰি বেজবৰুৱাই একেৰাহে ২৫ বছৰ কাল 'বাঁহী' ৰ সম্পাদক আছিল।

১৯২৪ চনত অসম সাহিত্য সন্মিলনৰ গুৱাহাটীত বহা সপ্তম বাৰ্ষিক অধিবেশনৰ তেও সভাপতি আছিল। ১৯৩১ চনত শিৱসাগৰত অসম সাহিত্য সভাৰ ত্ৰয়োদশ বাৰ্ষিক অধিবেশন বহে । সেই সভাত অসমীয়া সাহিত্য সমাজে বেজবৰুৱাক মানপত্ৰ দি অভিনন্দন জনালে । তাতেই তেওক 'ৰসৰাজ' উপাধিও দিলে ।

বেজবৰুৱাই কলিকতাৰ একেবাহে কলা- কৃষ্টি সাহিত্য আদিৰ একান্ত সেৱক বিখ্যাত ঠাকুৰ বংশৰ প্ৰজ্ঞাসুন্দৰী দেৱীক বিয়া কৰায় ।



প্ৰজ্ঞাসুন্দৰী কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ ভতিজাক। লক্ষ্মীনাথে নিজৰ সহধৰ্মিনীৰ লগত সন্তপৰ্ণে মিলি থাকিও নিজৰ অসমীয়া আচাৰ ব্যৱহাৰ নিয়মমতে ৰাখিছিল ।

বেজবৰুৱাৰ জীৱিকা নিৰ্বাহৰ খাই উপায় আছিল কাঠৰ ব্যৱসায়। এই ব্যৱসায় তেওঁ অসমৰ অন্যতম দানী পুৰুষ ভোলানাথ বৰুৱাৰ লগত আৰম্ভ কৰে। কিন্তু তেওঁৰ কাঠৰ ব্যৱসায়েও তেওঁক সাহিত্য চৰ্চাৰ পৰা বিৰত কৰিব নোৱাৰিলে। ১৯৩৮ চনৰ মাৰ্চৰ ২৬ তাৰিখে তেওঁৰ পৰলোক হয়।

**অসমকেশৰী অম্বিকাগিৰি ৰায় চৌধুৰী**

অম্বিকাগিৰি ৰায় চৌধুৰীৰ জন্ম হয় ১৮৮৫ চনত। তেওঁৰ জন্মস্থান বৰপেটাৰ ৰায়পাৰাত। ৰায় চৌধুৰীৰ দেউতাকৰ নাম আছিল কৃষ্ণাৰাম। অম্বিকাগিৰি ৰায় চৌধুৰীয়ে বৰপেটাতে ছাত্ৰ জীৱন আৰম্ভ কৰিছিল আৰু তাতেই স্কুলীয়া শিক্ষা শেষ ____ কৰি গুৱাহাটীলৈ আহিছিল। তেওঁৰ আনুষ্ঠানিক শিক্ষা কম আছিল, কিন্তু তেওঁ আছিল জ্ঞানী পুৰুষ। তেওঁ আছিল অনাড়ম্বৰ, কঠোৰ আৰু সংযমী। দেশসেৱাই তেওঁৰ ব্ৰত আছিল । তেওঁ পিতৃ - মাতৃৰ পৰাই সমাজ সেৱাৰ আদৰ্শ পাইছিল।

১৯০৪ চনত কিশোৰ অম্বিকাগিৰিয়ে সন্ত্ৰাসবাদীৰ দলত যোগ দিয়ে। ১৯০৫ চনত তেওঁ 'বন্দিনী ভাৰত' নামৰ বিদ্ৰোহী

নাটক এখন প্ৰকাশ কৰে। ফলত তেওঁ কাৰাবৰণ কৰিবলগীয়া হয়। ১৯০৭ চনৰ পৰা ১৯১৫ চনলৈকে তেওঁ বৰপেটাত নজৰ বন্দী হৈ থাকে। তেতিয়াই তেওঁৰ সাহিত্য জীৱন আৰম্ভ হয় । সেই সময়ত তেওঁৰ 'বীণা' আৰু 'তুমি' নামৰ কাব্য প্ৰকাশ হয়। অতি কষ্টৰে তেওঁ 'অৰুণা' নামৰ ছপাশাল এটা স্থাপন কৰে। এবছৰৰ পিচত তাৰ পৰা 'চেতনা' আলোচনীখন উলিয়ায়। ১৯২১ চনত অসহযোগ আন্দোলন আৰম্ভ হয়। এই আন্দোলনত ৰায় চৌধুৰীয়ে বিভিন্ন ধৰণে সহায় কৰে। ফলত তেওঁৰ দুবছৰৰ সশ্ৰম কাৰাদণ্ড হয়। তাৰপিছতে তেওঁৰ অৰুণা প্ৰেছটোত জুই লগাই দিয়ে। তেওঁৰ কিতাপ পত্ৰ সকলো পুৰি ছাই হল। তথাপি তেওঁ নিজৰ কাম বিলাক কৰি গল।

১৯২৪ চনত তেওঁ কৌশল্য দেৱীক বিয়া কৰায়। ১৯২৬ চনত 'অসমীয়া সংৰক্ষণী সভা'ৰ জন্ম হয়। ইয়াৰ গুৰি ধৰোতা আছিল ৰায় চৌধুৰী। ১৯৩৫ চনলৈকে সভাৰ কাম চলি আছিল। তেওঁৰ যত্নতে অসমত অসমীয়া ভাষাৰ শিক্ষাই প্ৰসাৰতা লাভ কৰে। ১৯৫০ চনত মাৰ্ঘেৰিটাত অসম সাহিত্য সভাৰ অধিৱেশন বহে। এই সভাৰ তেওঁ সভাপতি আছিল।



অম্বিকাগিৰি ৰায় চৌধুৰীয়ে 'ডেকা অসম' নামৰ এখন আলোচনী উলিয়াইছিল। 'ডেকা অসম'ৰ যোগেদি তেওঁ অসমীয়াত্ব ৰাখিবলৈ ৰাইজক আহ্বান জনাই গৈছিল। ৰায় চৌধুৰী অসমীয়াৰ অতিকৈ আপোন। ৰাইজে তেওঁক 'অসমকেশৰী' উপাধিৰে বিভূষিত কৰিছে।

*দেশভক্ত তৰুণৰাম ফুকন*

ইংৰাজী ১৮৭৭ চনত গুৱাহাটীৰ ভৰলুমুখত তৰুণৰাম ফুকনৰ জন্ম হয়। গুৱাহাটীত স্কুলীয়া শিক্ষা সাং কৰি তেওঁ কলিকতাৰ প্ৰেচিডেন্সি কলেজত বি.এ, পঢ়ে। বেৰিষ্টাৰি পঢ়িবলৈ তেওঁ বিলাতলৈ যায়। তৰুণৰাম ফুকন অসমীয়াৰ ভিতৰত তৃতীয় বেৰিষ্টাৰ। তেওঁ ডিব্ৰুগড়ৰ পৰশুৰাম খাউণ্ডৰ জীয়েক বিদ্যুতপ্ৰভাক বিয়া কৰায়। তেওঁলোকৰ চাৰিটা সন্তান - দুটি পুত্ৰ, দুজনী কন্যা।

ফুকন ডাঙৰীয়াই ওৰে জীৱন দেশৰ কামতে কটাইছিল। স্বৰাজ সংগ্ৰামত প্ৰাণটাকি যুঁজি, নানা যাতনা ভুগি ফুকনে দেশৰ জনসাধাৰণৰ পৰা নাম পাইছিল 'দেশভক্ত'। তেওঁ নিজৰ ব্যৱসায় বাদ দি দেশৰ কামতে দেহে কেহে খাটিছিল। তেওঁৰ ঘৰৰ চৌহদতে মহাত্মা গান্ধীৰ আহ্বানত বিলাতী বস্ত্ৰ দাহ যজ্ঞ অনুষ্ঠিত হয়। স্বাধীনতা লাভৰ বাবেই তেওঁ বহুতো নিৰ্য্যাতন ভোগ কৰিব লগা হৈছিল। ১৯২৬ চনত গুৱাহাটীৰ ওচৰৰ পাণ্ডুত ভাৰতীয় কংগ্ৰেছ মহাসভাৰ মুকলি অধিৱেশন পতা হয়। তৰুণৰাম ফুকন আৰু কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈৰ সাহস আৰু চেষ্টাতেই ই সম্ভৱ হৈছিল। ১৯৩৯ চনত তৰুণৰাম ফুকনে ইহলীলা সম্বৰণ কৰে। তেতিয়া তেওঁৰ বয়স আছিল ৬২ বছৰ। তেওঁৰ প্ৰতি কৃতজ্ঞতাৰ চিনস্বৰূপে অসম- বাসীয়ে ভৰলুমুখত তেওঁৰ এটা মাৰ্বলৰ মূৰ্ত্তি স্থাপন কৰে।

*কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা*

১৯০৯ চনৰ ৩১ জানুৱাৰী (বৃহস্পতিবাৰে) ঢাকা নগৰত বিষ্ণু প্ৰসাদ ৰাভাৰ জন্ম হৈছিল। ৰাভাৰ দেউতাকৰ নাম গোপাল চন্দ্ৰ ৰাভা আৰু মাতৃৰ নাম আছিল গেঠিবাই ৰাভা। ঢাকা চহৰতেই ৰাভাই মিলিটাৰী প্ৰাইমাৰী স্কুলত বঙলা ভাষাৰে শিক্ষা জীৱনৰ পাতনি মেলে। সেই স্কুলৰ সেনা শিবিৰৰ শিঙাৰ মাত শুনি শুনি শিশু বিষ্ণু প্ৰসাদ ৰাভাৰ হৃদয় তন্ত্ৰত স্পন্দিত হৈছিল সুৰৰ ঝঙ্কাৰ। গোপাল চন্দ্ৰ ৰাভাই চাকৰিৰ পৰা অৱসৰ লোৱাৰ পিচত সপৰিয়ালে তেজপুৰলৈ যায় আৰু তাতে এখন স্থানীয় স্কুলত বিষ্ণু প্ৰসাদ ৰাভাক নাম লগাই দিয়ে। বিষ্ণু প্ৰসাদ ৰাভা অকল মেধাবী ছাত্ৰ হিচাপেই নহয় খেলা-ধূলা, সঙ্গীত আৰু অভিনয়তো তেওঁৰ দক্ষতা প্ৰকাশ পাইছিল। ১৯২৬ চনত ৰাভাই দৰং জিলাৰ ভিতৰত প্ৰথম হৈ প্ৰৱেশিকা পৰীক্ষা পাচ কৰি কুইন এমপ্ৰেছ বঁটা লাভ কৰে। প্ৰৱেশিকা পৰীক্ষা পাচ কৰাৰ পিচত ৰাভাই কলিকতাৰ ছেণ্ট পল কলেজত ভৰ্ত্তি হয়। তাত তেওঁ বিজ্ঞান অধ্যয়ন কৰিছিল। ৰাভা কলেজৰ ক্ৰিকেট কেপ্তেন নিৰ্বাচিত হৈছিল। সেই কলেজৰ পৰা আই. এচ.চি. পৰীক্ষা পাচ কৰি তেওঁ কলকতাৰ বিপন কলেজত পদাৰ্থ বিজ্ঞানত অনাৰ্চ লৈ বি.এচ.চি. পঢ়িবলৈ লয়। অতি কম দিনৰ ভিতৰতে তেওঁ এজন ভাল খেলুৱৈ বুলি জনাজাত হোৱাত সেই কলেজৰ ছাত্ৰ সকলে ৰাভাক ফুটবল কেপ্তেন নিৰ্বাচিত কৰে। বিপন কলেজত পঢ়ি থাকোতে বিষ্ণু প্ৰসাদ ৰাভা স্বাধীনতা সংগ্ৰামত সক্ৰিয় ভাৱে লিপ্ত হৈ পৰিছিল। পুলিচে এই সংবাদ পাই জোৰ তদন্ত চলায়। পুলিচৰ দৃষ্টিৰ পৰা এৰাই চলিবলৈ বুলি পিচত তেওঁ এই কলেজ ত্যাগ কৰিলে। বিপন কলেজ ত্যাগ কৰি ৰাভা কোচবিহাৰলৈ যায় আৰু ভিক্টোৰিয়া কলেজৰ বি.এ শ্ৰেণীতনাম লগায়। অলপ দিনৰ ভিতৰতে ৰাভা সেই কলেজৰ ছাত্ৰ সকলৰ মাজত জনপ্ৰিয় হৈ পৰিছিল। তাৰ ফলতেই তেওঁ সেই কলেজৰ জেনেৰেল কেপ্তেন নিৰ্বাচিত হৈছিল। ১৯৩০ চনত কোচবিহাৰত হোৱা ছাত্ৰ আন্দোলনত ৰাভা জপিয়াই পৰিছিল। তেতিয়া গোটেই দেশত গান্ধীজীৰ নেতৃত্বত স্বাধীনতা আন্দোলনে হেন্দোলনি তুলিছিল। কেইজনমান বিপ্লৱী ছাত্ৰক লগত লৈ ৰাভাই এদিন ৰাতি ভিক্টোৰিয়া কলেজ, জেনকিন্স হাইস্কুল আৰু ৰিজেন্ট চাহাবৰ বঙলাৰ দুৱাৰমুখত কংগ্ৰেছৰ ত্ৰিৰঙা পতাকা উত্তোলন কৰিলে। ৰাভাই এই কামত লিপ্ত থকাৰ প্ৰমাণ

পাই চৰকাৰে তেওঁক ভিক্টোৰিয়া কলেজৰ পৰা বাধ্যতামূলক ট্ৰেন্স ফাৰ চাৰ্টিফিকেট দিবলৈ ঠিবাং কৰিলে। ভিক্টোৰিয়া কলেজ



ত্যাগ কৰি বিষ্ণু প্ৰসাদ ৰাভাই ৰংপুৰৰ কাৰমাইকেল কলেজত ভৰ্ত্তি হয়। ইংৰাজীত অনাৰ্চ লৈ সেই কলেজৰ পৰা বি.এ.ৰ বাচনি পৰীক্ষা দি তেওঁ প্ৰথম শ্ৰেণী পাইছিল। কিন্তু ১৯৩১ চনত গান্ধীজীৰ নেতৃত্বত চলা আইন অমান্য আন্দোলনত যোগ দি চৰকাৰৰ কোপ দৃষ্টিত পৰা বাবে তেওঁৰ কলেজীয়া শিক্ষা সিমানতে আধৰুৱা হৈ থাকিল।

বিষ্ণু প্ৰসাদ ৰাভা অকল গীতিকাৰে নাছিল, তেওঁ এজন শ্ৰেষ্ঠ গায়ক আৰু সুৰকাৰ আছিল। ১৯৩১ চনৰ শেষ ভাগত ৰাভাই গীত ৰচনা কৰা আৰু সিবিলাকৰ সুৰ দিয়াত আত্মনিয়োগ কৰিলে। শঙ্কৰদেৱ আৰু মাধৱদেৱে ৰচনা কৰা বৰগীত সমূহৰ প্ৰতি ৰাভাৰ আছিল গভীৰ শ্ৰদ্ধা। তেওঁৰ মতে তানসেনৰ সঙ্গীতে বৰগীতৰ দৰে উচ্চাঙ্গ সঙ্গীতক চেৰ পেলাব নোৱাৰে। ৰাভাই ৰচনা কৰা গীত সমূহো বৰ্ত্তমান 'ৰাভা সঙ্গীত' নামে জনাজাত হৈ পৰিছে। ৰাভা সঙ্গীত অসমীয়া ডেকা - গাভৰুৰ মাজত দিনে দিনে অধিক জনপ্ৰিয়তা লাভ কৰা দেখা গৈছে। ১৯৩০ চনৰ পৰা দহবছৰ কাল ৰাভাই নৃত্য-চৰ্চা কৰিছিল। ৰাভাদেৱে কলকতাৰ গ্লোব থিয়েটাৰত নৃত্য প্ৰদৰ্শন কৰিছিল। তেওঁৰ নৃত্য দেখি আৰ্ন্তজাতিক খ্যাতিসম্পন্ন নৃত্য- শিল্পী উদয়শংকৰে কৈছিল - 'These are some peculiarities in Mr. Rabha's dance which I must learn'। ৰাভাৰ মতে কামৰূপীয়া নৃত্য ভাৰতৰ ভিতৰতে শ্ৰেষ্ঠ। অসমত থকা শ্ৰীহস্তমুক্তাৱলীৰ দৰে নৃত্য বিষয়ক গ্ৰন্থ ভাৰতত নাই। এনেহেন বহুমূলীয়া সম্পদ থাকিও অসমীয়া লোক আজি নৃত্য বিষয়ত পিচপৰা।

মাইকেল এঞ্জেলোৰ দৰে ৰাভা এজন বিখ্যাত চিত্ৰশিল্পীও আছিল। তেওঁ শ্ৰীমন্ত শঙ্কৰদেৱৰ এখন কাল্পনিক চিত্ৰ অঙ্কন কৰিছিল। সংগীত আৰু নৃত্যৰ দৰে অভিনয়ৰ প্ৰতিও ৰাভাৰ সৰুৰে পৰা বৰ ৰাপ আছিল। নটসূৰ্য্য ফণী শৰ্ম্মাৰ সৈতে তেওঁ 'ভোগজৰা', 'কাৰাগাৰ', 'চিৰাজ', 'নাদিৰ ছাহ', 'কিয়', 'এমুঠি চাউল' আদি নাটকত অভিনয় কৰি নিজৰ দক্ষতাৰ পৰিচয় দিব পাৰিছিল। 'এৰা বাটৰ সুৰ', 'প্ৰতিধ্বনি' আদি অসমীয়া বোলছবিত ৰাভাই কৰা নিখুঁত অভিনয়ে দৰ্শকৰ মন আকৰ্ষণ কৰিব পাৰিছিল। 'মাহুত বন্ধুৰে' বঙালী কথাছবিতো তেওঁ শ্ৰেষ্ঠ অভিনয় কৰিছিল। তৃতীয় অসমীয়া কথাছবি 'মনোমতী'ৰ নৃত্য পৰিচালনাৰ দায়িত্বও বহন কৰিছিল বিষ্ণু প্ৰসাদ ৰাভাই। 'পিয়লি ফুকন' বোলছবিৰ তেওঁ আছিল উপদেষ্টা। বিষ্ণু প্ৰসাদ ৰাভাই সাহিত্য চৰ্চাও কৰিছিল। ৰাভাই লিখা 'মানৱজাতি' এটি উচ্চমান বিশিষ্ট প্ৰবন্ধ। তেওঁ লিখা 'মানুহ' আন এটি নৃতত্ব বিষয়ক উল্লেখযোগ্য প্ৰবন্ধ। 'নৱদিগন্ত'ত প্ৰকাশিত 'বোৱতী সুঁতি' ৰাভাৰ স্মৃতিচাৰণ বিষয়ক আন এটি বিশিষ্ট প্ৰবন্ধ। 'আমাৰ প্ৰতিনিধি'ত প্ৰকাশিত বিষ্ণু প্ৰসাদ ৰাভাৰ 'মিচিংকনেঙ' এখন উদ্দেশ্যধৰ্মী উপন্যাস। ১৯৬৯ চনৰ ২০ জুনৰ দিনা ৰাতি ২-২৫ মিনিট যোৱাত বিষ্ণু প্ৰসাদ ৰাভাৰ জীৱন নাৱি সামৰণি পৰিল। বিষ্ণু প্ৰসাদ ৰাভাৰ দৰে অসাধাৰণ প্ৰতিভা সম্পন্ন শিল্পী অসমত কিয় ভাৰততে বিৰল। ওপৰত উল্লেখ কৰা ব্যক্তি সকলৰ লগতে অসমলৈ গৌৰৱ কঢ়িয়াই অনা আৰু আন বহু কেইজন অসমীয়া ব্যক্তি আছে। আশা ৰাখিলোঁ ছাত্ৰ-ছাত্ৰী সকলে সেই সকল ব্যক্তিৰ জীৱনীসমূহ সংগ্ৰহ কৰি পঢ়িব আৰু তেওঁলোকৰ শিক্ষা গ্ৰহণ কৰিব। □□

## তিনিৰ মহত্ব

তিনিটা বস্তুৱে জীৱনত কাকো অপেক্ষা নকৰে -
জন্ম, মৃত্যু আৰু সময়।
তিনিটা বস্তু জীৱনত এবাৰহে পোৱা যায় -
পিতৃ, মাতৃ আৰু যৌৱন।
তিনিটা বস্তু সদায় নিজৰ অধীনত ৰাখিব লাগে -
কাম, ক্ৰোধ আৰু মোহ।
তিনিটা বস্তু সদায় স্মৰণ কৰি চলিব লাগে -
ঈশ্বৰ, মৃত্যু আৰু প্ৰেম।
তিনিজনক সদায় সন্মান কৰিব লাগে -
পিতৃ, মাতৃ আৰু গুৰু।
তিনিটা বস্তুৰ পৰা নিজকে বচাই চলিব লাগে -
নাবালক, ভোকাতুৰ আৰু পাগল।
তিনিটা বস্তু ওলাই গলে ঘূৰি নাহে -
শৰ, মুখৰ কথা আৰু প্ৰাণবায়ু।
তিনিটা কথা কেতিয়াও পাহৰিব নালাগে -
কৰ্তব্য, ঋণ আৰু আত্মসন্মান।
তিনিটা বস্তুৱে জীৱন নষ্ট কৰে -
কু-চৰিত্ৰ, আলস্য আৰু অহংকাৰ।
তিনিটা বস্তুৱে আয়ুস কমায় -
অসৎ চিন্তা, পৰৰ অনিষ্ট, পৰচৰ্চা।

হেমন্ত কুমাৰ শৰ্মা
উ.মা. প্ৰথম বৰ্ষ (কলা)

# সৌন্দৰ্যৰ সংজ্ঞা

❑ মালবিকা ভট্টাচাৰ্য
*প্ৰবক্তা, অসমীয়া বিভাগ*

সৌন্দৰ্য এবিধ চেতনা। এই চেতনাৰ ব্যক্তিভেদে তাৰতম্য থকা বাবে সৌন্দৰ্যবোধবো তাৰতম্য ঘটে। সৌন্দৰ্যৰ স্বৰূপ আৰু সংজ্ঞা অতি কম সংখ্যক দাৰ্শনিক, শিল্পী আৰু সাহিত্যিকেহে ব্যক্ত কৰি গৈছে। ভাৰতৰ প্ৰাচীন সাহিত্য বেদবোৰত সৌন্দৰ্যৰ সংজ্ঞা স্পষ্ট ৰূপত পোৱা নাযায় যদিও বিভিন্ন দেৱ-দেৱীৰ বৰ্ণনা, তেওঁলাকৰ বাসস্থান, বস্ত্ৰ, পূজাৰ থলী, যজ্ঞৰ বেদী আদিৰ বৰ্ণনাত সৌন্দৰ্যৰ আভাষ পোৱা যায়। উপনিষদবোৰতো স্পষ্ট ভাষাত সৌন্দৰ্যৰ সংজ্ঞা পোৱা নাযায়; মাত্ৰ সৌন্দৰ্যৰ আভাস পোৱা যায়। বেদ-উপনিষদবোৰত আত্মা-পৰমাত্মা সম্পৰ্কে যি বিশদ বিৱৰণ পোৱা যায় সেই সকলোখিনি বিশ্লেষণ কৰি চালে এটা সিদ্ধান্তত উপনীত হ'ব পাৰি যে প্ৰকৃত সৌন্দৰ্য একমাত্ৰ পৰমাত্মা বা ভগবানতে নিহিত হৈ আছে। আত্মাৰ লগত পৰমাত্মা বিলীন হ'লেই লাভ হয় প্ৰকৃত আনন্দ। এই আনন্দতে নিহিত হৈ আছে সৌন্দৰ্য। সৌন্দৰ্য সম্পৰ্কে বিভিন্ন দাৰ্শনিক, শিল্পী, সাহিত্যিকে নিজা নিজা মত আগবঢ়াই গৈছে।

সোতৰশ শতিকাৰ ভাৰতীয় সাহিত্যিক তথা কলাবিদ পণ্ডিত ৰাজ জগন্নাথে সৌন্দৰ্যৰ সংজ্ঞা এনেদৰে দিছে — যিবোৰ বস্তুৱে বা ভাৱে আন কোনো বস্তু বা ভাৱে দিব নোৱৰা এটা অপূৰ্ব আনন্দ প্ৰদান কৰি জীৱনৰ বাটত আগুৱাই যোৱাৰ প্ৰেৰণা দিয়ে, তেনে বস্তু বা ভাৱবোৰেই হ'ল সৌন্দৰ্য। জীৱনৰ বাটত আগুৱাই যোৱাৰ প্ৰেৰণা দিব পৰা অপূৰ্ব আনন্দ মাত্ৰ উপলব্ধিৰহে বস্তু।

পণ্ডিত ৰাজ জগন্নাথৰ সৌন্দৰ্য সম্বন্ধীয় সংজ্ঞাৰ আঁত ধৰিয়েই বিখ্যাত দাৰ্শনিক সুৰেন্দ্ৰনাথ দাশগুপ্তাই তেওঁৰ 'Fundamentals of Indian Art' নামৰ গ্ৰন্থখনত সৌন্দৰ্যৰ বিষয়ে বিশ্লেষণ আগবঢ়াইছে। তেওঁ কৈছে যে সৌন্দৰ্যৰ বৰ্ণনাহে দিব পাৰি; সংজ্ঞাৰ ভিতৰত সৌন্দৰ্যক আবদ্ধ কৰিব নোৱাৰি। তেওঁৰ মতে সৌন্দৰ্যৰ পৰা উদয় হোৱা আনন্দ সম্পূৰ্ণ আন্তৰিক উপলব্ধি।

লিঅ' টলষ্টয়ৰ মতে, সৌন্দৰ্য হ'ল ঈশ্বৰ। তেওঁৰ মতে, সকলো সৌন্দৰ্যতে ঈশ্বৰ আছে; কাৰণ আমি ভালপোৱা সকলো বস্তুতে ভগবান আছে। আমি আচলতে ভগবানৰ সন্ধানতহে সৰ্বদা থাকোঁ।

মেক্সিম গৰ্কীৰ মতে, মানুহে নিজৰ আকাংক্ষা পুৰণৰ চেষ্টাৰ মাজেদি সৌন্দৰ্যৰ সৃষ্টি কৰে। সৌন্দৰ্য মানুহৰ অন্তৰাত্মাৰ সৃষ্টি। মানুহে নিজৰ আকাংক্ষা পুৰণৰ বাবে পৃথিৱীখনত কৰি থকা ৰূপান্তৰৰ মাজতে সৌন্দৰ্য নিহিত থাকে।

আচলতে, সৌন্দৰ্য এনে এটা সত্য যাৰ সম্বন্ধ আত্মাৰ সৈতে। আত্মা সত্য আৰু সত্যই সুন্দৰ। সত্যই আমাক অনাবিল আনন্দ প্ৰদান কৰে। এই আনন্দ প্ৰকাশৰ বাটতে সৌন্দৰ্যৰ প্ৰকাশ-বিকাশ উপলব্ধ হয়। ❑❑

## জানি থোৱা ভাল

সংগ্ৰহঃ
এছ্ টৌজকিৰা চুলতানা
*উঃমাঃ প্ৰথম বৰ্ষ (কলা)*

*নেপোলিয়ন আৰু হিটলাৰ*

☆ নেপোলিয়নৰ জন্ম ১৭৬০ চনত, হিটলাৰৰ ১৮৮৯ চনত। ব্যৱধান ১২৯ বছৰ।

☆ নেপোলিয়ন ক্ষমতাত অধিষ্ঠিত হয় ১৮০৪ চনত, হিটলাৰ ১৯৩৩ চনত। ব্যৱধান ১২৯ বছৰ।

☆ নেপোলিয়নে ৰাছিয়াৰ বিৰুদ্ধে যুদ্ধ কৰিছিল ১৮১২ চনত, হিটলাৰে ১৯৪১ চনত। ব্যৱধান ১২৯ বছৰ।

☆ নেপোলিয়নে ভিয়েনা অধিকাৰ কৰিছিল ১৮০৯ চনত, হিটলাৰে ১৯৩৮ চনত। ব্যৱধান ১২৯ বছৰ।

☆ নেপোলিয়ৰ মৃত্যু হয় ১৮১৬ চনত, হিটলাৰৰ ১৯৪৫ চনত। ব্যৱধান ১২৯ বছৰ।

# চাকৰি বনাম স্বনিয়োজন ঃ উদ্যমিতাৰ গুৰুত্ব

□ হিমাংশু কলিতা
*প্ৰবক্তা, অৰ্থনীতি (বাণিজ্য) বিভাগ*

অমলে শিক্ষকৰ চাকৰিটোৰ বাবে তিনিলাখ টকা দিছিল; কিন্তু উপযুক্ত চেনেল নথকা বাবে সি চাকৰিটো নাপালে। অমলে উপযুক্ত শিক্ষা গ্ৰহণ কৰি বিভিন্ন বিভাগৰ খালী পদৰ বিপৰীতে সাক্ষাৎকাৰ দি আহিছে। অথচ তাৰ জীৱনত চাকৰি নহ'ল। এতিয়া বয়সেও ভাটি দিলে। অমল এক প্ৰকাৰ হতাশাগ্ৰস্ত হৈ পৰিছে। এই অমলৰ নিচিনা যুৱক-যুৱতীৰে আমাৰ সমাজ ভৰি পৰিছে। অৱশ্যে তাৰ মাজতে দুই এজনে হাতদীঘল লোকৰ কৃপাত চাকৰি এটা যোগাৰ কৰিব পাৰিছে। আনহাতে এক বৃহৎ সংখ্যক যুৱক-যুৱতী অন্ধকাৰ ভৱিষ্যতৰ ফালে ধাৱমান হৈছে। এটা চৰকাৰী বিজ্ঞাপনৰ বিপৰীতে লাখ লাখ চাকৰি প্ৰাৰ্থীৰ আবেদন পত্ৰ। তাৰ পিছত চেনেল পকাওঁতে পকাওঁতে প্ৰাৰ্থীসকলৰ নিজ ঘৰ-মাটি পৰ্যন্ত বিক্ৰী কৰিবলগীয়া অৱস্থা হয়গৈ। ভৱিষ্যৎ বুলিবলৈ যেন একো নাই। পথৰ ভিক্ষাৰী, নতুবা দাদাগিৰি, গুণ্ডাগিৰী। এয়া আমাৰ সমাজত দেখা দিয়া নিত্য নৈমিত্তিক ঘটনা।

চাকৰিৰ যোগানৰ তুলনাত চাহিদা বৃদ্ধি পোৱাৰ বাবেই এই অৱস্থা হোৱা নাইনে? চৰকাৰী নিয়োগনীতিৰ সঠিক ৰূপায়ণৰ অভাৱত গ্ৰামাঞ্চল তথা নগৰাঞ্চলত দিনক দিনে নিবনুৱা যুৱক-যুৱতীৰ সংখ্যা বৃদ্ধি পাব লাগিছে। ইফালে চৰকাৰে নিবনুৱা সমস্যা দূৰীকৰণৰ বাবে প্ৰতিটো পৰিকল্পনাতে কিছুমান নিয়োগ নিশ্চিত আঁচনি গ্ৰহণ কৰি আহিছে। সেই আঁচনিসমূহৰ ভিতৰত সংহত গ্ৰাম্য উন্নয়ন আঁচনি (IRDP), ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ আঁচনি (NREP), নিশ্চিত নিয়োগ আঁচনি (EAP), বিশ্ব খাদ্য আঁচনি (WEP), গ্ৰামাঞ্চলৰ মহিলা আৰু শিশু উন্নয়ন আঁচনি (DWCRA), গ্ৰাম্য যুৱক-যুৱতীৰ প্ৰশিক্ষণ আৰু নিয়োগ আঁচনি (TRYSEM) আৰু শেহতীয়াকৈ গ্ৰাম্য নিয়োগ প্ৰতিভূতি আইন (NREGS)।

ইমানবোৰ নিয়োগ আঁচনি গ্ৰহণ কৰা সত্ত্বেও অসমত বৰ্তমান চৰকাৰী হিচাপত প্ৰায় ১৬ লাখ আৰু বেচৰকাৰী হিচাপত ২২ লাখৰো অধিক নিবনুৱা থকা বুলি প্ৰকাশ পাইছে। অসমৰ নিচিনা এখন পিচপৰা ৰাজ্যত নিবনুৱাৰ এনে পৰিসংখ্যাই ভয়াবহ ভৱিষ্যতৰ ইংগিত দাঙি ধৰা নাইনে? চৰকাৰী আঁচনি সমূহৰ সফল ৰূপায়ণৰ অভাৱ, বৰ্ধিত জনসংখ্যা, কৃষিভূমিৰ সংকোচন, অবৈজ্ঞানিক কৃষি পদ্ধতি, উদ্যোগীকৰণৰ অভাৱ, চৰকাৰী চাকৰিৰ সংকোচন নীতি আৰু যোৱা সময়ছোৱাত অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ সৈতে কৰা বুজাবুজি চুক্তি আদিয়ে নিবনুৱা সমস্যাটো অধিক জটিল কৰি তুলিছে। চৰকাৰী আঁচনিসমূহ ৰূপায়ণৰ ক্ষেত্ৰত দেখা দিয়া ৰাজনৈতিক হস্তক্ষেপ, স্বজনতোষণ, ৰাজনৈতিক ভাবে হিতাধিকাৰী নিৰ্বাচন আদিৰ বাবে উক্ত আঁচনিসমূহৰ সফলতা আমি দেখিবলৈ পোৱা নাই।

এনেধৰণৰ পৰিবৰ্তিত পৰিস্থিতিত সময়ৰ সোঁতত খোজ মিলাবলৈ হ'লে প্ৰতিজন যুৱক-যুৱতীয়ে নিজকে সফল ব্যক্তি হিচাপে গঢ় লোৱাৰ মানসিকতা গ্ৰহণ কৰিব লাগিব। সেয়ে কৃষি, উদ্যোগ, বাণিজ্য আদি যিকোনো কামতে আত্মনিয়োগ কৰিবলৈ আজিৰ যুৱক-যুৱতী যত্নপৰ হব লাগিব। বৰ্তমানৰ প্ৰতিযোগিতামূলক সমাজখনত নিজকে সফলভাৱে আত্মনিয়োগ কৰিব পাৰিলে নিজৰ লগতে সমাজখন তথা দেশখনো উপকৃত হ'ব। এনেদৰে নিজক সফলভাৱে গঢ়ি তোলাটোৱে হৈছে 'উদ্যমিতা কাৰ্য'। অৱশ্যে 'উদ্যমিতা' শব্দটোৰ অৰ্থ অসমীয়া অভিধানত পোৱা নাযায় যদিও ইংৰাজী ENTREPRENEURSHIP শব্দটোৰ প্ৰতিশব্দ হিচাপে এই শব্দটোৰে ব্যৱহাৰ কৰি আহিছে। গতিকে বৰ্তমান বিশ্বত তিষ্ঠি থাকিবলৈ হ'লে উপযুক্ত পথ হিচাপে উদ্যমিতা কাৰ্যৰ জৰিয়তে নিজকে প্ৰতিষ্ঠা কৰিব পৰা যায়। তাৰ বাবে শৈশৱৰ পৰা মানসিক দৃষ্টিভংগীৰ পৰিবৰ্তন কৰিব লাগিব। আজিও আমাৰ বহুতো পিতৃ-মাতৃয়ে নিজৰ ল'ৰা-ছোৱালীক উপযুক্ত শিক্ষা প্ৰদান কৰি চাকৰিমুখী হোৱাটো বিচাৰে। ইয়াৰ কাৰণ অৱশ্যে নথকা নহয়। কিয়নো চৰকাৰী চাকৰিত নিৰাপত্তা আছে, নিৰ্ধাৰিত দৰমহা আছে, কামৰ সময় কম, ফাঁকি দিয়াটো সহজ, দায়িত্বৰ মাত্ৰাও কম, সমাজে সন্মান কৰে, উপযুক্ত মৰ্যাদা আছে ইত্যাদি। কিন্তু উদ্যমিতা কাৰ্যৰ জৰিয়তেও এই আটাইবোৰ সুবিধা লাভ কৰিব পাৰি। টাটা, বিৰলা, গোৱেংকা, বাজাজ, আম্বানী আদি উদ্যোগীৰ মান-মৰ্যাদা, টকা-পইচা কোনটো ক্ষেত্ৰত কম? নে তেওঁলোকৰ সামাজিক মৰ্যাদা নাই? ধীৰুভাই আম্বানীৰ জীৱন বুৰঞ্জী পঢ়ি চাওকচোন। কেনেদৰে নিম্নতম মূলধনেৰে আজি ভাৰতৰ এজন উল্লেখযোগ্য প্ৰতিপত্তিশীল ব্যক্তি হৈ পৰিছে। অসমৰে মণিৰাম দেৱান (চাহ উদ্যোগী), শিৱ প্ৰসাদ বৰুৱা (চাহ উদ্যোগী), ৰবীন দত্ত (পৰিবহন উদ্যোগী), জগন্নাথ বৰুৱা, আনন্দৰাম ঢেকিয়াল ফুকন (যোগানকাৰী), লক্ষ্মীনাথ বেজবৰুৱা, নোমল বৰা (GNRC), নবেন্দ্ৰ নাথ দত্ত (Down Town Hospital), ড° ভূপেন হাজৰিকা আদি ব্যক্তিসকলে নিজৰ স্বকীয় বৈশিষ্ট্যৰে একো একোজন খ্যাতনামা ব্যক্তি হ'ব পাৰিছে। টকা, পইচা, মান-মৰ্যাদাৰ ক্ষেত্ৰত এই ব্যক্তিসকল কোনো গুণে কম নহয়। গতিকে আজিৰ পিতৃ-মাতৃয়ে এটা কথা ভাবিব লাগিব যে যিহেতু চাকৰিৰ পৰিসৰ কম, আনহাতে

আত্মনিয়োগৰ সুবিধা বেছি, গতিকে নিজৰ ল'ৰা-ছোৱালীক শিক্ষাৰ দ্বাৰা স্বকীয় প্ৰতিভাৰ বিকাশ ঘটাই আত্মনিয়োগ কৰিবলৈ উৎসাহিত কৰক। তদুপৰি আত্মনিয়োগৰ জৰিয়তেহে নিজৰ সুপ্ত প্ৰতিভা বিকাশ কৰিব পাৰি। আনৰ অধীনত কাম কৰি এয়া নিশ্চয় সম্ভৱ নহয়। তেনেহ'লে চৰকাৰী চাকৰি এটা দুই তিনি লাখ টকাৰে কিনিবলৈ আমি কিয় বৈ আছোঁ? নিজকে স্ব প্ৰতিভাৰে উদ্ভাসিত কৰিবলৈ হ'লে উদ্যমিতা কাৰ্যই উপযুক্ত পথ নহয়নে? স্বনিয়োজনৰ বাবে কেৱল সুপৰিকল্পিত, উপযুক্ত উদ্যমিতা জ্ঞান, প্ৰশিক্ষণ, অভিজ্ঞতা আৰু ইতিবাচক মানসিকতা প্ৰস্তুতি গ্ৰহণ কৰাটোৱে মূলমন্ত্ৰ।

উদ্যোগী আৰু উদ্যমিতা ওতঃপ্ৰোতভাৱে জড়িত। এজন উদ্যোগীৰ উদ্যমিতা জ্ঞান থাকিলেহে সফল উদ্যোগী হ'ব পাৰিব। অৰ্থাৎ উদ্যোগী হ'ল এজন ব্যক্তি যিয়ে নিজৰ স্বকীয় প্ৰতিভাৰে এক নতুনত্ব প্ৰদান কৰি সমাজ তথা নিজকে উন্নতিৰ জখলাৰে আগুৱাই নিব পাৰে। এই প্ৰক্ৰিয়াটোকে উদ্যমিতা কাৰ্য বুলি কোৱা হয়। এই কাৰ্যৰ সৈতে জড়িত হ'বলৈ হ'লে তেওঁৰ কিছুমান গুণ থাকিব লাগিব। সেইবোৰ হ'ল —

১) আত্মপ্ৰকাশৰ ইচ্ছা, ২) দায়িত্ব লোৱাৰ ইচ্ছা, ৩) যিকোনো সমস্যা সফলতাৰে সমাধান কৰি সমাজত নিজৰ স্থিতি প্ৰভা বৰ্দ্ধিত কৰাৰ ইচ্ছা, ৪) অনিশ্চয়তাৰ পৰিস্থিতি স্বেচ্ছাৰে গ্ৰহণ কৰা, ৫) নতুন পৰিস্থিতিৰ সৈতে খোজ মিলোৱা অৰ্থাৎ গতানুগতিক কাৰ্যৰ পৰিপন্থী, ৬) যিকোনো সমস্যাক সুবিধালৈ পৰিবৰ্তন কৰাৰ মানসিকতা, ৭) বেংক বা বিত্তীয় প্ৰতিষ্ঠানক বিশ্বাসত আনিব পৰা ক্ষমতা, ৮) নতুনত্বৰ প্ৰতি ব্যাকুলতা, ৯) কাম কৰাৰ ধৈৰ্য আৰু ক্ষমতা, ১০) নিজে বাছি লোৱা উদ্যোগৰ কাৰিকৰী জ্ঞান সম্বন্ধে দৃঢ় স্থিতি, ১১) ভুল-ক্ৰুটি স্বীকাৰ কৰি উপযুক্ত পদক্ষেপ গ্ৰহণ কৰা, ১২) শৃংখলাবদ্ধ পৰিকল্পনা কৰা আদি। গতিকে এই গুণসমূহ আয়ত্ত কৰিব পাৰিলে প্ৰতিজন ব্যক্তিয়ে এজন সফল উদ্যোগী হ'ব পাৰিব। তদুপৰি লাগিব উপযুক্ত প্ৰশিক্ষণ। এনেধৰণৰ প্ৰশিক্ষণ দিবলৈ অনেক প্ৰতিষ্ঠান আপোনাৰ অপেক্ষাত বৈ আছে। তাৰ ভিতৰত Indian Institute of Entrepreneurship (IIE), State Institute of Rural Development (SIRD), Khadi and village Industries Commission (KVIC), National Small Industries Commission (NSIC), State Instutitute of Small Scale Industries (SISI) আদি। এইবোৰ প্ৰতিষ্ঠানে সময়ে সময়ে বিভিন্ন প্ৰশিক্ষণ বিনামূলীয়াকৈ দি আহিছে। প্ৰশিক্ষণৰ কালছোৱাত প্ৰশিক্ষাৰ্থীসকলক উদ্যোগীৰ বিকাশ, মূলধনৰ উৎস, প্ৰযুক্তিৰ সন্ধান কেঁচামালৰ খবৰ, বজাৰ আয়ত্তৰ কৌশল, বিভিন্ন চৰকাৰী প্ৰতিষ্ঠানৰ লগত সমন্বয় গঠন আদি বিষয়ত জ্ঞান দিয়া হয়। উল্লেখযোগ্য যে বৰ্তমানলৈ এই প্ৰতিষ্ঠানত প্ৰশিক্ষণ গ্ৰহণ কৰি প্ৰায় ৩০-৪০ শতাংশ লোকে বিভিন্ন ক্ষেত্ৰত নিজকে সংস্থাপিত কৰি নিবনুৱা সমস্যা সমাধানত অৰিহণা যোগাইছে। অৱশ্যে উদ্যমিতা প্ৰশিক্ষণ নোলোৱাকৈও বিভিন্ন কিতাপ-পত্ৰ, আলোচনী, অভিজ্ঞ ব্যক্তিৰ পৰামৰ্শ গ্ৰহণ, আলোচনা-বিলোচনা আদিৰ জৰিয়তে এজন ব্যক্তিয়ে উদ্যোগ ব্যৱসায় আৰম্ভ কৰিব পাৰে। গতিকে আপেক্ষা কিহৰ? আহক; আমি সকলোৱে নিজৰ নিজৰ প্ৰতিভাৰ বিকাশ ঘটাই আত্মনিৰ্ভৰশীল হ'বলৈ যত্ন কৰোঁ আৰু সমাজ তথা দেশখনক অৰ্থনৈতিকভাৱে আগুৱাই নিবলৈ সংকল্প লওঁ। শাস্ত্ৰত থকা 'বাণিজ্যে বসতি লক্ষ্মী' প্ৰবাদটোৱে উদ্যমিতাৰ গুৰুত্বকেই প্ৰকাশ কৰিছে।□□

## ঃ কৌতুক ঃ

সংগ্ৰহ ঃ ধনেশ্বৰ দাস
*উঃমাঃ প্ৰথম বৰ্ষ (বাণিজ্য)*

ৰীতা ঃ মই আজি দৌৰত দ্বিতীয় হৈছোঁ।
মা ঃ (খঙেৰে) কিয়? প্ৰথম হ'ব নোৱাৰিলি?
ৰীতা ঃ কি ক'ম, হাৰামী পাগল এটা মোতকৈ আগতে গৈ স্থায়ী ঠাইত আছিল।

এদিন এখন বাছত গৈ থাকোঁতে বাছত পকেটমাৰ এজন ধৰা পৰিল।
বাছৰ যাত্ৰী ঃ ঐ চোৰ, তোৰ চুৰ কৰিবলৈ লাজ নালাগেনে ?
পকেটমাৰ ঃ লাগে, তথাপিও মোৰ কৰ্ম মই কৰিবই লাগিব।

পুলিচে দোকানীক ক'লে, হেণ্ডচ্ আপ্ ?
দোকানীয়ে ক'লে ঃ ক্ষমা কৰিব, ইয়াত হেণ্ডচ্ আপ্ নাপায়।

ইয়াত থাম্চ আপ্হে পায়।

পাত্ৰিক এজন ঃ তোমাৰ দেহত কোনো আঘাত লগা নাই।

কিন্তু তুমি ইমান ভয় কৰিছা কিয়?
ল'ৰাজন ঃ কাৰণ মোক খুন্দিয়াই যোৱা গাড়ীখনৰ পিছ ফালে "আকৌ আহিম" বুলি লিখা আছে।

# 'কাৰেঙৰ লিগিৰী'ৰ শেৱালী

## (প্ৰেম আৰু ত্যাগৰ প্ৰতীক)

❑ অজিত প্ৰসাদ শৰ্মা
*প্ৰৱক্তা, অসমীয়া বিভাগ*
*দিশপুৰ মহাবিদ্যালয়*

'কাৰেঙৰ লিগিৰী' জ্যোতিপ্ৰসাদৰ মহত্তম সৃষ্টি। এইখনেই অসমীয়া নাট্য সাহিত্যলৈ সামাজিক সমস্যামূলক নাটকৰ দুৱাৰ মুকলি কৰি দিছিল। অসমীয়া নাট্য সাহিত্যত বহু নাট্যগুণেৰে সমৃদ্ধ 'কাৰেঙৰ লিগিৰী' জ্যোতিপ্ৰসাদ আগৰৱালাৰ পাঁচ অংক বিশিষ্ট নাটক। 'কাৰেঙৰ লিগিৰী' যদিও সামন্তযুগীয় আহোম সমাজৰ আৰ্হিত গঢ় দিয়া; দৰাচলতে জ্যোতিপ্ৰসাদৰ প্ৰথম নাটক 'শোণিত কুঁৱৰী'ৰ দৰে এইখনো যৌৱনসুলভ গভীৰ প্ৰেমৰ আবেগেৰে চিত্ৰিত। অৱশ্যে দুয়োখন নাটক যদিও প্ৰেমৰ আবেগেৰে চিত্ৰিত, 'শোণিত কুঁৱৰী' মিলন আনন্দেৰে ভৰ পূৰ আনহাতে, 'কাৰেঙৰ লিগিৰী' বিফল প্ৰেমৰ কাহিনীৰে পুষ্ট।

'কাৰেংৰ লিগিৰী' নাটকৰ চৰিত্ৰবোৰো জ্যোতিপ্ৰসাদৰ কাল্পনিক মনত গঢ় লৈ উঠা একোটা বাস্তৱ মূৰ্তি। নাটকখনৰ সুন্দৰ, ৰাজমাও, শেৱালী, কাঞ্চন, অনংগ, সুদৰ্শন, বপুৰা প্ৰভৃতি চৰিত্ৰ জ্যোতিপ্ৰসাদৰ শিল্পচেতনাৰ মুক্ত প্ৰকাশ মাথোন। যদিও নাটকখনত নিকপকপীয়া সমাজৰ বিৰুদ্ধে পৰিৱৰ্তনশীল স্বাধীনচিতীয়া মুক্ত মনৰ সংঘাত দেখুওৱা হৈছে। প্ৰকৃততে চাবলৈ গ'লে 'কাৰেঙৰ লিগিৰী'ৰ সংঘাত সৃষ্টি হৈছে শেৱালীৰ অনাকাংক্ষিত প্ৰেমৰ কথাৰ দ্বাৰা। 'কাৰেঙৰ লিগিৰী' নাটকৰ চৰিত্ৰবোৰৰ ভিতৰত এটি মোহনীয় চৰিত্ৰই হৈছে শেৱালী।

শেৱালী নাটকখনৰ মূল নায়িকা। লগতে নাটকত তাই সামান্য লিগিৰী। কিন্তু নাট্যকাৰে শেৱালী চৰিত্ৰটোক লিগিৰী হিচাপে ৰখা নাই; বৰং এগৰাকী মহান নাৰী চৰিত্ৰলৈ ৰূপান্তৰ ঘটাইছে। আমি যদি লক্ষ্য কৰোঁ, ভাৰতীয় নাট্য সাহিত্যত প্ৰাচীন কালৰ পৰা নাৰীৰ প্ৰভাৱ বিশেষভাৱে লক্ষণীয়। কালিদাসৰ শকুন্তলা অশেষ ধৈৰ্য আৰু ত্যাগৰ মহিমাৰে উজ্জ্বল মহিয়সী চৰিত্ৰ। যি ভাৰতীয় আদৰ্শ নাৰীৰ প্ৰতিভূ। জ্যোতিপ্ৰসাদৰ শেৱালীও তেনে এগৰাকী আদৰ্শ নাৰীৰ প্ৰতীক। নাটকত তাইৰ যি চিন্তা, ত্যাগ সেয়া অতি বিচিত্ৰ। জ্যোতিপ্ৰসাদৰ অন্য এখন নাটক 'ৰূপালীম'ৰ ৰূপালীম চৰিত্ৰটোৰ ৰূপালীম যিদৰে মায়াবৰ প্ৰেমত অলৰ-অচৰ সেইদৰে শেৱালীয়েও সুন্দৰকোঁৱৰৰ প্ৰেমত মতলীয়া কিন্তু নীৰৱে। তাই সুন্দৰক ভাল পায়; কিন্তু সেই ভালপোৱাত কোনো আশা নাই, আকাংক্ষা নাই। যদিও নাটকখন সামাজিক সমস্যামূলক, তথাপি নাটকখনত প্ৰেমজনিত সমস্যাহে মূল যেন ধাৰণা হয়।

শেৱালী নাটকখনৰ আন এটি নাৰী চৰিত্ৰ কাঞ্চনমতীৰ সম্পূৰ্ণ বিপৰীতমুখী চৰিত্ৰ। কিয়নো কাঞ্চনৰ দৰে তাইৰ কঠোৰ, বুদ্ধিদীপ্ত মনৰ অভাৱ। আনহাতে কাঞ্চনৰ দৰে শেৱালী প্ৰতিবাদী বা বিপ্লৱীও নহয়। মাথোঁ তাই এগৰাকী প্ৰেমিকা, নীৰৱ প্ৰেমিকা। তাই সুন্দৰকোঁৱৰক ভাল পাইছে। তাত তাই হাঁহাকাৰ কৰা নাই। তাইৰ হৃদয়ৰ গোপন মণিকোঠাত তাই নীৰৱে সেই প্ৰেম ৰচিছে। যিহেতু প্ৰেম মানৱ জীৱনৰ এক শাশ্বত অভিব্যক্তি।

নাটকখনত যদিও সুন্দৰে শেৱালীৰ প্ৰেমক তাচ্ছিল্য কৰিছে বা 'এগৰাকী সামান্য লিগিৰীৰ ইমান স্পৰ্দ্ধা' বুলি অৱজ্ঞা কৰিছে; তেতিয়াও কিন্তু শেৱালী বিচলিত হোৱা নাই। তাইৰ অন্তৰৰ যি গভীৰ ভালপোৱা সিয়ে সমস্ত দুখ, যন্ত্ৰণা, বঞ্চনাক বিশাল সমুদ্ৰৰ দৰে আকোৱালি লৈছে। তথাপি এই সৰল, নিৰীহ শেৱালীজনী সমাজৰ সংস্কাৰৰ আক্ৰমণৰ পৰা সাৰি যোৱা নাই। ৰাজমাৱে সন্দেহৰ দৃষ্টিৰে তাইক নগাপাহাৰলৈ নিৰ্বাসন দিছে। অথচ তাই নিৰ্দোষী। তথাপি তাইৰ কোনো প্ৰতিবাদ নাই, বৰং নিৰ্বিবাদে মানি লৈছে ৰাজমাওৰ কঠোৰ নিৰ্দেশ। ইয়েই চৰিত্ৰটোৰ উদাৰতাৰ ইংগিত দিয়ে। নিৰ্বাসিতা হৈছে যদিও তাইৰ হৃদয়ত সুন্দৰ কোঁৱৰৰ প্ৰতি যি প্ৰেম আছিল সেয়া নকমিল। বৰং শেৱালীৰ মুখত দিয়া কথাই সুন্দৰৰ প্ৰতি থকা ভালপোৱাৰ গভীৰতাৰহে ইংগিত দিয়ে —

'তুমি নুবুজা নহয় মোৰ তোমালৈ কিমান মৰম। মোৰ বুকুৰে নধৰে, মোৰ মনেও ভাবি ভাবি শেষ কৰিবলৈ ভাগৰে। কিমান মৰম! সুৰুযৰ পোহৰবোৰ যেনেকৈ পৃথিৱীলৈ বিয়াকুল হৈ আহি আই বসুমতীক সাবটি ধৰি আছে মোৰ মৰমবোৰ তোমালৈ সেইদৰে গৈ তোমাক আগুৰি আছেগৈ।' (কাৰেঙৰ লিগিৰী, চতুৰ্থ অংক, প্ৰথম দৰ্শন) শেৱালী 'কাৰেঙৰ লিগিৰী' নাটকখনত শেৱালি ফুলৰ দৰেই শুভ্ৰ। নিয়ৰত তিতি লেছেকা হৈ পৰা শেৱালি পাহিৰ দৰেই তাই কোমল। অলপ সময়ৰ বাবে ফুলি চৌদিশে সুঘ্ৰাণ বিলাই নিজে নিজে সৰি মৰহি যোৱাৰ দৰেই নাটকৰ নায়িকা শেৱালীয়েও সুন্দৰৰ অন্তৰত প্ৰেমৰ মাদকতা জগাই তলসৰা শেৱালীৰ দৰে তাই নিজৰ জীৱন কালৰ সোঁতত বিলীন কৰি দিছে। সুন্দৰৰ প্ৰতি শেৱালীৰ যি প্ৰেম সেয়া সৰল, নিঃস্বাৰ্থ, বাসনাহীন; য'ত

প্ৰাপ্তিৰ আকাংক্ষা নাই, আছে মাথোঁ ভালপোৱাৰ বিশালতা। শেৱালী কাবেঙৰ পৰা নিৰ্বাসিতা হ'ল নগাপাহাৰলৈ, আনকি কোঁৱৰেও তাইৰ প্ৰেমক সাধাৰণ লিগিৰীৰ প্ৰেম বুলি তাচ্ছিল্য কৰিলে। কিন্তু শেৱালীৰ অন্তৰ গহনত যি নিৰ্মল প্ৰেমৰ নিজৰা সুন্দৰলৈ বৈছিল সেয়া স্তব্ধ নহ'ল; সি বৈ থাকিল নীৰৱে, আকাংক্ষাৰ বিপৰীতে —

*'তুমি মোলৈ নীল আকাশৰ পূৰ্ণিমাৰ জোন,*
*তোমাক মই নাপাও। কিন্তু তোমাৰ মৰমৰ*
*জোনাকত মোক জুৰ ল'বলৈ নিদিবানে?'*

(কাবেঙৰ লিগিৰী; চতুৰ্থ অংক, প্ৰথম দৰ্শন)

'কাবেঙৰ লিগিৰী' নাটকত শেৱালী যদিও আদৰ্শভাৱে চিত্ৰিত হৈছে, কিন্তু চৰিত্ৰটো মনস্তাত্বিক দিশৰ পৰা সিমান সবল নহয়। কোনো কোনো ক্ষেত্ৰত চৰিত্ৰটোৱে জীৱনৰ একো সিদ্ধান্ত ল'ব নোৱাৰি কমপ্লেক্সিটিত (Complexittes) ভোগা দেখা গৈছে। জীৱনৰ চৰখৰীয়াত পৰি চৰিত্ৰটোৱে নিজকে আহুতি দিব লগা হৈছে। নাটকখনত শেৱালীয়ে মৃত্যুৱে যদিও দৰ্শক পাঠকৰ সহানুভূতি আদায় কৰিছে, কিন্তু প্ৰকৃততে চৰিত্ৰটোৰ ক্ষেত্ৰত প্ৰতিবাদী মনোভাৱ সাব্যস্ত নহ'ল। জীৱনৰ প্ৰতি মুহূৰ্ততে তাই অন্যায়ৰ বলি হৈছে। ৰাজমাৱে সন্দেহৰ বশৱতী হৈ তাইক অন্যায়ভাৱে নগাপাহাৰলৈ নিৰ্বাসন দিছে। তাতো তাইৰ প্ৰতিবাদ নাই, বৰং নীৰৱে তাই সেই অন্যায়ক মানি লৈছে আৰু শেষত সংসাৰৰ পৰা বিদায় লৈছে। নাটকখনত শেৱালীতকৈ কাঞ্চনক বেছি প্ৰতিবাদী আৰু বিপ্লৱী কৰি তুলিছে। কাঞ্চনে সুন্দৰৰ অন্যায়ৰ বিৰুদ্ধে স্পষ্টকৈ প্ৰতিবাদ কৰিছে। সেয়ে নাটকখনৰ এই দুই নাৰী চৰিত্ৰৰ চাৰিত্ৰিক বৈপৰিত্য লক্ষণীয়। মনস্তাত্বিক দিশৰ পৰা বিশ্লেষণ কৰিলে শেৱালী দুৰ্বল, কিন্তু কাঞ্চন সবল। এই দিশৰ পৰা শেৱালীৰ কৰুণ আত্মাহুতি জীৱনৰ পৰা পলায়ন যেন ধাৰণা হয়। আচলতে স্বাভাৱিক দৃষ্টিৰে চালে শেৱালী তেনে নহয়। তাই প্ৰকৃততে ত্যাগী। প্ৰেমৰ প্ৰতিদান তাই নিবিচাৰে। সেয়ে শেষত সুন্দৰ কোঁৱৰে তাইক কুঁৱৰী কৰিবলৈ খোজাত সেই উচ্চ পদকো তুচ্ছ জ্ঞান কৰিবলৈ তাই কুণ্ঠাবোধ কৰা নাই। কেৱল সুন্দৰৰ মংগলৰ বাবে তাই নিজৰ প্ৰেমক হৃদয়ৰ মাজত আৱদ্ধ ৰাখি নিজৰ জীৱন আহুতি দিছে। 'কাবেঙৰ লিগিৰী' নটকত শেৱালীৰ অনাকাংক্ষিত মৃত্যুৱে নাটকত ট্ৰেজেডিৰ ভাব বোৱাইছে। শেৱালীৰ নাটকীয় বিফলতাই দৰ্শক-পাঠকক নকন্দুৱাই নেৰে। আকৌ শেৱালীৰ প্ৰাণাহুতিয়ে নাটকত সুন্দৰৰ নাৰী বিদ্বেষিকতাক ভুল প্ৰমাণিত কৰিছে, ৰাজমাওৰ ভ্ৰান্ত ধাৰণাক নীৰৱে অৰ্থাৎ মৃত্যুৰে প্ৰত্যাহ্বান জনাইছে আৰু লগতে সুন্দৰৰ হৃদয়ৰ গোপনতাত সুপ্ত হৈ থকা প্ৰেমৰ জ্বালামুখী উদ্‌গিৰিত কৰিছে। ডঃ হীৰেন গোহাঁইৰ 'সাহিত্য আৰু চিন্তা' গ্ৰন্থত কৈছে —

*'শেৱালী যেন সেই নিৰীহ জনতাৰ প্ৰতীক*
*ইতিহাসৰ শীৰ্ষবিন্দুত যাৰ বিজয়*
*অৱশ্যম্ভাৱি।'*

অসমীয়া নাট্য সাহিত্যত শেৱালীৰ লেখীয়া ত্যাগী আৰু প্ৰেমিক চৰিত্ৰৰ দৃষ্টান্ত বিৰল। 'কাবেঙৰ লিগিৰী'ৰ চৰিত্ৰৰ এইধৰণৰ বিৰলতাই নাটকখনক অসমীয়া সাহিত্যৰ সৰ্বকালৰ এখন অন্যতম শ্ৰেষ্ঠ নাটক হিচাপে প্ৰতিষ্ঠিত কৰিছে। জ্যোতিপ্ৰসাদৰ প্ৰথম সৃষ্টি 'শোণিত কুঁৱৰী'ৰ উষা তেওঁৰ যৌৱন দুৱাৰ দলিত খোদিত চৰিত্ৰ। সেয়ে চৰিত্ৰটোত মিলন বাসনাৰ উদ্দীপনা অধিক। কিন্তু তেওঁৰ 'কাবেঙৰ লিগিৰী' পৰিপক্ক অৱস্থাৰ সৃষ্টি। সেয়ে নাটকখনত 'শোণিত কুঁৱৰী'ৰ দৰে তৰল প্ৰেম পোৱা নাযায়। 'শোণিত কুঁৱৰী'ৰ উষাৰ প্ৰেম যৌৱন উন্মুক্ত মিলন বাসনাৰ প্ৰেম, আনহাতে শেৱালীৰ প্ৰেম বাসনাৰহিত আত্মিক প্ৰেম। 'কাবেঙৰ লিগিৰী' নাটকৰ গোটেই সংঘাত যেন শেৱালীৰ নীৰৱ প্ৰেমত আৱদ্ধ হৈ তাইৰ অনাকাংক্ষিত আত্মাহুতিত পৰিসমাপ্তি ঘটিছে। গতিকে শেৱালীৰ মাজতেই 'কাবেঙৰ লিগিৰী' নাটকৰ পৰিসৰ সীমিত যেন অনুভৱ হয়। এই শেৱালী যেন জ্যোতিপ্ৰসাদৰ মানসপটত কল্পনাৰ শিলত কটা এক অনুপম মানৱী ভাস্কৰ্য হিচাপে দেদীপ্যমান হৈ উঠিছে।□□

## কৌতুক

সংগ্ৰহ ঃ এছ টৌজকিৰা চুলতানা
উঃমাঃ প্ৰথম বৰ্ষ (কলা)

**বাপেক ঃ** উৎপল, তোমাৰ অংকৰ পৰীক্ষা কেনে হৈছে।

**উৎপল ঃ** দেউতা, দুটা অংক কটা যাব।

**বাপেক ঃ** (মাকলৈ চাই) হেৰা শুনিছানে - ইয়াৰ বোলে দুটা অংকহে কটা যাব।

**মাক ঃ** মই জানিছিলোৱেই ই অংকত ভাল নম্বৰ পাব।

**বাপেক ঃ** তেনেহলে বাকীবোৰ অংক সম্পূৰ্ণ শুদ্ধ হ'ব।

**উৎপল ঃ** বাকীবোৰ অংক কৰাই নহ'ল দেউতা।

# আধুনিক পুথিভঁৰালত কম্পিউটাৰৰ প্ৰয়োজনীয়তা

❑ নীহাৰিকা শৰ্মা
লাইব্ৰেৰী কম্পিউটাৰ এচিষ্টেণ্ট

আধুনিক শিক্ষাৰ প্ৰগতিৰ লগে লগে পুথিভঁৰালৰ প্ৰয়োজনীয়তা ক্ৰমান্বয়ে বৃদ্ধি পাই গৈছে। কাৰণ পুথিভঁৰালেই হৈছে ছাত্ৰ-ছাত্ৰীৰ কিতাপ বিচৰাৰ প্ৰধান মাধ্যম আৰু এই পুথি ভঁৰালেই হৈছে ছাত্ৰ-ছাত্ৰীৰ অধ্যয়নৰ কেন্দ্ৰস্থান। ইয়াৰ পৰাই ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ ৰুচি অনুযায়ী কিতাপ বাচি ল'ব পাৰে। ৰুচি অনুযায়ী জ্ঞান লাভ কৰিবলৈ পুথিভঁৰালেই হৈছে একমাত্ৰ মাধ্যম যাৰ আৱশ্যকতা নুই কৰিব নোৱাৰি। অতীতৰ পৰা বৰ্তমানলৈকে পুথি ভঁৰালেই ছাত্ৰ-ছাত্ৰীৰ কিতাপৰ যোগান ধৰি আহিছে। গতিকে এই পুথি ভঁৰালটোক সুসমতভাৱে আৰু আধুনিক যুগত ইয়াক বিজ্ঞান সন্মত আৰু কাৰিকৰী প্ৰণালীৰে সজোৱাটো সকলোৰে দায়িত্ব। কাৰণ উপযুক্ত বিজ্ঞানসন্মত কাৰিকৰী ভাৱে যদি ইয়াক চলোৱা হয় তেন্তে ইয়াত যথেষ্ট সময় ৰাহি হয় আৰু কষ্টকৰ কামবো অৱসান ঘটে। তদুপৰি কিছু কিছু ক্ষেত্ৰত যথেষ্ট খৰচো কম হয়। বৰ্তমান যুগত পুথিভঁৰালত কম্পিউটাৰেই হৈছে এনে এটা মাধ্যম য'ত কিতাপৰ তালিকা জমা ৰখাৰ পৰা ছাত্ৰ-ছাত্ৰীৰ কিতাপ লোৱাৰ হিচাপ ৰখা, কিমান কিতাপ এদিনত ছাত্ৰ-ছাত্ৰীয়ে লয় আৰু কিমান কিতাপ ঘূৰাই দিয়ে আদি সংৰক্ষণ কৰা হয়। issue & return Procedure বুলি পুথি ভঁৰালত ব্যাখ্যা কৰা হয়। বিষয় অনুযায়ী অৰ্থাৎ অসমীয়া, ইংৰাজী, হিন্দী, বুৰঞ্জী, অৰ্থনীতি ইত্যাদি বিষয়ৰ কিমান কিতাপ পুথিভঁৰালত আছে, কিমান জাৰনেল, নিউজ পেপাৰ, মেগাজিন আদি আছে এই সকলোবোৰ হিচাপ সুসমতভাৱে আৰু উপযুক্ত পদ্ধতিৰে কম্পিউটাৰত ধুনীয়াকৈ জমা কৰি ৰখাৰ উপায় পাব পাৰি। বৰ্তমান যুগত কম্পিউটাৰেই হৈছে এনে এটা মাধ্যম যাৰ যোগেদি সকলো কাম কৰিব পাৰি। বৰ্তমান যুগত কম্পিউটাৰৰ ব্যৱহাৰে ছাত্ৰ-ছাত্ৰীৰ কিতাপ বিচাৰি উলিওৱাত যথেষ্ট সহায় কৰে। পুথিভঁৰালৰ কৰ্মচাৰীয়ে কষ্ট কৰি হাতে লিখি কিতাপৰ তালিকা আৰু কিতাপৰ Catalogue Card বনোৱাৰ প্ৰয়োজন আজি কালি আৰু নাই। কাৰণ কিতাপৰ Catalogue Card ৰ আজিকালি উন্নত Software পদ্ধতিৰে কম্পিউটাৰত হিচাপ কৰি তালিকা প্ৰস্তুত কৰি ৰখা হয় আৰু Marc Data base পদ্ধতিৰে কম্পিউটাৰতেই Catalogue Card সমূহ Subject, title, authorwise কৈ সজোৱাৰ ব্যৱস্থা কৰিব পৰা যায়। এই আধুনিক যুগত কম্পিউটাৰেই হৈছে এনেকুৱা এটা মাধ্যম যিটো মাধ্যমৰ দ্বাৰা আমি ঘৰতেই বা পুথি ভঁৰালতেই বহি অন্য সুদূৰ প্ৰান্তত থকা কেনেডা, অষ্ট্ৰেলিয়া আমেৰিকা আদি ঠাইৰ পুথিভঁৰালৰ মানুহৰ পৰা অতি কম্তেক সময়তে online internet Procedure ৰ ফলত যিকোনো প্ৰশ্নৰ উত্তৰ বিচাৰি পাব পাৰো। এই online Procedure বা Networking Procedure এ এখন ঠাইৰ লগত আন এখনৰ যোগাযোগ সহজে কৰি দিব পাৰে। পুথিভঁৰালত বৰ্তমান যুগত কম্পিউটাৰৰ আৱশ্যকতা আৰু যথেষ্ট আছে যাৰ বৰ্ণনা উল্লেখ কৰি শেষ কৰিব নোৱাৰি। পুথিভঁৰালত কম্পিউটাৰ এনে এটা লাগতিয়াল আৰু প্ৰয়োজনীয় বস্তু যে কম্পিউটাৰ নহ'লে যথেষ্টখিনি অসুবিধা আহি পৰে। কাৰণ কম্পিউটাৰ পদ্ধতি হাতে লিখা পদ্ধতিতকৈ যথেষ্ট উন্নত আৰু যথেষ্ট আগবঢ়া। ইয়াৰ যোগেদি খুব কম সময়তে যথেষ্ট লাগতিয়াল তথ্য আমি প্ৰস্তুত কৰি উলিয়াব পাৰোঁ। কম্পিউটাৰৰ যোগেদি পুথিভঁৰালত সকলো কামেই বৰ্তমান কৰিব পৰা যায়। উদাহৰণ স্বৰূপে selection, ordering accqustion cataloguing circulation control, serial control membership record, library statistics administration routine, finencial control and accounts আদি সকলো লাগতিয়াল কামেই ইয়াৰ ব্যৱহাৰেৰে কৰিব পাৰি। information services বোৰ হৈছে callection, storage, retricval & disscmination of information. এই information services বোৰেদি আমি বৰ্তমান যিকোনো লাগতিয়াল তথ্যৰ information বোৰ পুথিভঁৰালত পাব পাৰোঁ। আৰু শেষত Networking ব্যৱস্থৰে আমি বহুতো ঠাইৰ যোগাযোগ ৰাখিব পাৰোঁ। মুঠতে কম্পিউটাৰেৰে বৰ্তমান যুগত পুথিভঁৰালসমূহক এটা প্ৰকৃত উন্নত ৰূপ দিব পাৰি আৰু ইয়াৰ উচিত ব্যৱহাৰেৰে পুথিভৰালটোক বেছিকৈ লাগতিয়াল ৰূপত সজাব পাৰি। হিচাপ ৰক্ষণ পদ্ধতিৰে ইয়াক পৰিচালনা কৰিব পাৰিলে পুথিভঁৰালৰ কাৰ্যদক্ষতা বৰ্তমান যুগত বহু বৃদ্ধি পাব আৰু বহু নতুন ৰূপত পুথিভঁৰালক সজাব পৰা যাব। গতিকে কম্পিউটাৰ হৈছে বৰ্তমান যুগৰ একমাত্ৰ লাগতিয়াল আৰু উন্নতিৰ আহিলা যাৰ প্ৰয়োজনীয়তা সকলো ক্ষেত্ৰতে বিদ্যমান আৰু পুথিভঁৰালতো ইয়াৰ আৱশ্যকতা পদে পদে অনুভৱ কৰা যায়। ❑❑

# নামঘোষা ঃ এক অৱলোকন

□ উৰুকা শৰ্মা
*স্নাতক তৃতীয় বৰ্ষ, অসমীয়া বিভাগ*

মহাপুৰুষ শ্ৰী শ্ৰী মাধৱদেৱৰ 'নামঘোষা' অসমীয়া সাহিত্য মন্দিৰৰ এগছি উজ্বল বন্তিস্বৰূপ । ই মহাপুৰুষ জনাৰ আধ্যাত্মিক জীৱনৰ পূৰ্ণ অভিজ্ঞতাৰ শ্ৰেষ্ঠতম প্ৰকাশ। মহাপুৰুষ শংকৰদেৱৰ বৈকুণ্ঠ প্ৰয়াণৰ পিছত সাম্প্ৰদায়িক উৎপীড়নবশতঃ কামৰূপ ৰাজ্য এৰি গৈ কোচবিহাৰৰ ভেলাদুৱাৰত তেওঁ সত্ৰ পাতি লয় আৰু তাতেই জীৱনৰ শেষ বয়সত নিৰূপম গ্ৰন্থ 'নামঘোষা' ৰচনা কৰে।

'নামঘোষা'ত এহেজাৰ পদ থকা বাবে এইখন গ্ৰন্থক 'হাজাৰি ঘোষা'ও বোলা হয়। আকাশখন নানা গ্ৰহ-নক্ষত্ৰৰে জিলিকি থকাৰ দৰে 'নামঘোষা' খনিও নানা গ্ৰন্থৰ পৰা সংগ্ৰহ কৰা সমলেৰে সৌন্দৰ্য্যমণ্ডিত। ড° বাণীকান্ত কাকতিৰ 'পুৰণি অসমীয়া সাহিত্য'ৰ মতে 'নামঘোষা'ৰ প্ৰায় এহেজাৰৰ ভিতৰত পাঁচ-ছশমান পদেই নানা সংস্কৃত মূল শ্লোকৰ ভাঙনি। ড° মহেশ্বৰ নেওগ সম্পাদিত 'কীৰ্তন ঘোষা আৰু নামঘোষা'ৰ পাতনিত উল্লেখ আছে যে নামঘোষাৰ চাৰিশমান পদৰ মূল শ্লোকসমূহ ভাগবদ গীতা, বৃহন্নাৰদীয় পুৰাণ, পদ্ম-পুৰাণৰ স্বৰ্গখণ্ড আৰু উত্তৰখণ্ড, স্কন্দপুৰাণ, ব্ৰহ্মাণ্ড পুৰাণ, বামণ পুৰাণ, মৎস পুৰাণ, বিষ্ণু পুৰাণ, শান্তি শতক আৰু ৰামায়ণ-মহাভাৰতৰ পৰা গৃহীত যদিও অধিক খিনি শ্লোক ভাগৱত পুৰাণৰ পৰা লোৱা হৈছে। শ্ৰীধৰস্বামীৰ 'ভাগৱত -ভাবাৰ্থ-দীপিকা' আৰু গীতাৰ 'সুবোধিনী - টীকা'ৰ শ্লোক আৰু কথাৰ ভাঙনিও 'নামঘোষা'ত পোৱা যায়।

ড° বাণীকান্ত কাকতিদেৱে 'পুৰণি অসমীয়া সাহিত্য' নামৰ গ্ৰন্থত লিখিছে - 'নামঘোষাত তিনিটা ভাবৰ ধাৰা মিহলি হৈ বিশাল সাগৰৰ ফালে প্ৰবাহমান হৈছে - পুণ্যশ্লোক শঙ্কৰস্মৃতি, কৃষ্ণভক্তি মাহাত্ম্য আৰু মাধৱদেৱৰ আত্মলঘিমা'। নামঘোষাৰ ভেটি হ'ল বেদান্ত; আনহাতে ভাগৱত পুৰাণ হ'ল 'সমস্ত বেদান্তসাৰ'। ভাগৱতে সত্যতত্ত্বক (নিৰ্বিশেষে) ব্ৰহ্মৰূপে, (জগৎ-প্ৰপঞ্চৰ অতীত) পৰমাত্মা ৰূপে আৰু (শক্তিৰ গৰাকী ভগৱন্তৰূপে নিৰূপণ কৰিছে। এফালে সেই তত্ত্ব 'চৈতন্য -স্বৰূপ নিত্যসত্য শুদ্ধ জ্ঞান অখণ্ডিত', অচিন্ত্য, 'নিত্য শুদ্ধ বুদ্ধ', নিৰ্গুণ, নিৰঞ্জন, নিৰাকাৰ, পৰমব্ৰহ্ম; আন ফালে সেয়ে পৰম-পুৰুষ, পৰম-ঈশ্বৰ, পুৰুষোত্তম, বাসুদেৱ, নাৰায়ণ, কৃষ্ণ।

একশৰণ নাম ধৰ্মৰ মাহাত্ম্য প্ৰচাৰত 'নামঘোষা' অদ্বিতীয়। একাত্মিকা ভক্তিৰ এই অনুৰাগ অতি মনোৰম। ই-সংসাৰ সমুদ্ৰৰ মহৌষধি। সেইবাবে একান্ত ভক্তসকলে মুক্তি সুখকো বাঞ্চা নকৰে। তেওঁলোকে কেৱল ৰসময় ভক্তিহে বাঞ্চা কৰে—

"মুক্তিত নিস্পৃহ যিটো সেহি ভকতক নমো
ৰসময়ী মাগোহো ভকতি।
সমস্ত-মস্তক-মণি নিজ ভকতৰ বশ্য
ভজো হেন দেৱ যদুপতি।।"

ঈশ্বৰৰ ভক্তি লাভেই মানুহৰ শ্ৰেষ্ঠতম লাভ। কেৱল ভক্তিয়েই ভক্তৰ আনন্দ। ইয়াতেই ভক্তিৰ অহৈতুকতা সুন্দৰ ভাৱে প্ৰকাশিত হৈছে —

"হৰিনাম হৰিনাম হৰি নামে গতি।
হৰিনামে ভকতৰ কেৱল ভকতি।।"

'নামঘোষা' প্ৰায়খিনি ঘোষাৰ মাজেদি ভক্তিবিগলিত, ভাগৱৎ চৰণত দীনভাবাপন্ন, আত্মখেদত কাতৰ মাধৱদেৱৰ কাৰুণ্যময় ব্যক্তিত্বই আত্মপ্ৰকাশ কৰিছে। সেয়েহে মহাপুৰুষজনাই তেওঁৰ তিৰোধানৰ আগে আগে ভক্তসকলক তেওঁৰ অবিহনে ঘোষাতে তেওঁক বিচাৰি পাব বুলি কৈছিল। আকৌ ড° কাকতিদেৱৰ ভাষাত ক'বলৈ হ'লে – "এই হিয়াভেদ কৰি ওলোৱা ৰসময়ী ভক্তিয়েই নামঘোষাক শিক্ষামূলক পদ. সংগ্ৰহৰ শাৰীৰ পৰা আঁতৰাই আনি জীৱন ৰসেৰে অভিষিক্ত প্ৰকৃত সাহিত্যৰ সন্মুখ আসনত ঠাই দিছে।"

ভক্তিমূলক গ্ৰন্থ হিচাপে 'নামঘোষা' নিৰূপম। ভগবান কৃষ্ণৰ ভক্তিয়েই হৈছে এই সংসাৰৰ পৰা পৰিত্ৰাণ পোৱাৰ একমাত্ৰ উপায়। সেয়ে সদানন্দ-সনাতন কৃষ্ণত উপাসা কৰিয়েই ভক্ত কবি মাধৱদেৱে ভৱসিন্ধু পাৰ হ'বলৈ প্ৰয়াস কৰিছে-

"যাৰ ৰাম-কৃষ্ণ নাম নাৱে ভৱ-সিন্ধু তৰি
পাৰে পৰম্পদ পাপী যত।
সদানন্দ সনাতন হেনয় কৃষ্ণক সদা
উপাসা কৰোহোঁ হৃদয়ত।।"

মাধৱদেৱৰ 'নামঘোষা'ত ভক্ত জীৱনৰ সমস্ত আতি আকুতিয়ে যেন বাঙ্ময় ৰূপ পৰিগ্ৰহ কৰিছে। তেওঁ যেন 'নামঘোষা'ৰ ঘোষাবোৰ নিৰন্তৰে কীৰ্তন কৰি পৰম আনন্দ সাগৰত উটি-ভাঁহি গৈছে। এই যাত্ৰাত তেওঁৰ একমাত্ৰ সহায়ক গুৰু কৃপা আৰু ভগৱন্ত কৃষ্ণৰ আশীৰ্বাদ। ড° বাণীকান্ত কাকতিৰ ভাষাত-"গুৰুস্মৃতি শিৰোগত কৰি কৃষ্ণনাম হৃদয়ত ধৰি নামঘোষা মহাগীতৰ ভিতৰেদি একান্ত ভক্তিৰ ঢালি দি সমস্তখিনি ভগৱন্তৰ চৰণত আত্মসমৰ্পন কৰিছে।" আত্মলঘিমা অৰ্থাৎ সৰুতকৈও সৰু ৰূপে নিজক প্ৰকাশ কৰিব পৰা গুণৰাজিৰ ক্ষেত্ৰত মাধৱদেৱ অদ্বিতীয় -

"মঞি অনাথক দয়া কৰহ পৰমানন্দ

দাস বুলি ধৰিয়ো মনত,

থৈয়ো নিজভৃত্যৰ সঙ্গত।।"

অনাথৰ নাথ, অগতিৰ গতি, দয়াময় ভগবানৰ চৰণ ছত্ৰ ছায়াত আশ্ৰয় বিচাৰি গাইছে —

" চৰণ-ছত্ৰৰ ছায়া দিয়া দূৰ কৰা মায়া

দয়া কৰা মোক ভগৱন্ত।"

দাস্য ভক্তিৰ ভাব প্ৰকাশৰ বাহন স্বৰূপে মাধৱদেৱে প্ৰতিটো লিখনিৰ শেষত 'মাধৱ দাস ; 'মাধৱ মুৰুখমতি; 'দাসবো দাস' আদি শব্দ ব্যৱহাৰ কৰি বিনয় নম্ৰতাৰ চানেকি দাঙি ধৰিছে।

নামঘোষাত মায়া সম্পৰ্কে সঘন উক্তি কৰা হৈছে। মায়া ৰহস্যময় শক্তি। অহংকাৰৰ পৰা সৃষ্টি হোৱা পৃথকবোধ আৰু অধিকাৰবোধ অৰ্থাৎ 'মই আৰু মোৰ' এই ভাৱেই হ'ল মায়া। অসত্য জগতক সত্য বুলি প্ৰতীয়মান কৰা মায়া যে অসত্য সেই কথা মাধৱদেৱে কৈছে এনেদৰে —

"মায়া আদি কৰি সমস্ত অসন্ত

জানিবা জড় নিশ্চয়।

হৰি মাত্ৰ সন্ত চৈতন্য স্বৰূপ

পৰম তত্ব নিৰ্ণয়।।"

মায়া তাৰণৰ উপায় হিচাপে নামঘোষাত একান্ত ভক্তিৰ কথাকে কোৱা হৈছে। মাধৱদেৱে সেয়ে প্ৰাৰ্থনা কৰিছে-

"নমো নমো নাৰায়ণ প্ৰসন্ন হুয়োক হৰি

কৰিয়োক মায়াক নিৰ্য্যাণ।

আপোনাৰ মহিমাক আপুনি বেকত কৰি

জীৱক কৰিয়ো পৰিত্ৰাণ"।।

মোক্ষলাভ কৰিবলৈ হ'লে ভগৱানৰ অনুগ্ৰহ পাব লাগিব। মাধৱদেৱে মুক্তিতকৈ ভক্তিতহে অধিক গুৰুত্ব দিছে। ঈশ্বৰৰ ওচৰত সৰ্বতোভাৱে আত্মসমৰ্পন কৰিবলৈ মন বুদ্ধি আদি সকলো ইন্দ্ৰিয় বৃত্তিবোৰৰ ভিতৰেদি কুসুম সুৰভিত হৰি নামৰ প্ৰবাহহে চলিব লাগে। কাণ, চকু, জিভা, মন আদি ইন্দ্ৰিয় আৰু বৃত্তিবোৰেও ঈশ্বৰৰ গৌৰৱ ধ্যান অবহেলা কৰিলে ইন্দ্ৰিয়ৰ প্ৰতি ভৰ্ৎসনা উদ্দীপিত হয়। এই দীপ্তভাৱত কিন্তু প্ৰকৃত পৰিচালক ৰাগ, অভিমানৰ ছায়া নাই। ইয়াত জোনাকী পৰৰাৰ প্ৰভা আছে, কিন্তু দাহিকা শক্তি নাই -

"হে জিহ্বা সদা তই আমাত নিৰ্দয়া ভৈলি

কেনে নোবোলস ৰাম বাণী।"

সাহিত্য কৰ্ম হিচাপে মাধৱদেৱৰ 'নামঘোষা' অতুলনীয়। মাধৱদেৱৰ ভগৱানৰ প্ৰতি থকা আকুণ্ঠ ভক্তি প্ৰেমৰ অন্তঃসলিলা স্ৰোত ছবি, দুলড়ী, লেছাৰি আদি ছন্দেৰে নামঘোষাত সুছন্দময় পদত বৰ্ণিত হৈছে। প্ৰধান এই তিনিটা ছন্দত ৰচিত যদিও কাব্যখনৰ শেষৰফালে ঘোষাছন্দ, নামছন্দ, আদিৰ নামো পোৱা যায়। আধ্যাত্মিক ভাৱৰ পুথি "নামঘোষাত আছে ছন্দৰ ঝঙ্কাৰ, ভাৱৰ মাধুৰ্য্য, ভাৱৰ প্ৰগাঢ়তা - সকলোকে অতিক্ৰম কৰি মনঃ চক্ষুৰ দৃষ্টি পৰে, মাধৱদেৱৰ ভক্তিকাতৰ কৰুণ মূৰ্তিত। নামঘোষা উপমা, অলংকাৰ, ছন্দেৰে ভৰপুৰ। নামঘোষা একাগ্ৰতা, ব্যাকুলতা আৰু তন্ময়তাৰ সমাহাৰ।" (পুৰণি অসমীয়া সাহিত্য' - ড° বাণীকান্ত কাকতি)

মহাপুৰুষ মাধৱদেৱ একেধাৰে কবি, সুগায়ক, পণ্ডিত আৰু ধাৰ্মিক আছিল। তেওঁৰ নামঘোষা অসমীয়া জাতীয় জীৱন, সমাজ জীৱন আৰু সাহিত্য-সংস্কৃতি আদিৰ লগত নিবিড়ভাৱে জড়িত হৈ আছে। 'নামঘোষা'ৰ ৰসোময় ভক্তি সৰোবৰত সাঁতুৰি-নাদুৰি ভক্ত সকলে পৰম শান্তি লাভ কৰিব পাৰে। নামঘোষা অকল এটা যুগৰে নহয়, ই সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ ভক্তি গ্ৰন্থ। ই অসমীয়া সাহিত্যাকাশৰ এটি উজ্বল নক্ষত্ৰৰ দৰে চিৰদিন জিলিকি ৰ'ব। ☐☐

সহায়ক গ্ৰন্থ -

১। মাধৱদেৱ - জীৱন আৰু কৃতি - ড° ৰামচন্দ্ৰ ডেকা
২। অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত - ড° সত্যেন্দ্ৰ নাথ শৰ্মা।
৩। অসমীয়া সাহিত্যৰ ৰূপৰেখা - ড° মহেশ্বৰ নেওগ।

# মনৰ জীৱন ঃ সাহিত্যৰ মাজেৰে

□ চন্দা ভৰালী
অসমীয়া বিভাগ, স্নাতক তৃতীয় বৰ্ষ

*Our Sweetest Songs are those*
*That tell of Sadest Thought -Shelly*

জীৱন! তিনিটা আখৰৰ এটি হৃদয়স্পৰ্শী শব্দ। য'ত লুকাই থাকে জীয়াই থকাৰ আশা, জীয়াই থকাৰ প্ৰেৰণা তথা জীয়াই থকাৰ তীব্ৰ হেঁপাহ। কোনে বাৰু নিবিচাৰে জীৱনত সুখ, হাঁহি আনন্দ তথা আশা আৰু সপোনেৰে গঢ়া সোণালী কাবেং! কিন্তু আমি পাইছোঁ জানো সুখ? পাইছোঁ জানো হাঁহি আনন্দৰ খোৰাক? বাস্তৱত সুখ বিচাৰি আমি দুঃখহে পাওঁ। সুখ! অনুভূতিৰ এক বিশেষ স্তৱৰ। জীৱনত সুখ বিচাৰি হাঁহাকাৰ কৰি জীৱন বিষময় কৰাৰ কিবা প্ৰয়োজন আছে জানো? সুখ লাভৰ বাবে প্ৰয়োজন অকণমান আছে জানো? সুখ লাভৰ বাবে প্ৰয়োজন অকণমান সজাগতা, সচেতনতা আৰু এটি সুস্থ মনৰ। আমি জীৱনত কি পালো? সেইটো ডাঙৰ কথা নহয়। তাতোকৈ গুৰুত্বপূৰ্ণ কথটো হ'ল পোৱাখিনি কেনেদৰে গ্ৰহণ কৰিলে, মানসিক সন্তুষ্টি লাভ কৰিব পাৰি। সুখ লাভৰ সি এক চমু পথ। এইখিনিতে ইংৰাজ কবি এজনৰ কথা উনুকীয়াব পাৰি।

*' You never conqure the mountains.*
*you only conqure yourself.'*

সময় গতিশীল। সভ্যতাৰ নাওখন কালৰ গতিত আগবাঢ়িছে, সেয়ে জীৱন নামৰ নদীখনত সভ্যতাৰ নাৱত উঠি মানুহে উজানৰ বঠা মাৰি আগবাঢ়ি গৈছে অনাগত ভৱিষ্যতৰ ফালে আৰু তেতিয়াই সভ্য মানৱৰ বিবেকত অংকুৰিত হয় এনেধৰণৰ একুৰি প্ৰশ্নৰ —

জীৱন কি?
জীৱনৰ স্বৰূপ কি?
জীৱনৰ উদ্দেশ্য আৰু লক্ষ্য কি??

কিন্তু পাইছোঁ জানো আমি জীৱনৰ সংজ্ঞা বিচাৰি? পাইছোঁ জানো আমি জীৱনৰ স্বৰূপে বিচাৰি? আমি নিজেই নাজানো আমাৰ জীৱনৰ লক্ষ্য, জীৱনৰ উদ্দেশ্যই বা কি? সহজ ভাষাত জীৱনটো এক সাঁথৰ। কবি অমূল্য বৰুৱাৰ ভাষাত —

'আমি মানুহ
উৰ্বৰা মাটিৰ কৰ্মনিষ্ঠ পূজাৰী।
আমি যুগ পৰিস্থিতিৰ প্ৰতীক
বস্তু আৰু আদৰ্শৰ
দ্বন্দ্বাত্মক গতি
সংগ্ৰামলিপ্ত বিপ্লৱী।

জীৱনত সুখ আৰু দুখ অবিচ্ছিন্ন। ইহঁত এটা মুদ্ৰাৰে ইপিঠি সিপিঠি। জীৱনত সুখ আৰু দুখ একেলগে আছে। কবি দুৰ্গাৰ ভাষাত জীৱনটো 'সুখৰ সোঁতত ভাহে দুখৰ নাৱত'। জীৱনত কৰিবলগীয়া কাম বহুত কিন্তু জীৱনকাল তেনেই চুটি। অৱশ্যে জীৱনকালৰ লগতে সময় সুবিধাৰ কথাও জড়িত হৈ আছে। সেয়েহে সময়-সুবিধাৰ অভাৱত বহুত প্ৰতিভা কালৰ গতিত লুপ্ত হৈ যাব ধৰিছে। 'জীৱন আৰু লক্ষ্য' তথা 'কৃতকাৰ্যতা আৰু সাধনা' পৰস্পৰ আত্মনিৰ্ভৰশীল। এটা অবিহনে আনটো অস্তিত্বহীন। জীৱনত একোটা লক্ষ্য থকা উচিত। কিয়নো লক্ষ্যহীন জীৱন গুৰি বঠাবিহীন নাওখনৰ নিচিনা। লক্ষ্যহীন জীৱনত বিভিন্ন ভাৱনাই আহি দেখা দিব পাৰে আৰু ইয়ে মানুহজনৰ জীৱন বিষময় কৰি তুলিব পাৰে। জীৱনত অকল লক্ষ্য থকাই নহয়; লক্ষ্য থকাৰ লগতে প্ৰয়োজন নিজকে প্ৰশ্ন কৰাৰ! নিজকে অধ্যয়ন কৰাৰ!! আৰু প্ৰয়োজন নিজকে বুজি পোৱাৰ। কিন্তু কৰিছোঁ জানো নিজকে প্ৰশ্ন, নিজকে অধ্যয়ন। আমি কিমানখিনি নিজকে বুজিব পাৰিছোঁ? জীৱনত একোৱেই বুজা নহয়। বুজিছোঁ বুজিছোঁ বুলি আমি জীৱনৰ প্ৰতিদিনবোৰ হাঁহি-ধেমালিৰে কটাওঁ কিন্তু জীৱনৰ বিয়লি বেলাত যেতিয়া জীৱনৰ কৰ্মৰাজিৰ যোগ-বিয়োগ কৰোঁ, তেতিয়াহে উপলব্ধি কৰোঁ যে জীৱনত বুজিছোঁ বুজিছোঁ বুলি একোৱে বুজা নহ'ল। সেয়ে কোৱা হয় 'মানুহে নিজৰ বাহিৰে আন একোৱেই ভালকৈ জানিব নোৱাৰে।' সেয়েহে সফলতাৰ বাবে প্ৰয়োজন নিয়মানুবৰ্তিতা, একাগ্ৰতা আৰু অধ্যৱসায়ৰ।

দুৰ্গা দেৱৰ ভাষাত —

'ধৰাঁ প্ৰিয়তম প্ৰাণৰ পিয়লা
জীৱন-মদিৰা ভৰাই দিয়া,
অতীত ভৱিষ্যৎ শোক দুখ ভয়
আজিৰ ভাৱনা উটাই নিয়া।
আজিয়েই দিয়া কালিলৈ কিয়?
কোনে জানে মোৰ কালি কি হ'ব?
হাজাৰ হাজাৰ বছৰ বিয়পা
হয়তো অতীতে সামৰি থ'ব।'
(ওমৰ তীৰ্থ)

জীৱন এক প্ৰত্যাহ্বান। জীৱনটো নানান সমস্যা আৰু সংঘাতেৰে জৰ্জৰিত। জীৱনৰ প্ৰতিটো খোজতে বিপদ। জীৱনত আৰু এটা সমস্যা সমাধান কৰিবলৈ গৈ আন দহোটা নতুন সমস্যাৰ সৃষ্টি কৰোঁ। এয়াই হৈছে মানৱ জীৱন। সেইবুলি আমি জানো বাস্তৱক অস্বীকাৰ কৰিব পাৰোঁ? সেয়েহে টমাছ আলভা এডিছনে কৈছিল 'সমস্যা থাকিলে তাৰ সমাধানো নিশ্চয় থাকিবই।' কিন্তু সেই সমাধান বাহি কৰিবলৈ মগজ খটুৱাব লাগিব, ধৈৰ্য ধৰি কঠোৰ পৰিশ্ৰম কৰিব লাগিব। জীৱনত কৃতকাৰ্যতা লভিবলৈ হ'লে সৎ সাহস আৰু কঠোৰ পৰিশ্ৰমৰ প্ৰয়োজন। সংঘাতহীনতাই জীৱনৰ শান্তি নুবুজায়। আনহাতে কোনো বিষয়তে অকৃতকাৰ্য নোহোৱাটো প্ৰকৃত গৌৰৱ নহয়, প্ৰকৃত জয় বা প্ৰকৃত গৌৰৱ হ'ল কোনো পৰাজয়তে হাৰ নামানি আগবাঢ়ি যোৱা। এই প্ৰসংগত স্বামী বিবেকানন্দই এযাৰ কথা কৈছিল, 'যিজনে বিপদলৈ ভয় কৰে, তেওঁ কেতিয়াও জীৱনত জয়ী হ'ব নোৱাৰে। সেয়েহে দুৰবাই লিখিছিল —

'গোটোৱা গোলাপ কলি,
থাকোঁতে সময় সখী,
জীৱনৰ সোঁত বলি যায়,
যিটি ফুলে হাঁহি আজি
ফুলনি ফুলাই তোলে
কালিলৈ পাহি মেলি
নাহাহে দুনাই,
সময়ৰ সোঁত বলি যায়।'
(জীৱন জেউতি)

জীৱন আৰু প্ৰেম। পৰস্পৰে পৰস্পৰৰ স'তে সম্পৰ্কিত। জীৱন য'ত প্ৰেম ত'ত। হয়তো প্ৰেমৰ দৃষ্টিভংগী বেলেগ হ'ব পাৰে। কিছুমানৰ বাবে হ'ব পাৰে মাতৃ প্ৰেম, কিছুমানৰ বাবে হ'ব পাৰে ভাতৃ প্ৰেম, দেশপ্ৰেম আৰু শেষৰ বিধ হ'ল চেঙেলীয়া প্ৰেম। শেষৰ বিধ প্ৰেম ডেকা-ডেকেৰীসকলৰ মাজতহে ঘাইকৈ প্ৰচলিত। প্ৰেম য'ত বুজা পৰা ত'ত। পৃথিৱীত এনে কোনো ব্যক্তি নাই যিয়ে বুকু ডাঠকৈ ক'ব পাৰে যে তেওঁ এটি মুহূৰ্তৰ বাবে হ'লেও কোনো নাৰীৰ প্ৰেমত পৰা নাই। হয়তো তেওঁৰ প্ৰেম চিৰস্থায়ী নহ'ব পাৰে। প্ৰেম অন্ধ। সেয়েহে কি ডেকা, কি বুঢ়া; সকলো প্ৰেমৰ আলিংগনত আবদ্ধ। বিশ্বৰ প্ৰতিজন সফল ব্যক্তিৰ আঁৰত হেনো এগৰাকী নাৰী থাকে। মানৱ জীৱনত প্ৰেম চিৰকাম্য। প্ৰেম এক স্বৰ্গীয় অনুভূতি। প্ৰেম স্বৰ্গীয়।

প্ৰেমত বিফলতা; জীৱনৰ আন এক সফলতা। জীৱনত কিছু পাবলৈ হ'লে কিছু হেৰুৱাব লাগিব। সঁচা প্ৰেমৰ বিফলতা কোনেও নিবিচাৰে। সৃষ্টিৰ পাতনিৰ পৰাই সেই মনে পুৰুষে নাৰীক নাৰীয়ে পুৰুষক ভাল পাই আহিছে আৰু মিলনৰ কামনা কৰি আহিছে। তথাপি কামনা নকৰাকৈয়ে কেতিয়াবা মিলন হৈ পৰে বিৰহ বিফলতা। এই বিফলতাই প্ৰেমৰ বিশ্বাস ভংগ কৰি জীৱনটোৰেই সলনি কৰি দিয়ে। মহাকবি ডান্টেৰ 'ডিভাইন কমেডি' জানো মিলনৰ মাজত ৰচিত হৈছিল? সেয়েহে এই প্ৰেমক অভিহিত কৰিছে সাহিত্যৰ সঞ্জীৱনী স্বৰূপে। প্ৰেমৰ বিফলতাক আখ্যা দিছে জীৱনৰ আন এক সফলতা বুলি। প্ৰেম ব্যৰ্থতাৰ দ্বাৰা সহিব নোৱাৰি, প্ৰেমৰ অগনিত জীৱন উৎসৰ্গা কৰা প্ৰেমিকো নথকা নহয়। ইংৰাজ কবি শ্বেক্সপীয়েৰৰ চনেট কবিতা, বাইৰন, শ্বেলীৰ কবিতাসমূহ, প্ৰেমৰ কবি কীটছ যিজনে হৃদয়ৰ ৰক্ত ঢালি কবিতাৰ চ'ৰত জীৱনৰ প্ৰণাম যাঁচিলে; সৰ্বশ্ৰেষ্ঠ প্ৰেমৰ কবি ব্ৰাউনিং যিজনে মৃত্যুৰ পিছতহে প্ৰেমিকাৰ লগত মিলনৰ কামনা কৰিছিল! এই সকলৰ লিখনীৰ মাজেদি প্ৰেমৰেই জয়গান গাইছে, ব্যৰ্থ প্ৰেমেৰেই জীৱনৰ সাধনা কৰিছে। জীৱনৰ অনন্য আশীৰ্বাদ এই বিফল প্ৰেমেই কবিসকলক অমৰ কৰি ৰাখিছে। দুৰবাদেৰ এজন বিফল প্ৰেমিক, কিন্তু সফল প্ৰেম পূজাৰী। দুৰবাই লিখিছিল —

'মোৰ এই হিয়াখনি
জেতুকা পাতৰ দৰে
সেউজীয়া বননিৰ বৰণেৰে ঢকা
অন্তৰ জ্বলোৱা ছবি
অতীতৰ স্মৃতি লই
বুকুৰ তেজেৰে
আছে অন্তৰতে আঁকা।'

সেয়ে প্ৰেমত বিফলতা লৈও এয়া জীৱনৰে সফলতা। জীৱনত সাহিত্যৰ প্ৰভাৱ অতুলনীয়। সাহিত্য এক প্ৰকাৰ জীৱনৰে প্ৰকাশ। সৰু বৰ কথা মিলিয়ে জীৱন। সাহিত্যিক সকলোৱেও সাহিত্যৰ যোগেদি জীৱনত ঘটি থকা সৰু বৰ কথাৰে মূৰ্ত প্ৰকাশ ঘটায়। সাহিত্য হ'ল জীৱনৰ দাপোণ। সাহিত্যৰ যোগেদি মানুহৰ জীৱনৰ আশা, আকাংক্ষা, হাঁহি-কান্দোন, আৱেগ-অনুভূতি আদি স্পষ্টৰূপত প্ৰকাশ পায়। সেয়ে সাহিত্য জীৱনৰ প্ৰতিফলন।

সাহিত্যত জীৱনে সামগ্ৰিক ৰূপ লাভ কৰিব পাৰে। গতিকে দেখা যায় যে জীৱনত সাহিত্যৰ প্ৰভাৱ অতুলনীয়।

জীৱনটো এক ব্যাখ্যাহীন সংজ্ঞাহীন সাঁথৰ *(Life is a tale told by an idiot full of Soaud and fury fury signifying nothing)*। জীৱন যুদ্ধত জয় লাভ কৰিবলৈ হ'লে সৎ সাহস আৰু মহান ত্যাগৰ প্ৰয়োজন। আহক আমি আটায়ে জীৱন যুঁজৰ হাজাৰ হাজাৰ ধুমুহাকো নেওচি আমাৰ লক্ষ্য অভিমুখে আগবাঢ়ি যাওঁ। ☐☐

# ড° নিৰ্মলপ্ৰভা বৰদলৈ ঃ এটি উজ্জ্বল নক্ষত্ৰ



□ বিজিত শৰ্মা
স্নাতক দ্বিতীয় বৰ্ষ

*'সৌন্দৰ্য লুকাই থাকে বোধ, মেধা, বীৰত্ব,*
*পাণ্ডিত্য, ব্যক্তিত্ব আৰু*
*সুঠাম মনৰ ক'ত প্ৰকাশত।*
*নাৰী মই সেই সৌন্দৰ্যৰে*
*অক্লান্ত পিয়াসী।'*

এনে এক সৌন্দৰ্যৰ অধিকাৰিণী আছিল অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি বিশাল আকাশৰ এটি উজ্জ্বল নক্ষত্ৰ — ড° নিৰ্মলপ্ৰভা বৰদলৈ, যাৰ কাপেৰে নিগৰা অনুপম সৃষ্টিয়ে অসমীয়া জাতীয় জীৱনক প্ৰায় পাঁচ দশকজুৰি জীপাল কৰি ৰাখিছিল। তেওঁৰ প্ৰতিটো সৃষ্টিৰ মাজত আছে জীৱনৰ অৰ্থ। তেওঁৰ প্ৰতিটো ৰচনাত পোৱা যায় জীৱনক নতুনকৈ জুখি চোৱাৰ প্ৰেৰণা। তদুপৰি নৱকান্ত বৰুৱাদেৱৰ পিছতেই যিগৰাকী কবি আৰু গীতিকাৰৰ কবিতা আৰু গীতত সংবেদনশীলতা আৰু মননশীলতাৰ সুষম সমন্বয় সাধিত হৈছে, সেইগৰাকী কবি-গীতিকাৰ নিৰ্মলপ্ৰভা বৰদলৈৰ বাহিৰে আন কোনো নহয়। তেওঁৰ সাহিত্যৰাজিয়ে যিকোনো পঢ়ুৱৈকে সহজে আকৰ্ষিত কৰে।

সাহিত্যত গৱেষণা কৰি উপাধি লোৱা প্ৰথম অসমীয়া মহিলাগৰাকীৰ জন্ম হৈছিল ১৯৩৩ চনৰ ২০ জুনত, শিৱসাগৰত। তেওঁৰ পিতৃ আছিল উদ্যোগপতি ধৰ্মেশ্বৰ বৰদলৈ আৰু মাতৃ মুক্তাবালা বৰদলৈ। ড° বৰদলৈৰ শৈশৱকালত শিক্ষা জীৱন আৰম্ভ হয় শিৱসাগৰৰ ২ নং প্ৰাইমাৰী স্কুলত। তাৰ পৰাই তেওঁ অসমৰ ভিতৰত প্ৰথম হৈ বৃত্তি লাভ কৰি ফুলেশ্বৰী ছোৱালী হাইস্কুলত ভৰ্তি হয়। একেদৰে প্ৰৱেশিকা পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হয়। ড° বৰদলৈয়ে বি এ পৰীক্ষাত বিশ্ববিদ্যালয়ৰ ভিতৰতে সৰ্বোচ্চ নম্বৰ লাভ কৰি শীৰ্ষস্থান অধিকাৰ কৰে। তদুপৰি ১৯৫৪-৫৫ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা তেওঁ সুখ্যাতিৰে অসমীয়া বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। ১৯৭২ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা তেওঁ 'দ্য ট্ৰিটমেণ্ট অব্ নেচাৰ ইন পয়েট্ৰি' বিষয়ত গৱেষণা কৰি সন্মানীয় ডক্টৰেট ডিগ্ৰী লাভ কৰে।

'সোণৰ খাৰু নালাগে মোক/বিয়াৰ বাবে আই/ চেনেহ জৰী তই দিয়া মোক/ হাততে গুৱাই' পিছে ড° বৰদলৈৰ বৈবাহিক জীৱন আছিল তেনেই কাৰুণ্যৰে ভৰা। কৈশোৰ পাৰ হৈ যৌৱনত ভৰি দিয়া নিদিয়া অৱস্থাতেই জীৱনৰ ১১ বছৰ বয়সত তেওঁ বিবাহ পাশত আবদ্ধ হয়। কিন্তু বিবাহৰ তিনিবছৰ পাছতেই অৰ্থাৎ ১৪ বছৰ বয়সতেই বিবাহ বিচ্ছেদ হয়। ১৩ বছৰ বয়সতে জন্ম হোৱা তেওঁৰ একমাত্ৰ কন্যা সন্তানটিৰ নাম ড° স্বপ্না দেৱী ভট্টাচাৰ্য। ইচ্ছা কৰিলে তেওঁ নতুনকৈ সাংসাৰিক জীৱন আৰম্ভ কৰিব পাৰিলেহেঁতেন। কিন্তু একমাত্ৰ জী-জোঁৱাই আৰু দুজন নাতিৰে তেওঁ এক পৰিপূৰ্ণ অথচ ব্যতিক্ৰমী জীৱন পৰিক্ৰমাৰ অন্ত পেলালে। এনে ব্যতিক্ৰমী ব্যক্তিত্বৰ অধিকাৰিণী ড' নিৰ্মলপ্ৰভা বৰদলৈয়ে জীৱনৰ প্ৰতিটো খোজতে উজুটি খায়ো মুখত মৌ-বৰষা মাতবাৰ আৰু হাঁহি লৈ সংগ্ৰাম কৰি গ'ল। তেওঁ বি বৰুৱা কলেজত অধ্যাপনা কৰাৰ পাছত ১৯৭৫ চনত গুৱাহাটী বিশ্ববিদ্যালয়ত নিযুক্তি লাভ কৰি অসমীয়া বিভাগত ক্ৰমাম্বয়ে ৰীডাৰ, চিনিয়ৰ ৰীডাৰ আৰু উক্ত বিভাগৰ মুৰব্বী অধ্যাপিকাৰূপে কাৰ্যনিৰ্বাহ কৰি অৱসৰ গ্ৰহণ কৰে। তেওঁ কিছুদিন ধৰি গুৱাহাটী আকাশবাণী কেন্দ্ৰৰ 'অকণিৰ মেল' আৰু মহিলা চ'ৰাৰ পৰিচালিকাও আছিল। বৰদলৈয়ে অসমীয়া আৰু ইংৰাজী ভাষাত 'শিৱ', 'দেৱী', দিনৰ পিছত দিন', আছামীজ ছৰ্ট ষ্টৰী, চিল চিল চিলা আদি ৫৪ খনৰো অধিক গ্ৰন্থ ৰচনা কৰি অসমীয়া ভাষা-সাহিত্যৰ ভঁৰাল টনকিয়াল কৰি থৈ গৈছে। উল্লেখযোগ্য যে ড০ বৰদলৈৰ 'আছামীজ ছৰ্ট ষ্টৰী'য়ে আন্তৰ্জাতিকভাৱে প্ৰচুৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। আকৌ 'সাৰ পাঁও মই পুৱতি নিশাতে', 'ফুলৰে মেলাতে পখীয়ে গীত গায়', মোক এটি সুৰ কৰি তোলা' আদি ডেৰহাজাৰৰো অধিক কালজয়ী গীত ৰচনা কৰি তেওঁ এক বিশেষ সুনাম লাভ কৰিবলৈ সক্ষম হৈছে।

এনেদৰে নিৰবচ্ছিন্নভাৱে সাহিত্যৰ সৈতে ওতঃপ্ৰোতভাৱে লাগি থকা ড° বৰদলৈৰ জীৱনলৈ অলেখ সন্মানো আহিছে। তাৰ ভিতৰত — সাহিত্য অকাডেমী বঁটা (১৯৮৩), অসম সাহিত্য সভাৰ সভাপতি (১৯৯১), শিশু সাহিত্যৰ ৰাষ্ট্ৰপতি পুৰস্কাৰ (১৯৫৮), প্ৰবীণা শইকীয়া বঁটা (২০০২)আদি উল্লেখযোগ্য।

ড° নিৰ্মলপ্ৰভা বৰদলৈ আছিল এক মহীয়সী নাৰী যিয়ে জীৱনবাটত নানা ঘাট-প্ৰতিঘাটৰ সন্মুখীন হৈয়ো হেলাৰঙে এই পথ অতিক্ৰম কৰি আনকো দি গ'ল জীয়াই থকাৰ প্ৰেৰণা।

জোনটোৱে বিদায় লয়; সেই বিদায়ত আকাশখনে কান্দোন নাই ক'ৰ পৰা নাযায়, কিন্তু পৃথিৱীয়ে কান্দে। কাৰণ, পৃথিৱীক পোহৰাই ৰখা এটি আলোক উৎস আঁতৰি গ'ল। ড° নিৰ্মলপ্ৰভা বৰদলৈও ২০০৪ চনৰ ১ জুন তাৰিখে নিৰ্বাপিত হৈ গ'ল। কিন্তু তেওঁ জীয়াই থাকিব। সন্ধিয়াৰ আকাশত বগলী উৰিলে, পুৱতি নিশা নিয়ৰ সৰিলে, বেজাৰত টোপনি নাহিলে প্ৰতিজন অসমীয়াৰ হৃদয়ত তেওঁ ভুমুকি মাৰিব। তেওঁৰ চিৰনিদ্ৰিত সত্বাই সদায়ে সাৰ পাব। □□

*'সাৰ পাঁও মই*
*পুৱতি নিশাতে*
*নিয়ৰ যেতিয়া সৰে*
*বাটৰ গুকান ধুলিক সেমেকা*
*যিটো প্ৰহৰে কৰে।'*

# সমাজৰ দায়বদ্ধতা আৰু 'নাৰী'

❑ জ্যোতি কংকনা দত্ত বৰুৱা
*উঃ মাঃ দ্বিতীয় বৰ্ষ, কলাশাখা, দিবা শাখা*

মহামানৱ মহাত্মা গান্ধীয়ে কৈছিল — 'তিৰোতা ত্যাগৰ প্ৰতিমূৰ্তি। শুদ্ধ অন্তৰেৰে কাম কৰিলে তেওঁলোকে অসাধ্য সাধন কৰিব পাৰে।' এয়া কিন্তু গান্ধীজীৰহে মননশীলতা। সমাজৰ গতিশীলতাই ইয়াৰ বৰ্তমানৰ ৰূপটো একেবাৰে কদাকাৰ কৰি পেলাইছে। নাৰী হৈ পৰিছে ত্যাগৰ বিপৰীতে একো একাটা ভোগৰ অত্যাৱশ্যকীয় সামগ্ৰী।

হিন্দু শাস্ত্ৰমতে পুৰুষ আৰু প্ৰকৃতিৰ সম্পৰ্ক ওতপ্ৰোত। আদ্যাশক্তি মহামায়াৰ দ্বাৰাই নাৰী শক্তি জাগ্ৰত বুলি কোৱা হয়। সেয়ে হয়তো সমাজত বিশ্বাস নাৰীয়ে কৰিব নোৱৰা কাম একোৱে নাই। অথচ নাৰী সদায় পৰাধীন। নাৰী যিমানেই শক্তিশালী নহওঁক কিয় নিজৰ ইচ্ছানুসৰি নাৰীয়ে একো কাম কৰিব নোৱাৰে। শিশু অৱস্থাত নাৰী পিতৃৰ, যৌৱনত স্বামীৰ ক বৃদ্ধাৱস্থাত পুত্ৰৰ অধীনত চলিব লগা হয়। ই গৰ উপৰিও সমাজৰ নিকপকপীয় বান্ধোনত নাৰীৰ মন সদায় হতাশাৰে জৰ্জৰিত। সমাজৰ কঠোৰতাক নতশিৰে মানি লৈ সেই নিয়মেৰেই খোজ কাঢ়িব লাগে নাৰী। তাৰ অন্যথা হ'লে সেই নাৰী হৈ পৰিব পতিতা, ব্যভিচাৰিণী... আদি। অতীজৰে পৰা চলি অহা সমাজনীতিৰ বান্ধোনত নাৰীৰ প্ৰতি যি দৃষ্টি সেয়া যেন এতিয়াও লোপ পোৱা নাই। যদিও বৰ্তমান সমাজত বিঙিয়াই বিঙিয়াই কোৱা হয় নাৰী মুক্তিৰ কথা, নাৰী স্বাধীনতাৰ কথা। তথাপি সমাজ বুলি কওঁতে প্ৰধানতঃ বুজিব লাগিব একপক্ষীয়ভাৱে পুৰুষসকলক। নাৰীমন হীনমান্যতাত ভোগৰ কাৰণ হৈছে তেওঁলোকৰ স্বামী, পুত্ৰ নতুবা তেওঁলোকৰ লগতস নিবিড়ভাৱে জড়িত ব্যক্তিসকল। প্ৰতিজন পুৰুষে যদি নাৰীৰ মনবোৰ সুস্থ মানসিকতাৰে বিচাৰ কৰি চাব পাৰিলেহেঁতেন তেতিয়াহ'লে নিশ্চয় সমাজত নাৰীৰ স্থান ইমান তুচ্ছ হৈ নাথাকিলহেঁতেন। পুত্ৰই যদি মাতৃৰ মাতৃত্বৰ দাবী পুৰাব নোৱাৰে; স্বামীয়ে যদি পত্নীক, পত্নীৰ মৰ্যাদা দিব নিবিচাৰে, ভাতৃয়ে যদি ভগ্নীক নিৰাপত্তা দিয়াত ব্যৰ্থ হয়, সেইখন সমাজত নাৰীয়ে স্বকীয় সত্বা দাবী কৰিব কাৰ ওচৰত! প্ৰতিজন পুৰুষেইতো কাৰোবাৰ পুত্ৰ, স্বামী নতুবা ভাতৃ? সমাজৰ পৰিবৰ্তনশীলতাৰ লগে লগে ব্যক্তিমনবো পৰিবৰ্তন হয়। অথচ নাৰীৰ প্ৰতি থকা সমাজৰ যি অন্ধনীতি সেয়া যেন এতিয়াও বিৰাজমান। এতিয়াও তিৰোতাই শৰণ নোলোৱাকৈ কোনো ধৰ্মীয় অনুষ্ঠানত সোশৰীৰে প্ৰৱেশ কৰিব নোৱাৰে। তিৰোতাই তুলসীৰ পাত চিঙাটো পাপৰ কথা। ছোৱালী নতুবা ন-কইনাই বন্ধাভাত খালে ভকত-ভকতনীবোৰৰ জাত যায়। আজিও বৰপেটা কীৰ্তন ঘৰত নাৰীৰ প্ৰৱেশাধিকাৰ নাই। তিৰোতাই স্বামীৰ মৃত্যু হ'লে দ্বিতীয় বিবাহৰ প্ৰশ্নই নুঠে, সেয়া ভবাটো পাপৰ কথা। যদি কোনোবাই সমাজৰ এই নীতি উলংঘা কৰি পুনৰ বিবাহৰ কথাৰ অৱতাৰণা কৰে, সমাজৰ আগত সেই নাৰী ঘৃণাৰ পাত্ৰী হৈ পৰিব। অথচ পুৰুষে, নিজৰ তিৰোতাজনী ঢুকালে ইচ্ছা হ'লে পুনৰ ধুমধামেৰে যোড়শী একোজনী বিয়া কৰাব পাৰে। এয়াই হৈছে সমাজখনৰ নাৰীৰ প্ৰতি কৰা বিচাৰ। সংসাৰ এখন চলাবলৈ নাৰী এগৰাকীয়ে বহু কিবা কিবি ত্যাগ কৰিব লগীয়া হয়।

বৰ্তমান সমাজত দুৰদৰ্শন যোগে প্ৰচাৰিত অনুষ্ঠানবোৰতো নাৰী দেহৰ নগ্নতাই সমাজত অশালীন আদৰ্শৰহে প্ৰদৰ্শন কৰে। নাৰীয়ে যদি নিজকে সমাজৰ চকুত নগ্নৰূপত নেদেখুৱালেহেঁতেন তেতিয়াহ'লে নিজৰ দুৰ্বলতাৰ কথা সমাজৰ চকুত ধৰা নপৰিলহেঁতেন। চাবলৈ গ'লে নাৰীবো কিছু দোষ সোমাই থাকে। অৱশ্যে সকলো নাৰীৰ গুণ সমান নহয়। ভালৰ ভিতৰত এশজনীৰ ৯০ জনীয়ে গুণসম্পন্ন। সেয়েহে মই ভাবো নাৰীৰ এনে হীনমান্যতাৰ পৰা উদ্ধাৰৰ উপায় কেৱল নাৰীহে, যেনেদৰে সীতাৰ উপদেশ মতেহে হনুমানে নেজৰ জুই নুমাইছিল। ❑❑

---

## কৌতুক

সংগ্ৰহ ঃ
এছ টৌজকিৰা চুলতানা
*উঃমাঃ প্ৰথম বৰ্ষ (কলা)*

- এজন অ'চিয়ে চাৰিজন চিপাহীক ক'লে - লাজৰ কথা তোমালোক চাৰিজনে এজন চোৰক ধৰিব নোৱাৰিলা।
- এজন চিপাহীয়ে ভয় খাই ক'লে— ছাৰ, চোৰটো গ'ল, কিন্তু মই তাৰ হাতৰ পাঁচটা আঙুলিৰ চিনবোৰ আনিছোঁ।
- অ'চি - ক'ত আঙুলিৰ চিন দিয়া?
- চিপাহীজনে নিজৰ গালখন দেখুৱাই ক'লে - এয়া ছাৰ, পুৰা ৰঙাকৈয়ে স্পষ্ট হৈ আছে।

# বন্ধুত্ব আৰু প্ৰেম

□ নমিতা বৰ্মন
*স্নাতক দ্বিতীয় বৰ্ষ (কলা শাখা)*

'বন্ধু কোন' বুলি ক'লে আমি হয়তো সেইজনকেই বুজোঁ যিয়ে বন্ধুক জানে আৰু ভাল পায় ঠিক নিজৰ দৰে (A friend is someone who knows all about you and still loves you), পৃথিৱীখন আঁতৰি গ'লেও যিয়ে লগ নেৰে বন্ধুৰ, শ্মশান, বিপ্লৱ আৰু ৰাজদুৱাৰত যিয়ে তিষ্ঠি থাকে সেয়ে প্ৰকৃত বন্ধু।

বংগৰ বিখ্যাত লেখক তাৰাশংকৰ বন্দ্যোপাধ্যায়ে 'বিচাৰক' গ্ৰন্থত এই বুলি লিখিছে যে 'বন্ধুৰ দৰে শত্ৰু আৰু কোনো হ'ব নোৱাৰে।' পৃথিৱীৰ ইতিহাসত বন্ধুৰ হকে বন্ধুৱে প্ৰাণ বলিদান দিয়াৰ উদাহৰণ যিদৰে আছে তেনেদৰে আছে বন্ধু হৈ বন্ধুৰ স'তে কৰা চৰম বিশ্বাসঘাতকতাৰ কথা। ছিচিলিয়ান সাধুবাদ (Sicilian Proverb) ত পোৱা যায়, সেইজনেই তোমাৰ একমাত্ৰ প্ৰকৃত বন্ধু যিজনে কয় যে 'তোমাৰ মুখমণ্ডল লেতেৰা হৈ আছে'; অৰ্থাৎ প্ৰকৃত বন্ধুৱেহে বন্ধুৰ ভুলবোৰ দেখুৱাই দিয়ে। প্ৰকৃত বন্ধুত্ব প্ৰেমৰ দৰে গভীৰ। বন্ধুত্বৰ পোহৰ যছফৰাছৰ পোহৰৰ দৰে, চৌদিশে আন্ধাৰে আবৰি থাকিলেও ইয়াক অত্যন্ত সমতল যেন অনুমান হয়।

বন্ধুত্ব আৰু প্ৰেমৰ সম্পৰ্কৰ মাজত প্ৰতিদ্বন্দ্বিতা, আত্ম-সমালোচনাৰ প্ৰকাশ ঘটিব পাৰে; তেনে বন্ধুত্ব আৰু প্ৰেমে অন্ধ অনুসৰণ আৰু অন্ধ অনুগ্ৰহৰ বিপৰীতে প্ৰকৃত আন্তৰিকতা আৰু উপলব্ধিৰ গুৰুত্ব বঢ়ায়। বন্ধুত্বৰ মাজত আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয় হ'ল ভদ্ৰতা বা পলাইটনেচ (Politeness)। মুৰ্খ বন্ধুতকৈ জ্ঞানী শত্ৰু যে অধিক উপকাৰী, এই নীতি কথাষাৰো যুগ যুগ ধৰি চলি আহিছে। মুৰ্খ বন্ধুৱে কেতিয়াও ভুলবোৰ দেখুৱাই দিব নোৱাৰে, কিন্তু জ্ঞানী শত্ৰুৱে ভুলবোৰ দেখুৱাই দিব পাৰে, যাৰ পৰা আমি শিক্ষা গ্ৰহণ কৰিব পাৰোঁ।

ডব্লিউ আৰ উইলিয়ামছে (W. R. Williams) যৌৱনক ঋতুৰ আশ,' সংগঠক আৰু শক্তি বুলি কৈছে; এই শক্তি অকল ব্যক্তি বিশেষৰেই নহয়, এটা জাতিৰো। এই যুৱশক্তিৰ উত্তৰণে জাতি এটা নতুনকৈ গঢ়িব পাৰে অথবা তেওঁলোকৰ অধঃপতনে জাতিক ধ্বংসও কৰিব পাৰে। সাম্প্ৰতিক অৱস্থাত বিশ্ব-গোলকীকৰণৰ প্ৰভাৱত আমাৰ যুৱ সমাজৰ কিছুমান আধুনিক যুৱক-যুৱতীয়ে পাৰত গজা বিজতৰীয়া সংস্কৃতি-অপসংস্কৃতি গ্ৰহণ কৰা দেখা গৈছে। প্ৰেমৰ নামত যৌনতা, ভোগ-বিলাস আৰু প্ৰেম-বন্ধুত্বৰ নামত ফেশ্বন আৰম্ভ হৈছে। বৰ্তমান প্ৰেম-বন্ধুত্ব যেন এক অভিশাপস্বৰূপ হৈ পৰিছে। এইবোৰে মানুহৰ মাজত সহজাত প্ৰেম-ভালপোৱা আৰু আন্তৰিকতাৰ গুৰুত্ব কমাই আনিছে।

প্ৰেম হ'ল মানুহৰ জীৱনত জৈৱিক আসক্তিৰ লগত সাংস্কৃতিক সংযোগ। আজিৰ যুৱক-যুৱতীৰ মাজত জৈৱিক আসক্তি আছে কিন্তু সেয়া ইতিবাচক দিশৰ পৰা যথেষ্ট দুৰ্বল; কিন্তু নেতিবাচক দিশৰ পৰা যথেষ্ট সবল। আনহাতে প্ৰেমৰ সৈতে সংস্কৃতিৰ সম্বন্ধ? আজিৰ সমাজত ডেকা-গাভৰুৰ মাজৰ প্ৰেমত সংস্কৃতিৰ সম্বন্ধ নাই বুলিয়েই ক'ব পাৰি। প্ৰেমত জৈৱিক আসক্তি আৰু সাংস্কৃতিক সংযোগ নাথাকিলে সেই প্ৰেম বিস্ময়কৰ অথবা যুগমীয়া নহয়। জীৱনৰ যিকোনো মহত্বৰ প্ৰকাশ ঘটে প্ৰেমৰ মাজেৰে। প্ৰেমে আমাক শান্তি বা সুখানুভূতিৰ কথা কয় কিন্তু পৰম সত্যৰ কথা লুকাই ৰাখে। বন্ধুত্ব আৰু প্ৰেমৰ সম্পৰ্কই পৰম সত্যৰ সন্ধান দিব পাৰে একমাত্ৰ হৃদয়ৰ স্পৰ্শানুভূতিৰ মাজেৰে।

জীৱনজুৰি প্ৰেম যছফৰাছৰ দৰে জ্বলি থাকে; হয়তো মৃত্যুৱেও নুমুৱাব নোৱাৰে প্ৰেমৰ সেই জুই। এই প্ৰেম কেৱল নাৰী আৰু পুৰুষৰ মাজৰ প্ৰেমেই নহয় — এই প্ৰেম বন্ধু আৰু বন্ধুৰ, মানুহ আৰু সমাজৰ, মানুহ আৰু পৃথিৱীৰ। □□

*'যি কেইটা আদৰ্শই মোক জীৱনত বাট দেখুৱাইছে আৰু হাঁহি মুখেৰে জীৱনৰ মুখামুখি হ'বলৈ সাহস গোটাইছে সেই কেইটা হ'ল — প্ৰেম, সৌন্দৰ্য আৰু সত্য। সম্পত্তিৰ অধিকাৰ, বাহ্যিক কৃতকাৰ্যতা, ভোগ-বিলাস — মানসিক কৰ্মোদ্যমৰ এনেবোৰ গতানুগতিক লক্ষ্য মোৰ মনত সদায় ঘৃণনীয় বুলি অনুভূত হৈ আহিছে।'*

*এলবাৰ্ট আইনষ্টাইন*

# বৰ্তমান শতিকাৰ ভয়ৱহ ৰোগ ঃ এইডচ্ (AIDS)

❑ ভূপেন কলিতা
*প্ৰথম বৰ্ষ (কলা শাখা)*

বৰ্তমান বিশ্বৰ আটাইতকৈ ভয়াবহ ৰোগটোৰ নাম হৈছে এইডচ্। এই ৰোগটো ১৯৮২ চনত পোন-প্ৰথমে আমেৰিকাৰ আটলাণ্টাত আবিস্কাৰ হয়। এইডচ্ (AIDS) হৈছে ইংৰাজীৰ সংক্ষিপ্ত নাম। ইয়াৰ সম্পূৰ্ণ নামটো হৈছে - "একুৱাৰ্ড ইমিউন' ডেফিচিয়েন্সী ছিনড্ৰ'ম" (Acquired Immuno Deficiency Syndrome)। হিউমেন ইমিউন' ডেফিচিয়েন্সী ভাইৰাছ" সংক্ষেপে এইচ. আই. ভি. (HIV) নামৰ এবিধ ভাইৰাচৰ আক্ৰমণৰ ফলত দেহত এইডচ্ সৃষ্টি হয়।

মানুহৰ দেহত ৰোগ প্ৰতিৰোধ ক্ষমতা সৃষ্টিকাৰী এবিধ কোষ থাকে। এই কোষবিধক 'টি. ছেল' বোলা হয়। এইচ. আই. ভি. ভাইৰাছবিধে 'টি. ছেল'ক আক্ৰমণ কৰে। এই আক্ৰমণৰ ফলত দেহত ৰোগ প্ৰতিৰোধৰ ক্ষমতা লোপ পাবলৈ ধৰে। লাহে লাহে এই ক্ষমতা লোপ হৈ সময়ত সম্পূৰ্ণভাৱে দেহৰ ৰোগ প্ৰতিৰোধ ক্ষমতা নোহোৱা হৈ পৰে। ফলত 'টি. ছেল'ৰ অভাৱত সুস্থ দেহত জীৱাণুৰ দ্বাৰা হব পৰা কিছুমান বেমাৰ যেনে - টি.বি., লসিকাৰ্বুদ, কাপছি, ছাৰক'মা, লিম্ফ'মা, নিম নিয়া আদিত ৰোগীৰ মৃত্যু হয়।

**এইডচ্ ৰোগৰ প্ৰাথমিক লক্ষণসমূহ হ'ল -**

(১) দেহৰ সাধাৰণ দুৰ্বলতা।
(২) দেহৰ ৰোগ প্ৰতিৰোধী তন্ত্ৰ সম্পূৰ্ণৰূপে ধ্বংস হয় আৰু এনে অৱস্থাত বেক্টেৰিয়া, ভেঁকুৰ, প্ৰট'জৱা আদি জীৱাণুৰ দ্বাৰা যিকোনো ৰোগ বা ৰোগৰ লক্ষণে দেখা দিব পাৰে।
(৩) বিভিন্ন ছালৰ ৰোগ, হাওঁফাওঁৰ ৰোগ, যক্ষ্মা, মুখ আৰু ডিঙিৰ ৰোগ আক্ৰান্ত ব্যক্তিৰ আন কিছুমান লক্ষণ।
(৪) স্নায়ুতন্ত্ৰ আক্ৰান্ত হোৱাৰ ফলত মস্তিষ্কৰ ৰোগ হয় ফলত স্মৃতিশক্তি বা চিন্তা শক্তি লোপ পায়।

এইচ. আই. ভি (HIV) ভাইৰাছ এজন আক্ৰান্ত ব্যক্তিৰ পৰা সুস্থ মানুহৰ দেহলৈ বিয়পাৰ কাৰণসমূহ তলত উল্লেখ কৰা হ'ল।

(১) যৌন সংস্পৰ্শ (Sexual Contact) : এইচ. আই. ভি. ভাইৰাছ আক্ৰান্ত ব্যক্তিৰ শুক্ৰাণু ৰস, যোনি ৰস আৰু স্তনৰ গাখীৰত পোৱা গৈছে। সেই কাৰণে যৌন সংস্পৰ্শৰদ্বাৰা এই ভাইৰাছ, আক্ৰান্ত ব্যক্তিৰপৰা সুস্থ মানুহৰ দেহলৈ সংক্ৰমিত হয়। পৃথিৱীৰ প্ৰায় শতকৰা ৭০ ৰ পৰা ৮০ ভাগ সংক্ৰমণ যৌন সংস্পৰ্শৰ দ্বাৰাই সংঘটিত হয়।

(২) তেজ সঞ্চাৰণ (Blood Transfusion) : সংক্ৰমিত ব্যক্তিৰ তেজ যদি মানুহৰ দেহত অজানিতে সঞ্চাৰিত কৰা হয় তেনেহলে এই ৰোগকাৰক ভাইৰাছ সুস্থ মানুহৰ দেহলৈ বিয়পে। ইয়াৰ উপৰিও কৃত্ৰিম অংগ প্ৰতিস্থাপনৰ সময়তো এই ভাইৰাছ সংক্ৰেমিত হোৱাৰ সম্ভাৱনা থাকে।

(৩) নিচাযুক্ত দ্ৰব্যসমূহ বেজীৰদ্বাৰা ব্যৱহাৰ কৰা ব্যক্তিসকলে যেতিয়া একেটা বেজী ব্যৱহাৰ কৰে তাৰে মাজৰ কোনোবা আক্ৰান্ত ব্যক্তিৰ পৰা এই ভাইৰাছ আন এজন সুস্থ ব্যক্তিলৈ সংক্ৰেমিত হয়।

(৪) নাপিতৰ দ্বাৰা বিভিন্ন জনৰ ক্ষেত্ৰত এখন ক্ষুৰ ব্যৱহাৰ কৰিলে সংক্ৰেমিত ব্যক্তিৰ পৰা ক্ষুৰৰ মাধ্যমতো এই ভাইৰাছ সুস্থ মানুহৰ দেহলৈ বিয়পিব পাৰে।

(৫) চিকিৎসকৰ অস্ত্ৰোপচাৰৰ সামগ্ৰীবোৰ ভালদৰে সংশোধন নকৰিলে ভাইৰাছ সংক্ৰমণৰ আশংকা থাকে।

(৬) এইচ্. আই. ভি. ভাইৰাছৰদ্বাৰা আক্ৰান্ত মাতৃৰ জনন ফুলৰ (Placenta) জৰিয়তে ই হব লগা সন্তানৰ দেহলৈ নাইবা আক্ৰান্ত মাতৃৰ গাখীৰৰ জৰিয়তে সন্তানৰ দেহলৈ এই ভাইৰাছ বিয়পিব পাৰে।

এইডচ্ ৰোগে দেখা দিয়াৰ সময়ত বেমাৰৰ বীজাণু প্ৰৱেশ কৰাৰ বিভিন্ন মাধ্যমসমূহৰ ওপৰত নিৰ্ভৰ কৰে। যৌন ক্ৰিয়াৰ দ্বাৰা ভাইৰাচ দেহত প্ৰৱেশ কৰিলে প্ৰায় ৩ বছৰমানৰ পাছত, অন্য প্ৰথা যেনে তেজ সঞ্চাৰণৰদ্বাৰা ভাইৰাচ দেহত সোমোৱাৰ ৪ বছৰমানৰ পাছত এইডচ্ ৰোগ আৰম্ভ হয়। কেতিয়াবা প্ৰায় ১৪ বছৰ পাছতো এই ৰোগৰ লক্ষণ দেখা যায়। যি কোনো বয়সৰ লোক এইডচ্ ৰোগৰ ভাইৰাছৰ দ্বাৰা আক্ৰান্ত হব পাৰে। এইডচ্ ৰোগত আক্ৰান্ত হোৱা ব্যক্তিৰ প্ৰথম অৱস্থাত কাঁহ, মুৰৰ বিষ, মূৰ কামোৰণি, ভীষণ জ্বৰ, নেলুৰ ঘাঁ, গাঁঠিৰ বিষ আদি লক্ষণসমূহে দেখা দিব পাৰে। তাৰ পাছত ক্ৰমে এই লক্ষণসমূহে এৰা দিবলৈ ধৰে আৰু কেইবা বছৰো ধৰি এনেদৰে সুপ্ত অৱস্থাত থাকিব পাৰে। এই সুপ্ত অৱস্থাত থকা সময়ছোৱাত এই ভাইৰাচ বিধে দেহৰ ৰোগ প্ৰতিৰোধী ক্ষমতা বিকল কৰিবলৈ ধৰে। পাছত জটিল লক্ষণসমূহে দেখা দিবলৈ ধৰে। এইডচ্ ৰোগ নিৰ্ণয় কৰাৰ একমাত্ৰ উপায় হ'ল - তেজ পৰীক্ষা কৰা। কোনো কোনো ক্ষেত্ৰত ৰোগীৰ দেহৰ শুক্ৰাণু এইডচ্ ভাইৰাছৰ দ্বাৰা আক্ৰান্তনে পৰীক্ষা কৰি চোৱা হয়। অলপতে আমেৰিকাৰ টেক্সাছ বিশ্ববিদ্যালয়ৰ বিজ্ঞানীৰ দল এটিয়ে এইডচ্ নিৰ্ণয় কৰাৰ বাবে এটি নতুন কৌশল উদ্ভাৱন কৰিছে। মাত্ৰ ডেৰ ঘণ্টাৰ ভিতৰতে এই

পদ্ধতিৰে এইডচ্ ৰোগ ধৰা পেলাব পৰা যায়।

বৰ্তমান বিশ্বত প্ৰায় এক কোটিৰো অধিক এইচ. আই. ভি.ৰ দ্বাৰা আক্ৰান্ত বুলি কোৱা হৈছে। ১৯৮৯ চনত ভাৰতত পৰীক্ষা কৰা প্ৰতি ১০০০ ভাগৰ ভিতৰত ২.৫ জন এইচ. আই. ভি.ত আক্ৰান্ত। ১৯৯১ চনত এই সংখ্যা ৫.২ লৈ আৰু ১৯৯২ চনত প্ৰতি ১০০০ ত ৮ জনলৈ বৃদ্ধি পোৱা ঘটনাই সঁকিয়াই দিয়ে যে আমাৰ দেশ এইচ. আই. ভি. ৰ দ্বাৰা ক্ৰমে বেছিকৈ আক্ৰান্ত হ'বলৈ ধৰিছে।

এইডচ্ ৰোগৰ কোনো প্ৰতিষেধক ছিটো কাৰ্যকৰী হৈ উঠা নাই। বিশ্ব স্বাস্থ্য পৰিষদে এইডচ্ ৰোগৰ সংক্ৰমণ প্ৰতিৰোধ কৰিবলৈ কিছুমান সতৰ্কতামূলক ব্যৱস্থাৰ উল্লেখ কৰিছে। এইবোৰ হ'ল –

(১) যৌন সংস্পৰ্শ নিৰাপদ হোৱা প্ৰয়োজন। একাধিক ব্যক্তিৰ লগত যৌন সংস্পৰ্শ বিপদ জনক, সেইকাৰণে সাৱধানতা অবলম্বন কৰাটো আৱশ্যক।

(২) সংশোধন নকৰা বেজী একাধিক ব্যক্তিয়ে ব্যৱহাৰ কৰা অনুচিত।

(৩) তেজ সঞ্চাৰণ কৰিব লগীয়া হ'লে সম্পূৰ্ণ ভাৱে তেজৰ পৰীক্ষা কৰিহে ল'ব পাৰি।

(৪) আক্ৰান্ত ৰোগীয়ে চিকিৎসকৰ পৰামৰ্শমতে ব্যৱস্থা লোৱা উচিত।

(৫) জনশিক্ষাৰ জৰিয়তে ৰোগৰ ভয়াবহতাৰ বিষয়ে সজাগ কৰি দিব লাগে।

এইডচ্ ৰোগ নিবাময়ৰ কাৰণে কোনো প্ৰতিষেধক ঔষধ বা বেজী আজিলৈকে ওলোৱা নাই। ফলত এইডচ্ ৰোগত আক্ৰান্ত ৰোগীৰ মৃত্যু অৱশ্যম্ভাৱী। এই ৰোগৰ পৰা ৰাচিবৰ প্ৰধান উপায় হ'ল – এই ৰোগৰ বিষয়ে সচেতন হোৱা আৰু ৰোগ বিয়পিব পৰা মাধ্যমসমূহৰ পৰা আঁতৰি থকা। ◻◻

## কৌতুক

সংগ্ৰহ ঃ ধলেশ্বৰ দাস
*উঃমাঃ প্ৰথম বৰ্ষ (বাণিজ্য )*

♦ **ৰীতা ঃ** মই আজি দৌৰত দ্বিতীয় হৈছোঁ।
**মা ঃ** (খঙেৰে) কিয় ? প্ৰথম হ'ব নোৱাৰিলি ?
**ৰীতা ঃ** কি ক'ম, হাৰামী পাগল এটা মোতকৈ আগতে গৈ স্থায়ী ঠাইত আছিল।

♦ **এদিন** এখন বাছত গৈ থাকোঁতে বাছত পকেটমাৰ এজন ধৰা পৰিল।
**বাছৰ যাত্ৰী ঃ** ঐ চোৰ, তোৰ চুৰ কৰিবলৈ লাজ নালাগেনে ?
**পকেটমাৰ ঃ** লাগে, তথাপিও মোৰ কৰ্ম মই কৰিবই লাগিব।

♦ পুলিচে দোকানীক ক'লে, হেণ্ডচ্ আপ্ ?
দোকানীয়ে ক'লে ঃ ক্ষমা কৰিব, ইয়াত হেণ্ডচ্ আপ্ নাপায়।
ইয়াত থাম্চ আপ্হে পায়।

♦ **পাল্লিক এজন ঃ** তোমাৰ দেহত কোনো আঘাত লগা নাই। কিন্তু তুমি ইমান ভয় কৰিছা কিয় ?
**ল'ৰাজন ঃ** কাৰণ মোক খুন্দিয়াই যোৱা গাড়ীখনৰ পিছ ফালে "আকৌ আহিম" বুলি লিখা আছে।

# মাদকদ্ৰব্যৰ অপকাৰিতা

□ জুতিকা মেধি
উ.মা. প্ৰথম বৰ্ষ, দিবা শাখা



বৰ্তমান ভাৰতকে ধৰি গোটেই বিশ্বতে নিচাযুক্ত ঔষধৰ অপব্যৱহাৰ এটা প্ৰধান সমস্যা ৰূপে দেখা দিছে।

"Cigerettee Smoking is injurious to health" চিগাৰেটৰ পেকেটৰ ওপৰত লিখা থকা এই বাক্যটিৰ সাৰ্থকতা নিচেই নগন্য। বাক্যটি পঢ়িও প্ৰায় লোকে চিগাৰেট খায়; কিন্তু কোনেও চিগাৰেটৰ অপকাৰিতাৰ বিষয়ে নাভাবে। চিগাৰেট এটা খালে এজন মানুহৰ অপকাৰ কৰোঁতে সময় লাগে মাত্ৰ ৩ চেকেণ্ড বা তাতোকৈ কম। নিক'টিন (Nicotine) টাৰ (Tar) আৰু কাৰ্বন মনক্সাইড (CO) এই গেছ তিনিবিধ হ'ল - চিগাৰেটৰ ধোঁৱাৰ পৰা ওলোৱা বিষাক্ত গেছ। এইবোৰে মানুহৰ কলিজাত হাওঁফাওঁ আৰু গোটেই শৰীৰতে ক্ৰিয়া কৰে।

**নিক'টিনৰ প্ৰভাৱ :** চিগাৰেট খোৱাৰ পাছত নিক'টিনবোৰ পোনে পোনে তেজৰ সংস্পৰ্শলৈ আহে আৰু ৭ চেকেণ্ডমানৰ ভিতৰতে ক্ৰিয়া কৰি Catecholamine নামৰ এবিধ হ'ৰমন নিষ্কাশন কৰে। আনহাতে তেজৰ সংস্পৰ্শলৈ আহিলে নিক'টিনে দেহত এক আনন্দ দিয়ে। গতিকে খাওঁতাজনক অতিমাত্ৰা চিগাৰেটৰ প্ৰয়োজন হয়।

**কাৰ্বন মনক্সাইডৰ প্ৰভাৱ :** বিড়ি, চিগাৰেট, হোকা আদি খাই যি ধপাতৰ ধোঁৱা শৰীৰৰ ভিতৰলৈ টানি নিয়া হয়, তাত থাকে ৬০% গেছ। ইয়াত থকা বিষাক্ত গেছবোৰৰ ভিতৰত আটাইতকৈ ভয়াবহ গেছ হ'ল কাৰ্বন মনক্সাইড। কাৰ্বন মনক্সাইডৰ উৎস হ'ল অট'মবাইল কাৰখানা।

**টাৰ :** পিচ্ দিয়া ৰাস্তা বান্ধোতে ব্যৱহাৰ কৰা আল্‌কাতৰাৰ দৰে এবিধ বস্তু 'টাৰ' ধূমপানৰ জড়িয়তে আমাৰ শৰীৰত সোমায়। প্ৰতিদিনে এপেকেট চিগাৰেট খোৱা মানুহে একাপমান টাৰ শৰীৰৰ ভিতৰত সুমুৱাই লয়।

**মহিলা আৰু গৰ্ভস্থ সন্তানৰ ক্ষতি :** সম্প্ৰতি পুৰুষৰ দৰে ধূমপান কৰিবলৈ লোৱা মহিলাৰ এই সমস্যাটি আৰু মাৰাত্মক। পশ্চিমীয়া দেশসমূহত মহিলাৰ ধূমপান চিৰা-চৰিত প্ৰথা। আধুনিক ভাৰততো মহিলাই ধূমপানৰ প্ৰতি আসক্ত হোৱা দেখা গৈছে। মহিলাৰ এই ধূমপান ব্যৱস্থা ই ৰাৰতীয় সংস্কৃতিত আঘাত হনাই নহয়, স্বাস্থ্যৰ প্ৰতি এক ভাবুকি স্বৰূপ হৈ পৰিছে। গৰ্ভাৱস্থাত ধূমপান কৰিলে মাকৰ লগতে শিশুটিৰ ওপৰতো ধূমপানৰ কু-প্ৰভাৱ পৰে।

**অন্যান্য ক্ষতি :** ধূমপান কৰাৰ ফলত হ'বপৰা ৰোগৰ লেখ নাই। ধূমপান কৰা মানুহৰ গেষ্ট্ৰিক আলচাৰ, দাঁত আৰু দাঁতৰ আলুৰ বেমাৰ আৰু স্নায়ুতন্ত্ৰৰ ৰোগো বৰ বেছিকৈ হয়। ই বহুতো বিষাক্ত ৰসায়ন পাকস্থলী, বৃক্ক, মূত্ৰাশয় আদিত জমা কৰে। বহুদিন ধূমপান কৰাৰ ফলত নিযুক্ত দ্ৰব্যৰ প্ৰতি মানুহজনৰ আসক্তি বাঢ়ি যায়। তাৰ পাচত লাহে লাহে মদ, ভাং, কানিকে ধৰি হেৰ'ইন, কোকেইন, ব্ৰাউন চুগাৰ আদিত আসক্ত হৈ পৰে। মাদকদ্ৰব্য সেৱন কৰিলে মানুহৰ স্মৃতিশক্তি লোপ পাবলৈ ধৰে।

গতিকে ৰোগমুক্ত এখন সুস্থ সমাজ গঢ়িবলৈ হ'লে বাইজে মাদক দ্ৰব্য সেৱনকাৰী সকলক শাসন কৰিব লাগিব। জাতিৰ পিতা মহাত্মা গান্ধীয়ে কৈছিল যে,

> "মোক যদি এঘণ্টাৰ বাবেও দেশৰ একনায়কত্বৰ বাব দিয়া হয়, তেন্তে মোৰ প্ৰথম কাম হ'ব - বিনা ক্ষতি পূৰণে মদৰ দোকানবোৰ বন্ধ কৰি দিয়া।" □□

# অসমৰ জাতিগত সংঘৰ্ষ; ইয়াৰ অৱসানত ছাত্ৰৰ ভূমিকা

□ হীৰেন কুমাৰ নাথ
*স্নাতক তৃতীয় বৰ্ষ*
*ৰাজনীতি বিজ্ঞান বিভাগ*

নানা ভাষা-গোষ্ঠীৰ বাবেবৰণীয়া সংস্কৃতিৰে সমৃদ্ধ অসম। অতীতৰ পৰাই নানা উপজাতিৰ মিলনভূমি অসম। অসমলৈ ইতিহাসৰ বিভিন্ন সময়ত নানা জাতিৰ প্ৰব্ৰজন ঘটিছিল আৰু কালক্ৰমত তেওঁলোক অসমৰ বাসিন্দা তথা অসমীয়া সংস্কৃতিৰ লগত মিলি গৈছিল। আৰ্য আৰু অনাৰ্য লোকৰ সংমিশ্ৰণত বিশাল অসমীয়া জাতি গঠন হৈছিল। কোচ, কছাৰী, ৰাভা, তিৱা, মিছিং, ডিমাচা, কাৰ্বি আদি জনজাতিসকলেও অসম তথা অসমীয়া সাহিত্য সংস্কৃতিক চহকী কৰিছিল। আনকি অসমলৈ অহা মুছলমানসকলেও অসমকে নিজৰ বাসভূমি বুলি গণ্য কৰিছিল।

অসমৰ ইতিহাসত ইয়াৰ প্ৰাচুৰ্য আৰু সমৃদ্ধ বিৱৰণ পোৱা যায়। 'এক অসম, আমি অসমীয়া' এই ভাৱেৰেই ভৰিছিল অসমৰ জনসাধাৰণৰ মন। আজি সেই অসমতে এক সংকটজনক পৰিস্থিতিৰ উদ্ভৱ হৈছে। ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক সংকট আৰু জাতিগত ভিন্নতাই অসমক জুৰুলা কৰিছে। অসমৰ জাতিসমূহৰ মিলা প্ৰীতিত সাতাম পুৰুষীয়া এনাজৰী ছিগি বিভিন্ন অশান্তি, হিংসা-সন্ত্ৰাস আদিৰে বৰ্তমান ৰাজ্যখন ৰণ ভূমিত পৰিণত হোৱাৰ উপক্ৰম হৈছে। এতিয়া যেন অসমবাসীৰ একতা, মিলাপ্ৰীতিৰ কথা কেৱল লেখকৰ কাপৰ পৰা বা গায়কৰ কণ্ঠৰ পৰাহে নিগৰে। আজি সঘনাই সংঘটিত হৈছে জাতি-গোষ্ঠীৰ মাজত ভাতৃঘাতী সংঘৰ্ষ। ক্ৰমান্বয়ে এটা জাতিয়ে আন এটা জাতিক হেয় জ্ঞান কৰিবলৈ কুণ্ঠাবোধ নকৰা হৈছে। কেতিয়াবা ৰাজনীতিৰ প্ৰৰোচনাত, বিভিন্ন সংগঠনৰ উচটনিত বা বিদ্ৰোহী সংগঠনৰ বিদ্ৰোহত বিভিন্ন জাতিৰ মাজত জাতিগত সংঘৰ্ষই অসমত এক অশান্তিৰ পৰিৱেশ সৃষ্টি কৰিছে।

শেহতীয়াকৈ বিপ্লৱ, জাতিপ্ৰেমৰ নামত বিদ্ৰোহী গোটৰ মধ্যযুগীয়া বৰ্বৰতাই কাৰ্বি আংলঙত সভ্যতাৰ সকলো সীমা অতিক্ৰম কৰিছে। বহুদিন মিলাপ্ৰীতিৰ এনাজৰীৰে একেখন জিলাত বাস কৰা ভাতৃসদৃশ কাৰ্বি-ডিমাচা জনগোষ্ঠী সংঘৰ্ষত লিপ্ত হৈছে। যাৰ পৰিণতিত প্ৰাণ হেৰুৱাইছে নিষ্পাপ শিশু-কিশোৰৰ পৰা অশীতিপৰ বৃদ্ধ-বৃদ্ধালৈকে অসংখ্যজনে। হত্যা, অগ্নিসংযোগৰ ফলত কাৰ্বি ভূমি মৃত্যু উপত্যকাত পৰিণত হোৱাৰ উপক্ৰম হৈছে। কাৰ্বি পাহাৰৰ এই ঘটনা বাজিয়ে অসমত জাতিগত শান্তি সম্প্ৰীতিৰ যে ফাট মেলিছে স্পষ্ট প্ৰমাণ দিয়ে। অকল কাৰ্বি-ডিমাছাৰ সংঘৰ্ষৰ বাহিৰেও কাৰ্বি-কুকিৰ সংঘৰ্ষ, কাৰ্বি-মাৰ সংঘৰ্ষ আৰু কোক্ৰাঝাৰত হৈ থকা বড়ো-আদিবাসীৰ সংঘাতে অসমত সামাজিক আৰু অৰ্থনৈতিক অস্থিৰতাৰ সৃষ্টি কৰিছে। আনহাতে জাতিগত, ভাষাগত সমস্যা আৰু সংঘাতৰ ফলত অসমীয়া জাতিৰ সংহতি আৰু সমন্বয়ত সবল ৰূপটোও হেৰাই গৈছে।

অসমৰ জাতিগত সংঘৰ্ষত সাহিত্যিক, বুদ্ধিজীৱি, সচেতন মহল চিন্তিত হৈছে। ছাত্ৰ-ছাত্ৰীসকলে এই সংঘৰ্ষবোৰত উদ্বেগ প্ৰকাশ কৰিছে। অসমৰ প্ৰধান ছাত্ৰ সংগঠন সদৌ অসম ছাত্ৰ সন্থাই জাতি সংঘৰ্ষ অৱসানৰ ক্ষেত্ৰত বিভিন্ন ভূমিকা গ্ৰহণ কৰিছে। আছুৰ আহ্বানত সংঘৰ্ষৰ অৱসানৰ বাবে বিভিন্ন ঠাইত মৌন সমদল, প্ৰতিবাদী সভা আদি অনুষ্ঠিত কৰিছে। আছুৰ বাহিৰেও বিভিন্ন ছাত্ৰ সংগঠনেও বিভিন্ন ধৰণে অৱদান আগবঢ়াইছে। ছাত্ৰ সংগঠনসমূহে গোষ্ঠী সংঘৰ্ষত আক্ৰান্ত লোকসকলক সহায় কৰিছে। তদুপৰি ছাত্ৰ-ছাত্ৰীসকলে গোষ্ঠী সংঘৰ্ষৰ বিৰুদ্ধে জনমত গঠন কৰিব পাৰে। জনসাধাৰণৰ মাজত সজাগতা সভাৰ আহ্বান কৰিব পাৰে। যিহেতু ছাত্ৰশক্তি দেশৰ এক বৃহৎ শক্তি। গতিকে ছাত্ৰ-ছাত্ৰীসকলৰ হস্তক্ষেপত গোষ্ঠী সংঘৰ্ষৰ অৱসান সম্ভৱ। ছাত্ৰসকলৰ লগত সমাজৰ সকলোধৰণৰ ব্যক্তি, ৰাজনৈতিক দল, বুদ্ধিজীৱীৰ সহযোগতহে গোষ্ঠী সংঘৰ্ষৰ অৱসান সম্ভৱ। ছাত্ৰসকলে বিভিন্ন পক্ষক বিভিন্ন ধৰণে সহায়হে কৰিব পাৰে। নিজাববীয়াকৈ ব্যৱস্থা লোৱা ছাত্ৰসকলৰ বাবে অসম্ভৱ।

জাতিগত সংঘৰ্ষৰ অৱসান ঘটাই শান্তি আৰু সমৃদ্ধিশালী অসম গঢ়িবলৈ সমাজৰ সকলো লোকে প্ৰচেষ্টা কৰা প্ৰয়োজনীয়। অসমৰ ঐতিহ্য আৰু সংস্কৃতি অক্ষুণ্ণ হৈ ৰওঁক। □□

# 'ক'লম্বিয়া' ঃ অভিশপ্ত মহাকাশৰ অভিযান

□ স্নিগ্ধা মৌচম বাভা
*উঃ মাঃ প্ৰথম বৰ্ষ, দিবা শাখা*

মানুহৰ অতীতৰ পৰাই কল্পনা আকাশত উৰাৰ। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ সহায়ত মানুহে যাতায়তৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰিবলৈ ল'লে আকাশখনক। মানুহৰ সীমাহীন আকাংক্ষাই জন্ম দিলে মহাকাশ অভিযানৰ। মহাকাশত লুকাই থকাৰ অপাৰ ৰহস্যৰ সম্ভেদ উলিয়াবৰ বাবে আগুৱাই গ'ল মহাকাশচাৰী। ২০০৩ চনৰ ফেব্ৰুৱাৰী মাহৰ ১ তাৰিখে সমগ্ৰ বিশ্বকে জোকাৰি যোৱা এক মহাকাশ অভিযান হ'ল 'ক'লম্বিয়া'ৰ অভিযান। আমেৰিকা যুক্তৰাষ্ট্ৰৰ মহাকাশ সম্পৰ্কীয় গৱেষণা প্ৰতিষ্ঠান "NASA" (National Aironoutear and space Administration) ৰ বাবে ১৬ জানুৱাৰীৰ দিনটো উল্লেখযোগ্য দিন আছিল। এই দিনটোতেই ফ্লৰিডাৰ "Canode" মহাকাশ কেন্দ্ৰৰ পৰা 'Colombia S.T.S-107' আছিল ২৮ নম্বৰ যাত্ৰা। আগৰ ২৭টা যাত্ৰা সফলভাৱে সমাপন কৰা ক'লম্বিয়া আছিল আটাইতকৈ পুৰণি মহাকাশযানখনৰ ভিতৰত প্ৰধান। ১৯৭৯ চনত সজা এই যানখনে প্ৰথমবাৰৰ বাবে মহাকাশ যাত্ৰা কৰিছিল ১৯৮১ চনত। ২০০৩ চনৰ ১৫ জানুৱাৰী তাৰিখত মহাকাশচাৰী দলটোৰ ছগৰাকী আছিল আমেৰিকা যুক্তৰাষ্ট্ৰৰ নাগৰিক। সপ্তমগৰাকী সদস্য আছিল Israil ৰ। তেওঁ প্ৰথমবাৰৰ বাবে মহাকাশলৈ গৈছিল। দুগৰাকী মহিলা থকা এই দলটোত এগৰাকী মহিলা ভাৰতীয়। তেওঁৰ নাম আছিল কল্পনা চাওলা। তেওঁ পিছলৈ আমেৰিকা যুক্তৰাষ্ট্ৰৰ নাগৰিক হৈছিল। সেই সাতজনীয়া সদস্যৰ দলটোত আছিল কমাণ্ডাৰ ৰিক হাজবেণ্ড, পাইলট উইলিয়াম মেকল, পি ডি কমাণ্ডাৰ মাইকেল এচন্ন, ডেভিড ব্ৰন, ইলেন ৰোমেন, লৰেল ক্লাৰ্ক আৰু কল্পনা চাওলা। যোল্লদিনীয়া এই মহাকাশ অভিযান 'NASA' ৰ মুখ্য বিষয়কেইটা আছিল মানৱ শৰীৰ অধ্যয়ন, কেন্সাৰ কোষৰ বিকাশ, ওজনহীন অৱস্থাত বিভিন্ন পতংগৰ আচৰণ ইত্যাদি। ক'লম্বিয়া শ্বটল মহাকাশযানখন সকলো দিশৰ পৰাই সুৰক্ষিত আছিল। উষ্ণতাৰ তাৰতম্যৰ বাবে মহাকাশচাৰীসকলৰ সাজ-পাৰ বিশেষভাৱে প্ৰস্তুত কৰা হয়। যাতে অতিপাত তাপত পৰিস্থিতিৰ বাবেও ই উপযোগী হয়। তথাপি মহাকাশৰ ভালেমান ৰহস্যৰ কথা যানখনৰ আৰোহণকাৰীসকলে পৃথিৱীৰ মানুহক দিবলৈ নাপালে।

১ ফেব্ৰুৱাৰীৰ দিনা ফ্লৰিডাৰ কেনেডী মহাকাশ কেন্দ্ৰত নামিবলৈ মাত্ৰ যোল্ল ছেকেণ্ড বাকী থকা অৱস্থাত মাটিৰ পৰা ৬৩ কিল'মিটাৰ ওপৰত 'Colombia S.T.S-107' ছটল মহাকাশ যানখন ধ্বংসে হৈ যায়। ভাৰতীয় সময়মতে সন্ধিয়া ৭.২৯ বজাত ক'লম্বিয়াৰ লগত পৃথিৱীত থকা নিয়ন্ত্ৰণ কক্ষৰ সংযোগ বিচ্ছিন্ন হয়। ১৬ দিন নানা পৰীক্ষা নিৰীক্ষা কৰি চলোৱা সাতগৰাকী মানুহৰ পৃথিৱী পাবলৈ ১৬ ছেকেণ্ড বাকী থাকিল। বৰ দুখৰ কথা। যানখনৰ শেষ সময়ত বেগ আছিল ঘণ্টাত ২০,০০০ কিল'মিটাৰ।

বিশেষজ্ঞ সকলে ক'লম্বিয়া বিস্ফোৰণৰ সঠিক কাৰণ উদ্ভাৱন কৰিব পৰা নাই যদিও অতিমাত্ৰ উষ্ণতা বৃদ্ধিৰ ফলতেই এই দুৰ্ঘটনাই দেখা দিয়ে বুলি অনুমান কৰিছে। মহাকাশযানখনৰ তাপনিৰোধক হিচাপে ২৪০০ খন টাইল্চ লগোৱা আছিল। মহাকাশৰ পৰা পৃথিৱীৰ বায়ুমণ্ডলত সোমোৱাৰ সময়ত সৃষ্টি হোৱা তীব্ৰ তাপৰ পৰা যানখনক ৰক্ষা কৰিবৰ বাবে এই টাইল্চবোৰ লগোৱা আছিল। এই টাইল্চবোৰৰ মাজত ফাটৰ সৃষ্টি হোৱাৰ কাৰণে এই বিজুতি হ'ল বুলি বহুতে ভাবে। অৱশেষত যানখনৰ উষ্ণতাৰ মাত্ৰা বহুগুণে বাঢ়ি যায় আৰু পৃথিৱীৰ নিয়ন্ত্ৰকসকলৰ লগত সংযোগ কাটি যায়।

'Colombia S.T.S-107' অৰ বিস্ফোৰণৰ কাৰণ যিয়েই নহওক কিয়, গোটেই বিশ্বৰ বাবে অতি দুখৰ কথাটো হ'ল মহাকাশৰ নাগৰিক হ'ব খোজা সাতগৰাকী প্ৰতিভাসম্পন্ন গুণী মানুহ আজি আৰু আমাৰ মাজত নাই। এইদৰে ভাৰতৰ প্ৰথম মহিলা মহাকাশচাৰী কল্পনা চাওলাৰ মৃত্যু হয়। মৃত্যুৰ ১৫ বছৰ মান আগেয়ে অৰ্থাৎ ১৯৮৬-৮৭ চনত তেওঁ এদিন ভায়েকক কৈছিল 'বিমান বা তেনে কোনো মহাকাশ দুৰ্ঘটনাত মই মৃত্যুবৰণ কৰিব খোজো।' অৱশেষত কল্পনা চাওলাৰ এই কামনা সাৰ্থক হ'ল।

কল্পনা চাওলাই ভাৰতৰ শিশুসকলক উদ্দেশ্য কৰি কৈছিল যে এটা লক্ষ্যত উপনীত হ'বৰ বাবে চমু পথটোৱে সঠিক পথ নহ'বও পাৰে। কেৱল লক্ষ্যই নহয়, সেই লক্ষ্যত উপনীত হোৱা পথটোৰো গুৰুত্ব আছে। সেই কল্পনা চাওলা আজি আকাশৰ বুকুত বিলীন হৈ গ'ল। ক'লম্বিয়া ধ্বংস হৈ গ'ল কিন্তু সাহস, একাগ্ৰতা আৰু আত্মবিশ্বাসেৰে দুঃসাহসী অভিযান চলোৱা এই সাতগৰাকী মহাকাশচাৰীৰ নাম পৃথিৱীৰ ইতিহাসত সোণালী আখৰেৰে লিখা থাকিব। □□

# সু-অভ্যাস বা সজ আচৰণত এন চি চিৰ ভূমিকা

□ শ্ৰীবিকাশ দাস
*পি ও কেডেট*

সু-অভ্যাস বা সজ আচৰণ মানৱ জীৱনৰ অমূল্য সম্পদ। শিষ্টাচাৰে মানুহক সুন্দৰ আৰু আনৰ প্ৰিয়পাত্ৰ কৰি তোলে। মানুহৰ মনৰ ভাব তাৰ আচৰণৰ যোগেদি স্পষ্টভাৱে প্ৰকাশ পায়। লগতে তাৰ চৰিত্ৰৰ বিষয়েও বোধগম্য হয়। যি সজ আচৰণ স্বাভাৱিক বা স্বতঃস্ফূৰ্ত নহয়। তেনেহ'লে সি এটা সময়ত আনৰ চকুত ধৰা পৰাটো ধ্ৰুৱপ।



এন চি চিয়েও মানৱ জীৱনত সু-পৰিচালিত আৰু সু-অভ্যাস বা সজ আচৰণ গঢ়ি তোলাত বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। এন চি চি (National cadet corps) হৈছে দেশৰ এক বৃহৎ যুৱ সংগঠন। ভাৰতৰ স্বাধীনতাৰ পিছত ১৯৪৭ চনত পণ্ডিত জৱাহৰলাল নেহৰুৱে ভাৰতীয় যুৱকসকলক সুস্থ-সবল নাগৰিক হিচাপে গঢ় দিবলৈ এই সংগঠনটোৰ জন্ম দিছিল। এই সংগঠনটোক প্ৰথমে 'ইউনিভাৰচিটি ট্ৰেইনিং কোৰ্প্চ' বুলি আৰম্ভ কৰিছিল। পিছলৈ ই নেচনেল কেডেট কোৰ্প্ছ বুলি জনাজাত হয়। ইয়াৰ প্ৰধান উদ্দেশ্য হৈছে ব্যক্তিৰ ব্যক্তিত্ব বা স্বভাৱ গঠন কৰা, অনুশাসন, দায়িত্বশীল নাগৰিক আৰু দলপতিক গঢ় দি তোলা। লগতে ইয়াৰ মুলমন্ত্ৰও হৈছে একতা আৰু অনুশাসন। সেয়েহে বৰ্তমান ই বিশ্বৰ ভিতৰতে বৃহৎ ইউনিফৰ্ম'ত যুৱ সংগঠন বুলি স্বীকৃতি পাইছে।

এন চি চি হৈছে এনেকুৱা এটা সংগঠন যিটো সংগঠনৰ প্ৰতিটো কামেই অনুশাসনৰ যোগেদিয়েই সমাধান কৰা হয়। ইয়াৰ মূলমন্ত্ৰ যিহেতু একতা আৰু অনুশাসন, গতিকে ইয়াত বিনা অনুশাসনত কোনো কাম কৰা নহয় আৰু এই অনুশাসন ভংগ কৰাটো এটা দণ্ডনীয় অপৰাধ বুলি ধৰা হয়। মানৱ জীৱনত ছাত্ৰ-ছাত্ৰী তথা সকলো মানুহে তেওঁলোকৰ দৈনন্দিন কাম-কাজ যেনে — খোৱা-বোৱা চলন-ফুৰণ আৰু পঢ়া-শুনাত অনুশাসন বজাই ৰাখিবলৈ সক্ষম হয় তেন্তে তেওঁলোকৰ সত্য অভ্যাস, সত্য আচৰণ গঢ়ি তুলিব পাৰিব। সত্য আচৰণৰ সুফল অনস্বীকাৰ্য। কিন্তু এই অমূল্য সম্পদ শিষ্টাচাৰ বা সত্য আচৰণ এদিনতে শিকা সম্ভৱ নহয়। ইয়াক সমাজৰ নিয়ম-নীতিত মানি চলি ভাল অভ্যাস গঠন কৰি স্বভাৱ ৰূপায়িত কৰিব লাগিব। অসত্য আচৰণৰ ব্যক্তি এজন উচ্চ শিক্ষিত হ'লেও তেওঁক কোনেও সমাদৰ নকৰে। শিক্ষা আৰু সংস্কৃতিৰ পৰিচয় আমাৰ সত্য আচৰণৰ মাজেৰে প্ৰকাশ পায়। পৰিয়ালত অভিভাৱক আৰু বিদ্যালয় বা মহাবিদ্যালয়ত শিক্ষকৰ লগতে এন চি চিয়েও সত্য আচৰণ গঠন কৰাত বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে।

এ চি চি বুলি কওঁতে আমাৰ প্ৰত্যেকৰে মনলৈ আহে Left, Right বা মাৰ্চ পাচ কৰা। ইয়াৰ মূল বস্তুটোৱে হৈছে Drill বা মাৰ্চ পাচ। ইয়াৰ যোগেদি প্ৰতিটো কেডেট বা শিক্ষাৰ্থীসকলক চাল-চলন, আচাৰ ব্যৱহাৰ, আত্মবিশ্বাসী, উচ্চবাঞ্ছা তথা প্ৰতিনিধিত্ব কৰা আদি ক্ষেত্ৰত উন্নত কৰা হয়। সত্য অভ্যাস গঢ়ি তুলিবৰ বাবে মানুহ বা ছাত্ৰ-ছাত্ৰীৰ ভাল চাল চলন, আত্মবিশ্বাস থকা দৰকাৰ। যদি কোনো মানুহৰ আত্মবিশ্বাস নাথাকে তেনেহ'লে তেওঁ কেতিয়াও উন্নতি কৰিব নোৱাৰে। আৰু আত্মবিশ্বাস অতিকৈ প্ৰয়োজনীয়। এন চি চি অকল বিদ্যালয় বা মহাবিদ্যালয়তে সীমাবদ্ধ নাথাকি ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত বিভিন্ন ধৰণৰ শিবিৰ আদি পাতি তেওঁলোকক বিভিন্ন ধৰণৰ প্ৰশিক্ষণ দিয়া হয়। যেনে — ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰতিনিধিত্ব কৰাৰ বন্ধুত্ব বজাই ৰখা, আত্মবিশ্বাস আৰু জীৱনত ভৱিষ্যতে যদি যিকোনো সমস্যাৰ সন্মুখীন সাহসেৰে কৰিব পাৰে তাৰ বাবে উচিত শিক্ষা দিয়া হয়। ইয়াৰ লগতে দেশৰ প্ৰতি সেৱা আগবঢ়োৱা, ৰাজ্যৰ যিকোনো জৰুৰীকালীন অৱস্থা যেনে — বানপানী, ভূমিকম্প আদিৰ সময়ত মানুহক সহায় কৰা আদিৰ শিক্ষা দিয়া হয়। এইবেৰে এজন কেডেটক শিষ্টাচাৰ সত্য আচৰণ গঢ়ি তোলাত বিশম ভূমিকা আগবঢ়ায়।

সেয়েহে অভিভাৱক, শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে এন চি চিৰ ওপৰত ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত নিৰ্ভৰ কৰে। ছাত্ৰ-ছাত্ৰীৰ মাৰ্জিত আৰু সত্য আচৰণে দেশৰ ভৱিষ্যত প্ৰজন্মৰ সুন্দৰ ইংগিত দিয়ে। এনেকৈ ছাত্ৰ বা কেডেটসকলৰ ওপৰত সত্য আচৰণ প্ৰতিফলিত কৰিব পাৰিলে নিশ্চয় এখন সুস্থ সমাজ ভৱিষ্যতে আশা কৰিব পাৰোঁ। □□

# ক্ষেপনাস্ত্র বিজ্ঞানী ড° আব্দুল কালাম

□ সুৰজিৎ পাল
*উ.মা. প্ৰথম বৰ্ষ (বাণিজ্য)*

ভাৰতৰ ক্ষেপনাস্ত্র কাৰ্য্যসূচীৰ অবিসম্বাদী পিতৃ পুৰুষ ডাঃ এ.পি.জে. আব্দুল কালামৰ জন্ম হৈছিল ১৯৩১ চনৰ ১৫ অক্টোবৰত তামিলনাডুৰ এটা মধ্য বিত্ত পৰিয়ালত। মাছমৰীয়ালোকক নাওঁ ভাৰালৈ দি জীৱিকা নিৰ্বাহ কৰা মধ্যবিত্ত পৰিয়ালৰ ল'ৰাজনে মজলীয়া স্কুলৰ দেওনা পাৰ হৈ হাইস্কুলীয়া শিক্ষা লাভ কৰিবলৈ দূৰলৈ যোৱাটো তেতিয়াৰ দিনৰ সেই অঞ্চলত এটা উল্লেখযোগ্য ব্যতিক্ৰমধৰ্মী ঘটনা আছিল। তেওঁৰ সম্পূৰ্ণ নামটো হ'ল ডাঃ আব্দুল পাকিৰ জয়নাল আবেদীন আব্দুল কালাম।



সৰুৰেপৰা সযতনে মনৰ গোপন কোণত ৰখা উৰণৰ স্বপ্ন বাস্তৱত পৰিণত কৰিবলৈ গৈ তেওঁ ডেৰাডুনৰ ৰাষ্ট্ৰীয় মিলিটাৰী একাডেমীত সাক্ষাৎকাৰ দিছিল। কিন্তু বাছনিত বিফল মনোৰথ হৈ হৃষীকেশৰ স্বৰ্গাশ্ৰমলৈ গৈ স্বামী শিবানন্দক লগ ধৰিলে। এইবাৰ তেওঁ দিল্লীলৈ গৈ প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থাত সাক্ষাৎকাৰ দি জ্যেষ্ঠ বিজ্ঞান বিষয়াৰ চাকৰি পালে। এনেতে ১৯৫৮ চনত ভাৰতীয় বিমান উন্নয়ন প্ৰতিষ্ঠানে বাংগালোৰত এই বিভাগৰ সুকীয়া কাৰ্য্যালয় প্ৰতিষ্ঠা কৰাত কালামক তালৈ বদলি কৰিলে। কালামে নিজ প্ৰচেষ্টাৰে হোগৰ ক্ৰাফট এখন সাজি উলিয়াইছিল। তেতিয়া ভাৰতৰ প্ৰতিৰক্ষা মন্ত্ৰী কৃষ্ণ মেননে কালামৰ প্ৰযুক্তি কৌশল আৰু উদ্ভাৱনী শক্তিৰ ভূয়সী প্ৰশংসা কৰিছিল। ১৯৬২ চনত চীনৰ লগত হোৱা ভাৰতৰ যুদ্ধত কৃষ্ণ মেননৰ মন্ত্ৰীত্ব গ'ল। হোগৰ ক্ৰাফট পৰিকল্পনাৰো ইতি পৰিল। কালাম তেতিয়া হতাশাত ভাগি নপৰি এক নতুন সৃষ্টিৰ উন্মাদনাত অস্থিৰ হৈ পৰিল। এনে সময়তে প্ৰখ্যাত বিজ্ঞানী বিক্ৰম সাৰাভায়ে এম. জি. কে মেননৰ সৈতে বাংগালোৰ প্ৰতিৰক্ষা গৱেষণা সন্থাৰ কামকাজ চাবলৈ গ'ল। সাৰাভায়ে বহুত দিনৰেপৰা ভাৰতবৰ্ষক উন্নত দেশ হিচাপে মানচিত্ৰত অন্তৰ্ভুক্ত কৰাৰ সপোন দেখিছিল। তেওঁ আব্দুল কালামক এই কামৰ বাবে উপযুক্ত বুলি ভাবি নাছা (NASA) লৈ ৪৫ দিনীয়া উন্নত প্ৰশিক্ষণৰ বাবে পঠাইছিল।

১৯৭৬ চনত নাছাৰপৰা উলটি আহি কালামে সহযোগী সকলক লৈ এছ্ এল ভি ৩ (SLV III) নামেৰে মহাকাশ যান উদ্ভৱ কৰিলে। কিন্তু উৰণৰ ক্ষন্তেক পিছতে যানখন বিফল হৈ সাগৰত পতিত হৈছিল। কাৰিকৰী সাহাৰ্যৰ অপ্ৰতুলতাই যে এনে বিফলতাৰ প্ৰকৃত কাৰণ সেই কথাটো তেওঁ সফলতাৰে বুজাব পৰাত সকলো তেওঁৰ প্ৰতি আশ্বস্ত হ'ল। তেওঁ পুনৰ নতুন উদ্যমেৰে কাম কৰিবলৈ প্ৰেৰণা পালে।

প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ প্ৰত্যক্ষ সহযোগীতাত প্ৰতিৰক্ষা গৱেষণা সংস্থাৰ আৰ্শীৰ্বাদ দূৰ কৰি কালামে প্ৰায় ১৫০ টা কৰ্মকেন্দ্ৰ গঢ়ি তোলে। এইদৰে আব্দুল কালামৰ নেতৃত্বত অগ্নি, পৃথ্বী, ত্ৰিশূল, আকাশ আৰু নাগ নামৰ ক্ষেপনাস্ত্ৰসমূহ নিৰ্মাণ হৈছিল।

দিনে নিশাই ১৮ ঘন্টাকৈ কাম কৰা কালাম প্ৰকৃততে এজন কৰ্মযোগী আৰু এগৰাকী কবিও। "My Journey" তেওঁৰ একমাত্ৰ কাব্যগ্ৰন্থ। ডাঃ এ.পি.জে. আব্দুল কালামক ১৯৯০ চনত "পদ্ম বিভূষণ" সন্মানেৰে সন্মানিত কৰা হয়। সেই বছৰতে পশ্চিমবংগৰ যাদৱপুৰ বিশ্ববিদ্যালয়ে বিজ্ঞানৰ সন্মানীয় ডক্টৰেট উপাধি প্ৰদান কৰে। দেশৰ এই মহান বিজ্ঞানীজনক ৰাষ্ট্ৰই সৰ্বোচ্চ সন্মান ভাৰত ৰত্ন প্ৰদান কৰে ১৯৯৭ চনৰ ২৫ নৱেম্বৰত।

ভাৰতৰ ক্ষেপণাস্ত্ৰ প্ৰযুক্তিৰ পিতৃ স্বৰূপ কালামে অকল বিজ্ঞান প্ৰযুক্তিতে সোমাই নাথাকি ব্যক্তিগত জীৱনত নিতৌ পুৱা ভাগৱতৰ দুটা মান অধ্যায় পঢ়ি দিনটোৰ কামৰ শুভাৰম্ভ কৰে। অৱসৰৰ সময়ত ৰুদ্ৰবীণা বজাই তামিল কবি সুব্ৰমনিয়াৰ কবিতা আবৃত্তি কৰে। অবিবাহিত হৈ থকা কালাম কঠোৰ ভাৱেই এজন নিৰামিষাহাৰী।

কালামৰ জীৱন যুদ্ধৰ বিষয়ে জানি অনুপ্ৰাণিত হ'বলৈ তেওঁৰ আত্মজীৱনী "উইংছ অৱ ফায়াৰ" অৰ্থাৎ "অগ্নিৰ ডেউকা" পঢ়া উচিত। তেওঁ দেখুৱাই যোৱা বলিষ্ঠ পথ অনুকৰণ কৰি এটা সুন্দৰ জীৱনৰ গঢ় দিবলৈ যত্নপৰ হ'ব লাগে। □□

# গল্পৰ শিতান

চুটি গল্প হ'ল জন-জীৱনৰ বাস্তৱাশ্ৰীত মুহূৰ্তৰ টুকুৰা ছবি। গল্পকাৰে আমাৰ বাস্তৱ জীৱনত ঘটি থকা ঘটনাৰে অলপ লৈ তাতে অনুভূতিৰ স্পৰ্শ ঘটাই কল্পনাৰ ৰহণ সানি আমাৰ আগত দাঙি ধৰে। অনুভূতিৰ স্পৰ্শই কলাক ৰূপ দিয়ে। গল্প ৰচনা হ'ল সাহিত্যকলাৰ অন্তৰ্গত। সেয়েহে চুটি গল্প ৰচনাৰ ক্ষেত্ৰতো ঘটনাৰ পটভূমিত কল্পনা অনুভূতিৰ ৰহণ সানি গল্পকাৰে এক মনোগ্ৰাহী চিত্ৰ ৰচনা কৰে। আত্মসংযমিত কল্পনাৰে ৰচনা কৰা একোটা গল্পই হ'ল আমাৰ সামাজিক জীৱনৰ প্ৰতিফলন ঘটোৱা একোখনি সুৰুচিপূৰ্ণ কলাসুলভ চিত্ৰ। এনে ধৰণৰ চিত্ৰ আমি বিশ্ববৰেণ্য গল্পকাৰ ছমাৰছেত মম, মোপাছা আৰু এণ্টনছেকভৰ লগতে আমাৰ অসমৰো গল্প খনিকৰ চৈয়দ আব্দুল মালিক, লক্ষ্মীনন্দন বৰা, সৌৰভ চলিহা আদি প্ৰতিষ্ঠিত শিল্পীসকলৰ পৰা লাভ কৰিছোঁ। তেওঁলোকৰ প্ৰেৰণাৰে অনুপ্ৰাণিত হৈ সৃষ্টি হোৱা গল্পৰে পৰিপূৰ্ণ হৈছে গল্পৰ এই 'টোপোলা' টি।


- ভাগ্য
- সপোনৰ ঘৰ
- উপলব্ধি
- প্ৰতাৰণা
- সংঘাতে আনি দিয়ে জীৱনৰ পূৰ্ণতা
- স্মৃতিৰ খিৰিকি খুলি
- অকণি ফটো
- প্ৰসংগ ঃ আন্ধাৰ আৰু পোহৰ
- নুফুলা ফুলৰ সুবাস

# ভাগ্য

□ ধ্ৰুৱজ্যোতি শৰ্মা
*স্নাতক তৃতীয় বৰ্ষ (কলা)*

বাঁলৰ ঘড়ীটোৱে বাতিপুৱা ছয় বজাৰ সংকেট দিয়াৰ লগে লগে ৰমেনে বিছনা এৰিলে। প্ৰতিদিনৰ দৰে আজিও সি গা-পা ধুই চাকৰি এটাৰ সংক্ৰান্তত যাবলৈ ওলাইছে। ৰমেন হ'ল এজন দুখীয়া ঘৰৰ ল'ৰা। তাৰ পৰিয়ালত আছিল মাক, ভায়েক আৰু ভনীয়েক। তাৰ বাপেকৰ মৃত্যু হোৱাৰ আজি বহু বছৰে হ'ল। মাকে এটা ব্যক্তিগত খণ্ডৰ অফিচত সৰু চাকৰি এটা কৰিছিল। সেয়ে মাকে অলপ দৰমহা পাইছিল। এই পইচাৰে বহু কষ্টেৰে মাকে তাক বি এ পঢ়ুৱাইছিল আৰু তাক বি এ পাছ কৰাইছিল। বি এ পাছ কৰা তাৰ এবছৰেই হ'ল কিন্তু আজিলৈকে তাৰ এটা চাকৰি নহ'ল।

আজিকালি তাৰ নিজকে তাৰ পৰিয়ালৰ বোজা যেন লগা হ'ল। কিয়নো চাকৰি নাই। কিন্তু সি চাকৰিৰ বাবে চেষ্টা চলায়ে আছে। চাকৰিৰ বাবে সি মন্ত্ৰী; বিধায়কক লগ ধৰি ধৰি ভাগৰি পৰিল। যি পদ খালি হয় সেয়ানো ৰমেনহঁতৰ বাবে ক'ত; দেখুৱাবলৈহে ফৰ্মখন। কিন্তু পদসমূহৰ আচল প্ৰাপ্যজন ফৰ্ম বিতৰণ কৰাৰ আগতে সুনিশ্চিত হৈ যায়। সি হ'ব পাৰে কোনো মন্ত্ৰী বা বিধায়কৰ আত্মীয় এজন নাইবা কোনোবা লাখৰ পিছত লাখ টকা দিব পৰা ধনী ঘৰৰ ল'ৰা।

আন দিনাৰ দৰে আজিও সি ওলাইছিল চাকৰি সংক্ৰান্তত। কোনো এটা চৰকাৰী কাৰ্যালয়ত খালি হোৱা কেইটামান পদ পূৰাবলৈ এমাহ আগতে আজিৰ দিনটো সাক্ষাৎকাৰৰ বাবে নিৰ্ধাৰণ কৰি দিছিল। সেই মৰ্মে আজি পুৱাৰ পৰাই কেইবা হাজাৰো প্ৰাৰ্থী যে সাক্ষাৎকাৰৰ বাবে উক্ত কাৰ্যালয়ৰ আগত শাৰী পাতি বৈ আছিল। সেই প্ৰাৰ্থীসমূহৰ মাজত আছিল ৰমেনো। প্ৰখৰ ৰ'দত সকলোৱে সাক্ষাৎকাৰৰ বাবে অপেক্ষা কৰি আছিল। কিন্তু দিনৰ বাৰ বজাত যেতিয়া কাৰ্যালয়ৰ কৰ্তৃপক্ষই সাক্ষাৎকাৰ আধাতে বন্ধ কৰি দিলে তেতিয়া ৰমেন হতাশ হৈ পৰিল। কিমানে যে চকুলো টুকিলে। অৱশেষত সকলোৱে নিৰাশ হৈ উভতিবলৈ বাধ্য হ'ল।

ৰমেনে ঘৰলৈ উভতি গৈ থাকোঁতে পাঁচ-ছয় বছৰীয়া কণমানি ল'ৰা এটাই ৰমেনৰ ভৰি এখন খামোচ মাৰি ধৰিলে। ৰমেনে তললৈকে চাই দেখিলে যে কণমানি ল'ৰাটোৱে এখন হাতেৰে তাৰ ভৰি ধৰিছিল আৰু আনখন হাতত কেইখনমান লটাৰীৰ টিকট আছিল। কণমানি ল'ৰাটোৱে ৰমেনক কাতৰভাৱে অনুৰোধ কৰিলে যে ৰমেনে তাৰ পৰা এখন টিকত ক্ৰয় কৰি তেওঁৰ ভাগ্য পৰীক্ষা কৰক। ৰমেনবো ল'ৰাটোলৈ দয়া উপজিল এবা, কথাতে কয় নহয় দু'খীয়াৰ দুখ দুখীয়াইহে বুজে'। ৰমেনে বাতিপুৱা সাক্ষাৎকাৰলৈ অহাৰ সময়ত মাকে তাক দহ টকাৰ নোট এখন দিছিল। ৰমেনে দহ টকাটো ল'ৰাজনক দি লটাৰী টিকট এটা ল'লে। ল'ৰাটোৱে টিকটটো বেছি আনন্দত আত্মহাৰা হ'ল। ৰমেনে টিকটটো লৈ ঘৰলৈ গ'ল।

ৰমেনে তিনিদিন পিছৰ বাতৰি কাকতখন পঢ়ি আচৰিত হ'ল। প্ৰথমে তাৰ চকুৰেও বিশ্বাস কৰিব পৰা নাছিল সেই অসম্ভৱো যে কেতিয়াবা সম্ভৱ হ'ব পাৰে। ৰমেনে সাক্ষাৎকাৰৰ দিনা ঘৰলৈ উভতি আহি থাকোঁতে বাস্তাত সৰু ল'ৰাটোৰ দুখ দেখি ব্যথিত হৈ যিখন লটাৰী টিকট ক্ৰয় কৰিছিল সেই টিকটখনৰ নম্বৰটো বাতৰি কাকতখনত। অৰ্থাৎ সেই লটাৰি খেলৰ ফলাফল সেইদিনা ঘোষণা কৰা হৈছিল। ফলাফল অনুসাৰে ৰমেনে খেলৰ প্ৰথম পুৰস্কাৰ পাইছে। অৰ্থাৎ দহ লাখ টকা পাইছে। অৱশেষত দুখীয়া ৰমেনৰ দুখৰ দিনৰ অন্ত পৰিল। সি নিজাকৈ এটা ব্যৱসায় কৰাৰ পৰিকল্পনা কৰিলে। শেষত সি গুৱাহাটীৰ মাজমজিয়াত এখন মিঠাইৰ দোকান খুলিলে। সেই দোকানখনৰ জৰিয়তে সি নিজেতো কৰ্মসংস্থাপন পালেই নিজৰ দৰে আন ছয় জনকো কৰ্মসংস্থাপন দিলে।

এনেদৰে এদিনৰ দুখীয়া; চাকৰিৰ বাবে ঘুৰি ঘুৰি ভৰিৰ ছাল ছিঙা ৰমেন, ভাগ্যৰ জোৰত এদিন প্ৰতিষ্ঠিত ব্যৱসায়ী হ'বলৈ সক্ষম হ'ল। □□

## সাঁথৰ

- বাৰীত কাহে, ওলাই নাহে।
- ৰজাৰ ঘৰৰ ক'লী গাই এক পিয়ন দি মৰি যায়।
- কি ফুল নুফুলে।
- ওপৰৰ পৰা পৰিল টেকেলি টেকেলিৰ ভিতৰত সাতাৰনটা ভেকুলী।

ৰণজীৎ ডেকা
*প্ৰথম বৰ্ষ (কমাৰ্চ)*

### উত্তৰ

- কুঠাৰ
- কলগছ
- এপ্ৰিল ফুল
- কঠাল

# সপোনৰ ঘৰ



গৌতম ডেকা
স্নাতক তৃতীয় বৰ্ষ (বাণিজ্য)

মা - মা! দেউতা আজি ইমান দিন হ'ল বেপাৰৰ পৰা কিয় অহা নাই মা — জীয়েক অপূৰ্ণাৰ কথাত মাক যেন শিলপৰা কপৌটোৰ দৰে হৈ পৰিল। লাহে লাহে অচল হৈ ওচৰৰ বিছনাখনত পৰি ৰ'ল। মা আপুনি কিয় এনেদৰে ... কিছু সময় অপূৰ্ণাৰ মাক এইদৰে পৰি থকাত অপূৰ্ণাই এক হুলস্থূলীয়া পৰিবেশৰ সৃষ্টি কৰি দিলে। তাইৰ মাকৰ বিপদৰ ভাগ ল'বলৈ কোনো নাই কাৰণ সিহঁত অকলশৰীয়া। এঘণ্টামান সময়ৰ পিছত মাকৰ চকু মেল খালে আৰু পুনৰ চেতনা ঘূৰি আহিল।

অপূৰ্ণা তুমি ... দেউতাৰাৰ কথা সুধিছা কিয়? দুবেলা দুমুঠি নোপোৱাৰ বেদনাত নে সমাজত সংস্থাপিত আৰু গণ্যত নপৰা কাৰণে — উক্ত কথাষিনি মাকে অভিমান আৰু শোকৰ এক নিদাৰুণ আঘাতত কৈ দিয়ে। মা আপোনাক আজিৰ পৰা দেউতাৰ বিষয়ে একো নকওঁ বুলি যেন্কুৰিবলৈ ধৰিলে।

বসন্ত আহিল আৰু গ'ল। আকাশৰ বুকুৰে বহুতো বগা বগলী গাতে গা লগাই অজান ঠাইলৈ উৰি গৈছে য'ত নেকি সিহঁতে মুকলিভাৱে চৰিব পাৰে। গছৰ ডালত নতুন কুঁহিপাত, গাঁৱলৈ কুলি আহিছে গৈছে এনেদৰে প্ৰকৃতিৰ বহুত পৰিবৰ্তন ঘটি আছে। কিন্তু নাই পৰিবৰ্তন অপূৰ্ণা আৰু মাকৰ মনৰ আৰু অন্তৰৰ স্বামীৰ প্ৰতি থকা চিন্তৰ...।

অপূৰ্ণাহঁতৰ ঘৰটো নদীৰ ওচৰতে অৱস্থিত। এবাৰ হেনো দেউতাকে বেপাৰ কৰিবলৈ গৈছিল এখন নতুন ঠাইলৈ নাৱেৰে। ঘৰলৈ উভতিব বুলি তেওঁৰ নাৱৰ পালতৰি দি তাতে শুই আছিছিল, প্ৰচণ্ড ধুমুহা আৰু গভীৰ বৰষুণত কাকো ক'তো নেদেখা অৱস্থাত নাও ডুবি অপূৰ্ণাৰ দেউতাকৰ মৃত্যু হৈছিল কোনোবা এক অজান ঠাইত। তেওঁৰ লগত থকা নাৱৰীয়াবোৰে কথাটো ধৰিব পৰা নাছিল প্ৰচণ্ড ধুমুহা আৰু বৰষুণৰ বাবে।

লগৰ নাৱৰীয়াবিলাক উভতিছিলি এসপ্তাহ পলমকৈ। খবৰটো মাকে দুবছৰ আগতে পাইছিল যদিও জীয়েক অপূৰ্ণাক কথাটো কৈ কুমলীয়া মনত আঘাত দিয়া নাছিল। দুবছৰ পিছত দেউতাক যেতিয়া ঘৰলৈ অহা নাছিল তাইৰ

আৰু ভালপোৱাই তাইক বিয়কুল কৰি

দেউতাক মৰিবৰ অভিপ্ৰায় ...

মাক ক্ৰমান্বয়ে অৱশ হৈ আহিছে। ...

অপূৰ্ণাৰ যেন লাৱন্যময়ী ৰূপ। ...

ছোৱালী হ'লেও যৌৱনত প্ৰত্যেক ...

অলপ নহয় অলপ পৰিবৰ্তন আহে ...

চিৰন্তন সত্য।

মাকে কিন্তু অপূৰ্ণাৰ ভৱিষ্যতৰ ... মনে মনে তাই ভাবে যদি আজি ... থাকিলেহেঁতেন, মযো মোমাই... প্ৰতিভা আৰু ভূমিতাৰ দৰে নতুন ... ছোৱালী কিমান দৰে প্ৰত্যেক মুহূৰ্ততে দেউতাক ... নোবাবিলোহেঁতেন নে? এইবোৰ কথা ভাবি তাই মাকৰ ... থৈ শুই আছিল। হঠাৎ এটা বেয়া সপোন দেখি মাকৰ কোলা... উঠিল মা, মা! মাকে তাইক সাৱটি ধৰি সুধিলে কি হ'ল ... এইদৰে চিঞৰি দিলা? অপূৰ্ণাই কৈ উঠিল নাই মা মই ... সপোন দেখিছোঁ মা, এই বুলি কৈ তাই মাকৰ কোলাত ... ধৰিলে। মাকে ক'লে, নকৰ চিন্তা তই কি সপোন দেখি... নকওঁকে ক'লে মই সপোনত দেখিছোঁ হেনো আমাৰ ... থকা নদীত এইবাৰ বহুত ঢল ফেনেফোটোকাৰে ... ঘৰ আৰু ওচৰৰ গাঁওখন গোটেই ডুবিছে মা? তাত ... হৈছিল।

মাকে সান্ত্বনাৰ সুৰত ক'ব ধৰিলে তাতে আৰু ইমান ... লাগে নে। তই এতিয়াও সৰু হৈ আছনে — তাইক ... পিহি বুজাব ধৰিলে। দুমাহৰ পিছত আকৌ বসন্ত কাল ... আৰু তাৰ লগে লগে আহিল এক অভিশাপ বাৰিষা ... আৰু অপূৰ্ণাৰ অন্তৰত নিহিত হৈ থকা যন্ত্ৰণাবোৰ ... বিৰাট বানপানী, অপূৰ্ণাহঁতৰ ঘৰৰ ওচৰত থকা নদী... মূৰ্তিধাৰণ কৰিলে সন্ধিয়া সময়ত। গাঁৱত হুলস্থুল লাগি... আহেনে হাতীটো আহে। সেইদিনা ৰাতি পানীয়ে অপূ... কাষ পালে। ৰাতি এইফালে মথাউৰীত পহৰা দি থকা ... মৰমৰ বাতুলক প্ৰবল বানপানীয়ে উটুৱাই নিয়ে। অপূ... মৃত্যুক্ষণ গণি গণি সাৱটা-সৱটি কৰি বিছনাত পৰি ... বাতুলক লৈ কিমান কল্পনা কৰি আছিল তাই নিজেই ... পুৱতি নিশা এটা প্ৰবল ঢৌৱে মাক আৰু অপূৰ্ণাক ... এতিয়া তাত দেখিবলৈ একো নাই, আছে মাত্ৰ এটি ... জিলিকি আছে এটি নিষ্ফল প্ৰচেষ্টাৰ কৰুণ কাহিনী। ...

# উপলব্ধি

□ প্ৰণৱকুমাৰ ডেকা
*স্নাতক দ্বিতীয় বৰ্ষ (কলা)*

প্ৰফেচাৰ শৰ্মাক বিনোদে ৰিক্সাত উঠাই ঘৰলৈ লৈ আহিছিল। নামিবলৈ লৈ প্ৰফেচাৰ শৰ্মাই সুধিলে ভাড়া কিমান হ'ল অ'? বিনোদে উত্তৰ দিলে পাঁচ টকা বাবু। পাঁচ টকা শব্দটোৱে যেন শৰ্মাৰ কাণত পাঁচ লাখৰ সমান হৈ খুন্দা মাৰিলে। তেওঁ গৰ্‌গৰাই ক'লে, কি এইখিনি বাট আহোঁতে পাঁচ টকা ভাড়া লাগে। সেই কাৰণে তহঁতে ৰিক্সা চলাই খাব লগা হৈছে। বিনোদে নম্ৰভাৱে ক'লে 'কি কৰিব বাবু আজি কালি বস্তুৰ দাম ইমান বাঢ়ি গৈছে। ৰিক্সাৰ মালিকেও ৰিক্সাৰ ভাড়া বঢ়াই দিছে। মই আপোনাক বেছি খুজা নাই। ইয়ালৈ পাঁচ টকাই ভাড়া।' 'ঐ মুখে মুখে ক'বলৈ আহিছ' বুলি কৈ শৰ্মাই বিনোদক এটা চৰ সোধাই দিলে। 'এক পইচাও নিদিওঁ' বুলি কৈ শৰ্মাই গেটখন খুলি ভিতৰলৈ সোমাই গ'ল। বিনোদ আমন-জিমিনকৈ কিছু সময় থিয় হৈ ৰ'ল। তাৰ পিছত ৰিক্সাখন ঘূৰাই বিনোদে ভাবিবলৈ ধৰিলে যদি মোৰ আজি দেউতা জীয়াই থাকিলেহেঁতেন মই ইমান কষ্ট কৰি ৰিক্সা চলাব নালাগিলেহেঁতেন। আন ল'ৰা-ছোৱালীৰ দৰে ময়ো মহাবিদ্যালয়ত পঢ়ি থাকিব পাৰিলোঁহেঁতেন।

বিনোদ সৰুৰে পৰা মেধাবী ল'ৰা আছিল। সি প্ৰত্যেকবাৰ বাৰ্ষিক পৰীক্ষাত প্ৰথম হৈ উত্তীৰ্ণ হৈছিল। সেয়েহে স্কুলৰ সকলো শিক্ষক-শিক্ষয়িত্ৰীয়ে তাক বৰ মৰম কৰিছিল। কেতিয়াবা কিবা বস্তুৰ অভাৱ হ'লে শিক্ষক-শিক্ষয়িত্ৰীসকলে বিনোদক সহায় কৰিছিল। এনেকৈয়ে তাৰ হাইস্কুলীয়া শিক্ষাৰ সমাপ্তি ঘটিছিল। বিনোদৰ দেউতাকে আনৰ গাড়ী চলাইছিল। অলপ টকাৰে সিহঁতৰ সৰু পৰিয়ালটো চলি আছিল। এদিন হঠাৎ দেউতাকৰ পথ দুৰ্ঘটনা হৈ মৃত্যু হ'ল। দেউতাকৰ মৃত্যুৰ পিছত সিহঁতৰ দুখে কুলাই পাচিয়ে নধৰা হৈছিল। সিহঁতৰ ঘৰখনৰ বৰ আলৈ-আথানি হৈছিল। মাকৰ সৰু ল'ৰা-ছোৱালী কেইটাক লৈ কি কৰোঁ কি নকৰোঁ লাগিছিল। শেষত মাকে উপায় নাপাই আনৰ ঘৰলৈ কাম কৰিবলৈ যাব লগা হৈছিল। এনেকৈ কাম কৰি থাকোঁতে মাক এদিন বেমাৰত পৰাত ডাক্তৰে ক'লে যে — তেওঁ যদি পুনৰ এই কষ্টৰ কাৰ্য কৰে তেতিয়া হ'লে আকৌ এই বেমাৰ পুনৰ হ'ব পাৰে। তেওঁ এতিয়া সম্পূৰ্ণ জিৰণিত থাকিব লাগিব।

মাকৰ এই কথা শুনি বিনোদৰ মনত নানা চিন্তাই আগুৰি ধৰিলে। সি কি কৰিব কি নকৰিব বুলি ভাবি অৱশেষত গুৱাহাটীলৈ গৈ কিবা এটা কৰিব বুলি থিৰাং কৰিলে। গুৱাহাটীলৈ গৈ সি কাম বিচাৰিবলৈ ধৰিলে কিন্তু কোনো কাম বিচাৰি নোপোৱাৰ ফলত অৱশেষত সি ৰিক্সা চলাবলৈ সিদ্ধান্ত কৰিলে। বিনোদে ৰিক্সা চলাই অতি কষ্টৰে তাৰ ভাই-ভনী আৰু মাকক খুৱাই আছিল। এইবোৰ কথাকে ভাবি ভাবি সি ঘৰ পালে। ঘৰ পাই ৰিক্সাখন চাফা কৰোঁ বুলি লওঁতে দেখা পালে যে ৰিক্সাখনৰ ছিটৰ ওপৰত এটা সৰু ক'লা মানি বেগ। বেগটো সি খুলি চালে। এশটকীয়া আৰু পঞ্চাছটকীয়া নোটেৰে বেগটো ভৰ্তি হৈ আছে। তাৰ ৰিক্সাত উঠাই নিয়া মানুহজনলৈ মনত পৰিল। তেওঁ চাগে টকা খিনিৰ কাৰণে বৰ চিন্তা কৰি আছে। সোনকালে গৈ বেগটো দি অহাই ভাল হ'ব বুলি বিনোদে তৎক্ষণাৎ ৰিক্সাখন উলিয়াই লৈ সেই মানুহজনৰ ঘৰলৈ গ'ল। গেটৰ কাষত ৰিক্সাখন ৰখাই গেটখন খুলি সোমাই গৈ সি দুৱাৰত টুকুৰিয়াই দিলে। বিনোদক দেখি প্ৰফেচাৰ শৰ্মা গৰজি উঠিল- দুৱাৰত টুকুৰিয়াইছ কিয়, কলিং বেল দেখা নাই। তই আৰু কিয় আহিছ, তোক মই পইচা নিদিওঁ বুলি কোৱা শুনা নাই। তেতিয়া বিনোদে নম্ৰভাৱে ক'লে ঃ ভাড়া নিবলৈ অহা নাই বাবু। আপোনাৰ এই মানিবেগটো ৰিক্সাত থৈ আহিছিল সেইটোহে দিবলৈ আহিছোঁ। প্ৰফেচাৰ শৰ্মাই আচৰিত হৈ বিনোদৰ পিনে চাই হাতখন আগবঢ়াই দিলে আৰু বেগটোৰ চেইনদাল খুলি দেখিলে যে সকলোখিনি টকা থিকেই আছে। বেগটোৰ পৰা শৰ্মাই এখন পঞ্চাছটকীয়া নোট দিব খোজাত দেখিলে যে বিনোদে ইতিমধ্যে ৰিক্সাখন লৈ কিছুদুৰ গৈছেই। প্ৰফেচৰ শৰ্মাই ৰিক্সাখনৰ ফালে একেবাহে চাই ৰ'ল। তেওঁ দেখিলে সেই ৰিক্সাখনৰ পিছফালে লিখি থোৱা 'মহৎ' শব্দটো। প্ৰফেচাৰ শৰ্মাৰ হৃদয়খন বেদনাই চেপি ধৰাৰ দৰে হ'ল। তেওঁ ভাবিবলৈ ধৰিলে যে মই মোৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীবোৰক অত দিনে কি শিক্ষা দিলোঁ। তেওঁলোকক জানো উচিত শিক্ষা দিব পাৰিছোঁ? □□

**ভাষাজ্ঞান**

(১) জন্তুক আহাৰ-পানী দিয়া নাৱৰ আকৃতিৰ কাঠৰ পাত্ৰ — ঘোলনী
(২) অলপতে ভগা, ঠুনুকা — চনকা
(৩) খোৱা-বস্তুৰ বৰ বাছ বিচাৰ কৰা — চিকাচন্দা
(৪) তিৰোতাই কপালত পিন্ধা অলংকাৰ — চিতি-পতি
(৫) মুখ ওপৰলৈ কৰি মৰা সাঁতোৰ — চিলনী সাঁতোৰ

# প্ৰতাৰণা

□ হেমন্ত কুমাৰ শৰ্মা
*একাদশ শ্ৰেণী, কলা শাখা*

সেইদিনাখন মেট্ৰিক পৰীক্ষাৰ ৰিজাল্ট দিছিল। উজ্জ্বলহঁতৰ ঘৰত মানুহৰ উদুলি-মুদুলি। নহ'বনো কিয়? সি চাৰিটা বিষয়ত লেটাৰ নম্বৰ সহ ষ্টাৰ মাৰ্ক পাই পাছ কৰিছিল। গাঁৱৰ দুখীয়া পৰিয়াল এটিত এনেদৰে সুনাম কৰা এটা কৃতিত্বৰ কথা। সেয়ে সিহঁতৰ ওচৰৰ গাঁৱৰ  লোক আহি ঘৰ নধৰা হৈ পৰিছিল। কাৰণ সেই অঞ্চলটোত উজ্জ্বলেই আছিল সৰ্বোচ্চ নম্বৰ প্ৰাপ্ত ছাত্ৰ। বহুজনে তাৰ প্ৰশংসা কৰিলে। কোনোৱে ক'লে, 'হওক দে উজ্জ্বলেহে আমাৰ গাঁওখনলৈ গৌৰৱ কঢ়িয়াই আনিলে।' গাঁৱৰ বুঢ়া বয়সীয়া মানুহবোৰে আশীৰ্বাদ দি ক'লে, তই ভৱিষ্যতে যেন আমাৰ গাঁৱৰ আদৰ্শ হৈ থাক। তোক দেখি যাতে পিছৰ ল'ৰা-ছোৱালীবোৰে আগবাঢ়ি যায়। গাঁৱৰ কোনো কোনোৱে তাক আনন্দতে গৌৰৱ বুলি মাতিলে। সঁচাই সেই দিনাখন গাঁৱত বৰ উলহ-মালহ লাগিছিল। তাকে দেখি মাক-দেউতাকৰ মনত অপাৰ আনন্দ লাগিছিল।

বহু ভিতৰুৱা গাঁও এখনৰ এজন খেতিয়কৰ ল'ৰা হ'ল উজ্জ্বল। তাৰ গুৱাহাটীৰ এখন ভাল কলেজত পঢ়িবৰ মন। কিন্তু ঘৰৰ অৱস্থাটোৱে তাৰ মনটোক বাধা দিয়ে। তাৰ তলত দুজনী ভনী আৰু এজন ভাই। উজ্জ্বলৰ দেউতাকে ছজনীয়া পৰিয়ালটো বৰ কষ্টৰে পোহপাল দি আছে। দেউতাকে যে তাক গুৱাহাটীত পঢ়ুৱাব পাৰিব সি ভাবিবই নোৱাৰে। তাকে ভাবি তাৰ মনটো বেয়া লাগে।

উজ্জ্বলৰ দেউতাকৰ বহু আশা যে সি ভালদৰে পঢ়ি-শুনি এটা চাকৰি কৰি ঘৰখনলৈ যেন পোহৰ আনে। ৰিজাল্টৰ আনন্দত দেউতাকে তাক আশীৰ্বাদ দিলে, 'বাবা তোৰ নামটো উজ্জ্বল, ভৱিষ্যতেও তই যেন উজ্জ্বল হৈ থাক।'

সি ভৱামতেই দেউতাকে তাক গুৱাহাটীত এটা সৰুভাড়া ঘৰ লৈ দি ৰখা কলেজত নামভৰ্তি কৰি দিয়ে। দেউতাকে ক'লে — তই ঘৰৰ কথা চিন্তা নকৰিবি। তই ভালদৰে পঢ়া-শুনা কৰিবি আৰু নিজৰ জীৱনটোক গঢ় দি ভাই-ভনী কেইটাক চাবি। মই তোক যেনেকৈ পাৰো পইচা দি থাকিম। তোক লৈ মই বহু আশা কৰি আছোঁ। তই যেন নিৰাশ কৰি মোক দুখ নিদিয়। উজ্জ্বলে কলেজীয়া জীৱন আৰম্ভ কৰিলে। গুৱাহাটীত থাকি কলেজত পঢ়িবলৈ পাই সি নিজে নিজে গৌৰৱ অনুভৱ কৰিলে। তাৰ পঢ়া শুনা ঠিকেই চলি আছে। দুই এজন বন্ধুও বাঢ়িছে। সেই বন্ধুবোৰ ধনী মানুহৰ ল'ৰা। কোনোবাটো ঠিকাদাৰৰ ল'ৰা কোনোবাটো অন্যায়ভাৱে ধন ঘটা লোকৰ ল'ৰা। সিহঁতৰ কোনো অভাৱ নাই। টকাৰ গৰমত সিহঁতে কোনটো পথত খোজ দিছে নিজেই ক'ব নোৱাৰে। কেতিয়াবা তাৰ মনটো বৰ বেয়া লাগে, যিমানেই বন্ধু বাঢ়িছে, উজ্জ্বলৰ মনটো চঞ্চল হৈছে। তাৰ পঢ়াৰ বাবে ধাউতি আগৰ দৰে নাই। নানা অজুহাত দেখুৱাই মিছা কথাৰে চিঠি লিখি সি দেউতাকলৈ বেছি পৰিমাণৰ পইচা খুজি পঠায়। কালৰ কুটিল গতিত পাহৰি গৈছে সি যে এজন খেতিয়কৰ ল'ৰা। গাঁৱৰ মানুহে তাক যে গৌৰৱ বুলিছিল সেই কথাও পাহৰি গৈছে। এতিয়া তাক মাথো টকা লাগে। মুখত চিগাৰেট, দামী ৰেষ্টুৰেণ্ট আৰু চিনেমা চাই কালৰ ধুমুহাত যে বিধ্বস্ত হ'ব খুজিছে সেই কথা সি ভৱাই নাই।

ইফালে তাৰ ঘৰত পানীত হাঁহ নচৰা অৱস্থা। এসাজ খালে, আন সাজৰ চিন্তা কৰিব লাগে। খেতিৰ মাটি যি আছিল তাকো মহাজনৰ ঘৰত বন্ধকত গ'ল। হালৰ গৰু হালো বিক্ৰী হ'ল। এইবোৰকে চিন্তা কৰি দেউতাক অসুখীয়া হৈ পৰিল। তথাপি বহুত আশা বুকুত বান্ধি থাকিল সেই দিনটোলৈ যিদিনা তেওঁৰ ল'ৰা উজ্জ্বলে ভাল নাম কৰি এটা চাকৰি গ্ৰহণ কৰি তাৰ মাক-দেউতাক, ভাই-ভনী কেইটাক পোহপাল দিব। লাহে লাহে ডিচেম্বৰ মাহ আহিল । সেই দিনকেইটাত পিকনিক খাবলৈ গ'লে কিমান যে ভাল লগে। উজ্জ্বলৰ বন্ধুকেইজনে তাক পিকনিক খাবলৈ যাবলৈ লগ ধৰিলে। তাৰ হাতত পইচা নাই বাবে সি নাযাওঁ বুলি ক'লে। কিন্তু বন্ধুবোৰে তাক এৰি নিদিয়ে। সি নাযাওঁ বুলি কোৱাত তাৰ বন্ধুবোৰে তাক কৃপণ বুলি জোকাবলৈ লাগিল। তাৰ বৰ দুখ হ'ল।

তেতিয়াও সি দুনাই ক'লে — অ' তহঁতে নুবুজ কিয়? মোৰ ছুৰেটাৰ নাই। মই যাব নোৱাৰোঁ। বেছিকৈ পইচা বিচাৰি দেউতাকলৈ চিঠি পঠিয়াই দে। সিও সিহঁতৰ কথা মতে কাম কৰিলে।

চিঠি পাই দেউতাকৰ মূৰত সৰগ ভাগি পৰা যেন হ'ল। দেউতাকে চকুৰে ধোঁৱা-কোৱা দেখিলে। মাকেও চকুৰ পানী মচিলে। ল'ৰা-ছোৱালী কেইটাই মাক-দেউতাকৰ তেনে অৱস্থা দেখি বোবা হৈ চাই থাকিল। মাকে কান্দি কান্দি ক'লে, — 'পইচা পঠাব নোৱাৰিলে তাৰ বৰ ... হ'ব। পঢ়া শুনা আধৰুৱা কৰি ঘূৰি আহিলে আমাৰ সপোনবোৰ ... হৈ থাকিব। একমাত্ৰ গাইজনীকে বেচি তালৈ পইচা পঠায় দিয়ক। ... আমাৰ একো উপায় নাই।' তাকে কৈ মাকে হুকহুকাই কান্দি ... ল'ৰা-ছোৱালীকেইটাই মাকক সাবটি ধৰি চকুপানী মচি দিলে। ... বিহীন হৈ দেউতাকে তাকে কৰিবলৈ থিৰ কৰিলে। সেই সময়ত ... উজ্জ্বলৰ দেউতাকৰ দেহাৰ অৱস্থা ভাল নহয়। সেই বেমাৰী ... গাইজনীক বজাৰলৈ লৈ গ'ল।

যাবৰ সময়ত সৰু ছোৱালীজনীয়ে ক'লে 'দেউতা, ... ককাইদেউলৈ পইচা পঠাই ৰ'লে মোলৈ এটা চোলা আনিবা। ...

ফটা চোলাটো পিন্ধিলে লগৰবোৰে মোক জোকায়।' দেউতাকে তাইৰ মূৰত হাত ফুৰাই হুমুনিয়াহ কাঢ়ি গুচি গ'ল। ব'দত সেই লঘোনীয়া গাবে গাইজনী লৈ গৈছে। ইফালে ৰ'দ-আনফালে অসুখীয়া দেহা লৈ গৈ থাকোঁতে মূৰ ঘূৰাই পৰি যাব খোজে। তথাপি এটা সপোন মনত লৈ মৰ সাহ কৰি গৈ থাকোঁতেই আনফালৰ পৰা এখন তীব্ৰ ট্ৰাকে আহি উজ্জ্বলৰ দেউতাকক আঘাত কৰাত গৰু আৰু মানুহ একেবাৰে চেপেটা হৈ পৰিল। কিছু সময়ৰ ভিতৰতে সেই ঠাই ডোখৰত মানুহৰ ভিৰ হৈ গ'ল। কোনেও কিন্তু মানুহজনক চিনিব নোৱাৰিলে। ঠিক সেই সময়তে সেই বাটেৰে গৈ থকা উজ্জ্বলহঁতৰ আগৰ স্কুলৰ মাষ্টৰ যাদৱ কাকতিয়ে সেই ঠাইডোখৰত ভিৰ হৈ থকাৰ কাৰণ জানিব খুজি গৈ দেখে যে উজ্জ্বলৰ বাপেকৰ সেই চিনিব নোৱৰা মৃতদেহটো। তৎক্ষণাৎ খবৰ গৈ উজ্জ্বলহঁতৰ ঘৰ পালে। নিয়তিয়ে তেওঁলোকৰ সকলো কাঢ়ি লৈ গ'ল। ইফালে উজ্জ্বলে পইচাৰে বাট চাই অধৈৰ্য হৈ পৰিছে। খবৰ পায়েই মাক আৰু ল'ৰা-ছোৱালী সকলো বজাৰলৈ বলিয়াৰ দৰে দৌৰিবলৈ ধৰিলে। টকাৰ গৰমত অবাটে যোৱা বন্ধুকেইজনে তাক ঠাট্টা কৰি আছে।'তোৰ দেউতাই যদি পইচা দিব নোৱাৰে তই ঘৰলৈ গৈ ছাল বাই গৰু চৰাই থাক গৈ। ইয়াত কি কৰিবলৈ আছ।' দুজনমানে কাঁহি-বাতি বজাই উশৃংখল হিন্দী গীত গাই, চিগাৰেটৰ ধোঁৱা উৰুৱাই মতলীয়া হৈ আছে। সেই সময়তে গাঁৱৰ ল'ৰা হৰেনে উজ্জ্বলক এখন চিঠি দিলেহি। সি সিহঁতৰ এই পৰিবেশটো দেখি চক্ খাই উঠিল।

চিঠিখন খুলি চাই উজ্জ্বলে এটা বিকট চিঞৰ মাৰিলে। তাৰ চিঞৰত গোটেই পৰিবেশটো স্তব্ধ হৈ গ'ল। সি দেউতা, দেউতা বুলি বুকুত ভুকুৱাই কান্দিলে। 'দেউতা, মোক ক্ষমা কৰি দিয়া। মই তোমাৰ সপোনবোৰ বাস্তৱত পৰিণত কৰিব নোৱাৰিলোঁ। মই মিছা কথা কৈ তোমাক মৃত্যুৰ মুখত ঠেলি দিলোঁ। তোমাৰ মৃত্যুৰ বাবে দায়ীময়েই। তুমি মোক শাস্তি দিয়া।' সি নিজকে বহুত ধিক্কাৰ দিলে। বন্ধুকেইজনৰ কিন্তু উজ্জ্বলক চাবলৈ সময় নাই। সি কলেজত পঢ়াৰ আশা এৰি ঘৰলৈ উভতি আহিল।

হৰেনে বাপেকৰ এই দুৰ্ঘটনা কেনেকৈ হ'ল উজ্জ্বলক ক'লে। মাকে তাক ল'ৰা বুলি মাতিবলৈ সংকোচ কৰিলে। পিছে কি হ'ব? সি বগা সাজ এযোৰ পিন্ধি পিৰালিত মূৰে কপালে হাত দি বহি আছে। তাৰ কাষত আজি কোনো নাই। সি বৰ্তমান অকলশৰীয়া। গাঁৱৰ মানুহে তাক নানা ধৰণে কথা ক'বলৈ ধৰিলে, 'তই গাঁৱৰ গৌৰৱ নহয়। তই এটা পিতৃহত্যাকাৰী অপৰাধীহে। তই এই গাঁৱৰ কলংক।' সি বোবা মানুহৰ দৰে একো নোকোৱাকৈ বৈ থাকিল। তাৰ আজি একো ভাষা নাই। বেয়া সংগই যেন তাক শেষ কৰি পেলালে। সেই কথাটো ভাবিলে এতিয়া তাৰ বৰ দুখ লাগে। কিন্তু ভাবি লাভ নাই। বলিয়া বানৰ কোবটোৱে তাৰ জীৱনৰ সকলো আকাংক্ষা উটুৱাই লৈ গ'ল। সি সেই কথাবোৰ ভাবি পশ্চিম আকাশত মাৰ যোৱা বেলিটোলৈ চাই ৰ'ল। আন বিলাকৰো ঘৰত যেন মাৰ যোৱা বেলিটোৰ ফলত হোৱা অন্ধকাৰত মুখখন দেখিবলৈ নোপোৱা হ'ল। ❑❑

# বাদুলী

❑ এছ টৌজকিৰা চুলতানা

*উঃ মাঃ প্ৰথম বৰ্ষ (কলা)*

বাদুলী হৈছে প্ৰকৃতিৰ এক আশ্চৰ্যজনক প্ৰাণী। ই উৰিব পৰা একমাত্ৰ স্তন্যপায়ী প্ৰাণী। ইয়াৰ ডেউকা শৰীৰৰ দাঁতিৰ পৰা ভৰিলৈকে জুৰি থকা এখন ছালেৰে আবৃত। বাদুলীয়ে দিনত গছৰ ডালত নখেৰে খামোচ মাৰি মূৰটো তললৈ কৰি ওলমি থাকে। ইহঁতে খোজ কাঢ়িব নোৱাৰে কিন্তু দেৱাল-গছ আদিত বেগেৰে চুচৰি যাব পাৰে। ইহঁতৰ জন্মৰ পৰাই নখ-দাঁত আদি থাকে। এইবোৰৰ সহায়ত পোৱালিবোৰে মাকৰ গাত ওলমি এঠাইৰ পৰা সিঠাইলৈ যায়। বাদুলীয়ে এবাৰত ৩ পৰা ৬ টালৈ পোৱালী জন্ম দিব পাৰে। ইহঁতৰ চকু আছে যদিও ব্যৱহাৰ নহয়। সাধাৰণতে বাদুলীৰ প্ৰিয় খাদ্য হ'ল বিভিন্ন ফল আৰু গছৰ গুটি। অৱশ্যে সৰু সৰু পোক পৰুৱাও খায়। বিশেষতঃ আমাৰ সমাজত বাদুলীৰ মাংস খালে হাপানী, কফ আদিকে ধৰি বিভিন্ন ৰোগৰ উপশম হয় বুলি এক জনবিশ্বাস আছে। একাংশ লোকে এই প্ৰাণীবিধ হত্যা কৰিবলৈ ধৰিছে; যাৰ ফলত বাদুলী ক্ৰমাৎ বিলুপ্ত হ'বলৈ ধৰিছে। বনবিভাগ প্ৰাকৃতিক সংগঠন আৰু বাইজে সেয়ে বাদুলী হত্যা ৰোধ কৰাৰ বাবে আগুৱাই আহিবৰ হ'ল। অন্যথা এইবিধ প্ৰাণীও অসমত বিলুপ্ত হৈ পৰিব। ❑❑

# সংঘাতে আনি দিয়ে জীৱনৰ পূৰ্ণতা

□ দিপাংক কলিতা
স্নাতক প্ৰথম বৰ্ষ (কলা)

চন্দন শৰ্মা এইবাৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ ছাত্ৰ। পঢ়াত অতি মেধাৱী নহ'লেও মধ্যম বুলি ক'ব পৰা যায়। মাক-দেউতাকৰ আশাৰ ভৱিষ্যৎ আৰু চন্দনেও হয়তো সেই আশাক প্ৰশ্ৰয় দিছিল। ফলস্বৰূপে সিও পৰীক্ষাত ভাল ফল দেখুৱাই আহিছিল। চন্দনৰ ঘৰ নলবাৰীৰ এখন গাঁৱত যদিও দেউতাকৰ চাকৰি সংক্ৰান্তত সিহঁতৰ পৰিয়ালটো শ্বিলঙতহে থাকিব লগা হৈছিল। পৰিয়াল মানে চন্দন, মাক-দেউতাক আৰু সৰু ভনীয়েক। শ্বিলঙত থাকে যদিও মাজে-সময়ে দীঘলীয়া বন্ধ পালে সিহঁতে গাঁৱৰ নিজা ঘৰলৈ আহিছিল আৰু গাঁৱত চন্দনৰ বন্ধু পিংকু, বাবা, জোন, ৰাকেশহঁতক লগ পালে সি পাহৰি যায় শ্বিলঙ চহৰখনৰ কথা। যদিও চন্দন চহৰত থাকে, তাৰ মন গাঁৱতহে বেছি। কাৰণ সি সৰু কালত কেইবছৰমান গাঁৱত আছিল।



এই বাৰো বন্ধ উপলক্ষে গাঁৱলৈ আহোঁতে চন্দনৰ চকু পৰিল একেখন গাঁৱৰে সিটো মূৰৰ ছোৱালী জোনালীৰ ওপৰত। প্ৰথম দৃষ্টিতেই চন্দন জোনালীৰ প্ৰেমত পৰে। সি প্ৰকৃত অন্তৰেৰে, সততাৰে বিচাৰে তাইৰ ভলপোৱা। জোনালীৰ লগত চিনাকি হ'বলৈ চন্দনৰ খুব মন গ'ল আৰু এই কথা তাৰ প্ৰিয়বন্ধু পিংকুক ক'লে। তাৰ জৰিয়তে চিনাকি হ'ল জোনালীৰ লগত। ক্ৰমে চন্দনে দেখিবলৈ ল'লে অযুত আশাৰ সপোন নীৰবে-গোপনে।এনেদৰে কেইদিনমান পিছত চন্দনে পিংকুৰ জৰিয়তে জোনালীক জনায় তাৰ মনৰ কথা। প্ৰত্যুত্তৰত মাথো তাই কয়—উত্তৰ পিছলৈ দিব। এনেদৰে দিনবোৰ যাবলৈ ধৰিলে, চন্দনো শ্বিলঙলৈ গ'ল। শ্বিলঙলৈ সি গৈ পঢ়াত মন বহুৱাব নোৱাৰিলে। বাৰে বাৰে তাক জোনালীৰ কথাই আমনি কৰিবলৈ ধৰিলে।

পুনৰ যেতিয়া চন্দন গাঁৱলৈ আহিল, তেতিয়া সি জানিবলৈ বিচাৰিলে তাইৰ মতামত। প্ৰত্যুত্তৰত তাই কৈছিল যে তাইৰ মাক আছে, দেউতাক নাই আৰু সিহঁত গাঁৱৰে সম্পৰ্কীয় মোমায়েকৰ তত্ত্বাৱধানত আছে। তদুপৰি মাকে তাইক লৈ বহুত সপোন ৰচিছে আৰু তাই এই সপোন বাস্তৱত পৰিণত নকৰাকৈ এইবোৰ কথা ভাবিব নোৱাৰে। তাইক বহুতে প্ৰস্তাৱ দিছে যদিও তাই সকলোকে একে উত্তৰ দিছে। তাইৰ দুখৰ কথা শুনি চন্দনেও কিছু সময়ৰ বাবে দুখী হৈছিল। চন্দনে কৈছিল— 'জোনালী, মই তোমাক খুব ভাল পাওঁ, মই তোমাক কোনোপধ্যে হেৰুৱাব নোখোজো। মোক তোমাৰ সুখ-দুখৰ সমভাগী হ'বলৈ দিয়া।' চন্দনৰ কথা শুনি জোনালীয়ে পুনৰ কৈছিল— 'মই হ'লো নিম্ন জাতিৰ, তুমি উচ্চ। নাই এই সম্পৰ্কক সমাজে কেতিয়াও স্বীকৃতি নিদিয়ে।' জোনালীৰ কথাত ক্ষন্তেকৰ বাবে দ্বিধাগ্ৰস্ত হৈ পৰিলেও পিছ মুহূৰ্ততে চন্দনে নিজকে সংযত কৰি তুলিছিল আৰু তাইক বুজাবলৈ চেষ্টা কৰিছিল যে প্ৰকৃত ভালপোৱাই কোনো বাধা নামানে, উচ্চ-নীচ বিচাৰ নকৰে। তেনে ক্ষেত্ৰত সমাজৰ স্বীকৃতিৰ প্ৰয়োজন কি? চন্দনে জোনালীক ইমান বুজোৱাৰ পিছতো তাই বুজা নাছিল তাৰ মনৰ কথা। তথাপি সি হতাশ হোৱা
নাছিল। কাৰণ সি ছাগে বিচাৰি পাইছিল তাইৰ কথাৰ
মাজতে আশাৰ সঁফুৰা। সি ভাবিছিল
পিছলৈ ছাগে তাইৰ মত সলনি
হ'ব। এনেদৰে দিন যাবলৈ ধৰিলে। মাজ-সময়ে সি গাঁৱলৈ আহিলে পুনৰ তাইক বুজোৱাৰ ব্যৰ্থ চেষ্টা কৰে। লাহে লাহে জোনালীয়ে তাক খুউব বেয়া ব্যৱহাৰ কৰা হৈছিল। খুউব কঠোৰভাৱে ক'ব পৰা হৈছিল। তথাপি চন্দন তাইক খুউব ভাল ভাল পাইছিল।



অবিচলিত আছিল। সি কি
ব্যৱহাৰ। কৰিছিল, খু

লাহে লাহে চন্দনৰ তেনেতে তাৰ মনক, থানবান কৰা এখন পৰা। যিখন পত্ৰই বাবে তাক বিধ্বস্ত চিঠিখনত তাই লিখিছিল

পৰীক্ষা ওচৰ চাপিছিল
তাৰ আশাৰ সপো
পত্ৰ পাইছিল জোনা
জীৱনত প্ৰথম
কৰি পেলাইছিল
— তাইৰ

নামৰ ল'ৰাজনৰ লগত থকা সম্পৰ্কৰ কথা। অতি নিষ্ঠুৰভাৱে লি
তাইক পাহৰি যাবলৈ। তাইক দিগদাৰ দিবলৈ চন্দন কোন? আৰু
ৰুক্ষ, কৰ্কশ, নিষ্ঠুৰ শব্দৰ মালা গাঁথিছিল পত্ৰখনত। কিন্তু চন্দনৰ
পঢ়াৰ ধৈৰ্য নাছিল। সি পৰাজিত হৈছিল নিজ ওচৰত, জীৱনৰ ও
লাহে লাহে আগৰ চন্দন সলনি হৈছিল, সি তাইক পাহৰিবলৈ চেষ্টা
যদিও নোৱাৰে। বাৰে বাৰেজোনালীৰ স্মৃতি মনলৈ আহে। অৱশে
সি তাৰ জীৱনত কোনোদিনে গ্ৰহণ নকৰোঁ বুলি প্ৰতিজ্ঞা কৰা

অনিবাৰ্য পৰিণতি বুলি গ্ৰহণ কৰিলে। এতিয়া সি মাজে-সময়ে ড্ৰিংক্‌ছ কৰে।

ইপিনে চন্দনৰ পৰীক্ষা কাষ চাপিছিল। সি পঢ়াশুনাত মন বহুৱাবনোৱাৰা হ'ল। নিসংগতা ভাল পোৱা হ'ল। ইমান ধেমালিত থকা ল'ৰাটো যেন ধ্বংসমুখী হ'ল। চন্দনৰ এই অৱস্থা দেখি তাৰ বন্ধু পিংকুৱে তাক বুজালে। পিংকুৱে ক'লে— 'সকলো ছোৱালী প্ৰতাৰক। ছোৱালীৰ বাবে জীৱন ধ্বংস কৰাৰ কোনো যুক্তি নাই।' প্ৰত্যুত্তৰত চন্দনে কৈছিল— তাই যদি মোক ভাল পোৱাই দিব নোৱাৰে তেন্তে মোক মিছা আশা দিছিল কিয়? তাই যদি অন্যক ভাল পায় তেন্তে প্ৰথমেই নক'লে কিয়? কিয় মিছা বহণ সানি উচ্চ-নীচ সম্পৰ্কৰ কথা, ঘৰৰ মাকৰ সপোনৰ কথা এই মিছা নাটক কিয় কৰিছিল? তাই ক'ত অধিকাৰ পালে মোৰ বহুমূলীয়া জীৱন নষ্ট কৰিবলৈ? আজি ইমানখিনি হোৱাৰ পিছত তাই মোৰ হৃদয়খন থানবান কৰি গুচি গ'ল কিয়? কিয় পিংকু? লাহে লাহে চন্দনৰ মাতটো উচুপনিত পৰিণত হৈছিল। সি পুনৰ কৈছিল— 'হ'ব, তাই বাহুলৰ লগত সুখী হওক, তাইৰ সুখ মোৰ কাম্য। কাৰণ I love her so much than my life, পিংকু।

পিংকুৱে বহুত সময় চন্দনক বুজায়। চন্দনেও লাহে লাহে বুজিবলৈ ধৰে। ক্ৰমে তাৰ মনটো শান্ত হৈ উঠে আৰু পঢ়াত মন বহুৱাবলৈ চেষ্টা কৰে। ক্ৰমে বন্ধুৰ প্ৰেৰণাত সি লাহে লাহে আগৰ অৱস্থালৈ ঘূৰি আহে। তথাপি সম্পূৰ্ণ সুস্থিৰ হ'বলৈ তাক কিছু সময় লাগিল।

মাজতে দুমাহ ধৰি চন্দন আৰু পিংকুৰ মাজত দেখা-দেখি হোৱা নাছিল। দুমাহ পিছত পিংকুৱে চন্দনক লগ পাই লক্ষ্য কৰিলে আগৰ চন্দন নাই। তাৰ মতে, 'সকলো ছোৱালী প্ৰতাৰক।' সি ছোৱালীজাতিক বিশ্বাস নকৰে, প্ৰেমলৈ ভয় কৰে। চন্দনে ৰুমৰ পৰা ওলাব খোজোঁতেই পিংকু আহি ওচৰত হাজিৰ হ'ল। পিংকুৱে ক'লে— 'ক'লৈ যাবলৈ ওলাইছ?' জোনালীক বিচাৰি নেকি? চন্দনে প্ৰত্যুত্তৰত ক'লে যে নহয় টিউচ্ছন বিচাৰিহে। চন্দনৰ কথাত দুয়ো বন্ধুৱে মুক্ত মনেৰে হাঁহি দিলে আৰু ওলাই আহিল বাহিৰৰ মুক্ত পৃথিৱীলৈ......।

## মহৎ লোকৰ বাণী

সংগ্ৰহ ঃ গীতিকা দাস
*স্নাতক প্ৰথম বৰ্ষ (কলা)*

- আমাক এনে শিক্ষা লাগে যাৰ দ্বাৰা আমাৰ সৎ চৰিত্ৰ গঠন হয়, যাৰ দ্বাৰা মানসিক বল বৃদ্ধি হয়, যাৰ দ্বাৰা বুদ্ধিমত্তা প্ৰসাৰিত হ'ব আৰু যাৰ সহায়ত আমি নিজৰ ভৰিত নিজে থিয় দি আত্মনিৰ্ভৰশীল হ'ব পাৰোঁ। — *স্বামী বিবেকানন্দ*
- মানুহৰ সেৱাৰ মাজেদি মই ঈশ্বৰক লগ পাবলৈ বিচাৰোঁ। কাৰণ ঈশ্বৰ স্বৰ্গতো নাই, পাতালতো নাই, আছে মাথো আমাৰ প্ৰত্যেকৰে অন্তৰত। — *মহাত্মা গান্ধী*
- নজনাটো সিমান লাজৰ কথা নহয়,
  শিকিবলৈ ইচ্ছা নকৰাটো যিমান। —*বেঞ্জামিন ফ্ৰেঙ্কলিন*
- শিক্ষাই জ্ঞান, জ্ঞানেই শক্তি। — চক্ৰেটিছ
- কেৱল খাই বৈ জীয়াই থকাটোৱেই মানৱ জীৱন নহয়। জ্ঞান স্বৰ্গীয় বস্তু, জ্ঞান আহৰণ কৰি মানসিক শক্তিৰ বিকাশ ঘটাব পাৰিলে মানুহ সুখী হব পাৰে। —*চক্ৰেটিছ*

# স্মৃতিৰ খিৰিকি খুলি

□ অংগীৰা তামুলী
স্নাতক প্ৰথম বৰ্ষ (কলা)

বহুদিনৰ মূৰত আজি মনত পৰিছে তোমালৈ। নাজানো কিয় পাইন গছৰ তলে তলে এই ৰাস্তাটোৰে যেতিয়া খোজ কাঢ়ো তেতিয়া ঘনে ঘনে মনত পৰে তোমালৈ। ভাবো কেতিয়াবা যদি তুমি লগত থাকিলাহেঁতেন। এতিয়া শিলঙত গধূলি। চৌদিশে তিৰ্বিৰাই থকা তৰাৰ দৰে লাইটৰ শাৰী, মাজে মাজে এজাক সেৰেঙা বতাহ আৰু এনে এটা মায়াবী সময়তে সান্ধ্য ভ্ৰমণত পাহাৰীয় একা-বেঁকা ৰাস্তাৰে অকলশৰে মই। কিন্তু সঁচাকৈয়ে মই অকলশৰেনে? নহয়, নহয়, আজি মোৰ লগত আছা তুমি আৰু তোমাৰ স্মৃতি।

কেতিয়াবা নিজকে সোধো মই, অনিৰুদ্ধৰ দৰে স্বামী আৰু মুকুতাৰ দৰে এটা ধুনীয়া সন্তান থকাৰ পিছতো তোমাৰ কথা ভবাটো বাৰু পাপনে? জানো, ক'বতো নোৱাৰো, মনটোৰেচোন মানি ল'ব নোখোজে। কেতিয়াবা অৱসৰৰ মুহূৰ্তত, পাইন গছেৰে ভৰা এই ৰাস্তাটোৰে লাবানত থকা মোৰ ঘৰলৈ অহা-যোৱাৰ পথত, মাজনিশা অকস্মাতে সাৰ পোৱাৰ সময়ত নেভাবো বুলিলেও দেখোন তোমাৰ কথা ভবা যায়। কিন্তু তুমিতো চাগে কেতিয়াও মোৰ কথা নেভাবা আৰু হয়তো তেতিয়াও ভবা নাছিলা যেতিয়া আমি এটা আনটোৰ খুব ওচৰত আছিলোঁ।

মনত আছেনে তোমাৰ আমি স্কুলত একেলগে পঢ়া দিনৰ কথা। কিমান যে সুন্দৰ দিন আছিল সেইবোৰ। কেতিয়াবা অনিৰুদ্ধকো কওঁ মই সেইবোৰ কথা। খুলি দিওঁ স্মৃতিৰ ভঁৰাল তেওঁৰ সন্মুখত; একো নকয় তেওঁ, মাথো মিচিকিয়াই হাঁহে। তুমি যে এবাৰ সৰস্বতী পূজাত মোৰ কাণত চাউল ভৰাই দিছিলা এই কথাবোৰ তোমাৰ মনত আছেনে? মই কিন্তু সাঁচি ৰাখিছোঁ সযতনে।

প্ৰথম শ্ৰেণীৰ পৰা সপ্তম শ্ৰেণীলৈ একেলগে পঢ়িছিলোঁ আমি। তাৰ পিছত মই গুচি আহিলো গুৱাহাটীলৈ, মোৰ নিজৰ ঘৰলৈ। জানানে বাৰু প্ৰথম আহিয়েই মোৰ যে খুব বেয়া লাগিছিল? পুনৰ উভতি যাবলৈ মন গৈছিল তোমালোকৰ ওচৰলৈ, আগৰ স্কুলত পঢ়িবলৈ। কিন্তু এয়া যে সম্ভৱপৰ নাছিল। সেয়ে স্মৃতিৰ কফিনত তোমালোকক বন্ধ কৰি থৈ আগবাঢ়িছিলোঁ সময়ৰ স'তে। দিন গৈ থাকিল, আৰু এনেকৈয়ে এদিন গৈ মই মেট্ৰিক পাছ কৰিলোঁ।

তেনেতে এদিন আচৰিত ধৰণে মোৰ মায়ে লগ পাই গ'ল তোমাৰ মা-দেউতাক আৰু সেইদিনাই তেওঁলোক আহিছিল আমাৰ ঘৰলৈ। গ'ম পাইছিলোঁ তেওঁলোকৰ পৰা তুমিও হেনো এতিয়াৰ পৰা গুৱাহাটীতে পঢ়িবা। আকস্মিকভাৱে পোৱা এই সংবাদটোত মই শিহৰিত হৈছিলোঁ। সেইদিনাই সন্ধ্যা তুমি ফোন কৰিছিলা মোলৈ। প্ৰায় তিনি বছৰৰ মূৰত কথা পাতিছিলোঁ তোমাৰ লগত। আগতে যিটো ল'ৰাৰ লগত কথাই কথাই তৰ্ক কৰিছিলোঁ, সেইদিনা সেইটো ল'ৰাৰ লগত কথা পাতোতে মোৰ বুকুখন দুৰুদুৰুকৈ কঁপিছিল, হয়তো ইয়াতেই কিবা এটা সলনিৰ ইংগিত আছিল।

সেয়াই আৰম্ভণি আছিল। তাৰ পিছত সঘনে ফোন কৰা হৈছিল তুমি মোলৈ আৰু আমি পুনৰ আগৰদৰে হৈছিলোঁ। আগতে কৰাৰ দৰে কাজিয়া কৰিছিলোঁ, ধেমালি কৰিছিলোঁ আৰু আগৰ দৰে প্ৰায় তোমাক লগ পাই থকা হৈছিলোঁ। কিন্তু ইয়াৰ মাজতে কি হ'ল জানো মোৰ, তোমাৰ অজ্ঞাতেই মই তোমাক ভাল পাবলৈ ল'লোঁ। আগতেও তোমাৰ প্ৰতি মোৰ আকৰ্ষণ আছিল, কিন্তু এইবাৰ যেন সম্পূৰ্ণ নতুন ৰূপত। তুমি মোক প্ৰায়েই জোকাইছিলা মোৰ দুৰ্বলতাবোৰ বিচাৰি বিচাৰি, দম দিছিলা নপঢ়া বুলি গম পালে, সকলো ধৰণৰ উৎসৱতে তুমি জনাইছিলা প্ৰথমে মোক শুভেচ্ছা। প্ৰায়েই তুমি মোক কৈছিলা তুমি হেনো প্ৰেমত পৰিছা। কিন্তু কাৰ প্ৰেমত সেয়া কোৱা নাছিলা। লাহে লাহে মোৰ এনে লাগিল যেন তুমিও মোকেই ভাল পাবলৈ লৈছা। ফলত মোৰ হৃদয়ত লুকাই থকা চোৰটোৱে যেন সাহস পালে। আঁকি পেলালে তোমাকেই কৰি মোৰ আকাশৰ জোন। এনে লাগিবলৈ ধৰিলে যেন মোৰ পৃথিৱীখন তোমাতেই আৰম্ভ হৈ তোমাতেই শেষ হয়। পঢ়িবলৈ বহি প্ৰায়েই বহী ভৰাই দিয়া হ'লোঁ কেৱল তোমাৰ নাম লিখি লিখি। গৌৰৱ, গৌৰৱ, গৌৰৱ বুলি। কেতিয়াবা হাততো লিখিছিলোঁ তোমাৰ নাম। কিন্তু কোনোবাই দেখিব বুলি লাজতে পুনৰ চাবোনেৰে ঘঁহি ঘঁহি ধুই দিছিলোঁ। স্বভাৱতে মই আছিলোঁ আত্মসচেতন আৰু অন্তৰ্মুখী। গতিকে তোমাক একো খুলি ক'বও পৰা নাছিলোঁ। অকল তোমাকেই নহয় লগৰ কাকোৱেই ক'ব পৰা নাছিলোঁ তোমাৰ প্ৰতি থকা মোৰ অনুৰাগৰ কাহিনী।

এনেকৈয়ে আমি আগবাঢ়িছিলোঁ আমাৰ হায়াৰ ছেকেণ্ডাৰী পৰীক্ষাৰ সন্মুখলৈ। ছদিন পৰীক্ষাৰ আটাই কেইদিনতে তুমি পৰীক্ষালৈ যাবলৈ ওলোৱা মুহূৰ্তত ফোন কৰি শুভেচ্ছা জনাইছিলা আৰু অহাৰ পিছত কেনে হ'ল খবৰ লৈছিলা। ফলত মোৰ বিশ্বাস সম্পূৰ্ণৰূপে গাঢ় হ'ল। মই চকু মুদি মানি লঁলো যে তুমি মোকেই ভাল পোৱা আৰু মই অপেক্ষা কৰিবলৈ ল'লোঁ তুমি এই কথাষাৰ নিজ মুখেৰে কোৱালৈ।

অৱশেষত আহিল সেইটো দিন যিটো দিনত তুমি প্ৰকাশ কৰিছিলা তোমাৰ হৃদয়ৰ এক গোপন অধ্যায়। হয়তো আমাৰ হায়াৰ ছেকেণ্ডাৰীৰ ৰিজাল্ট দিয়ালৈ কিছুদিন থকাৰ কথা। তুমি সেইদিনা ৰাতিপুৱাই ফোন কৰিছিলা। প্ৰায় ত্ৰিশ মিনিটমান কথা পাতিছিলা সিদিনা। আগতেও তুমি মোক ডাল-পাত জোৰা দিয়া কাহিনী শুনাই বুৰ্বক বনোৱা। সেয়ে সেইদিনা যেতিয়া তুমি তোমাৰ প্ৰেমৰ কথা আৰম্ভ কৰিছিলা মই ভাবিছিলোঁ তুমি মিছা কৈ আছা। কিন্তু হায়! মইতো জনা নাছিলোঁ সদায় মিছা কোৱা গৌৰৱে সেইদিনা সঁচা কৈ আছিল। শেষৰপিনে অৱশে

মোৰ সন্দেহ হৈছিল। সেয়ে মই জোৰ দি ধৰিছিলোঁ তোমাৰ প্ৰেয়সীৰ নাম কোৱাবলৈ। কৈছিলা, হয়, হয়, কৈছিলা তুমি সিদিনা, তোমাৰ প্ৰেয়সীৰ নাম বনানী, বনানী শৰ্মা। জানানে কেনে লাগিছিল মোৰ সেই মুহূৰ্তত? বুকুখনৰ ধক্কৈ শব্দ এটা হৈছিল, এনে লাগিছিল যেন ক্ষন্তেক পিছতে মই ঢলি পৰিম। জোৰেৰে খামুচি ধৰিছিলোঁ ফোনটো আৰু যিমান পাৰি মাতটো সহজ কৰি সুধিছিলোঁ 'ক'ত পঢ়ে? ক'ত থাকে?' যেন এটা ক্ষীণ আশা যদিহে তুমি এতিয়াও মিছা কৈয়ে আছা। কিন্তু, নাই। সেইদিনা তুমি মই সোধা প্ৰতিটো প্ৰশ্নৰ শুদ্ধ উত্তৰ দিছিলা। আৰু এটা সময়ত ফোনটো থৈ দিছিলা।

তাৰ পিছত, প্ৰায় এমাহমান বলিয়াৰ দৰে হৈছিলোঁ মই। কান্দিছিলোঁ, ভাত-পানী বাদ দিছিলোঁ। ৰাতি ৰাতি মোৰ চকুৰ পতা জাপ নগৈছিল। প্ৰশ্ন জাগিছিল মনত কিয় এনে অবিচাৰ ভগবানৰ মোৰ প্ৰতি, যাৰ বাবে যাক প্ৰাণ দি ভালপাঁও তাকো নেপালোঁ। অৱশ্যে তাৰ পিছতো তুমি আগৰ দৰে মোক ফোন কৰিছিলা, কথা পাতিছিলা, জোকাইছিলা আৰু কৈছিলা তোমাৰ বনানীৰ কথা। ময়ো সহজভাৱেই তোমাৰ লগত কথা পাতিছিলোঁ যেন একো হোৱাই নাই। অথচ ভিতৰি ভিতৰি মই শেষ হৈ গৈছিলোঁ। তোমাৰ পৰাই মই গম পাইছিলোঁ তোমাৰো প্ৰেম তেতিয়ালৈকে একপক্ষীয় পৰ্যায়তে আছিল। মই উৎসাহ দিছিলোঁ তোমাক সোনকালে তোমাৰ মনৰ বতৰা তাইক জনাবলৈ। নহ'লে কি ঠিক, তুমি আনৰ হৈ যোৱাৰ নিচিনাকৈ বনানীও যদি আনৰ হৈ যায় সময়ৰ সোঁতত। কিন্তু, তেনে একো হোৱা নাছিল। কাৰণ, তুমি মোতকৈ সাহসী আছিলা।

দিন যোৱাৰ লগে লগে ময়ো হজম কৰি ললোঁ এই সত্যটো। নিজকে কৈছিলোঁ মই তোমাক ভাল পাঁও ইয়াৰ অৰ্থ এইটো নহয় যে তুমিও মোক ভাল পাবই লাগিব। তদুপৰি কাৰোবাক ভাল পালেই যে তাক নিজৰকৈ পাব লাগে তাৰোতো কোনো যুক্তি নাই। মই তোমাক ভাল পাঁও সম্পূৰ্ণ নিস্বাৰ্থৰূপে। সেয়েহে তোমাৰ প্ৰতি থকা মোৰ ভালপোৱা হয়তো তোমাক নাপালেও পালন কৰিব পাৰিম। নিজকে এনেৰূপে সান্ত্বনা দি আগবাঢ়িছিলোঁ মই সময়ৰ স'তে। ইতিমধ্যে মই গুৱাহাটীত পঢ়া সামৰি পি জি কৰিবলৈ পুনেলৈ গ'লোঁ। তাতেই লগ পালোঁ অনিৰুদ্ধক, মোৰ অনিৰুদ্ধক। সপ্ৰতিভ, নম্ৰ, নিয়মীয়া উচ্চতাৰে মৰমলগা অনিৰুদ্ধক প্ৰথম চিনাকিত মোৰ ভাল লাগিছিল। সেয়ে ক্ৰমাৎ তেওঁ যেন মোৰ মনৰ ভিতৰত সোমাই তোমাৰ ছবিখন সংকুচিত কৰি পেলালে। আৰু অৱশেষত মোৰ হৃদয়ৰ মাত্ৰ এটা সৰু চুক তোমাৰ বাবে এৰি বাকী আটাইখিনি দখল কৰি লৈ তেওঁ যেন তাত লিখি দিলে 'প্ৰৱেশ নিষেধ' বুলি।

মোৰ পঢ়া সমাপ্ত হোৱাৰ পিছত, শেৱালি ফুলা বতৰৰ কোনোবা এটা দিনত চিৰদিনৰ বাবে হৈ গ'লো মই অনিৰুদ্ধ মুখাৰ্জীৰ পত্নী অনন্যা মুখাৰ্জী। মোৰ গুৱাহাটীৰ ঘৰৰ কলপুলিৰ তলেৰে ওলাই গুচি আহিলোঁ ষিলঙৰ লাবানত থকা অনিৰুদ্ধৰ ঘৰলৈ। তুমিও আহিছিলা মোৰ বিয়ালৈ। সদায় জোকোৱাৰ নিচিনাকৈ সেইদিনাও আহি তুমি মোক জোকাইছিলা। সেইদিনা কিন্তু মই কান্দিছিলোঁ। কিন্তু কিয় কান্দিছিলো বাৰু? ঘৰ এৰাৰ দুখত নে প্ৰথম প্ৰেমক নিজৰ বিয়াত দেখাৰ দুখত নে অনিৰুদ্ধক পোৱাৰ আনন্দত।

বিয়াৰ পিছত নাইনিতাললৈ ফুৰিবলৈ যাওঁতেও এদিন তোমালৈ বৰ মনত পৰিছিল। কিয় জানো কল্পনা কৰিছিলোঁ অনিৰুদ্ধৰ ঠাইত তুমি হ'লে কেনে হ'লহেঁতেন বুলি? একেটা ভাবেই হৈছিল মুকুতাৰ জন্মৰ সময়তো। তাৰ পিছতো কেতিয়াবা অৱকাশ পালেই তোমাৰ কথা মনলৈ আহে। মাজে মাজে তোমাৰ ফোনো আহে মোলৈ। অনিৰুদ্ধৰ লগতো বন্ধুত্ব গঢ়ি উঠিছে তোমাৰ। মুকুতাকো এবাৰমান দেখিছা তুমি। অলপতে তুমি বিয়াও পাতিলা। বনানীক নিজৰ জীৱনলৈ আদৰি আনিবলৈ পাই তুমি খুব সুখী হৈছিলা সিদিনা। বৰ্তমান আমি প্ৰত্যেকেই ব্যস্ত নিজৰ নিজৰ পৃথিৱীত। অনিৰুদ্ধক পাই ময়ো যথেষ্ট সুখী। তথাপিও কোনো দুৰ্বল মুহূৰ্তত মনত পৰে তোমালৈ। ভাবো, এনেকৈ যদি তোমাক পালোহেঁতেন আৰু বেছি সুখী হ'লোহেঁতেননে বুলি। কেতিয়াবা আকৌ সোধো জীৱনটো বাৰু তেতিয়া কেনে হ'লহেঁতেন?

আজি অনিৰুদ্ধ ঘৰত নাই। মুকুতাক লগত লৈ ওলাই গৈছে বন্ধু এজনৰ ঘৰলৈ। ঘৰত অকলে থাকিবলৈ বেয়া পাই ময়ো ওলাই গৈছিলো সান্ধ্য ভ্ৰমণলৈ। ইতিমধ্যে মই আহি ঘৰৰ পদুলিমুখ পাইছোঁ। দূৰৰ পৰাই দেখিলোঁ, অনিৰুদ্ধ আৰু মুকুতা ইমানপৰে আহি পাই দুৱাৰ মুখতে বৈ আছেহি। কৃত্ৰিম খং দেখুৱাই বৈ থকা অনিৰুদ্ধক দেখি কিয় জানো বৰ মৰম লাগি গ'ল। আগবাঢ়ি গৈ সোমাই পৰিলোঁ তেওঁৰ বুকুৰ মাজত। মনতে ভাবিলোঁ, গৌৰৱ তুমি মোৰ প্ৰথম প্ৰেম। সেয়ে তোমাৰ স্মৃতি মোৰ মনত ভুমুকি মাৰিলেও মই অনিৰুদ্ধৰ। তেৱেঁই মোৰ সত্য, তেৱেঁই বাস্তৱ। হিয়া উজাৰি ভাল পাঁও মই মোৰ অনিৰুদ্ধক, অনন্তকাললৈ হৈ থাকিম কেৱল অনিৰুদ্ধৰে। ❑❑

**ভাষাজ্ঞান**

(১) এঠাইত লগা এঠাইত নলগা (যেনে, ৰং কৰোঁতে বেৰত ঠায়ে ঠায়ে ৰং নলগা) — *চেলেকা-চুবুৰীয়া*

(২) ঘৰৰ চাল খেৰেৰে ঢকা কাৰ্য — *ছাউনি*

(৩) এঠাইত হোৱা এঠাইত নোহোৱা (বৰকুণ আদিৰ ক্ষেত্ৰত) — *ছেগা-চোৰোকা*

(৪) সন্তান প্ৰসৱৰ তৃতীয় দিনা প্ৰসূতিক খুওৱা কচু আদিৰ জালুক দিয়া আঞ্জা — *জাল*

(৫) বেৰৰ বিন্ধা — *জলঙা*

# একপি ফটো

□ লুকুমণি শইকীয়া
*স্নাতক প্ৰথম বৰ্ষ (কলা)*

আজি সোণালীৰ বিয়া। তাই মোৰ বান্ধৱী। অৱশ্যে লগ পোৱা মাত্ৰ তিনিবছৰহে হ'ল। তাইকনো কইনা সাজত কেনে লগিছে তাকে চাবলৈ মোৰ মন ব্যাকুল হৈ পৰিছে। বিয়াঘৰত সোমায়ে কইনাজনী বিচাৰি একেবাৰে ঘৰৰ ভিতৰত সোমালোঁ। কইনাঘৰৰ সকলোৱে আপত্তি কইনাৰ বান্ধৱী হৈ ইমান দেৰিকৈ অহাৰ কাৰণে। তাই মোক দেখিয়েই ডিঙিত সাবটি কান্দিবলৈ ধৰিলে। মোৰ হিয়াখনতো এক অবুজ দুখে আলোড়িত কৰিবলৈ ধৰিলে। মোৰ দুচকুৰে চকুলো বৈ আহিল। তথাপি নিজকে কোনো মতে চম্ভালি লৈ তাইক ক'লো 'ধেৎ আঁকৰী এইবোৰ কৰিবলৈ কিহে পাইছে। ইমান ভাল ল'ৰা পালে মইতো অলপো কন্দা কটা নকৰোঁ দেই।'

'হ'ব হ'ব পিছলৈ সকলো গম পাম। কান্দা নে নাকান্দা? নে একেবাৰে বাৰিষাৰ ৰবখুণ চকুৰে বৈ আছে?

এতিয়া পিছে দুয়ো ৰভাতলীত বহগৈ মাইকী মানুহ বিলাকে কইনাক মাতিছে।'

নবৌ মানে কইনাৰ নবৌয়েকৰ কথাত বাহিৰত আয়তীসকলৰ মাজত বহিলোগৈ। তাৰে কেইগৰাকীমান মহিলাই মোক লৈ খুহুঁটীয়া গীত জুৰিবলৈ ধৰিলে। তাৰ মাজতে মই আকাশ মানে আমাৰ বন্ধু এজনৰ কথা ভাঁৱিলো। সি বাৰু বিয়ালৈ নাহিল নেকি? সিতো কালিয়েই অহাৰ কথা আছিল। হঠাতে দেখিলোঁ সি মোৰ সন্মুখেৰে পাৰ হৈ গ'ল। সি ইমান ব্যস্ত মোৰ আগেৰে গৈও মোক দেখা নাই। ময়ে তাক এক প্ৰকাৰ চিঞৰি মতাৰ দৰে মাতিলোঁ। অলপ সময় সি মোৰ লগত কিবাকিবি কথা পাতিলে। এনেতে সোণালীহঁতৰ কোনোবা দূৰৰ আলহী আহি পাইছে। তাই মোক আকাশৰ লগত কথা পতা দেখি তাই আলহীৰ লগত ঘৰৰ ভিতৰত সোমাল, অলপ পিছত আকাশেও কাম আছে বুলি একালে গুচি গ'ল। মই চকীখনত বহি আকাশৰ কামৰ তৎপৰতাৰ কথা ভাবিবলৈ ধৰিলোঁ। সি যেন সিহঁতৰ কোনোবা অণ্ডহী-বণ্ডহী। তাৰ অন্তৰত ঈশ্বৰে নিশ্চয় উদাৰতাৰ বীজ সিঁচি দিছে। এনেতে মোৰ মনত পৰিল কলেজত তাক আৰু সোণালীক লগ পোৱাৰ কথা।

এইখন কলেজত মই নতুন আছিলোঁ। আকাশহঁতে তাতে H.S. পাছ কৰি স্নাতক প্ৰথম বৰ্ষত নাম লগাইছে। মোৰ বন্ধু বান্ধৱী প্ৰায় নাছিল। দুজনমান আছিল যদিও সকলো সময়তে লগ দিয়া নাছিল। এদিন বাৰাণ্ডাৰ খুঁটা এটাত আউজি আছোঁ আৰু বহুতো ছাত্ৰ-ছাত্ৰী আছে। তাৰ ভিতৰত আমাৰ ক্লাছৰ এহাল ল'ৰা-ছোৱালী। সিহঁতে ইমান নিবিড় ভাবে কথা পাতি আছে যে মোৰ সিহঁতৰ মাজত থকা সম্পৰ্ক বুজিবলৈ বাকী নাথাকিল। মই অকলে থকা দেখি ছোৱালীজনী উঠি আহি সিহঁতৰ লগত কথা পাতিবলৈ মাতি লৈ গ'ল। মই তাইৰ কথা মতে সিহঁত বহি থাক ঠাইখিনিলৈ গ'লোঁ। অলপ সময় সিহঁতে মোৰ পৰিচয় লোৱাৰ পাছত মই সিহঁতৰ পৰা আঁতৰি যাবলৈ চেষ্টা কৰিলোঁ। কাৰণ প্ৰেমিক যুগলৰ অন্তৰংগ মুহূৰ্তত অন্য ব্যক্তিৰ উপস্থিতি খুবেই অশান্তিকৰ সেয়া মোৰ নিজৰ ক্ষেত্ৰত নহ'লেও উপলব্ধি কৰিব পাৰোঁ। কাম এটা থকা বুলি মই বিদায় ললোঁ।

এনেকৈয়ে মোৰ আৰু সিহঁতৰ মাজত বন্ধুত্ব গাঢ় হ'বলৈ ধৰিলে। এদিন আকাশে হঠাতে বতাহৰ দৰে দৌৰি আহি মোৰ আধালিখা নোটবুকটো বন্ধ কৰি ক'বলৈ ধৰিলে 'এতিয়া এইবোৰ থোৱা আজি মোৰ পাৰ্টি আছে। আজি মোৰ আনন্দৰ দিন।'

তাৰ কথা মতে মিঠাই দোকানৰ ফালে খোজ ললোঁ। দোকানত মিঠাই খাই থাকোঁতে মই তাক ক'লোঁ। 'এতিয়া এনেকৈয়ে থাকিবিনে কিহৰ কাৰণে আনন্দৰ দিন কবি।'

তাতে মোক সি কৈছিল সোণালী আৰু দীপকদাৰ কথা। দীপকদা আজি যাৰ লগত সোণালীৰ বিয়া। মই কথাবোৰ শুনি স্তব্ধ হৈ ৰ'লো। মই ইমানদিনে ভয়ংকৰ ভুল ধাৰণা এটা লৈ আছিলোঁ। মোৰ মনৰ ভাবটো তাক নক'লো যদিও তাৰ প্ৰতি তেনে মনোভাৱ ৰখা বাবে অপৰাধী যেন লাগিছিল। মোৰ নিজৰ মনৰ ওপৰত ভীষণ খং উঠিছিল। ইমান বেয়া ভাৱে মোৰ মনত কেনেকৈ ঠাই ল'ব পাৰে। মই সেইদিনাহে গম পালোঁ যে সি সোণালীৰ অন্তৰংগ বন্ধু।

দীপকদা আৰু সোণালীৰ মাজত কেতিয়াবা কিবা মনোমালিন্য ঘটিলে সি মিলন ঘটোৱাত আগভাগ লয়। কেতিয়াবা দীপকদাৰ হৈ সোণালীৰ আৰু কেতিয়াবা সোণালীৰ হৈ দীপক দাক। কেতিয়াবা সি সিহঁতৰ পৰা বেয়াকৈ গালিও খাবলগীয়া হৈছিল। পিছলৈ অৱশ্যে ময়ো অলপ ভাগ লৈছিলোঁ। মই ভাবি নাপাও কি যে অদ্ভুত ল'ৰা সি! বন্ধুত্বৰ খাতিৰত সি ইমানখিনি কৰিব পাৰে! তাৰ নিচিনা এজন উদাৰমনা বন্ধু পোৱা বাবে নিজকে ধন্য মানিলোঁ।

'ঐ ইমান দেৰি একেথৰে কি চাই আছ মাতিলে নুশুন নেকি? ... কইনাৰ ওচৰত একপি ফটো উঠো।' তাৰ মাতত জিকাৰ খাই উঠি ... ফালে চালোঁ। আকাশে মোক মাতি আছে। ধেৎতেৰি ময়ো যে কি! ... ভাৱত ডুবি থাকি বিয়াঘৰত যে সেই কথাটোও পাহৰি গৈছিলোঁ।

'অ বল' বুলি কইনাৰ ওচৰলৈ খোজ ল'লোঁ। কইনাৰ দুয়ো কাষে আকাশ আৰু মই। সন্মুখত কইনাৰ মোমায়েকে কেমেৰা লৈ আমাৰ অপেক্ষাত। কিমান যে ধুনীয়া লাগিব চাগে এই ফটো কপি। □□

# প্ৰসংগ ঃ আন্ধাৰ-পোহৰ

*(২০০৫ চনৰ 'মহাবিদ্যালয় সপ্তাহ'ৰ গল্প প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰপ্ৰাপ্ত, বিষয় ঃ নিষ্ফল প্ৰচেষ্টা)*

□ হেমন্ত ডেকা
উঃ মাঃ দ্বিতীয় বৰ্ষ (কলা)

ঘৰৰ পৰা অহা মণিঅৰ্ডাৰৰ টকা কেইটিৰে যেন হোষ্টেলত থাকি পঢ়াটো বৰ অসম্ভৱ হৈ আহিছিল। খৰচবোৰ দিনে প্ৰতিদিনে বাঢ়িহে গৈ আছিল। বহুবাৰ প্ৰচেষ্টা চলাইছিলোঁ কেনোবকমে খৰচৰ মাত্ৰা হ্ৰাস কৰাৰ। কিন্তু হাতত মাথো বিফলতাৰ বাহিৰে আন একোকে নৰৈছিল।

মেট্ৰিকত প্ৰথম বিভাগ লাভ কৰিবলৈ সক্ষম হোৱাত আই-পিতাই বা পৰিয়ালবৰ্গই যিমানখিনি মোৰ ভৱিষ্যতকলৈ সপোন ৰচিছিল, মই যেন ততোধিক ভাবেহে সপোনৰ বাগিছা নিৰ্মাণ কৰিছিলোঁ।

কিমানযে সপোন আছিল...! ভালদৰে পঢ়িম আই-পিতাইৰ নাম উজ্জ্বলাম, গাঁৱৰ নাম উজ্জ্বলাম, ডাক্তৰ হ'ম, আৰু ... কিন্তু সময়ে যেন সকলোবোৰ সপোনকে থকা-সৰকা কৰি পেলালে।

জীৱনদাই বাৰে বাৰে মোক সকী ৱাইছিল। 'পূৰ্ণিমা, তই ভাল নাম কৰাটো ময়ো কামনা কৰোঁ। কিন্তু নগৰৰ বতাহৰ পৰা নিজকে জানো তই বচাই ৰাখিব পাৰিবি? তোৰ দৰে আজলীজনী ...।'

'মই এতিয়া আৰু সেই আজলী জনী হৈ থকা নাই জীৱন দা, এতিয়া মই ডাঙৰ হৈছো।'

'মই জানো তই ডাঙৰ হৈছ, কলেজত পঢ়িবলৈ ওলাইছ, কিন্তু ...।'

'এইবোৰ কিন্তু চিন্তু থাওক দিয়া জীৱনদা। চহৰ যেনেকুৱাই নহওক তাৰ বতাহৰ উষ্ণতাৰ পৰা মই নিজকে বচাই ৰখাৰ যথাসাধ্য প্ৰচেষ্টা চলাম।'

'আৰু যদি সেই চেষ্টা-প্ৰচেষ্টা নিষ্ফল হয়? যদি তোৰ পঢ়াতকৈ আন বং বহেঁচহে আপোন হয়? তেতিয়া? তেতিয়া তই এই গাঁও খনলৈ কিটো নাক লৈ আহিবি?'

মই মাথো মৌন হৈ পৰিছিলোঁ। সেই সময়ত মোৰ বাক্‌শক্তিযেন ছিন্ন-ভিন্ন হৈ ধ্বংস হৈ পৰিছিল। সেই দিন ধৰি জীৱন দাই মোৰ লগত কোনো সংযোগ ৰখা নাই।

নেযানো কি যে হৈ গ'ল তৎক্ষণাৎ!

প্ৰথম কেইদিনৰ পৰাই বৰ অস্বস্তিবোধ কৰিবলৈ লৈছিলো কলেজ
আৰু হোষ্টেলত। কেওফালে মাথো ৰেগিং, ৰেগিং আৰু ৰেগিং। এই
শব্দই যেন মোক এক গভীৰ যন্ত্ৰণাৰ মধ্যত বন্দি কৰি থৈছিল।
তেতিয়াহে যেন মোৰ অনুভৱ হৈছিল জীৱনদাৰ প্ৰত্যেকটি শব্দৰ
সাৰমৰ্ম। ৰেগিঙৰ নামত হোষ্টেলত হৈছিল যৌন উৎপীড়নৰ দৰে শাস্তি।

এনেবোৰ যন্ত্ৰণাদায়ক ক্ষণৰ অন্তত মই বৰ আচৰিত ধৰণে ভাগি পৰিব ধৰিছিলোঁ মানসিক ভাবে। লাহে লাহে তথাপি সেই সমূহৰ পৰা ওলাই আহি পঢ়াৰ মেজত ৰণশিঙা বজাইছিলোঁ। মানে কিতাপৰ সৈতে যুদ্ধত লিপ্ত হৈছিলোঁ। প্ৰচেষ্টা চলাইছিলোঁ চহৰৰ এইখন বৃহৎ কলেজৰ পৰা এটি উৎকৃষ্টতম ডিগ্ৰী লাভ কৰি পৰিয়ালৰ লগতে আমাৰ ক্ষুদ্ৰতম গাঁওখনৰ নাম আকাশত লিখাৰ। যিখিনি সময় পাইছিলোঁ অন্য চিন্তাবোৰ বাদ দি প্ৰচেষ্টাত লিপ্ত হৈছিলোঁ এটি উৎকৃষ্টতম ডিগ্ৰীৰ বাবে।

সেইটি ডিগ্ৰী লাভৰ পাছত গাঁৱত আই-পিতায়ে গৰ্বৰে ক'ব পাৰিব — 'আমাৰ ছোৱালী চহৰত শিক্ষিতা, ডাঙৰ কলেজৰ ডাঙৰ ডিগ্ৰীধাৰী।'

কথাবোৰ ভাবিলেই যেন এটি শিহৰণে আহি শিহৰিত কৰি থৈ যায় দেহ মন। নেজানো কেতিয়া মোৰ প্ৰচেষ্টাত বিজয়ী হ'ম। নেজানো কেতিয়া মোৰ সপোন দিঠক হ'ব।

অনীতা, বৰ্ণালীহঁতৰ সংগ লোৱাৰ পৰাই ক্ৰমাৎ মোৰ খৰচৰ মাত্ৰাধিক্য হ'বলৈ ধৰিলে। বৰ আল্টু-ফাল্টু খৰচ কৰিব লোৱা নাছিলোঁ যদিও পুৱা চাহৰ লগত কিবা এটা আনি খোৱা, সন্ধিয়া ধাবাখনতে কেতিয়াবা চাওমিন বা কেতিয়াবা ৰ'ল খোৱা। মুঠতে খৰচ বাঢ়িছিল। পিতাইকো ঘনাই টকাৰ 'চিফাৰিচ' কৰি থাকিবলৈ বেয়া লাগিছিল। কিয়নো তেওঁৰ অৱস্থা মোৰ অজান নহয়।

এনেবোৰ অনেক চিন্তাই মোৰ বাটত হেঙাৰ হৈ থিয় দিছিল। পঢ়া আদিতো মনোযোগবোৰ কমি আহিবলৈ ধৰিছিল। নিতৌ দিবাস্বপ্নৰ দৰে জীৱনদাই আহি মোৰ ওপৰত উচ্চহাস্য কৰিছিল, সুধিছিল কি হ'ল মোৰ সপোনবোৰৰ? কি হ'ল মই কোৱা চেষ্টা-প্ৰচেষ্টাৰ ডাঙৰ ডাঙৰ কথাবোৰ? বাচিব পাৰিলোঁনে মই চহৰৰ মাদকতাৰ পৰা? এতিয়াও মই প্ৰচেষ্টাত অটলনে?

কিন্তু, মই মৌন হৈয়ে ৰ'ব লগাত পৰিছিলোঁ, মোৰ যে এটি প্ৰশ্নৰো উত্তৰ নাছিল।

এদিন বিছনাতে বহি খিৰিকিখনেৰে বাহিৰলৈ চাই আছিলোঁ, হঠাৎ পৰমিতাই মোৰ ৰুমটোলৈ সোমাই আহিল। পৰমিতাই নিজৰ বহুখিনি কথাই মোক কৈছিল, সেয়ে ময়ো কোনো লুক-ধাক নকৰাকৈ মনটোৰ প্ৰত্যেকটি কোণ উদঙাই দিলোঁ।

তাই সেইদিনা মোক এখন এশটকাৰ নোট দিলে, আৰু যিকোনো

সহায়ৰ বাবে তাইক মনত কৰিবলৈ ক'লে।

পানীত ডুবাৰ উপক্রম হোৱা জনে খেৰ-কুটাত ধৰিও জীৱন ৰক্ষাৰ প্রচেষ্টা চলোৱাৰ দৰেইময়ো তাইৰ কথাৰ দ্বাৰা কিছু সকাহ লাভ কৰিছিলোঁ। পৰমিতাৰ কথা মোক বহুতে বহুতো কৈ মোক তাইৰ পৰা আঁতৰত ৰখাৰ নিষ্ফল প্রচেষ্টা চলাইছিল। তথাপি, আমাৰ অন্তৰংগতা ক্রমে বাঢ়িহে গৈ আছিল।

কিন্তু, এদিন যেন বজ্রপাত নামিল! তাই মোৰ দ্বাৰা নিজৰ সমকামীতাৰ অগণনক শান্ত কৰাৰ মনোভাৱ প্রকট কৰিলে। মই অমান্তি হোৱা সত্বেও তাই বলপূর্বক নিজৰ তৃষ্ণা পুৰালে। মই যেন ভাগি পৰা এখন কাঁচৰ লেখীয়া হৈ পৰিছিলোঁ। যি কোনো আকাৰ লৈ ব্যৱহাৰ কৰাৰ বাবে উপযুক্ত হ'ব নোৱাৰে।

কাক বিশ্বাসত ল'ম কাক নল'ম ভাবি পোৱা নাছিলোঁ। নিতৌ নীৰৱে বহি কান্দিছিলোঁ। পঢ়া শুনাত মন নবহাৰ উপক্রম হৈছিল, মন মৰি আহিছিল। বহুবাৰ পৰিয়াল আৰু অধ্যাপক সকলৰ দাবি ধমক পাই, পঢ়াত পুনৰাই পূর্ণোদ্যমৰে ৰণশিঙা বজোৱাৰ বৃথা প্রয়াস চলাইছিলোঁ। সকলো যেন শেষ হৈ পৰিছিল। মোৰ আশা, মোৰ স্বপ্ন, মোৰ ডিগ্রী লাভৰ প্রচেষ্টা সকলো নিষ্ফল হৈ আহিবলৈ ধৰিছিল। লগতে ময়ো ভাগি পৰিছিলোঁ দেহে-মনে ...। জীৱনত যেন আন্ধাৰ নামিছিল...।

আ পা ত ত ঃ

আপাতত ঃ মই কাৰোবাৰ বোৱাৰী, কাৰোবাৰ পত্নী আৰু কাৰোবাৰ মাতৃ, কেওফালে পোহৰৰ জিলিঙনি। এতিয়াও মোৰ প্রচেষ্টাৰ অৱসান ঘটা নাই। মোৰ এটি ডাঙৰ ডিগ্রী, ডাঙৰ নামৰ প্রচেষ্টা নিষ্ফল হ'লেও, আজি মোৰ এক নব প্রচেষ্টা আছে — এগৰাকী সফল বোৱাৰী, এগৰাকী সফল পত্নী আৰু এগৰাকী সফল মাতৃ হোৱাৰ প্রচেষ্টা।

ভৱিষ্যতত হে পোৱা যাব এই প্রচেষ্টাৰ ফলাফল। □□

## মহৎ লোকৰ বাণী

- শিক্ষাই হৈছে মূল উপায়, যি মানৱ জীৱনলৈ সুখ-শান্তি বোৱাই আনিব পাৰে। — *এৰিষ্টটল*
- জাবৰ সাৰিলে যিদৰে ঠাইডোখৰ পৰিষ্কাৰ হয়, তেনেকৈ ভুল স্বীকাৰ কৰিলে আগতকৈও অন্তৰ শুদ্ধ হয়। — *মহাত্মা গান্ধী*
- যিজনৰ নিজৰ ওপৰত বিশ্বাস নাই, তেওঁ কোনো কামতে সফল হ'ব নোৱাৰে। —*নেপোলিয়ন*
- পাৰিলে সজ কথা আলোচনা কৰিবা, নোৱাৰিলে মনে মনে থাকিবা। —*পাইথাগোৰাছ*
- ভয়েই হ'ল কু-সংস্কাৰ আৰু নিষ্ঠুৰতাৰ প্রধান উৎস। ভয় জয় কৰাৰ লগে লগেই জ্ঞানৰ আৰম্ভণি হয়। —*বার্ট্রাণ্ড ৰাছেল*
- ভাষা যেতিয়া অর্থৰে ঠাহ খাই পৰে তেতিয়াই সি মহৎ সাহিত্য হয়। —*এজ্ৰা পাউণ্ড*
- সত্য প্রকাশৰ বাবে নির্দিষ্ট সময়ৰ প্রয়োজন নহয়। যিকোনো সময়তে সত্য উন্মোচন কৰিব পাৰি। —*এলবার্ট জোৱেইটজাৰ*

সংগ্ৰাহক ঃ দেৱদত্ত সিন্‌হা
স্নাতক তৃতীয় বর্ষ

# নুফুলা ফুলৰ সুবাস

□ হীৰেন কুমাৰ নাথ
*স্নাতক তৃতীয় বৰ্ষ (কলা)*

নীতা, কিয় নুবুজা তুমি মনৰ কথা? মই কথাষাৰ ক'বলৈ ধৰিছিলোহে, নীতাই মোৰ ওচৰৰ পৰা যাবলৈ ধৰিলে। মই কলেজৰ কৰিডৰৰে তাইৰ পিছে পিছে গৈ আছোঁ ; তাই যে মোৰ কথাত গুৰুত্বই দিয়া নাই।

'কিয় তুমি মোক এবাৰ মৰমৰ মাত দিবলৈ টান পোৱা। মোৰ সঁচা প্ৰেমক কিয় ভৰিৰে গচকিবলৈ ধৰিছা? তোমাৰ স্নেহসনা মধুৰ মাতত মই সপোন ৰচোঁ, তোমাৰ হাঁহিত স্বৰ্গীয় তৃপ্তি পাওঁ। তুমি মোক বিচৰা প্ৰেম দিলে সকলো ত্যাগ কৰিবলৈ মই সাজু।' মই কি ক'লো নীতাই এবাৰ মূৰ তুলি মোলৈ চালে। তাইৰ চাৱনিত এক বিৰক্তিকৰ ভাব স্পষ্টভাৱে দেখিবলৈ পাইছিলোঁ।

'মোৰ ক্লাছ আছে, মই যাওঁ বুলি নীতা আঁতৰি গ'ল। মই তাইলৈ থৰ হৈ চাই থাকিলোঁ। সদায়েই মই নীতাক কৰা প্ৰশ্নৰ কোনো উত্তৰ নাপাওঁ। মই যিমানেই নীতাৰ ওচৰ চাপি যাওঁ, নীতাই মোৰ পৰা দূৰত থাকিবলৈ চেষ্টা কৰে।

স্কুলীয়া দিনতেই মই নীতাৰ প্ৰেমত পৰিছিলোঁ। নীতা মোৰ মৰমৰ বান্ধবী আৰু খেলাবো লগৰী আছিল। তাইৰ সকলোবোৰ কথা লগৰ ছোৱালীক নকৈ মোক কৈছিল। ময়ো যথাসাধ্য সকলো ক্ষেত্ৰত সহায়ৰ হাত আগবঢ়াইছিলোঁ। নীতাৰ কথা কোৱাৰ ধৰণ, মৰমৰ মাতটি, দুষ্ট হাঁহিটোৰে লাহে লাহে তাইৰ প্ৰতি আকৃষ্ট কৰিবলৈ ধৰিছিল। তাইক নেদেখিলে মনটো উদাসীন লাগিবলৈ ধৰিছিল। সেয়াই চাগে প্ৰেমৰ আৰম্ভণি। ক্ৰমান্বয়ে প্ৰেমৰ বীজ গছলৈ ৰূপান্তৰিত হ'বলৈ ধৰিলে। মই তাইক প্ৰেমৰ প্ৰস্তাৱ দিবই লাগিব। নহ'লে মই যে চৰম অশান্তিত ভুগিব লাগিব। পিছৰ বছৰৰ ১৪ ফেব্ৰুৱাৰী অৰ্থাৎ ভেলেন্টাইন ডে, সেইদিনাই হেনো প্ৰেমিক-প্ৰেমিকাৰ উৎসৱ। ময়ো মোৰ গোপন প্ৰেমৰ বিষয়ে নীতাক ক'বলৈ স্থিৰ কৰিছিলোঁ।

'হেপ্পি ভেলেন্টাইন ডে' নীতাক এটা ফুলেৰে শুভেচ্ছা জনালোঁ। 'নীতা, মই যে তোমাক ভাল পাই পেলাইছোঁ। তুমি মোৰ প্ৰেমত সঁহাৰি দিবানে?

মোৰ কথাত নীতাৰ মুখৰ মাত নোহোৱা হৈ পৰিছিল; শিল পৰা কপৌৰদৰে মোৰ মুখলৈ ভেবা লাগি চাই ৰ'ল। মই তাইৰ চাৱনিৰ ভাষা বুজা নাছিলোঁ।

সম্বিত ঘূৰাই পোৱাৰ নিচিনা তাই মোৰ কাষৰ পৰা গুচি গৈছিল। সেইদিন ধৰি নীতা আৰু মই স্বাভাৱিক হ'ব পৰা নাই। মই কলেজলৈ আহিয়েই তাইৰ উত্তৰৰ প্ৰতীক্ষাত সদায় কাষলৈ গৈছিলোঁ।

Love never fails
Those who fails
They are not lover,

মোৰ ক্ষেত্ৰত প্ৰেম কিয় ব্যৰ্থ? মই সঁচা প্ৰেমিক নহয় নেকি? কেতিয়াবা মোৰ মনটো হাঁহাকাৰ কৰি উঠে। নীতাৰ বাহিৰে কোনো ছোৱালীয়ে মোৰ হৃদয়ত স্থান পোৱা নাই। কত দিন, কত মাহ, কত বছৰ অপেক্ষা কৰিব লাগিব সেইদিনটোলৈ যিদিনা মোৰ নীতা ... আশাৰে প্ৰতীক্ষা কৰিছোঁ মই।

'অ'ই, হীৰক, বল ফাংচন চাবলৈ যাওঁ।' দেৱেই মোৰ মন বেয়া দেখি প্ৰস্তাৱ দিলে। আমি দুয়ো ফাংচন চাবলৈ গ'লোঁ। ভূপেন হাজৰিকাৰ প্ৰগ্ৰেম। সংগীতৰ তালে তালে নীতাৰ স্মৃতি পাহৰিবলৈ যত্ন কৰিছোঁ। মোৰ কলেজীয়া বন্ধু প্ৰকাশে এখন চিঠি দি থৈ গ'ল। চিঠিখন পঢ়িবলৈ ধৰিলোঁ।

হীৰক,

তোমাৰ প্ৰেমৰ প্ৰস্তাৱ গ্ৰহণ কৰিবলৈ মই অক্ষম। আচলতে মই ব্লাড কেন্সাৰ ৰোগত আক্ৰান্ত। মই হয়তো বেছিদিন জীয়াই নাথাকিম। তুমি মোক ক্ষমা কৰিবা।

ইতি—
নীতা

সাধু কথা

# সত্য-অসত্য

মঃ মুক্তাৰ আহমেদ
*একাদশ (বাণিজ্য)*

সত্যযুগৰ কথা, দুজন বন্ধু আছিল। দুয়োজন আছিল বিদেশত। তাৰে এজনৰ নাম আছিল বাণীকান্ত আৰু আনজনৰ নাম আছিল অমৰজ্যোতি। অমৰজ্যোতিয়ে নিজে অৰ্জা ধনেৰে কিছু সোণ কিনিলে। কিছুদিনৰ পিছত হঠাৎ এদিন অমৰজ্যোতিৰ ঘৰৰ পৰা খবৰ আহিল যে তেওঁৰ দেউতাকৰ বৰ অসুখ। খবৰ পাই অমৰজ্যোতিয়ে সোণখিনি বাণীকান্তক দিলে আৰু ক'লে যে 'বন্ধু তুমি এই সোণখিনি ৰাখা আৰু মই উভতি আহিলে এই সোণখিনি মোক দিবা।'

এই বুলি কৈ অমৰজ্যোতিয়ে স্বদেশলৈ ৰাওনা হ'ল। বহুদিন অমৰজ্যোতিৰ খা-খবৰ নাপাই বাণীকান্ত বৰ সুখী হ'ল। কাৰণ সোণখিনি তেওঁৰ হৈ গ'ল। লোভ সকলো প্ৰাণীৰে থাকে, বিশেষকৈ মানুহৰ বেছি। কিন্তু হঠাৎ এদিন অমৰজ্যোতি আহি তেওঁৰ সন্মুখত উপস্থিত হ'ল। অমৰজ্যোতিক দেখি বাণীকান্তই বিশেষ ভাল নাপালে। কাৰণ এতিয়া সোণখিনি তেওঁক দিব লাগিব।

সোণখিনি কেনেকৈ নিজৰ কৰি ৰাখে এই কথা ভাবি বাণীকান্তই এডাল লাঠিৰ ভিতৰত সোণখিনি ভৰাই ল'লে। লাঠিডাল সকলো সময়তে নিজৰ লগতে তেওঁ ৰাখে আনকি টোপনি যোৱাৰ সময়তো। কিছুদিন পিছত অমৰজ্যোতিয়ে সোণখিনিৰ কথা কোৱাত, ওলোটাই বাণীকান্তই সুধিলে, 'কিহৰ সোণ?' অমৰজ্যোতিয়ে বাণীকান্তক সোণ দিয়া বুলি বাণীকান্তই অস্বীকাৰ কৰিলে। তেতিয়া উপায় নাপাই অমৰজ্যোতিয়ে ৰজাৰ ওচৰত গোচৰ দিলে আৰু সকলো কথা বিৰৰি ক'লে। তেতিয়া ৰজাই বাণীকান্তক মাতি পঠালে। পিছদিনা বাণীকান্ত আৰু অমৰজ্যোতি বিচাৰৰ বাবে ৰজাৰ ওচৰ পালে। ৰজাই বাণীকান্তক মাতি পঠালে।

পিছদিনা বাণীকান্ত আৰু অমৰজ্যোতি বিচাৰৰ বাবে ৰজাৰ ওচৰ পালে। ৰজাই বাণীকান্তক সুধিলে—তুমি অমৰজ্যোতিৰ সোণখিনি ওভতাই দিয়া নাই কিয়? এতিয়া ওভতাই দিয়া। তেতিয়া বাণীকান্তই ক'লে যে অমৰজ্যোতিয়ে তেওঁক সোণ দিছিল সঁচা, কিন্তু তেওঁ সেই সোণ অমৰজ্যোতিক ওভতাই দিছে।

এইবাৰ ৰজাই অমৰজ্যোতিক সুধিলে— 'তোমাক সোণ ওভতাই দিছেনে?' তেতিয়া অমৰজ্যোতিয়ে ক'লে— 'নাই দিয়া মহাৰাজ।'

দুয়োজনৰ কথা শুনি ৰজা বিমোৰত পৰিল। কাৰণ কাৰো বিৰুদ্ধে কোনো ধৰণৰ সঠিক প্ৰমাণ নাছিল।

বিচাৰ হোৱা ঠাইত এডাল আচৰিত ধৰণৰ শিকলি আছিল। সেই শিকলিডাল ধৰি যিয়ে মিছা কথা ক'ব তাৰ হাত নিজে নিজে বান্ধ খাই যাব আৰু যিয়ে সঁচা কথা ক'ব তাৰ হাত বান্ধ নাখায়। যেতিয়া ৰজাই নিজে কোনো বিচাৰ কৰিব নোৱাৰে তেতিয়া সেই শিকলিডালৰ সহায় লয়। শিকলিডালত যিয়ে বান্ধ খায় তাকেই ৰজাই শাস্তি দিয়ে।

ৰজাই প্ৰথমে অমৰজ্যোতিক শিকলিডাল ধৰি ক'বলৈ দিলে যে তেওঁ বাণীকান্তক সোণ দিছে: কিন্তু বাণীকান্তই সোণখিনি উভতাই দিয়া নাই। অমৰজ্যোতিয়ে শিকলিডাল ধৰি তাকেই ক'লে, তেওঁ বান্ধ নাখালে কাৰণ তেওঁ সঁচা কথা কৈছে।

এইবাৰ বাণীকান্তক ক'বলৈ দিলে। বাণীকান্তই যোৱাৰ সময়ত লাঠিডাল অমৰজ্যোতিৰ হাতত দি ক'লে বন্ধু এইটো ধৰাচোন মই আহি ল'ম। এই বুলি কৈ বাণীকান্তই অমৰজ্যোতিৰ হাতত লাঠিডাল (সোণখিনি) দিলে। তাৰ পিছত গৈ শিকলিডাল ধৰি ক'লে যে অমৰজ্যোতিয়ে তেওঁক সোণ দিছিল সঁচা কিন্তু তেওঁ সোণখিনি অমৰজ্যোতিক ওভতাই দিছে। তেৱোঁ বান্ধ নাখালে। কাৰণ তেৱোঁ সঁচা কথা কৈছে। এই কাৰ্য দেখি ৰজাৰ লগতে সকলো আচৰিত হ'ল। কাৰণ কোনেও বান্ধ নাখালে। ৰজাই বিচাৰ কৰিব নোৱাৰা হ'ল আৰু দুয়োকে একো নকৈ যাবলৈ দিলে। বাণীকান্তই উভতি আহি সোণ ভিতৰত থকা লাঠিডাল অমৰজ্যোতিৰ পৰা ঘূৰাই ল'লে। এইদৰে বাণীকান্তৰ চতুৰালী কোনেও ধৰিব নোৱাৰিলে। সেইদিনাৰ পৰা কোনো লোকেই ৰজাৰ বিচাৰ কৰা শিকলিডালক বিশ্বাস নকৰা হ'ল। আনকি ৰজায়ো সেইদিনাৰ পৰা শিকলিডালক বিশ্বাস নকৰা হ'ল আৰু বিচাৰ কৰা ঠাইৰ পৰা উভালি নি ছিঙি পেলালে। □□

# কবিতাৰ শিতান

কবিতা হ'ল কবিৰ নিজস্ব ভাব-বিন্যাস শব্দ ব্যঞ্জনা আৰু ভাষাৰ লালিত্যৰে প্ৰকাশিত এক বাঙ্ময় চিত্ৰ। এই চিত্ৰত অংকিত আক্ষৰিক চিহ্নই কবিৰ মনৰ সত্তাক মূৰ্তিমান কৰি তোলে। কবিয়ে শব্দৰ মাধু ব্যঞ্জনাৰে কবিতাক বৰ্ণ, গন্ধ আদি দিয়াৰ লগতে কবিতাক কৰি তোলে ৰহস্যময়। কবিতাৰ স্তৰে স্তৰে। কবিৰ ব্যক্তিগত চেতন অবচেতন মনৰ বৰ্ণাঢ্য সময়ৰ মানসিকতা আৰু এটা জাতিৰ সামাজিক পটভূমি নিহিত হৈ থাকে। এটা কবিতাৰ শব্দৰ প্ৰকাশে পাঠকৰ হৃদয়ত তীব্ৰ স্পন্দন আনি দিব পাৰে। কেৱল কঠিন শব্দৰ ঝংকাৰেই কবিতা নহয়, এটা কবিতাক শব্দ, গন্ধ, ৰূপ আদিৰ [illegible] সংমিশ্ৰণেৰে ৰহস্যময় কৰি তুলিব পাৰি আৰু এনে এটি কবিতাইহে পাঠকক আনি দিব [illegible] বহে, এক আবেগিক অনুভূতিৰ অনাবিল আনন্দ।

- ঘূৰাবলৈ আহিলোঁ তোমাৰ এই কাকৈথনি
- প্ৰতীক্ষা
- অনুতাপ
- মানৱতা
- মহাকাব্যৰ দৰে
- দেৱী বন্দনা
- বিমৰ্ষ
- কেনেকৈ এৰি যাওঁ তোমাক
- লিমাৰিক
- নিসঙ্গতাৰ আৰ্তনাদ
- আঘোনে যাচে মোক সোণোৱালী বহাগ
- নিঃসঙ্গতাৰ অৰণ্য
- নিঃসঙ্গতাৰ আৱৰণ
- পৱিশুদ্ধি
- জোনো
- আঘোণ মাহৰ নীলা বেদনা
- চিগাৰেটৰ যন্ত্ৰণা
- মাথোঁ শূন্যতা
- আশা
- আমাৰ দিশ[illegible]
- আৰ্তনা[illegible]
- [illegible]
- মা
- বিষণ্ণতাৰ সুৰ
- [illegible] মাহৰ নস্তালজিয়া
- [illegible]
- [illegible]পাতৰ কঁপনি
- তুমি গুচি যোৱাৰ পিছত সদায়!
- তুমি উভতিবা এদিন
- তুমি
- বোমভূপৰ এটি পট
- মানৱ
- যাত্ৰা
- অনুভৱ

# ঘূৰাবলৈ আহিলোঁ তোমাৰ এই কাঁকৈখনি

কমল জ্যোতি কলিতা
৩য় বর্ষ (বাণিজ্য)

ঘূৰাবলৈ আহিলোঁ তোমাৰ এই
কাঁকৈখনি
সৌ সিদিনা এৰি আহিছিলা
খৰস্ৰোতা কবতোৰাৰ পাৰত।
তোমাৰ কেশত লাগি
ছিটিকি পৰিল কাঁকৈখনি।
বৈ অহা নীৰ ভেদি
গজি উঠা তিল গছজোপাৰ
গইনালৈ তোমাক বিচাৰি পালোঁ।
সেয়ে ঘূৰাবলৈ আহিলোঁ
তোমাৰ এই কাঁকৈখনি।

# প্ৰতীক্ষা

হেমেন ভৰালী
স্নাতক ২ য় বষ



অমায়িক প্ৰেমস্পন্দনৰ
অন্ত পেলাই -
জীৱনৰ কোমল বাটত
এখোজ আগুৱাই গৈছিলোঁ
মই -
শুনিবলৈ পাইছিলোঁ
শব্দহীন ভাষাৰ
ভাৱৰসিক্ত জীৱনৰ
উদ্দেশ্যহীন অৰ্থ।
তোমাৰ অবুজ মনেও
হয়তো নেমানে
আৰু হয়তো নুবুজে
সেয়া কোমল স্পন্দনৰ
মহৎ অৰ্থ।
আগুৱাম বুলি ভাবিছিলোঁ যদিও
আহিছিলোঁ পিছুৱাই
দিম বুলি ভাবিছিলোঁ যদিও
নিদিলো গাঁঠি
প্ৰেমসিক্ত শব্দলগ্ন ভাষাৰ
মায়াজাল -
বুকুত এটা প্ৰেম অভিষিক্ত
হৃদস্পন্দন লৈ
যদিও আহিছিলোঁ পিছুৱাই
পাহৰি যোৱা নাছিলোঁ
কোমল প্ৰেমানুভূতিৰ
লয়যুক্ত শব্দৰ সমাহৰ
মাথোঁ
এবাৰৰ বাবে হলেও ভাবিছিলোঁ
নিভৃততম কোণত
জাগি উঠিছিল
লেখহীন নিৰাশা
সোঁৱৰাই দিছিল মোক
জীৱনৰ আগন্তুক নিসংগতা
লেখহীন বিভিন্নতাৰ শেষতো
আহিছিল
সেই একেই বিষন্নতা
তথাপিতো কৰি আছোঁ
তোমাৰ বাবে
প্ৰতীক্ষা
শেষ প্ৰতীক্ষা-

# অনুতাপ

পল্লবী কলিতা
স্নাতক প্ৰথম বৰ্ষ (কলা)



জাৰত কঁপি থকা তোমাৰ চেঁচা ওঁঠযুৰিয়ে
আমন্ত্ৰণ জনাই আছে মোক
এটি মিঠা পৰশ দিবলৈ,
তথাপি ......
মই যেন অনুতাপ কৰিছোঁ
তুমি যেন হৃদয়ৰ বহু দূৰত
নীৰৱ নৈখনত ....
মই এতিয়া অকলে
তুমিও এবাৰ অনুতাপ কৰাচোন
তুমি যদি এই বসন্তত আহা।।



# মানৱতা

ৰাজু মিকিৰ
উ.মা. প্ৰথম বৰ্ষ (বাণিজ্য)

হে মানৱতা, শক্তিশালী হোৱা
তোমাৰ বিনে ক'তজন হয়
ভাতৃহীনা;
তোমাৰ বিনে ক'তজনৰ জীৱন হয়
ধ্বংসময় মৰুৰ দৰে দুৰ্বিসহ যন্ত্ৰণা;
হে মানৱতা তুমি শক্তিশালী হোৱা।
হে মানৱতা তুমি শক্তিশালী হোৱা।।
তোমাৰ বিনে ক'ত মাতৃৰ বুকু
আজি উদং হৈছে,
ক'তজন মাতৃৰ সপোন ধূলিৰ স'তে
মিহলি হৈছে;
ক'তজনৰ শৰীৰৰ তেজে
ৰাজপথ পখালিছে,
হে মানৱতা, তুমি শক্তিশালী হোৱা।
তোমাৰ বিনে -
কত পুত্ৰ কন্যাৰ যৌৱন,
অকালতে মৰহিছে;
কত শিশু অনাথ হৈছে,
কত সন্তান ৰাজপথত,
পিতৃ-মাতৃ হাৰা হৈ
ডাষ্টবিনত আহাৰ বিচাৰিছে;
হে মানৱতা, তুমি শক্তিশালী হোৱা।
তুমি শক্তিশালী হোৱা।
তুমি শক্তিশালী হোৱা।

# মহাকাব্যৰ দৰে

মৃদুপৱন মহন্ত
স্নাতক তৃতীয় বৰ্ষ (কলা)

মই তোমাৰ গভীৰ ভালপোৱাৰে সাৰ পাই উঠিব পাৰোঁ।
মই তোমাৰ গভীৰ ভালপোৱাৰে জাগি থাকিব পাৰোঁ।।
হাতৰ তলুৱাত থাপনাৰ দৰে থাপি থ'ব পাৰোঁ,
আন্ধাৰ ৰাতিৰ শেষ নোহোৱা মাটিৰ চাকি।
মই তোমাৰ উশাহৰ প্ৰতিটো খোজত
তেজগোৰা বঙা বেলিৰ দৰে নিজক গঢ়ি তুলিব পাৰোঁ,
——— মহাকাব্যৰ দৰে —— !
মই তোমাৰ গভীৰ ইচ্ছাক চুই চাব পাৰোঁ,
সেউজী পথাৰৰ সাৰুৱা মাটিত,
নদ-নদী আৰু জাগৃত অৰণ্যানীত।
মই তোমাৰ প্ৰেমৰ প্ৰেৰণাৰে,
তোমাৰ হাতৰ প্ৰতিটো মিঠা পৰশেৰে ....
মোৰ প্ৰতিটো ক্লান্ত সন্ধিয়াতো,
মই গছৰ কোঁহ মেলাৰ বতৰা লব পাৰোঁ।
সাৱটি লব পাৰোঁ বেদৰ বিনীতা
ঠিক ফুল বিচাৰি হেৰাই যোৱা ফুলকোঁৱৰটোৰ দৰে।
তুমি পাহৰি পেলোৱা কোনোৱা .....
মহাকাব্যৰ দৰে ..... !
মই তোমাৰ গভীৰ ভালপোৱাৰে,
কল্লোলিত নদীৰ স'তে কথা হব পাৰোঁ।
বাহু মেলি সাৱটি ল'ব পাৰোঁ বুকুৰ উশাহ,
তোমাৰ ভালপোৱাৰ নিচেই কাষত
গঢ়ি তুলিব পাৰোঁ মোৰ
চিৰ আকাংক্ষিত মহাপৃথিৱীৰ নৱ প্ৰান্ত;
আকুল চেনেহৰ স্বপ্নাকাংক্ষা।
আৰু মই .............
তোমাৰ বুকুৰ নভত জ্যোতিষ্ক হব পাৰোঁ,
.......... মহাকাব্যৰ দৰে .......... !
মই তোমাৰ গভীৰ ভালপোৱাৰে,
মোক গঢ়ি তুলিব পাৰোঁ,
কোনোৱা প্ৰাচীন,
.......... মহাকাব্যৰ দৰে .......... !



# দেৱী বন্দনা

(অনুপ্ৰাস ছন্দত ৰচিত চনেট বা
চতুৰ্দশপদী কবিতা)

গীতিলেখা দেৱী ভাগৱতী
প্ৰৱক্তা, অসমীয়া বিভাগ

জয় মা দেৱী দুৰ্গা, দশভুজা, দুৰ্গতিনাশিনী,
হে মহামায়া, মহেশ্বৰী, মহিষমৰ্দিনী,
অসুৰনাশিনী তুমি মা অম্বা,.অম্বিকা,
চণ্ড-মুণ্ডনাশিনী চামুণ্ডা, চণ্ডি, চণ্ডিকা।
ভকতৰ ভীতিনীশিনী মা ভৱানী, ভদ্ৰাকালী, ভগৱতী,
জয় মা তুমিয়েই সতী, পাৰ্বতী, বাসন্তী।
হে মা কামাখ্যা, কালী, কালবিনাশিনী,
হে দেৱী বৈষ্ণৱী, মা ব্ৰহ্মাণী,
হে উমা, উগ্ৰতাৰা জগত উদ্ধাৰা,
হে গৌৰী, ৰক্তবীজক মাৰি দুখ দূৰ কৰা !
দুষ্টক কৰা দমন আৰু সন্তক পালন,
নাশ কৰা সুম্ভ-নিসুম্ভ, ধ্ৰুম্ৰলোচন।
হে যোগমায়া, জগন্মাতা, জয় জগদ্ধাত্ৰী,
তোমলৈ মোৰ ভক্তিভৰা মিনতি, হে মহাকালী মাতৃ।।

# কেনেকৈ এৰি যাওঁ তোমাক

দুলাল বৰ্মন
আলোচনী সম্পাদক

কেনেকৈ এৰি যাওঁ তোমাক;
এই বিশাল অৰণ্যখনত।
তাতে তোমাৰ চকুৰ পানীৰে জীয়াই উঠিছিল
এজোপা সেউজীয়া ৰঙৰ গছ।।
কেনেকৈ এৰি যাওঁ তোমাক;
এই সৰা পাতৰ সাগৰত
নীলা ৰবসুণত।।
কেনেকৈ এৰি যাওঁ মকৰা জালৰ দৰে
সাৰ্থৰ এটাৰ দৰে
আঁত হেৰোৱা জীৱনৰ এই
ধূসৰ কেঁকুৰিত।।
তোমাৰ বুকুৰ ফুলনিত ফুল ছিঙি
কেনেকৈ পূজা কৰোঁ কোনো প্ৰতিমাক
কেনেকৈ এৰি যাওঁ তোমাৰ চকুৰ চাকি



ওঠৰ বাঁহী মৃন্ময় দুহাতৰ পৰশ মমতাময়ী
কেনেকৈ এৰি যাওঁ তোমাৰ চকুৰ পানী
তোমাৰ দুহাতত।
বিষাদৰ এজনী নীলা চৰাই
সৌ ধুনীয়া পাহাৰটোৰ নামনিত
ফুলি উঠিছে যিপাহ ফুল
তাকো ছিঙিবলৈ কঁপি উঠিছে
মোৰ হাত, মোৰ দুভৰি, তোমাৰ অবিহনে
কলৈ আহিলো আজি ওভতো কেনেকৈ।।

# বিমৰ্ষ

ভগৱান দত্ত
উ.মা.দ্বিতীয় বৰ্ষ (কলা)

বিমৰ্ষ আজি মন মোৰ,
নিৰাশাত আজি হৈছোঁ বিভোৰ।
পুৰণি স্মৃতিয়ে দিছে মোক সঁহাৰি,
নিতৌ বৈ আহিছে চকুলো দুধাৰি।।
ঘোৰ এন্ধাৰ মোৰ মন,
বৰষিছে নিৰাশাৰ ভাৰবোৰ।
মনৰ মাজত মোৰ আবেগৰে ভৰ,
ক্লান্ত হৃদয়ত উঠে অতীতৰ লহৰ।।
সময়ে সময়ে পাওঁ উৎসাহ,
ক্ষণে ক্ষণে বৰ নিৰুৎসাহ।
মনৰ মাজতে বিচাৰি পাওঁ,
মনৰ মাজতে হেৰায়ো যাওঁ।।
মনৰ মাজতে আজি অকলশৰীয়া মই,
নিৰিবিলি এন্ধাৰলৈ লাগিছে ভয়।
বিমৰ্ষ মনক বহলাও কেনেকৈ ?
এন্ধাৰ মনত জেউতি জ্বলাও কেনেকৈ?

# লিমাৰিক

ত্ৰিবেণী ববকটকী
প্ৰৱক্তা, বাণিজ্য শাখা

॥ ১ ॥

জ্যোতিষচন্দ্ৰ গোস্বামী
চাৰ্ট পিন্ধে দামী দামী
জালুকবাৰীৰ পৰা আহি
কলেজত কৰে ক্লাছ,
একাউন্টেচি শিকাই ছাত্ৰক
ডেবিট্‌ ক্ৰেডিট্‌ প্ৰাচ।

॥ ২ ॥

প্ৰবক্তা অজয় মিত্ৰ
তেওঁ হেনো আঁকে চিত্ৰ
তেওঁ অঁকা ছবি পিছে
কেৱে দেখা নাই,
বেংকিঙৰ শিক্ষা দিয়ে
উপায় নাপায়।

॥ ৩ ॥

ভট্টাচাৰ্য্য মালবিকা
তেওঁ নহয় একা চেকা
সাহিত্যৰ প্ৰবক্তা তেওঁ
পঢ়ায় অসমীয়া;
সকলোৱে ভালপায় পিছে
তেমো নাইকিয়া।

॥ ৪ ॥

চৌধুৰী মনালিচা
ৰাজনীতিত আছে নিচা,
কলেজতো ক্লাছ কৰে
চলাই নিজে গাড়ী
ৰূপহী হবলৈ বুলি
সলাই দিলে শাৰী।

॥ ৫ ॥

মাথুৰচন্দ্ৰ বৰ্মন
টকা পইচাৰ প্ৰতি মন
বেংকিঙৰ ক্লাছ কৰি
কৰে টিউচন,
টকা লাগে যোগাৰলৈ
নতুন যৈণীৰ মন।

॥ ৬ ॥

প্ৰবক্তা কুমুদ নাথ
অংকৰ পঢ়ায় পাঠ
বাইকত উঠি দিনে আহি
পায় দিচপুৰ,
অংক কৰি তেল কিনে
যায় কিমান দূৰ।

॥ ৭ ॥

মনালিচা ভট্ট
অৰ্থনীতিত মত্ত
পঢ়ি শুনি আহি কৰে
কলেজত ক্লাছ,
ডিমাণ্ড-চাপ্লাই বুজায় পিছে
নহয় চাৰ প্ৰাছ।

॥ ৮ ॥

প্ৰবক্তা অজয় ডেকা
বেয়া পায় তেৰা বেকা
একাণ্টটেঙ্কিৰ পাঠ পঢ়ায়
নথয় পইচা সাঁচি,
নিজৰ হেনো লায়েবিলিটি
এছেট তকৈ বেচি।

॥ ৯ ॥

প্ৰবক্তা শৰ্মা মৌচুমী
লগায় নেকি চেম্পু দামী
বতাহত উৰে চুলি
দেখিবলৈ ভাল,
কাণৰ কাষত লাগি থাকে
নকিয়া মবাইল।

॥ ১০ ॥

প্ৰবক্তা সঞ্জীৱ শৰ্মা
পূজা কৰে বিশ্বকৰ্মা
বিয়া পাতিবলৈ লাগে
এজনী সুন্দৰী কইনা,
ইংৰাজী পঢ়ায় বাবে
লাগে ৰূপহী ডায়েনা।

॥ ১১ ॥

হিমাংশু কলিতা
অৰ্থনীতিৰ প্ৰৱক্তা
মানাহৰ ওচৰতে হেনো
আছে তেওঁৰ ঘৰ,
মন আছে কৰিবলৈ
চিকাৰ বাঘৰ।

॥ ১২ ॥

কুলধৰ পাটোৱাৰী
গুৱাহাটীত নাই ঘৰ বাৰী
একাউন্টটেঙ্কত শিক্ষা দি
কৰে বেলেন্সচিত,
প্ৰেছত গৈয়ো হিচাপৰ
লগায় থানঠিত।
(সহকৰ্মী সকললৈ ক্ষমা
প্ৰাৰ্থনাৰে।)

# ।। নিসঙ্গতাৰ আৰ্তনাদ ।।

(মহাবিদ্যালয়ৰ সপ্তাহত বিষয় ঃ নিসংগতাৰ প্ৰথম পুৰস্কাৰপ্ৰাপ্ত)

হেমন্ত ডেকা
উ.মা. দ্বিতীয় বৰ্ষ

দহনত দাহিত
বিষম্ন নিশা
মই জ্বলো তোৰ বুকুৰ মধ্যত ;
ওৰে দিন
ওৰে ৰাতি
জীৱনৰ অন্তিম পল গণি
পৰি আছোঁ পথৰুৱা শূণ্যতাৰ পৰিধীৰ গৰ্ভত
নিশ্বাসত বিযাক্ত অন্ধকাৰৰ
পূৰ্বজন্মৰ মৃতৰক্তৰ গোন্ধ ... ।
উদং ভনৰ সোঁমাজত তেজলগা বাণৰ বিন্ধা,
কৰাল বন্ধা ৰক্তপ্লাৱনত
মই প্লাৱিত।
স্মৃতিবোৰ তাৰ ফুটুকাৰ ফেন।
মৃতপ্ৰায় মোৰ ধমনী, শিৰা-উপশিৰা,
বিষন্ন নিশা
মই অভাগাই তোৰ বুকুতেই নিসঙ্গতাৰ গৰল পি
পৰি আছোঁ নিশাদ প্ৰস্তৰৰ ৰূপত।
সঙ্গী আহিলে মোৰ ভটিয়াই,
দেখুৱাবি নিসঙ্গতাই আঘাত কৰা মোৰ
নিমজ কোমল কলিজাটি,
দেখুৱাবি অন্তিমলৈ তেওঁলৈয়ে অপেক্ষাৰত
মোৰ দুচকুৰ বাগিছাখন,
দেখুৱাবি ছাই হোৱা হৃদয়ৰ চেকা
দহণত ব্যথিত
বিষন্ন নিশা
মই জ্বলোঁ তোৰ বুকুৰ মধ্যত ;
ওৰে দিন
ওৰে ৰাতি
জীৱনৰ অন্তিম পল গণি ..... ।



# আঘোণে যাচে মোক সোণোৱালী ৰহণ

(মহাবিদ্যালয় সপ্তাহত থিতাতে লিখা 'আঘোণ মাহ' বিষয়ক কবিতাত প্ৰথম পুৰস্কাৰপ্ৰাপ্ত)

হেমন্ত ডেকা,
উ.মা. দ্বিতীয় বৰ্ষ (কলা)

তোৰে বুকুৰ পৰা
ভটিয়াই আহে মোলৈ সোণোৱালী সোণগুটিৰ ৰহণ
আৰু তাতে সানি যায় প্ৰেমৰ মলয়াই
আলোড়িত এক অনুকম্পন।
খেলিছিলোঁ আঘোণ তোৰ
বুকুৰ ধাননীৰ সৰু সৰু আলিৰ মাজত,
কুক্ ভাক্, লুকাভাকু আজি ধুসৰ
আঘোণী তোৰ হীমৰ স্পৰ্শত।
আহিল তোৰে বুকুত আঘোণ
ভটিয়াই চহৰৰ যান্ত্ৰিকতা,
তোকে মই চুমাদি, সাৱটি বুকুতে
যাচিম অজস্ৰ মৰমৰ সঁফুৰা।
মেঘে ঢকা সূৰুযে চকু মোলৈ টিপিয়াই
বিলাই দিয়ে ৰক্তিম কিৰণ,
তোৰে বুকুৰ পৰা আহে মোলৈ
সোণোৱালি সোণগুটিৰ ৰহণ।
আঘোণে যাচে মোক সোণোৱালী ৰহণ।।

# নিঃসংগতাৰ অৰণ্য

(মহাবিদ্যালয়ৰ সপ্তাহত বিষয় ঃ নিসংগতাৰ তৃতীয় পুৰস্কাৰপ্ৰাপ্ত)

মৃদুপবন মহন্ত
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

কণমানি চৰাই এজনী হৈ তুমি এদিন
মোৰ নিঃসংগতাৰ অৰণ্যলৈ আহিছিলা,
তোমাৰ গীতত নাচি উঠিছিল
অৰণ্যৰ বতাহ
অৰণ্যৰ প্ৰতিজোপা গছ লতিকা
গীতত যেতিয়া হিমৰ শুকুলা চাদৰে ঢাকি ৰাখিছিল
মোৰ নিঃসংগতাৰ অৰণ্য
তুমি সূৰুয হৈ আতঁৰাই দিছিলা নিঃসংগতাৰ চকুলো
মোৰ বুকুতো যে কিমান হিমৰ পাহাৰ খহিছিল
তোমাৰ পৰশত
তুমি হয়তো জনা নাছিলা।।
যিদিনা তুমি পৰিভ্ৰমী চৰাই হৈ উৰি গ'লা
যিদিনা তুমি গান গাবলৈ এৰি দিলা
সুৰুয হ'বলৈ এৰি দিলা
পুনৰ এবাৰ নিসংগতাৰ অৰণ্যত দিক্‌ভ্ৰান্ত হ'লোঁ
ক্ৰমশঃ হেৰুৱাই পেলালোঁ
বুকুৰ 'হিমালয়'
নিঃসংগতাৰ নৈশব্দ ছায়াত।।
তুমি আচলতে মোক
নিঃসংগ কৰিয়েই আঁতৰি গ'লা।।



# নিঃসংঙ্গতাৰ আৱৰণ

(মহাবিদ্যালয়ৰ সপ্তাহত বিষয় ঃ নিসংগতাৰ দ্বিতীয় পুৰস্কাৰপ্ৰাপ্ত)

হিমাদ্রী ডেকা
স্নাতক, প্ৰথম ব

হেৰি! শুনকচোন,
হয়, আপোনাকেই কৈছোঁ,
মোক আপুনি চিনি নাপাব
মই কিন্তু আপোনাক ভালদৰে চিনি পাওঁ।
আপোনাক দেখি এনে লাগিছে
যেন আপুনি কিবা দুশ্চিন্তাত ভুগিছে;
ও, বৰ মই মোৰ পৰিচয়টো দি লৈছোঁ,
মোৰ নাম নিঃসঙ্গতা
কি কৈছে আপুনি?
মোক আঁতৰি যাবলৈ কৈছে?
তেনেদৰে নক'ব
কাৰণ বৰ্তমানযে ময়েই
আপোনাৰ আটাইতকৈ আপোন সঙ্গী।
অধৈৰ্য নহ'ব,
মই আপোনাক সম্পূৰ্ণৰূপে গ্ৰাস কৰি পেলাইছোঁ
বৰ্তমান আপুনি নিঃসঙ্গতাৰ আৱৰণত আৱদ্ধ।
পলাবলৈ চেষ্টা নকৰিব
মই আপোনাক চাবলৈ বিচাৰোঁ
জীৱনৰ শেষ মুহূৰ্তলৈ চট্‌ফটাই থকা অৱস্থাত।
আপোনাৰ খং উঠিছে?
খং দমোৱাটোৱে বুদ্ধিমানৰ কাম হ'ব।
মই আপোনাক মৃত্যুৰ গৰাহলৈ ঠেলি নিবলৈও
কুণ্ঠাবোধ নকৰোঁ।
মই মোৰ লক্ষ্যত উপনীত হ'মেই,
বৃথা চেষ্টা নকৰিব
আপোনালোকক এই অৱস্থাত দেখি মই বৰ ৰং পাওঁ
কাৰণ, ই মোৰ জীৱনৰ এক আনন্দদায়ক পেছা মাথোন।।

# পৰিশুদ্ধি

বিশ্বদীপ বৰা
স্নাতক প্ৰথম বৰ্ষ (কলা)



উশাহৰে সৈতে তেওঁ সোমালে এছাতি বতাহ হৈ
কেনেকৈযে কলিজা পালেগৈ গমেই নাপালোঁ
তেওঁ মোৰ কলিজাত এটা ঘৰ বান্ধিছে
আজিকালি তেওঁ তাতেই থাকে, খোৱা-লোৱা তাতেই কৰে,
শোৱেও তাতে
ঘৰটোৰ বোলে তেওঁ ভাড়াতীয়া
প্ৰতিটো ৰাতিপুৱা আৰু গধূলি মোক নিমন্ত্ৰণ কৰে
তেওঁৰ সৈতে সময় কটাবলৈ
উভতিবৰ সময়ত সদায় উপহাৰ দিয়ে ধুনীয়া টোপোলা এটা
বাহিৰত মই টোপলাটো খুলি চাওঁ
বিশেষ একো নাই ; আছে মাথোন এটুকুৰা দুখ, অলপ
অনিদ্ৰা আৰু অকণমান আশা
মই যেতিয়া চিগাৰেটৰ ধোৱাবোৰ পাকখুৱাই ভিতৰলৈ জ্বাই দিওঁ
তেতিয়া তেওঁ চিঞৰে, অভিমান কৰে মোৰ ওপৰত
পঢ়ি শুনাই মোক
"Cigarete Smoking is injurious to health"
সিদিনা তেওঁ নিষেধাজ্ঞা আৰোপ কৰিলে চিগাৰেটৰ ওপৰত
মই মান্তি হলোঁ, কাৰণ কলিজাটো মোৰ নিজৰ
মই যেতিয়া বিয়েৰৰ গিলাচত চুমুক দিওঁ
তেতিয়া চকুৰ পানী তেওঁৰ সংগী হয়
ভাবুকি দিয়ে মোক এৰি থৈ গুচি যোৱাৰ
বিয়েৰে হেনো তেওঁৰ কলিজাত লগাইছে দাগ
আজিকালি মই বিয়েৰ নাখাওঁ
ভয় হয় ; জানোছা সঁচাকৈ যদি এৰি থৈ গুচি যায়
আধা বন্ধা ঘৰটোৰ কি হ'ব!
নতুন ঘৰ এটা কেনেকৈ সজাম
এখানিমান মোৰ এই কলিজাত !!
ঘৰটোৰ প্ৰতিখন দুৱাৰত
এতিয়া ওলমিছে পৰিশুদ্ধি সনা
আমৰ ডালি।

# জানো

ভাস্কৰ বৰুৱা
উ.মা. দ্বিতীয় বৰ্ষ

সপোন কেনেকৈ ভাগে
জানো
কবি কিয় শূন্যতাৰ প্ৰেমিক হয়
জানো
জানো
জীৱন নহয় শৈশৱৰ দৰা-কইনাখেল
জানো
বুজি পাওঁ
কিমান হেকুওৱাৰ পিছত জীৱনে
পায় পূৰ্ণতা
তথাপিটো কিয় গৰা খহাদি খহে
জীৱনৰ স্বপ্ন ?
এই যেন ভাঙি যাম!
এই যেন ছিগি যাম !

# আঘোণ মাহৰ নীলা বেদনা

আব্বাছ উল্লাহ
স্নাতক তৃতীয় বৰ্ষ (ক লা)

(মহাবিদ্যালয় সপ্তাহত থিতাতে লিখা 'আঘোণ মাহ' বিষয়ক কবিতাত তৃতীয় পুৰস্কাৰপ্ৰাপ্ত)

প্ৰতিটো আঘোণ মাহে মোৰ বেদনাবোৰক
পুনৰ জীয়াই তোলে
তুমি কৰা প্ৰতাৰণাৰ প্ৰতিটো মুহূৰ্ত
মোৰ চকুত পুনৰ ভাঁহি উঠে।
আঘোণৰ পৰশে প্ৰতিজনৰ মনত
বহুতো সপোনৰ জন্ম দিয়ে
তথাপিও মই অকলশৰীয়া
কিয়নো কোনেও নুবুজে।
যোৱা আঘোণত কথা দিছিলা
চিৰজীৱন একেলগে থাকিম বুলি
এই আঘোণত দেখা পালোঁ
তোমাৰ শিৰত অইনৰ চৰণৰ ধুলি।
আজিও অপেক্ষা তোমাৰ বাবে
জানো মই তুমি যে কেতিয়াও নাহা
মৃত্যুৰ সময়ত পাবা যদি আঘোণ মাহত
মোৰ মৃতদেহৰ কাষত ফুল এপাহেৰে
মিছা অশ্ৰু যাচিবা।

# চিগাৰেটৰ যন্ত্ৰণা

জ্ঞান বৰ্মন
স্নাতক তৃতীয় বৰ্ষ (কলা)



এটা পলকৰ পৰা চিগাৰেট এটি
জ্বলি আছে বুকুত
চিগাৰেটৰ মূৰটো জ্বলিলে
পুচ্ছাংশহে পুৰিবলৈ বাকী থাকে
পুচ্ছৰ পৰা জ্বলিলে
মূৰটো জ্বলিবলৈ বাকী থাকে
চিগাৰেটৰ কাম এটাই
জ্বলি জ্বলি পুৰি থকা
তেখেতৰ তিনিদিনীয়া চিন্তাৰ ধুমুহাত
এখেতৰ পযেকীয়া চিন্তাৰ পছোৱাত
বহুত চিগাৰেট জ্বলিলে
লগত কুণ্ডলী পকোৱা
ধোৱা লগা ভাষা
আপুনিও এটা চিগাৰেট হৈ জ্বলিবনে ?
উৰিবনে বগা হৈ
যিদৰে উৰি যায়
চিগাৰেটৰ ধোৱা।

# মাথো শূন্যতা

জ্যোতিকংকনা দত্ত বৰুৱা
উ.মা. দ্বিতীয় বৰ্ষ (কলা)

নিশা ....., অমানিশাৰ সন্ধ্যা
প্ৰেমৰ তাড়নাত
জাগ্ৰত নৃশংসতা .... ।।
আশা ...., তৰ্পিত এগছি বন্তি
সত্যম, শিৱম সুন্দৰম।
স্বপ্ন ...., মোৰ কুহেলিকা সনা মন
চিৰ সেউজীয়া হৈ, গগন স্পৰ্শ কৰা।
যাত্ৰা ...., তোমাৰ শ্মশান যাত্ৰা
বেদনাৰ উল্কা বাতি
জনশূন্য বসন্তৰ ...
মাথো অন্তঃসাৰ শূন্যতা... ।।



# আশা

প্ৰণামিকা বেজবৰুৱা
উঃমাঃ প্ৰথম বৰ্ষ (বাণিজ্য)

নিৰাশাৰে ভৰা জীৱন মোৰ
কল্পনাতীত হতাশাৰে ওপচা হিয়া
জীৱন বসন্ততে আশাকে বুকুত বান্ধি
ভাবো পৃথিৱীৰ অসুখৰ কথা।
বহু আশা সপোনতে ৰচোঁ
দিঠকত ৰিজাই
পলকতে ভাঙো মই,
ই যে, অবান্তৰ ! মোৰ জীৱনৰ বাবে,
মোৰ আশা চিৰ লগৰী।
আশা বাৰু কোনে নকৰে
অন্তহীন যৌৱন কোনে নিবিচাৰে !
আশা জানো হয় দিঠক
যৌৱন দুদিনীয়া
বসন্তৰ পৰশত ফুলি, উঠে ই
গ্ৰীষ্মৰ প্ৰভাৱত
যায়েযে মৰহি।
পৃথিৱীত নাই যে সুখ,
দুদিনীয়া জীৱনে মোক আমুৱায়।
ভাবিলে, সকলো সুখৰ কথা
সপোন যেন, লাগে,
দিঠকত ই যেন কেৱল মৰিচীকা।
এই মহিমা প্ৰকৃতিৰে খেলা
প্ৰকৃতিহে যেন
সঁচা সপোনৰ ৰচয়িতা।



# আমাৰ দিশপুৰ মহাবিদ্যালয়

জিতু মণি কলিতা
উঃ মাঃ প্ৰথম বৰ্ষ (কলা)

এইখন
দিশপুৰ মাহবিদ্যালয় আমাৰ।
ইয়াতেই পঢ়ি আমি
জিলিকাম লুইতৰ পাৰ।
দিশপুৰ মহাবিদ্যালয় আমাৰ
এক মনে এক প্ৰাণে
আহিছোঁ ওলাই
এইখন আমাৰ মহাবিদ্যালয়ৰ ঠাই।
সজাই তুলিম, জ্ঞান বুটলিম
ইয়াতেই গাম আমি জীৱনৰ গান।
দিশপুৰ মহাবিদ্যালয় আমাৰ।
গুৰুৱে দিয়ে জ্ঞানৰ সম্ভাৰ
আৰু দিয়ে সন্ধান জীৱন গঢ়াৰ।
অতি মৰমৰ
আৰু চিৰচেনেহৰ
এইখন
দিশপুৰ মহাবিদ্যালয় আমাৰ।



# আৰ্তনাদ

ছায়া প্ৰদা দাস
স্নাতক তৃতীয় বৰ্ষ (কলা)

বৰ লুইতৰ পাৰ ভৰি পৰিছে
হত্যা, লুণ্ঠন, ধৰ্ষণেৰে।
জননী জন্মভূমি আই মাতৃৰ
চৰণ ধোৱাই আজি কেঁচা তেজেৰে।।
নাই দয়া নাই মমতা
নাই যেন কোনো আপোন।
মৰণাস্ত্ৰ হাতত লৈ দুৱাৰ ভাগি গৈ
নিমিষতে চুৰমাৰ কৰে কল্পনাৰ দাপোণ।।
শুনা যায় কেতিয়াবা মাজনিশা বাৰুদৰ
গুৰুম্ গুৰুম্ শব্দ।
শুনা যায় কেতিয়াবা গাভৰুৰ আৰ্তনাদ
নিমিষতে হৈ পৰে স্তব্ধ।।
মাতৃৰ কোলাত শুই থকা কেঁচুৱা
লৈ যায় টানি আজুৰি।
তথাপিতো আজি কিয় জানো
চকুলো নোলাই নিগৰি।।
এনেদৰে চলিছে লুইতৰ পাৰ
আৰুনো চলিব কিমান দিন?
এদিন হলেও নামি আহিব
অত্যাচাৰীৰ পতনত সুদিন।।

# প্ৰকৃতি

মিথুন চক্ৰবৰ্তী,
উঃ মাঃ প্ৰথম বৰ্ষ (বাণিজ্য)

প্ৰকৃতিৰ পৰা আমি সকলো পাওঁ,
থাকিবলৈ ঘৰবাৰী আৰু আহাৰ খাওঁ।
প্ৰকৃতিয়ে দিয়ে আমাক নানান আচ্‌বাব,
পিন্ধিবলৈ বস্ত্ৰ আৰু জীয়াই থাকিবলৈ বাট।
প্ৰকৃতিয়ে খাবলৈ দিয়ে আমাক ফল মূল,
যজ্ঞৰ বাবে হোমৰ খৰি আৰু দিয়ে ফুল।
খোৱালোৱা, পিন্ধা-উৰা সকলো প্ৰকৃতিৰেই দান,
সেয়ে আমি কৰা উচিত প্ৰকৃতিৰ গুণ গান।
প্ৰকৃতিয়ে হ'ল জীৱ-জগতলৈ দেৱতাৰ বৰদান,
সেয়ে আমি দিয়া উচিত প্ৰকৃতিকো প্ৰতিদান।
প্ৰকৃতিয়েই দিছে সকলো প্ৰাণীক প্ৰাণ,
কোনেনো বাৰু দিব প্ৰকৃতিক উচিত মান।
পৃথিৱীৰ বুকুত আছে যত জীৱ।
ভৰণ-পোষণৰ একমাত্ৰ সম্মান প্ৰকৃতিয়েহে পাব
পৃথিৱীত যিদিনা প্ৰকৃতি নিঃশ্চিহ্ন হৈ যাব,
সেইদিনা বিশ্ব মৰিশালীত পৰিণত হ'ব।



# " মা "

মণিমা দাস
স্নাতক প্ৰথম বৰ্ষ (ক লা)

এদিন মাৰ আঁচলত ধৰি আহিলোঁ
এই পৃথিৱীৰ বুকুলৈ আৰু
সোমাই পৰিলো 'জীৱন'
নামৰ এটি শব্দত।
মোৰ অজানিতে সেই ক্ষণটিৰ পৰাই
আৰম্ভ হৈছিল মোৰ যোগ-বিয়োগবোৰ।
মই জনা নাছিলোঁ কেনেকৈ
যোগ কৰা হৈছিল মৃত্যুলৈ মোৰ দিনবোৰ।
মই জনা নাছিলো মোৰ মৃত্যুৰ সংখ্যাটো
সেয়ে ৰচিছিলোঁ বুকুত
সাতোৰঙৰে কিছুমান সপোন।
আৰু সেই সপোনক বাস্তৱত ৰূপায়িত কৰিবলৈ
অব্যাহত ৰাখিলোঁ চেষ্টাক।
সপোনবোৰ গঢ়ি গৈ থাকোঁতেই
হেৰাই পেলালোঁ মই মোৰ মাক।
মোৰ মৃত্যুলৈ কিমান দিন
থকাৰ ঘটনা, মই নাজানোঁ।
অজানিতে মোৰ সপোনবোৰো
স্থগিত হৈ পৰিল।
কাৰণ ধ ৰালৈ নাওঠ হৈ আহোঁতে
মাৰ আঁচলৰ আঁৰতেইযে
লুকুৱাইছিলো মোৰ লজ্জাক।
য'দি একেই হ'লহেঁতেন মৃত্যুৰ সংখ্যাটি
মোৰ আৰু মাৰ।
তেনেহলে ক'লোহেঁতেন মাক
তোমাৰ স'তে মই আজীৱন থাকিম মা'
কিন্তু আমাৰ বিচ্ছেদত কোন দায়ী?
মায়ে মোক এৰি দিলে নে
মই মাক এৰি দিলোঁ?





# বিষণ্ণতাৰ সুৰ

জ্যোতিপ্ৰকাশ বৰা
স্নাতক ২য় বৰ্ষ (বাণিজ্য)

বহুদিনৰ পিছত তুমি আহিছিলা
বিষণ্ণতাৰ সুৰ লৈ..
আহিয়েই বিচাৰিছিলা এখন সেউজ কাপোৰ,
কিন্তু দিব যে নোৱাৰিলোঁ।
তুমিয়েইটো কাঢ়ি নিছিলা এসময়ত
সেউজবুলীয়া কাপোৰখন !
লগাইছিলা জুই মোৰ সেউজ সপোনত
চিগাৰেটৰ দৰেই মই শেষ হৈ গৈছিলোঁ
তোমাৰ ওঁঠত।
এতিয়া মাথো লাগে যদি লৈ যোৱা
এখন তেজাল নদী, মোৰ অন্তৰৰ।
তুমি এতিয়া বিচাৰিলেইতো দিব নোৱাৰোঁ
মোৰ হৃদয়ৰ মূল্য
প্ৰেমৰ তাজমহল।
তুমি যদি বিচৰা এখন পুৰি যোৱা হৃদয়
আৰু জ্বলি যোৱা এখন চিঠি
তেন্তে চেষ্টা কৰিম।
ভাৱৰে ঢকা বিষাদলগা গধুলি আহি,
যদি তুমি পোহৰ বিচৰা, তেতিয়া মই বাৰু কৰিম কি ?
মোৰ পঁজাৰ সুখৰ পিৰালিখন,
তিতি গৈছিল দুখৰ চকুলোৰে ...
এতিয়া তুমি মোৰ
অনাহূত অতিথি
য'ত নিহিত হৈ আছে
কেৱল বিষণ্ণতাৰ সুৰ।



# আঘোণ মাহৰ দস্তাবেজ ...

(মহাবিদ্যালয় সপ্তাহত থিতাতে লিখা 'আঘোণ মাহ' বিষয়ক কবিতাত দ্বিতীয় পুৰস্কাৰপ্ৰাপ্ত)

গনশাষ্টম
স্নাতক তৃতীয় বৰ্ষ (কলা)

শীতৰ সেমেকা ৰজনীৰ
নিস্তব্ধ প্ৰতিটো পলে পলে
অনুভৱৰ বাগিচাও উদ্ভাসিত হয়
তোমাৰ মায়াবী সত্বা ;
কিয় নাজানো
প্ৰকৃতিৰ কোমল পুৱাবোৰে
অনন্য সুন্দৰ কৰি তোলে
জীৱনৰ বাকৰি ... !!
সেউজীয়া ধাননি পথাৰতো
এতিয়া দাৱণি বোৰে
এমুঠি সতেজ হাঁহিৰে
তোমাৰে অস্তিত্ব সাবটি আছে।
খেতিয়কৰ জীৱনৰ সম্বল
ভঁৰাল ঘৰটোত এতিয়া ভৰি পৰিছে
উপচি উপচি ধান
এয়া যে তোমাৰে দান।
মায়াময় নিশাটিত
লেপৰ উমত নিজক বিলীন কৰি
সপোন ৰচিছে সকলোৱে
মধুৰতাৰ, মাদকতাৰ !
তুমি যে সঁচাই অতুলনীয়
হে প্ৰকৃতিৰ সজীৱতা
আঘোণ মাহ !!

# জীৱন

ৰূপালী ওঁজা
স্নাতক প্ৰথম বৰ্ষ (কলা)

জীৱনত কেতিয়াও নাপাহৰিবা,
সদায় জয়ী হ'ব লাগিব তুমি,
জয়ী হৈয়ে আগবাঢ়িব লাগিব।
প্ৰতিটো খোজত কাঁইট,
প্ৰতিটো সাহেই তিতাপূৰ্ণ।
তথাপিও যদি তুমি —
কাঁইটৰ মাজেৰে বাট মুকলি কৰা,
তিতাঁৰ মাজেৰে মিঠা উলিওৱা,
তেতিয়াহে হ'ব জীৱন মধুৰ।
তিতা, কাঁইট নহ'লে জীৱন মানে কি?
সেই কাঁইটেৰে খোজ কাঢ়োঁতে
তোমাক বিন্ধিবও পাৰে,
কিন্তু তুমি সহ্য কৰিব লাগিব,
আৰু আগবাঢ়িব লাগিব।
জীৱনক কেতিয়াও বেয়া নাপাবা,
তিতা পালেই মিঠা উলিয়াই,
জীৱনক ৰসপূৰ্ণ কৰি তুলিব লাগিব।
জীৱনৰ ৰহস্য জানিব লাগিলে,
আগবাঢ়ি গৈ থাকা ...
তুমি অন্তিম স্তৰলৈ,
তেতিয়াহে জানিব পাৰিবা
সম্পূৰ্ণ অৰ্থ জীৱনৰ।।



# কেঁচা পাতৰ কঁপনি

ব্ৰজেন শৰ্মা, কৰ্মচাৰি
দিশপুৰ কলেজ

আধুনিকতাই আনিছে নতুন বিপ্লৱৰ সূচনা
নতুন সৃষ্টি, নতুন দৃষ্টি
পাঁচোটি আঙুলিৰে মোহাৰি দিলা পৃথিৱী
গ্ৰহ নক্ষত্ৰৰ সাধনাত।
ক্লান্ত মনৰ পৰা
আঁতৰি যোৱা নাই
হানি খুচি ছিৰাছিৰ কৰা
প্ৰাচীন কৃষ্টি-সংস্কৃতি
ধৰ্মৰ অনন্ত শক্তি
বৈজ্ঞানিক দৃষ্টিভঙ্গিত ধৰ্মৰ বোজাটো
আদিম যুগৰ অন্ধবিশ্বাসেৰে ভৰা
গোন্ধ বিহীন মদাৰ ফুলৰ দৰে
অ-পাত্ৰ, অ-পবিত্ৰ।
হে আধুনিক মানৱ,
চোঁৱা পিছলে উভতি
কামনা-বাসনা, কঁলা ধন-দৌলত
হত্যা-লুণ্ঠনৰে মেলিছে পাতনি।
মোৰ অসমী আইৰ বুকুৰ তেজ
জাক জাক তেজপীয়াই কৰিছে পান
সাগৰৰ ফেনৰ দৰে ওপঙি ফুৰা
জাগ্ৰত হোৱা, জাগ্ৰত হোৱা
দেহত ৰংচঙীয়া পশ্চিমীয়া সাজপাৰ
হাতে কতা খদ্দৰ কাপোৰৰ গোন্ধত
নিমজ গাৰ চাল শুকায়
ডাষ্টবিনত দেৱ শিশুৰ চিংকাৰ
মন্দিৰৰ শলিতা মুমায়।।





# তুমি গুচি যোৱাৰ পিচত সদায়ে !

গৌতম ডেকা
স্নাতক তৃতীয় বৰ্ষ (বাণিজ্য)

এখন এখনকৈ, নিৰ পৰি থকা খিৰিকি খুলি
জাৰত কঁপি থকা জোন, তৰা বোৰে জোকাইছে মোক,
তুমি গুচি যোৱাৰ পিচত ... সদায়ে,
সলনি হৈ গৈছে সময়বোৰ, ওঁঠৰ নিঃশব্দতা,
উচুপি, উচুপি সৃষ্টি হৈছে প্ৰেমৰ গীত, কবিতাৰ
নিয়ৰ পৰা বাটটোত তোমাৰ সৰু সৰু ভৰিৰ খোজ
তুমি উভতি আহি আছা নেকি ? মোৰ শূন্যতাবোৰ চুই চাবলৈ,
তথাপি মই নীৰবে হাঁহি আছোঁ, কোনোৱে নেদেখাকৈ,
মোৰ হাঁহিবোৰক তুমি সুখ বুলি নাভাবিবা
বেদনাবোৰ লুকুৱাবলৈ হাঁহো, অভিনয়হে মাথো সেয়া,
প্ৰতিটো শীতল নিশা যন্ত্ৰণাবোৰ অসহনীয় হৈ পৰে
মনৰ স্মৃতিৰ কপিবোৰ খুলিলেই চকুলোৰ মাজত বুৰ যাওঁ
"মদ এৰি চিগাৰেট, চিগাৰেট এৰি মদ"
চকুলোবোৰ সদায় সাঁচি থওঁ, তোমাৰ জন্মদিনৰ সেয়াই যে উপহাৰ
মই জানো ...
মোৰ অশ্ৰুৰ অপমৃত্যুত তোমাৰ বৰ্তমান
তুমি আকৌ উভতিব পাৰা, মনৰ ঠিকনা সলনি নহয়
জানানে ... ???
তুমি যোৱাৰ পিচত আমাৰ পদূলিত সদায়ে
জোন তৰা বোৰে জোকাইছে মোক,

# তুমি উভতিবা এদিন

পঙ্কজ শৰ্মা
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

গছৰ পাতবোৰ সৰি নকৈ কুঁহিপাত মেলাৰ দৰে
নদীখন শুকাই শুকাই বাঢ়ি অহাৰ দৰে
তুমি মোৰ কাষলৈ উভতি আহিবা।
এদিন-দুদিন এমাহ অথবা এবছৰৰ পিছত
মোৰ অপেক্ষাৰ অৱসান ঘটিব ...
ব'হাগৰ প্ৰথম জাক বৰষুণৰ দৰে নাচি উঠিব মন।
তুমি আহিবা বুলিয়েই
কোনো তৰাক দিয়া নাই মোৰ ঠিকনা
এটা দিন অথবা এটা ৰাতি
কৰা নাই কাৰো নাম উৎসৰ্গা।
তোমাৰ বাবে খোলা ৰাখিছোঁ
মোৰ হৃদয়ৰ সকলো দুৱাৰ খিৰিকি
পাতি পাৰি বহিবা
হেঁপাহ পলুৱাই লবা, গুণ গুণাবা গান।
মই হব পাৰো পগলা প্ৰেমিক কবি
তোমাক কিন্তু কোনো দিনেই
নিদিওঁ এনাবেলাৰ দুখ...
মই তোমাৰ বাবে এতিয়াৰ পৰা মৰণলৈকে
ৰৈ থাকিম বহু দূৰণিত...
বহুদিনৰ দূৰত অহা
আত্মীয়ৰ বাবে উৎকণ্ঠাৰে অপেক্ষা কৰি
থকা মানুহৰ দৰে।
আহাৰ বিচাৰি যোৱা মাকৰ বাবে ৰৈ
থকা চৰাইৰ দৰে
কামলৈ ওলাই যোৱা শ্ৰমিক পতিৰ বাবে ৰৈ
থকা পত্নীৰ দৰে।
তুমি নহালৈকে মই মোৰ কবিতাত
তোমাৰ ছবি আঁকিম
অপেক্ষা হৈ উঠিব মধুৰ।
কিমান দিন তুমি নহাকৈ থাকিবা
দিনৰ পিছত ৰাতি হ'ব
আন্ধাৰৰ পিচত জোনাক
মোৰ বিশ্বাস তুমি এদিন আহিবা।
খুলি থৈ ধন অভিমানৰ ৰাজকুমাৰীৰ পোছাক
আৰু ক'বা মই আহিলোঁ
মোক সাবটি ধৰা।



# তুমি

আমিনুল ইছলাম
স্নাতক প্ৰথম বৰ্ষ

আছিলা তুমি মোৰ জীৱনৰ প্ৰতিটো ক্ষণতে
জীৱন ৰথৰ লগৰীয়া,
দিছিলা মোক কথা নিদিওঁ কাহানিও বেথা
নহওঁ-নহওঁ কদাপি পলৰীয়া।
আজি কিন্তু তুমি জীৱন ৰণৰ আধাতে
মোক এৰি গুচি গ'লা,
জীৱন লগৰী হৈ থকাৰ বচন ফাঁকি মোক
মিছাকৈ কিয় দিছিলা?
নোৱাৰোঁ যে পাহৰিব সাৰথি তোমাক
স্মৃতিত তোমাৰেই কথা
জানিছিলোঁ তুমি মোৰ জীৱনৰ
অন্তহীন বেথা।
বিজনি কৰোঁ তোমাক সমূহৰ লগত
তুমি সঁচাই অনন্যা,
জোনাক নিশাৰ স্নিগ্ধ আকাশত
নেদেখোঁচোন তোমাৰ ভাওনা।
থকাহেতেঁন আকাশত এটি গোপন দিশত
জোন কিম্বা তৰা হৈ,
তাকে নিৰলে চাই পালোঁহেতেঁন ৰণৰ
দুৰন্ত প্ৰেৰণা মই ...।



# ৰোমন্থণৰ এটি পঁট

পূৰ্ণিমা ৰয়
স্নাতক তৃতীয় বৰ্ষ (কলা)

অতীতৰ স্মৃতি শলিতাত
তেলদি জ্বলাই দিলোঁ আকৌ
আকৌ এবাৰ জ্বলি উঠিল
মোৰ কবিতাৰ শলিতা
বিষন্নতা মনে বিচাৰে বুজিবলৈ
স্নিগ্ধ জোনাকৰ আভা
এই জোনাকতে বিলীন হৈ যোৱা
দুটি মনৰ দুটি কথা
অভিনয়ৰ শেষ পটত
আজি মোৰ হাবো হাবো অৱস্থা
বৰ কষ্ট পাইছোঁ
বুজাব পৰা নাই মনক
পৰা নাই অনুভৱবোৰ
মানস পটত আঁকিবলৈ
পৰা নাই আবেগবোৰ
অশ্ৰুৰেবে তিয়াবলৈ
বুজনিত ব'ল মোৰ অন্তৰৰ
যন্ত্ৰণাবোৰৰ ভাষা
দি দিলো মোৰ মিঠা-মিঠা লগা
মৰমবোৰ কোনে
নজনাকৈ কাৰোবাক।
সাধনা কৰিছোঁ
বাসনা ৰাখিছোঁ মনত
পাবলৈ এবাৰি মিঠা মাত
জিনিবলৈ বুকুৰ ঘাট
মাথো তোমাৰ ...



# মানৱ

জিতু কলিতা
স্নাতক প্ৰথম বৰ্ষ

মানৱ - মাথোন তিনিটা বৰ্ণ
পৃথিৱীৰ শ্ৰেষ্ঠতম জীৱ মানুহ
শ্ৰেষ্ঠতম প্ৰতিক শিৰত লৈ
হিংসা, সন্ত্ৰাস আৰু হাজাৰ বিভীষিকা হৈ
নিৰবচ্ছিন্ন বাবে চলাই গৈছে ধ্বংস যজ্ঞ
এয়াই হ'ল
জীৱ শ্ৰেষ্ঠ মানৱৰ নিদৰ্শন
মৃত্যুক লৈ খেলিছে ফাকু
নিমিষতে ঠেলি দিয়ে ধ্বংসৰ গৰাহলৈ,
তথাপি খিতাপ পাইছে-জীৱশ্ৰেষ্ঠ।
আজি যদি মানুহে নাভাবে মানুহৰ কথা
নেদেখুৱাই এখানিমান সহানুভূতি
এদিন নিশ্চয় যাব;
ধ্বংসৰ শেষ শয়নলৈ।

# যাত্ৰা

জুনমণি তালুকদাৰ
স্নাতক প্ৰথম বৰ্ষ (কলা)



স্মৃতিৰ দুৱাৰ খুলি
ওলাই অহা পক্ষীটিৰ
বক্তিম অধৰত
এধানিমান শৰতৰ হাঁহি
হাঁহিৰ আলোকত
মোৰ যাত্ৰাৰ আৰম্ভ
যাত্ৰাৰ আধৰুৱা বাটত
সৰি পৰিল
এটি কৰুণ হুমুনিয়াহ।
যাত্ৰাৰ দুৱাৰ দলিতেই যে
গুপ্ত ঘাতকৰ হাতত
গেলি পচি যোৱা এটি মৃতদেহ।
ভেনামাখিয়ে যেন কঢ়িয়ালে
মমতাবিহীন এখন দেশৰ বতৰা
কপৌজাকে কঢ়িয়াই আনে
তেজেধোৱা ব'হাগৰ বতৰা
মৃত্যু মানে জীৱনৰ যৱনিকা নহয়
হত্যা মানে সমস্যাৰ সমাধান নহয়
সেই উপলব্ধিৰে ব'লা আগবাঢ়োঁ
আমি সূৰ্য্য উঠা দেশলৈ।

# অনুভৱ

কহিনুৰ আমিনা
স্নাতক দ্বিতীয় বৰ্ষ

বৰ্তমান মোৰ উশাহতো দুখ
নিশাহতো দুখ
মোৰ চকুৰ আগেৰে
বৈ থাকে ভালপোৱাৰ চিৰন্তন নৈ
বহু বিষন্ন সময়ৰ সোঁৱৰণি
তোমাৰ প্ৰেমৰ ভৰ লৈ
বহুদিন ধৰি আশা কৰি আছোঁ মই
ক'ত থওঁ, ক'ত লওঁ
বুকুভৰা প্ৰেমৰ ভৰ
লৈ আহিলোঁ প্ৰেম
ভৰি পৰা শৰতৰ শেৱালিৰ পাহিত
তুমি সুখী নে ?
বহুবাৰ কলোঁ,
কেতিয়ানো কলোঁ
বেয়া পাওঁ বুলি ?
মই হলে কেতিয়াও নুশুনিলোঁ কোৱা
তোমাক ভাল পাওঁ বুলি !

## নীলা খামৰ চিঠি

মহাবিদ্যালয় সপ্তাহত প্ৰথম পুৰস্কাৰপ্ৰাপ্ত আশ্বিফ চৌধুৰী

My love,

I'm writing this in such a condition which is very difficult to address in this letter. I am in a very awful situation after meeting you this morning. After such a long time and so much waiting I get a chance to meet you. I don't know whether I can wait or not till the end of my life stream but it is sure that you have my belief till the last drop of my blood. When you are far away from me I feel a great agony and have no conciousness of my own work. I don't know how can I keep myself out from this agony. For you I've written a poem but which you may like or not, I don't know :

Open with a smile
Sealed with a kiss
If you are my love
Please answer this
Are you my love or not?
You told me once but I forgot
Of all the people I've ever met
You are the one I won't forget
And if I die, before you do
I'll go to heaven and wait for you.

Your love
'Asif'

# নীলা খামৰ চিঠি

(মহাবিদ্যালয় সপ্তাহত দ্বিতীয় পুৰস্কাৰপ্ৰাপ্ত) অংকুৰ জ্যোতি বৰুৱা

মৰমৰ

পপি,

বুকুৰ সজীৱতাৰে ছন্দোবদ্ধ হোৱা মোৰ সঁচা ভালপোৱাবোৰ গ্ৰহণ কৰিবা। আশা কৰোঁ তোমাৰ ভাল। মোৰ ভালেই। পপি, তুমিতো জানাই শীতৰ গা শাঁত পৰা ঠাণ্ডাদিনবোৰত তোমাৰ কথাকে মনত পৰে সঘনাই। তোমাৰ কথা ভাবি হৃদয় বাগিছা উন্মনা হৈ উঠে। প্ৰেমৰ সুৰভিৰে সতেজ হৈ উঠে জীৱনৰ সেউজ সত্বা। অথচ তুমিতো নুবুজা একোকে। তুলি দিয়া মাথোঁ বুকুৰ কোমল দলিচাত বিষাদৰ উপৰি বিষম। হৃদয়ংগম কৰিব নাজানা ভালপোৱাৰ গভীৰতা কিয় বাৰু? যেতিয়া ৰঙীন আশাৰে মৰম এটোপোলা লৈ তোমাৰ কাষ চাপোঁ তুমি উদাসীন হৈ ৰোৱা, এবুকু ৰ কষ্ট হয় জানা তেতিয়া। আশাৰ পাপৰিবোৰ বেদনাৰ উল্কাৰে ভৰি পৰে। কিয়, ইমান নিদাৰুণ তুমি? মইতো তোমাৰ বাহিৰে আন একোকে ভাবিব নোৱাৰোঁ।

পপি, মই বৈ আছোঁ আজিও তোমাৰ বাবে প্ৰেমৰ সঁচা অনুভূতিবোৰ বুকুৰ মাজত লৈ অধীৰ আগ্ৰহেৰে তোমাৰ বাবে সাঁচি ৰাখিছোঁ ভালপোৱাৰ এপাহি তেজৰঙা গোলাপ। আহিবা চোন এদিন।

মৰমেৰে তোমাৰ

অংকুৰ

# নীলা খামৰ চিঠি

(মহাবিদ্যালয় সপ্তাহত দ্বিতীয় পুৰস্কাৰপ্ৰাপ্ত) গৌতম ডেকা

মৰমৰ সোণ,

মৰম ল'বা' তোমাৰ খবৰ বিচাৰি উৎকণ্ঠিত হয় মন। তুমিতো নাজানা, জানিলেও নোলোৱা মোৰ খবৰ, মাথোঁ এবাৰ যদি অন্তৰলৈ জুমি চালাহেঁতেন, দেখিলাহেঁতেন মোৰ প্ৰেমৰ আকাশত আজিও জোনাক হৈ তুমি আছা, সপোনৰ সমাধিত বহি/নিৰাশাৰ সতে যুঁজি/ভাগৰুৱা পৰাণ/তথাপি অকলে এতিয়াও সাজোঁ জীৱনৰ মায়াবী আবাস/হেঁপাহ বুকুত/পাম তোমাৰ কোমল পৰশ ... ।

তোমাৰ নামেৰে যেতিয়া এটা কবিতা লিখিব বিচাৰো, এটা মিঠা সপোন দেখাৰ কামনা লৈ যেতিয়া বিছনাত বাগৰো বিভা বিভা ভাবনাই নিৰাশ কৰে মোক। তোমাক যিমানে কাষত বিচাৰো সিমানেই তুমি দূৰলৈ যোৱা। কিয় ... ! তুমি এবাৰো না ভাবা মোৰ কথা, কিদৰে জীয়াই আছোঁ ! নিজৰ সত্তাক বিচাৰি নিৰাশ হ'ও ঘনাই চতুৰ্দিশে ব্যৰ্থতাৰ মিশ্ৰিত আবত কি পালোঁ জীৱনত ! দুখ ... ! দুখৰ উপৰি ... দুখ ... সম্ভাবনাৰ ঘৰত এটা বিশাল শূন্য। হতাশাৰ এন্ধাৰত জাহ যাব ধৰা সপোনতোক সান্ত্বনাৰ পোহৰ দি আক কেতিয়ালৈ জ্বলাই ৰাখিম নাজানো সোনা তোমাক ভাল পাবলৈ যোৱাটোৱেই জীৱনৰ আটাইতকৈ ডাঙৰ ভুল নে তাক বাস্তৱিত কৰিবলৈ গৈ নিজক হেৰুৱাই পেলোৱাটো ... ? তিল্ তিলকৈ নিঃশেষ হব ধৰিও আজি এমুঠি আশাৰে পুনৰ বাট চাওঁ, যানোচা মোৰ হৃদয় বাগিচাত কুঁৱলীৰ আবৰণ ফালি, আঘোনৰ সোনালী ৰং সানি তুমি আহা।

প্ৰান্তত তোমাৰ

গৌতম

# নীলা খামৰ চিঠি

(মহাবিদ্যালয় সপ্তাহত দ্বিতীয় পুৰস্কাৰপ্ৰাপ্ত) আব্বাছ উল্লাহ

মৰমৰ বান্ধৱী

নাজ,

জীৱনৰ প্ৰতিটো সুখ দুখৰ লগৰী হোৱা বাবে তোমাক কিদৰে শলাগিম মই ভাবি পোৱা নাই। আজি অকলে বহি থাকোঁতে ভাবিলোঁ হাতত কলমটো তুলি লওঁ আৰু মোৰ জীৱনৰ কিছু কথা তোমাক জনাওঁ। খুবসম্ভৱত যিবিলাক প্ৰশ্নই মোৰ জীৱনটোক ঘূণ পোকৰ দৰে লাহে লাহে খাই শেষ কৰিব ধৰিছে আৰু তাৰে উত্তৰ হয়তো এগৰাকী মোৰ ভাল বান্ধৱী হোৱা বাবে তুমি মোক সঠিক মাৰ্গদৰ্শন কৰিব পাৰিবা বুলি মোৰ দৃঢ়বিশ্বাস।

প্ৰেম কি সেই বিষয়ে জনাৰ আগতেই মোৰ জীৱনত আগমন ঘটিছিল মাজনীৰ। ৰূপে গুনে অনন্যা আৰু শান্ত স্বভাৱৰ হোৱাৰ বাবে প্ৰথম চাউনীতে তাইৰ প্ৰতি মোৰ অন্তৰত হাহাঁকাৰৰ সৃষ্টি হৈছিল। বুকুত সাহস গোটাই এখনি প্ৰেমপত্ৰৰ জৰিয়তে তাইক মোৰ জীৱনৰ প্ৰথম প্ৰেমৰ প্ৰস্তাৱ দিলোঁ। সৌভাগ্যক্ৰমে ভগৱানে মোৰ প্ৰাৰ্থনা শুনিলে আৰু আমাৰ দুয়োৰে মাজত প্ৰেমৰ সুবাস বিয়পিবলৈ আৰম্ভ কৰিলে। যোৱা সাত বছৰে আমাৰ মাজত প্ৰেমৰ বান্ধোন যথেষ্টভাৱে মজবুত হৈছিল কিন্তু আজি চাৰিদিন আগতে তাই মোক জনালে তাই মোক ভাল নাপায় আৰু বিশাল নামৰ ল'ৰা এটাৰ লগত তাইৰ বিয়া। এইষাৰ কথা শুনি মোৰ চকুপানীয়ে নিজৰ গতি ৰখাৰ পৰা নাছিল। মোৰ জীৱনত ইয়াতকৈ আৰু ডাঙৰ আঘটন ঘটা নাই। এতিয়া মই ভাবিছোঁ তাইৰ বাহিৰে অইন কাৰোবে মই হব নোৱাৰোঁ। তোমাৰ উত্তৰৰ বাবে অপেক্ষা কৰিম।

তোমাৰ বন্ধু

আব্বাছ

# নীলা খামৰ চিঠি

মুকুল চৌধুৰী,
স্নাতক দ্বিতীয় বৰ্ষ (কলা শাখা)

মৰমৰ সোণমণি,

আকতো যোৱা নহ'ব তোমাৰ স'তে
পাগলদিয়াৰ ঘাটলৈ'
নাৱৰখেল চাবলৈ'
... তুমি যেতিয়া অইনৰ চাবিৰ তলা।

